## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# নৱজ্যোতি

ত্ৰয়ত্ৰিংশত্ আলোচনী

২০২১-২২ ইং বৰ্ষ




**তত্বাৱধায়কদ্বয়**
সুশীল কুমাৰ সৰকাৰ
ড° নিতু চহৰীয়া

**সম্পাদক**
মেহেৰুল মিঞা

## মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ স্থিৰ চিত্ৰ


















# নৱজ্যোতি

## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

(নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজিৰে প্ৰকাশিত)

NABAJYOTI COLLEGE KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

NABAJYOTI COLLEGE LIBRARY
Estd.-1971
Dist. Barpeta (Assam)
* KALGACHIA *

ত্ৰয়ত্ৰিংশত্ বাৰ্ষিক আলোচনী
২০২১-২২ বৰ্ষ।

শ্ৰদ্ধাৰে / মৰমেৰে,

ড° / শ্ৰী / শ্ৰীমতী........................................................................

..............................................................................................

........................................................ৰ হাতত তুলি দিয়া হ'ল। ধন্যবাদ।

সম্পাদক
মেহেৰুল মিএগ

তত্ত্বাৱধায়কদ্বয়
সুশীল কুমাৰ সৰকাৰ
ড° নিতু চহৰীয়া

33rd Volume of 'Nabajyoti', Session- 2021-22, An Annual Magazine Published by the Editorial Board, Magazine of Nabajyoti College, Kalgachia

## সম্পাদনা সমিতি


সভাপতি : ড° ছাহজাহান আলী আহমেদ, অধ্যক্ষ

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

তত্ত্বাৱধায়কদ্বয় : সুশীল কুমাৰ সৰকাৰ, সহযোগী অধ্যাপক, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।

সম্পাদক : মেহেৰুল মিঞা, আলোচনী বিভাগ।

সদস্য / সদস্যা : মেৰিনা আহমেদ, গ্ৰন্থাগাৰিক, নৱজ্যোতি মহাবিদ্যালয় কেন্দ্ৰীয় পুথিভঁৰাল

আবু ছায়েদ ৰফি, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ।


## কুশলী ব্যক্তিসকল


বেটুপাতৰ পৰিকল্পনা : ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।

বেটুপাত অংকন : আলী আহমেদ, ছাত্ৰ, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

অংগসজ্জা : মমিনুৰ হুছেইন (ৰাতুল)

অক্ষৰ বিন্যাস : আমিৰুল ইছলাম

মুদ্ৰণ : মিলন অফছেট প্ৰেছ, কলগাছিয়া

+91 9957125654


# শ্ৰদ্ধাঞ্জলি



সময় সলনি হয়, বছৰ বাগৰি যায়। বহু কথা সাধুকথাৰ দৰে ৰৈ যায়। সৰাপাত হৈয়ো বহুতে সুবাস বিলাই। যি সুবাসত এটা জাতিয়ে কঁকাল পোনাই । ইং ২০২১-২২ বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা স্বনামধন্য ব্যক্তিসকলক আমি শ্ৰদ্ধাৰে সুৱৰিব খুজিছোঁ। যি সকলৰ স্ব-প্ৰতিভাৰে অসম চিৰ জ্যোতিষ্মান, চিৰসেউজ হৈ ৰ'ব।

সাহিত্য, সংগীত, কলা শিল্প আদি সকলো ক্ষেত্ৰতে এটি এটিকৈ খহি পৰা সেই নক্ষত্ৰৰ সোঁৱৰণীৰ পৰত আমাৰ স্মৃতি পটত ভাঁহি আহিছে - জ্ঞানপীঠ বঁটা বিজয়ী নীলমনি ফুকন দেৱ, অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰথম গৰাকী অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য, অসমৰ সংগীত জগত উকা কৰি থৈ যোৱা কণ্ঠশিল্পী তথা গীতিকাৰ অপূৰ্ব বেজবৰুৱা , সাহিত্য অকাডেমী বঁটা প্ৰাপক, অতুলানন্দ গোস্বামী, অসমৰ বিশিষ্ট শাস্ত্ৰীয় নৃত্য পটিয়সী গৰিমা হাজৰিকা, অসমৰ এগৰাকী অন্যতম লোক সংস্কৃতিবিদ, গৱেষক, অধ্যাপক, লেখক, সম্পাদক প্ৰবীণ চন্দ্ৰ দাস, বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া শ্ৰীমন্ত শংকৰ দেৱ বঁটা প্ৰাপক বশিষ্ঠ দেৱশৰ্মা, অসমীয়া চলচিত্ৰ জগতৰ মহীৰূহ অভিনেতা নিপন গোস্বামী, অসমৰ খ্যাতনামা চিত্ৰশিল্পী অসম সৌৰভ বঁটা বিজয়ী নীলপৱন বৰুৱা আৰু অসমৰ শিক্ষা, সাহিত্য, সংবাদ জগতৰ উজ্জ্বল নক্ষত্ৰ ড° শিৱনাথ বৰ্মন দেৱ।



# অৰ্পণ

নৱজ্যোতি মহাবিদ্যালয়ৰ জন্মকালৰে পৰা বৰ্তমানলৈ যিসকল বিদ্যানুৰাগী তথা সামাজিকভাৱে দায়বদ্ধ ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে নৱজ্যোতি মহাবিদ্যালয়ে আজি গৌৰৱোজ্জ্বল পঞ্চাশটা বছৰ গৰকি জ্ঞানৰ শিখাৰে নতুন প্ৰজন্মক বাট দেখুৱাই আগুৱাই নিছে তেওঁলোক সকলোলৈ নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ এয়ত্ৰিংশত্ সংখ্যাটি আন্তৰিকতাৰে অৰ্পণ কৰিলোঁ।

সম্পাদনা সমিতি
'নৱজ্যোতি'



## সম্পাদনা সমিতিৰ টোকা

আলোচনীখনত
প্ৰকাশিত লিখনিসমূহ লেখক-লেখিকাৰ
নিজা বৌদ্ধিক সৃষ্টিৰ ফচল আৰু মৌলিক বুলি গণ্য
কৰা হৈছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে কিছুমান লিখনিৰ
ওপৰত হাত বুলোৱা হৈছে। যদি কোনোৱে আনৰ লিখনি
সম্পূৰ্ণভাৱে বা আংশিকভাৱে নকল কৰিছে আৰু আমাৰ
অজ্ঞাতে আলোচনীখনত ঠাই পাইছে সেয়া গৰিহণাৰ
যোগ্য। তাৰ বাবে আলোচনীৰ সম্পাদনা সমিতি
দায়ী নহয়। অনিচ্ছাকৃত ভুলৰ বাবে
সম্পাদনা সমিতি সকলোৰে
ওচৰত ক্ষমাপ্ৰাৰ্থী।

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস
আৰু সংস্কৃতি (সংগ্ৰহালয় আৰু
পুথিভঁৰাল সঞ্চালকালয়

ব্লক- বি. তৃতীয় মহলা
জনতা ভৱন, দিছপুৰ
গুৱাহাটী- ৭৮১০০৬
দূৰভাষ- ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



মই জানিবলৈ পাই সুখী হৈছোঁ যে, বৰপেটা জিলাৰ কলগাছিয়া অঞ্চলৰ উচ্চ শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান নৰজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে।

বিশ্ববিখ্যাত দাৰ্শনিক চক্ৰেটিছে কৈছিল, "জ্ঞান হৈছে স্বৰ্গীয় বস্তু, জ্ঞানেই পুণ্য। জ্ঞান থাকিলে মানুহে সুখী হ'ব পাৰে"।

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায় লগতে সৃষ্টিশীল কামত আত্মনিয়োগ কৰাত প্ৰেৰণা যোগায়। মানুহৰ ক্ৰমবিকাশ হৈছে দীৰ্ঘদিন ধৰি শিক্ষাৰ যোগেদি কৰা সুদীৰ্ঘ প্ৰচেষ্টাৰ ফলস্বৰূপ। শিক্ষা আধুনিক সমাজৰ এবিধ মূল আহিলা, কাৰণ অতীতৰ সংস্কৃতি আৰু সভ্যতাক শিক্ষাৰ যোগেদি উপলব্ধি কৰিব পাৰি। বৰ্তমান শিক্ষাৰ পৰিসৰ ইমানেই ব্যাপক যে ই আমাৰ জীৱনৰ প্ৰতিটো কথাকেই স্পৰ্শ কৰে। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত নিৰ্দ্ধাৰণ কৰাত মহাবিদ্যালয় এখনৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আশা কৰো এই আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ গজালি মেলা প্ৰতিভাক বিকশিত হোৱাৰ বাবে এক মাধ্যম হিচাপে কাম কৰিব।

মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনীখনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যত আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

*Abdul Khaleque,* M.A. (DOUBLE)
**Member of Parliament**
6 No. Barpeta Lok Sabha Constituency
MEMBER :
Parliamentary Standing Committee on Social Justice and Empowerment

**Delhi :** B-503, Gomti Appartment, MS Flats
Baba Kharak Singh Marg, New Delhi-110001
**Permanent :** Vill- Bartari, P.O. Chandmama
P.S.- Kalgachia, Dist.- Barpeta (Assam), PIN- 781321
**Email:** makhaleque@yahoo.com
Mobile : +91 7002433353



# শুভেচ্ছা বাণী

ধাৰাবাহিকতা ৰক্ষা কৰি এইবেলিও নৰজ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ তথা প্ৰতিষ্ঠিত সাহিত্য আলোচনী "নৰজ্যোতি" ২০২১-২২ বৰ্ষৰ বাবে প্ৰকাশ হ'ব বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ। নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলৰ এই প্ৰচেষ্টা প্ৰতি বছৰৰ দৰে এইবেলিও শলাগীবলগীয়া।

ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ গৰকা নৰজ্যোতি মহাবিদ্যালয়খন নামনি অসমৰ সংখ্যালঘু ৰাইজৰ হিয়াৰ আমঠু। এটা সময়ত উজনি নামনিৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰিবলৈ আহিছিল। বিগত পঞ্চাছ বছৰে বৃহত্তৰ এই অঞ্চলৰ সামাজিক, অৰ্থনৈতিক আৰু শিক্ষা জগতৰ উত্তৰণৰ ইতিহাস অসমৰ বুকুত সোণালী আখৰেৰে লিখা থাকিব।

মই, আশাবাদী, সমূহ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী সকল আৰু অধ্যক্ষৰ সবল নেতৃত্বত মহাবিদ্যালয়খন সদূৰ ভৱিষ্যতে শিক্ষাৰ উৎকৃষ্ট কেন্দ্ৰ হিচাবে গঢ়ি উঠিব।

এই সাহিত্য আলোচনীখন প্ৰায় চাৰি দহক জুৰি নিয়মিতভাৱে প্ৰকাশ হৈ আহিছে আৰু নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলে সৃষ্টিশীল লিখনিসমূহ ইয়াৰ জৰিয়তে প্ৰকাশ কৰি প্ৰতিভাৰ বিকাশ সাধন কৰি আহিছে। আগলৈ এই ধাৰা অব্যাহত ৰাখিবলৈ মই সকলো পক্ষকে আহবান জনালোঁ। শেষত এই আলোচনীৰ মাজেৰেই সকলোটিলৈ আন্তৰিক শুভেচ্ছা আৰু শুভ কামনা জনালোঁ।

(আব্দুল খালেক)

*Hafiz Dr. Rafiqul Islam*
**Member of Legislative Assembly**
**44 No. Jania, Assam**

सत्यमेव जयते

**Address**
Q/No. Block C-3 Old MLA Hostel
Dispur, Guwahati- 78105
Mobile : +91 9957417250
Email : drr79725@gmail.com



# শুভেচ্ছা বাণী

বৰপেটা জিলাৰ জনীয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত নৱজ্যোতি মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ বছৰেকীয়া আলোচনী প্ৰকাশ কৰিব বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী সকলে গুণগত শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰিও নিজৰ সুপ্ত হৈ থকা সাহিত্য প্ৰতিভা বিকশিত কৰিবলৈ সাহিত্য আলোচনী হৈছে উপযুক্ত মাধ্যম। এনে ধৰণৰ সৃষ্টিশীল সাহিত্য কৰ্মই ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ দিগন্ত প্ৰসাৰিত কৰাৰ উপৰিও নিজকে এজন সংযত, সত্যবাদী, সুৰুচিপূৰ্ণ আৰু বিনয়ী নাগৰিক হিচাবে গঢ়িব পাৰে। সাহিত্য আলোচনী "নৱজ্যোতি"য়ে ছাত্ৰ-ছাত্ৰী সকলক সাহিত্য চৰ্চা কৰাৰ সুবিধা দিয়াৰ উপৰিও বিদ্যায়তনিক দিশত অনুপ্ৰেৰণা যোগাব বুলি মই আশাবাদী।

সদৌ শেষত ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।

ড° হাফিজ ৰফিকুল ইছলাম
বিধায়ক,
৪৪ নং জনীয়া বিধান সভা সমষ্টি

Rafiqul Islam
MLA
44 Jania LAC

**Ainul Haque,** IPS (Rtd.)
President, Governing Body
Nabajyoti College, Kalgachia
Dist- Barpeta (Assam)



# MESSAGE

*I am gratified to know that, Nabajyoti College, Kalgachia is going to publish its 33rd edition of College Magazine "Nabajyoti" for the session-2021-22 very soon. I am very thankful for the co-operation and efforts of the team for bringing out the Magazine. I think, the Magazine will help a lot to promote the literary instinct of the students as well as the teaching community of the society.*

*I hope that the Magazine will reflect the different aspects of the society which will mentor the students to be the good citizens of the country.*

*I wish, all the teaching / non teaching staff and the students of the college, who have involved themseleves in bringing out the Magazine, for their greater success in future.*

With regards-

Ainul Haque, IPS (Rtd.)
President, Governing Body
Nabajyoti College, Kalgachia
Dist- Barpeta (Assam)

**OFFICE OF THE PRINCIPAL**

# NABAJYOTI COLLEGE, KALGACHIA

P.O.- Kalgachia :: Dist.- Barpeta (Assam) :: PIN.-781319

Estd.- 1971

From

**Dr. Shahjahan Ali Ahmed**
M.A. M.Phil., Ph.D.
Principal / Secretary

Ph- 0366 284422 (O)
99540- 90780 (M)
Email: nabajyoticollege@gmail.com
shahjahan_max@yahoo.co.in

*Memo No.-*

*Date-*



## অধ্যক্ষৰ মেজৰ পৰা.....



ন-সূৰযৰ ৰাঙলী আভাই যিদৰে আশাৰ বতৰা কঢ়িয়াই আনে, তেনেদৰে কলগাছিয়াৰ ৰাইজৰ হিয়াৰ আমঠু নৱজ্যোতি মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা জ্ঞান শিখাৰে চৌদিশ পোহৰাই সংখ্যালঘু অধ্যুষিত বৃহত্তৰ কলগাছিয়া অঞ্চলৰ নৱপ্ৰজন্মক উচ্চ শিক্ষাৰ বাট কাটি আগুৱাই যাবলৈ প্ৰেৰণা দি আহিছে। অইন অইন বছৰৰ দৰে এইবেলি বহু পলমকৈ হ'লেও ২০২১-২২ ইংৰাজী বৰ্ষৰ বাবে মহাবিদ্যালয়খনৰ মুখপত্ৰ স্বৰূপ সাহিত্য আলোচনী "নৱজ্যোতি"ৰ প্ৰকাশৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে বুলি জানি আনন্দিত হৈছোঁ। বিগত প্ৰায় দুবছৰ ধৰি পৃথিৱী জুৰি বিয়পা কোভিড মহামাৰীৰ ধাম-খুমীয়াত মানুহৰ জীৱন জীৱিকা বিধ্বস্ত প্ৰায় হৈছিল। আমি বহুতে হয়তো আমাৰ আপোনজনক হেৰুৱালোঁ। কৰোণা ভাইৰাছৰ সংক্ৰমণ আৰু সন্ত্ৰাসে পৃথিৱীৰ প্ৰতিটো প্ৰান্তৰ দৰে বৃহত্তৰ কলগাছিয়া অঞ্চলকো স্পৰ্শ কৰিলে। নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিদ্যায়তনিক অভ্যাসনবোৰৰ লগতে সাহিত্য তথা সংগীত চৰ্চ্চা, ক্ৰীড়া অনুশীলন আদি সৃষ্টিশীল কৰ্মবোৰো বহুলাংশে বাধাগ্ৰস্ত হ'ল। আনকি সোণালী জয়ন্তীবৰ্ষ উদ্‌যাপনৰ দৰে মহাবিদ্যালয়খনিৰ অতি গুৰুত্বপূৰ্ণ আয়োজনতো বাধা আহি পৰিল। এনেদৰে মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ মনন আৰু সৃজনক তচনচ কৰি যোৱা কোভিড মহামাৰীৰ উপৰ্য্যুপৰি লহৰবোৰে আমাক বহু কথা শিকালে আৰু সকিয়ালেও। এয়াই হয়তো ইয়াৰ ইতিবাচক দিশ। তথাপিও ধোঁৱা জুই ছাইৰ ধ্বংসৰস্তূপৰ পৰা প্ৰাণ পাই উঠি ডেউকা কোবাই উৰি যোৱা গ্ৰীচ ৰূপকথাৰ সেই ফিনিক্স চৰাইজনীৰ দৰে আমাৰ আশা আৰু উদ্যমবোৰ যেন পুনৰ প্ৰাণ পাই উঠিছে। আমি প্ৰত্যক্ষ কৰিছোঁ, ছাত্ৰ-ছাত্ৰী শিক্ষক, অভিভাৱক, কৰ্মচাৰীবৃন্দৰ প্ৰাণৱন্ত পদক্ষেপে মহাবিদ্যালয়খনিৰ কোভিড সৃষ্ট স্থৱিৰতাক আজি সমুলাংশে নোহোৱা কৰিছে। এনে নতুন প্ৰেৰণাৰ সুবাদতে, ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল লিখনিৰাজিৰে সমৃদ্ধ হৈ পলমকৈ হ'লেও সাহিত্য আলোচনী "নৱজ্যোতি" প্ৰকাশৰ বাবে সাজু হৈছে। এয়া আমাৰ বাবে এক গৌৰৱৰ বিষয় বুলি ব্যক্তিগতভাৱে মই অনুভৱ কৰো।

এখন সাহিত্য আলোচনীৰ নিৰ্মিতি আৰু জন্ম-যন্ত্ৰণাৰ নেপথ্যত থাকে উদ্যোক্তা সকলৰ বিৰামহীন শ্ৰম আৰু সাহিত্যনুৰাগী লেখক-লেখিকা সকলৰ অনবদ্য লিখনিসমূহ। এনে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাসকল, বিভাগীয় তত্বাৱধায়ক প্ৰমুখ্যে সম্পাদনা সমিতিৰ সদস্য সমূহ, অইন অইন কুশলী ব্যক্তি সমূহ, যিসকলৰ সন্মিলিত প্ৰচেষ্টাত "নৱজ্যোতি" আজি প্ৰকাশিত হ'ব ওলাইছে সেই সদৌটিলৈ মই মোৰ হিয়াভৰা অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত মহাবিদ্যালয়ৰ এই বৰ্ষৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ মানসিক দিগন্ত প্ৰসাৰিত কৰাত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

(ড° এছ. এ. আহমেদ)
অধ্যক্ষ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

## সম্পাদকীয়



বৰ্তমান সমাজ যিমানে উন্নতিৰ দিশে ধাৱমান নহওঁক কিয়, ই সমানে ধ্বংসৰ মুখলৈও গতি কৰিছে। মানৱ সমাজে ক্ৰমান্বয়ে হেৰুৱাব ধৰিছে বিশ্বাস, দয়া-মমতা, মৰম-সহানুভূতি। সমাজৰ ধ্বংসমূখী প্ৰবাহে নতুন প্ৰজন্মক উটুৱাই নিব ধৰিছে। মিছা অভিজাত্যৰ কাল গৰাহত পৰি বহুতেই হেৰুৱাইছে চিন্তা শক্তি। বিশ্বৰ অগ্ৰগামী দেশসমূহে যিসময়ত মহাকাশত মানুহৰ বাসস্থানৰ কথা চিন্তা কৰিছে সেই সময়ত আমাৰ নিচিনাবোৰে ক্ষুদ্ৰ স্বাৰ্থৰ হেতু সকলো বিসৰ্জন দিছোঁ। আমি হৈ পৰিছো আত্মকেন্দ্ৰিক। অনিশ্চিত ভৱিষ্যতে আমাক গ্ৰাস কৰিব ধৰিছে। ইয়াৰ কবলৰ পৰা মুক্ত হ'বলৈ প্ৰথমতে আমাৰ নিজৰ ওপৰত বিশ্বাস থাকিব লাগিব। নহ'লে কোন মুহুৰ্তত আমাৰ অস্তিত্ব সংকটাপন্ন হয় তাৰ ঠিকনা নাই।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মহাবিদ্যালয়ৰ বাবে এক অবিচ্ছেদ্য অংগৰ দৰে; কিয়নো মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ বৌদ্ধিক উত্তৰণ ঘটোৱাত তথা দাপোনৰ দৰে মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি দাঙি ধৰাত আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ছেগতে যিসকল মহান দূৰদৰ্শী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম, ত্যাগ, অৰিহণা আৰু আশাশুধীয়া প্ৰয়াসৰ ফলশ্ৰুতিত সংখ্যালঘু অধ্যুষিত কলগাছিয়াৰ নিচিনা পিছপৰা অঞ্চলত নৱজ্যোতি মহাবিদ্যালয়খ গঢ় লৈ উঠিছে সেই সকল স্বনাম ধন্য ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেই ব্যক্তিসকলৰ ভিতৰত যিসকল আমাজৰ মাজত জীয়াই আছে সেইসকল ব্যক্তিৰ দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু যিসকলে এই সংসাৰৰ পৰা চিৰ বিদায় লৈছে সেই সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

যিসকল বন্ধু বান্ধৱী, দাদা-বাইদেউ, ভাইটি, ভন্টিৰ অশেষ প্ৰচেষ্টা আৰু সহযোগিতাৰ ফলত মই নৱজ্যোতি মহাবিদ্যালয়ৰ ইং ২০২১-২২ বৰ্ষৰ আলোচনী সম্পাদকৰ পদ অলংকৃত কৰিব পাৰিছো তেখেতসকললৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছোঁ। বিশেষকৈ আৰবী, গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলে মোক কৰা সহায়-সহযোগিতা তথা সকলো সময়তে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে তেখেত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতি বছৰৰ দৰে এই বেলিও 'নৱজ্যোতি মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ অধীনত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশ গ্ৰহণ আছিল লেখতল'বলগীয়া। এই প্ৰতিযোগিতাসমূহৰ জৰিয়তে গম পোৱা যায় যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছে। যিয়েই নহওঁক যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক আৰু যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে বিচাৰকৰ আসন অলংকৃত কৰি মোক কৃতাৰ্থ কৰিছিল তেখেত সকলক মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই প্ৰতিযোগিতাসমূহৰ উপৰিও 'মহাবিদ্যালয় সপ্তাহ' উদযাপনৰ সময়তে প্ৰাচীৰ পত্ৰিকাখন সফলভাৱে উন্মোচন কৰা হয়। এই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰাৰ ক্ষেত্ৰত তত্বাৱধায়িকা ড° নিতু চহৰীয়া বাইদেউৰ লগতে ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰী ছেহনাজ, চেমিনা ইয়াচমিন, আমিনা খাতুন, ৰফিকুল্লাহ ছিদ্দিক আদি বিভিন্ন ধৰণৰ সহায়-সহযোগিতা সদায়েই মনত থাকিব। এই ছেগতে তেখেতসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এইবাৰো মই 'ইভেন্ট মেগাজিন'খনো প্ৰকাশ কৰিবলৈ সক্ষম হৈছোঁ। মহাবিদ্যালয়ৰ বিভিন্ন কৃতিত্ব তথা অনুষ্ঠান আদিৰ আলোক চিত্ৰ এই মেগাজিনখনত দিয়া হৈছে। VIBGYOR শীৰ্ষক এই ইভেন্ট মেগাজিনখন প্ৰকাশ আলোচনী বিভাগৰ

তত্বাৱধায়িকাদ্বয়ৰ পৰামৰ্শৰে প্ৰকাশ পাইছে। তেখেত সকলৰ সহায়-সহযোগিতা মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নৱজ্যোতি' প্ৰকাশৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীয়ে তেখেত সকলৰ স্বৰচিত কবিতা / চুটিগল্প / চিন্তাশীল প্ৰবন্ধ ইত্যাদি মোৰ হাতত জমা দিছিল তেখেত সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লিখনিৰ জৰিয়তে বৌদ্ধিক চিন্তা তথা সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিছে। সকলো ছাত্ৰ-ছাত্ৰীৰ লিখনিবোৰ অতি আকৰ্ষণীয় কিন্তু হয়তো কিছুমান লিখনি আলোচনীত প্ৰকাশ পোৱা নাই। যিসকল ছাত্ৰ-ছাত্ৰীৰ লিখনি প্ৰকাশ পোৱা নাই তেখেত সকলৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী।

আলোচনী প্ৰকাশৰ ক্ষেত্ৰত সৎ উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তত্বাৱধায়কদ্বয় সুশীল কুমাৰ সৰকাৰ ছাৰ আৰু ড° নিতু চহৰীয়া বাইদেউৰ লগতে সম্পাদনী সমিতিৰ সমূহ সদস্য-সদস্যাকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মাননীয় অধ্যক্ষ ড০ ছাহজাহান আলী আহমেদ ছাৰে যি সৎ পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়াইছিল তাৰ বাবে মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুলবোৰৰ শুধৰণি, ক্ষমা-প্ৰাৰ্থনা আৰু আশীৰ্বাদ বিচাৰি, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষৎ কামনা কৰি আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ ভৱিষ্যৎ জীৱনৰ বাবে আশীৰ্বাদ বিচাৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয়তু নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।
জয় আই অসম

ধন্যবাদেৰে-
**মেহেৰুল মিঞা**
সম্পাদক, আলোচনী বিভাগ
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।




**কৰ্মৰত অৱস্থাত ড° ছাহজাহান আলী আহমেদ**
**অধ্যক্ষ**
**নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া**




আলোচনী সম্পাদনা সমিতি, ইংৰাজী ২০২১-২২ বৰ্ষ

বাওঁফালৰ পৰা ক্ৰমে ঃ গ্ৰন্থাগাৰিক ৰেবিনা আহমেদ (সদস্যা), অধ্যাপিকা ড° নিতু চহৰীয়া (তত্ত্বাৱধায়িকা),
ড° ছাহজাহান আলী আহমেদ (অধ্যক্ষ, সভাপতি) অধ্যাপক সুশীল কুমাৰ সৰকাৰ (তত্ত্বাৱধায়ক),
অধ্যাপক আবু ছাঈদ ৰফি (সদস্য), মেহেবুল মিঞা (আলোচনী সম্পাদক)

# নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ দ্বাৰা ২০২১-২২ ইং বৰ্ষত প্ৰকাশিত গ্ৰন্থৰ একাংশ


















# নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ দ্বাৰা ২০২১-২২ ইং বৰ্ষত প্ৰকাশিত গ্ৰন্থৰ একাংশ



















## "নৱজ্যোতি"ৰ পাতে পাতে......

### অসমীয়া শিতান

**প্ৰবন্ধ সম্ভাৰঃ**


| | | |
|---|---|---|
| ঃ কলগাছিয়াস্থ নৱজ্যোতি মহাবিদ্যালয় শিক্ষাৰ পোহৰ বিলোৱা উজ্জ্বল এগছি বন্তি | ➪ এম. মোজাম্মেল হুছেইন | ০১ |
| ঃ জনসংস্কৃতিত নাৰীৰ ভূমিকা ঃ এটি চমু আলোচনা | ➪ ড° ঘনশ্যাম ভৰালী | ০৫ |
| ঃ পৰিৱেশ প্ৰদূষণ আৰু মানৱৰ ভৱিষ্যৎ | ➪ ড° এম.এছ. শ্বেইখ | ১০ |
| ঃ নাৰী অধিকাৰ আৰু মৰ্য্যাদা | ➪ আব্দুল ওৱাহাব সৰকাৰ | ১৫ |
| ঃ প্ৰসঙ্গ ঃ আত্ম সমালোচনা কলেজ শিক্ষকৰ পদমৰ্য্যদা, কৰ্ম-সংস্কৃতি আৰু বেতন ইত্যাদি | ➪ এ. কুদ্দুচ | ১৭ |
| ঃ বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰৰ সনাতন ঐতিহ্য আৰু নৈসৰ্গিক শোভা ঃ পৰ্য্যটন ক্ষেত্ৰত ইয়াৰ সম্ভাৱনা আৰু গুৰুত্ব | ➪ ড° ধ্ৰুৱজ্যোতি দাস | ২০ |
| ঃ সমাজ সংগঠক শ্ৰীমন্ত শংকৰদেৱ | ➪ ড° নিতু চহৰীয়া | ২৪ |
| ঃ সূৰ্য ঃ এক শক্তি | ➪ ড° মালবিকা বাগ্‌লাৰী | ২৭ |
| ঃ ছাত্ৰ শিক্ষকৰ সম্পৰ্ক ঐতিহ্য আৰু বিৱৰ্তন | ➪ মোস্তাফিজুৰ ৰহমান | ৩০ |
| ঃ শৈশৱ, কৈশোৰ, যৌৱন আৰু নোমোফ'বিয়া | ➪ শামচুল আলম | ৩৩ |
| ঃ আৰবী ভাষাৰ উৎপত্তি আৰু বিকাশ | ➪ ড° ইমৰুল হুছেইন | ৩৬ |
| ঃ ড° ভূপেন হাজৰিকাৰ গীতত মানৱীয় দৰদ ঃ এটি বিশ্লেষণাত্মক চমু অৱলোকন | ➪ নয়নমণি দেৱী | ৩৭ |
| ঃ মিচিং বয়ন শিল্পত বিশ্বায়ন আৰু আধুনিকীকৰণৰ প্ৰভাৱ | ➪ মেঘালী মৰাং | ৪১ |
| ঃ বাল্য বিবাহ আৰু ইয়াৰ প্ৰতিৰোধ আইন- এক চমু অৱলোকন | ➪ নাছিৰ উদ্দিন | ৪৪ |
| ঃ স্মাৰ্টফোন (এক পৰ্যালোচনা) | ➪ মীৰ ৰবিউল আউৱাল | ৪৬ |
| ঃ বৰপেটাৰ ফাকুৱা উৎসৱ আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশ | ➪ মোঃ শ্বফিকুল ইছলাম | ৪৭ |
| ঃ বিজ্ঞান অন্ধ-বিশ্বাসৰ উৰ্ধত | ➪ ইকবাল খান | ৫০ |
| ঃ মোবাইল | ➪ আছাদ আলী | ৫২ |
| ঃ ছাত্ৰৰ কৰ্তব্য | ➪ ছিলিমা খাতুন | ৫৩ |
| ঃ দেৱালী | ➪ ছফিকুল ইছলাম | ৫৪ |
| ঃ সাহিত্যৰ অন্যতম অংগ মৌখিক সাহিত্য | ➪ আৰ্জিনা ৰেহমান | ৫৫ |
| ঃ নৱপ্ৰজন্ম আৰু মোবাইল ফোন | ➪ হাচিনা খাতুন | ৫৬ |
| ঃ অসমৰ গামোচা | ➪ পিয়াৰ মোশাৰফ শিৰাজী | ৫৭ |

| | | |
|---|---|---|
| ঃ জাপি | ➪ ছানিদুল ইছলাম | ৫৮ |
| ঃ শবাই | ➪ মজিম আলী | ৫৯ |


## গল্প সফুঁৰাঃ


| | | |
|---|---|---|
| ঃ মানৱী | ➪ ৰৌছানাৰা আখতাৰ | ৬১ |
| ঃ অনুগল্প ঃ সু-পুত্ৰ | ➪ মিৰ ৰবিউল আউৱাল | ৬৪ |
| ঃ ৰস ৰচনা ঃ পানী | ➪ শাজাহান আলী | ৬৪ |
| ঃ মকৰা আৰু পইতাচোৰা | ➪ শাজাহান আলী | ৬৪ |


## কবিতা কুঞ্জঃ


| | | |
|---|---|---|
| ঃ ডৰিয়লি সুখ | ➪ ৰৌছানাৰা আখতাৰ | ৬৬ |
| ঃ সোণসেৰীয়া অতীত মোৰ | ➪ ছৈয়দা হামিদা খাতুন | ৬৭ |
| ঃ বিদ্যা মন্দিৰ | ➪ শ্বাহানাজ চৌধুৰী | ৬৮ |
| ঃ কৰোণা | ➪ আৰজুমা খাতুন | ৬৮ |
| ঃ মোৰ তুলিকা | ➪ আলী আহমেদ | ৬৯ |
| ঃ জন্ম আৰু মৃত্যু | ➪ আৰিফুল ইছলাম | ৭০ |
| ঃ মোৰ বিদ্যা | ➪ মিজানুৰ ৰহমান | ৭০ |
| ঃ সৰ্বনাশী বেঁকী নদী | ➪ শাহানাজ চুলতানা | ৭১ |
| ঃ ব্যৰ্থ প্ৰেম | ➪ ৰেজিয়া পাৰবিন | ৭২ |
| ঃ প্ৰেম | ➪ ছামিনা ইয়াছমিন | ৭২ |
| ঃ ক'বলৈ বহুত আছিল | ➪ ইয়াছমিনা খাতুন | ৭৩ |
| ঃ কল্পনা | ➪ ইয়াছমিনা খাতুন | ৭৩ |
| ঃ সপোন | ➪ ছামিনা ইয়াছমিন | ৭৪ |
| ঃ স্মৃতি | ➪ শ্বাহানাজ আক্তাৰ | ৭৪ |
| ঃ মোৰ হাবিয়াস | ➪ মাফ্লুজা খাতুন | ৭৫ |
| ঃ অঘৰী জীৱনৰ কাহিনী | ➪ ৰুফেদা খাতুন | ৭৫ |
| ঃ নাৰী নিৰ্যাতন | ➪ খাজা দিলৱাৰা আহমেদ | ৭৬ |
| ঃ অকলশৰীয়া | ➪ আৰ্জিনা ৰেহমান | ৭৬ |
| ঃ বন্ধু তোমালৈ মনত পৰিছে | ➪ দেলোৱাৰ হুছাইন | ৭৬ |
| ঃ এখন চিঠি | ➪ নুৰ আলম | ৭৭ |
| ঃ দেশপ্ৰেম | ➪ আব্বাছ আলী | ৭৮ |
| ঃ প্ৰিয় বান্ধৱী | ➪ আকলিমা খানম | ৭৯ |
| ঃ জীৱন কি? | ➪ সঞ্জয় আৰ্য | ৭৯ |
| ঃ কৰোণা | ➪ শাজাহান আলী | ৮০ |
| ঃ শিক্ষাৰ কিৰণ | ➪ মোঃ আখিৰুল ইছলাম আহমেদ | ৮০ |
| ঃ শ্বহীদ | ➪ নাজমিনা খাতুন | ৮১ |
| ঃ বেদনা | ➪ ইকবাল খান | ৮১ |
| ঃ সপোন বাটে যাওঁ ব'লা | ➪ ছেলিনা আকতাৰা | ৮২ |
| ঃ মৰমৰ মা | ➪ মামনি আকতাৰ | ৮২ |
| ঃ মা | ➪ ছেলিনা আকতাৰ | ৮৩ |
| ঃ মোৰ দেশ ভাল | ➪ মোছমিনাছ জামান | ৮৩ |
| ঃ নদীৰ পাৰৰ সেই মুহূৰ্ত | ➪ আছিয়া পাৰবিন | ৮৪ |
| ঃ নৱ-প্ৰজন্ম | ➪ ছুৰুত হাছান জাহাংগীৰ | ৮৫ |
| ঃ জীৱন | ➪ মুনজুৰাৰা খাতুন | ৮৬ |
| ঃ দেউতা | ➪ ছিলিমা খাতুন | ৮৬ |
| ঃ আই - পিতাই | ➪ ইনিয়াৰা খাতুন | ৮৭ |


## ENGLISH SECTION

### PROSE:


| | | |
|---|---|---|
| : Communication Skill : Role of Body Language in Communication | ➪ Masud Hassan | ৮৯ |
| : How to be a Better Student | ➪ Dr. Kakali Hazarika | ৯০ |
| : Study of the Glance of National Educational Policy 2020 | ➪ Imran Hussain | ৯৩ |
| : The Hare and the Tortoise- 2 | ➪ Pritam Dey Sarkar | ৯৮ |
| : The First Modern Man of India : Raja Ram Mohan Roy | ➪ Nafisa Younis | ১০০ |
| : Hard Work : Key to Success | ➪ Salma Zahan | ১০২ |
| : Significance and Importance of Education | ➪ Asia Parbin | ১০৩ |


### POEM:


| | | |
|---|---|---|
| : Loss in Humanity | ➪ Kaberi Sonowal | ১০৫ |
| : Open a Book | ➪ Salma Zahan | ১০৫ |
| : Real Love | ➪ Shamima Rahman | ১০৫ |
| : I Dreamt A Dream | ➪ Asia Parbin | ১০৬ |


## বিভাগীয় সম্পাদকীয় প্ৰতিবেদন


| | |
|---|---|
| সভাপতিৰ প্ৰতিবেদন | ১০৮ |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ১০৯ |
| সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন | ১১০ |
| তৰ্ক আৰু সুকুমাৰ কলা সম্পাদকৰ প্ৰতিবেদন | ১১১ |
| গুৰু খেল সম্পাদকৰ প্ৰতিবেদন | ১১২ |
| লঘু খেল সম্পাদকৰ প্ৰতিবেদন | ১১৩ |
| সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন | ১১৪ |
| সংগীত আৰু সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন | ১১৫ |
| শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন | ১১৬ |
| ছাত্ৰী জিৰণিকোঠা সম্পাদিকাৰ প্ৰতিবেদন | ১১৭ |
| ছাত্ৰ জিৰণিকোঠা সম্পাদকৰ প্ৰতিবেদন | ১১৮ |
| Editors & Editress of "Nabajyoti" | ১১৯ |

## অসমীয়া শিতান

# প্ৰবন্ধ সম্ভাৰ-



# কলগাছিয়াস্থ নৱজ্যোতি মহাবিদ্যালয় শিক্ষাৰ পোহৰ বিলোৱা উজ্জ্বল এগছি বন্তি

**এম. মোজাম্মেল হুছেইন**
অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ,
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

শিক্ষাই মানুহক জ্ঞান দান কৰে আৰু পূৰ্ণ মানুহ হিচাবে গঢ়ি তোলাত সহায় কৰে। সেয়ে, আদিম যুগৰ পৰাই শিক্ষাৰ জৰিয়তে জ্ঞান আহৰণৰ অবিৰত যাত্ৰা আজিও চলি আছে। গুৰু-গৃহৰ পৰা শিক্ষাৰ জৰিয়তে জ্ঞান অন্বেষণৰ যাত্ৰা আৰম্ভ হৈ আনুষ্ঠানিক শিক্ষাৰ স্তৰ পাবলৈ মাজতে বহু বছৰ পাৰ হৈ গৈছে। মানুহৰ জ্ঞান লাভৰ স্পৃহা আৰু পৃথিৱীৰ অজানা ৰহস্যময় দিশ উৎঘাটনৰ প্ৰচেষ্টা ক্ৰমান্বয়ে তীব্ৰতৰ হৈছে। জ্ঞান আহৰণৰ এই যাত্ৰাত চহৰ অঞ্চল সমূহ প্ৰথমে শিক্ষা গ্ৰহণৰ কেন্দ্ৰৰূপে গঢ়ি উঠিল। ধনাঢ্য শ্ৰেণীৰ ল'ৰা-ছোৱালী বিলাকে তাৰ সম্পূৰ্ণ সুবিধা পালে, কিন্তু গাৱঁৰ দুখীয়া-দৰিদ্ৰ শ্ৰেণীৰ ল'ৰা ছোৱালীবোৰে তাৰ পৰা বঞ্চিত হ'ল। বৃটিছৰ শাসন-কালত ভাৰত বৰ্যত চহৰ কেন্দ্ৰিক শিক্ষা ব্যৱস্থা গঢ়ি উঠাত প্ৰাধান্য পালে। কিন্তু, দেশে স্বাধীনতা প্ৰাপ্তিৰ পৰাই ভাৰতীয় মানুহৰ দ্বাৰা গণতান্ত্ৰিক পদ্ধতিত গঠিত চৰকাৰৰ জনমুখী-শিক্ষা নীতিয়ে গ্ৰাম্য অঞ্চলত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰতাই বিশেষ গুৰুত্ব লাভ কৰিলে। গ্ৰাম্য অঞ্চলত প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ শিক্ষানুষ্ঠান স্থাপনৰ উদ্যোগ সাধাৰণ শ্ৰেণীৰ ৰাইজেও ল'বলৈ আগবাঢ়ি আহিল। গ্ৰাম্য অঞ্চলত শিক্ষাৰ নৱজাগৰণৰ ঢৌৱে অসমকো চুবলৈ ধৰিলে। অসমৰ অইন অইন অঞ্চলৰ লগতে কলগাছিয়া অঞ্চলতো তাৰ প্ৰভাৱ পৰিল। প্ৰায় এশ বছৰ আগতে অবিভক্ত ভাৰতৰ পূৰ্ববঙ্গ প্ৰদেশৰ দৰিদ্ৰ শ্ৰেণীৰ কৃষিজীৱি। মানুহ বিলাক অসমলৈ প্ৰব্ৰজন কৰি ইয়াত স্থায়ী ভাবে বসবাস কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ এটা চামে কলগাছিয়া অঞ্চলতো বসতি লৈছিল। কিন্তু, আৰ্থিক অনাটনৰ উপৰিও তেওঁলোক শিক্ষাত অতি পিচ পৰা আছিল। আনকি, তেওঁলোকে বসতি কৰা অঞ্চল সমূহত প্ৰাথমিক শিক্ষানুষ্ঠানও নাছিল। সেয়ে, ১৯০১ চনৰ পৰাই অসমৰ বিভিন্ন ঠাইৰ পূৰ্ববঙ্গীয় মূল অধ্যুষিত গ্ৰাম্য অঞ্চলৰ লগতে কলগাছিয়া অঞ্চলতো অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান স্থাপনৰ উদ্যোগ লোৱা পৰিলক্ষিত হয়। এই প্ৰচেষ্টাৰ অংশ হিচাবে ১৯৩৩ চনত কলগাছিয়া গাঁৱত স্থাপিত কলগাছিয়া প্ৰাথমিক বিদ্যালয়ৰ শুভাৰম্ভ হৈছিল উক্ত গাঁৱৰ হাজী ইছমাইল মণ্ডলৰ চ'ৰা ঘৰত, যিখন বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল আলহাজ সিৰাজ উদ্দিন আহমদ। পৰবৰ্তী সময়ত, ১৯৬১ চনত কলগাছিয়া গাঁৱত অসমীয়া মাধ্যমৰ এখন এম.ই স্কুল আৰু ১৯৭৫ চনত কৃষ্ণ কান্ত পাঠক (কে.কে. পাঠক) হাইস্কুলখন স্থাপিত হয়। উল্লেখযোগ্য যে, কলগাছিয়াত নৱজ্যোতি মহাবিদ্যালয়খন স্থাপনৰ কেবা বছৰ পিছত উক্ত বিদ্যালয়খন স্থাপিত হৈছে। ইয়াৰ আগতে কলগাছিয়াৰ নিকটৱৰ্তী বৰ্তমান বঙ্গাইগাঁও জিলাৰ চাকলা গাঁৱত ১৯২২ চনত অসমীয়া মাধ্যমৰ ১৬৮ নং চাকলা নিম্ন বুনিয়াদী (প্ৰাথমিক বিদ্যালংয়খন স্থাপিত হৈছে, যিখন বিদ্যালয়ৰ শতবৰ্ষ উৎযাপনৰ বছৰজোৰা কাৰ্য্যসূচী এই বছৰ অৰ্থাৎ ২০২২ চনত অতি উলহ মালহেৰে পালন কৰা হৈছে। উক্ত গাঁৱত ১৯৩৫ চনত চাকলা এম.ই মাদ্ৰাছা আৰু ১৯৪৫ চনত চাকলা উচ্চ মাধ্যমিক বিদ্যালয়খন (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) স্থাপন হোৱাত পূৰ্ববঙ্গীয় মূলৰ জনগোষ্ঠীৰ মানুহৰ মাজত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা বিস্তাৰত যথেষ্ট সহায় হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব বিচাৰিছোঁ যে বৃটিছ শাসনৰ দিনৰ পৰাই কলগাছিয়া গাঁৱত কেবাশ অসমীয়া হিন্দু পৰিয়ালৰ মানুহ স্থানীয় মুছলমান সম্প্ৰদায়ৰ মানুহৰ লগত সম্প্ৰীতিৰে স্থায়ী ভাবে বসবাস কৰি আছিল। বহু খেতি মাটি থকা কলগাছিয়াত বসবাস কৰা অসমীয়া হিন্দু পৰিয়ালৰ ভিতৰত সেই সময়ৰ ৰূপসী মৌজাৰ মৌজাদাৰ তথা অসমীয়া বোলছবিৰ

জনপ্ৰিয় অভিনেতা ৰাজেন দাস, বিশিষ্ট সমাজকৰ্মী বসন্ত কুমাৰ পাঠক উক্ত গাঁৱত স্থায়ী ভাবে বসতি কৰিছিল। ১৮৯৮ চনত সংঘটিত বৰভূইকঁপৰ সময়ত কলগাছিয়া অঞ্চলৰ বহু ঠাইত দ-খাৰৈ, জলাশয় আদিৰ সৃষ্টি হোৱাত এই অঞ্চল সমূহত প্ৰতি বছৰে হোৱা বানপানীত ডুব গৈছিল। তদুপৰি, ক'লা জ্বৰ, মেলেৰীয়া আদিকে বিভিন্ন বেমাৰ-আজাৰৰ ভয়াবহ উপদ্ৰপত অসমীয়া হিন্দু পৰিয়ালৰ মানুহবিলাকে এই ঠাই লাহে লাহে ত্যাগ কৰি সুবিধাজনক বৰনগৰ, বৰপেটা চহৰ আদি অঞ্চললৈ স্থানান্তৰিত হৈছিল ।

কলগাছিয়াত বসবাস কৰা হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ইতিহাস-বিজড়িত স্মৃতি ৰক্ষাৰ্থে স্থানীয় মুছলমান সকলৰ উদ্যোগত ১৯৭৫ চনত শ্ৰীযুত বসন্ত কুমাৰ পাঠকৰ স্বৰ্গীয় পিতৃ শ্ৰীযুত কৃষ্ণকান্ত পাঠকৰ নামত কৃষ্ণকান্ত পাঠক (কে.কে পাঠক) উচ্চ মাধ্যমিক বিদ্যালয়খন (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) স্থাপন কৰা হয়। উল্লেখযোগ্য যে, বসন্ত কুমাৰ পাঠকে উক্ত বিদ্যালয়ৰ কাৰণে কলগাছিয়াত অৱস্থিত ছয় বিঘা দুই কঠা দহ লেছা তেওঁৰ ম্যায়াদী পট্টাৰ মাটিৰ লগতে পঞ্চাশ হেজাৰ নগদ টকা দান দি শিক্ষানুষ্ঠানখন স্থাপনত সহায় কৰিছিল। তেওঁৰ দানকৃত মাটিত উক্ত বিদ্যালয়খন বৰ্তমানে অৱস্থিত।

ঊনৈশ শতিকাৰ ষাঠিৰ দহকৰ শেষৰ ফালে কলগাছিয়া অঞ্চলত এখন মহাবিদ্যালয় স্থাপনৰ প্ৰস্তুতি আৰম্ভ হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ আৰু ল' ডিগ্ৰী লৈ ১৯৬৯ চনৰ মাজ ভাগত এই প্ৰতিবেদকে গোৱালপাৰা কোৰ্টত উকালতী আৰম্ভ কৰিছিল। কিন্তু, কলগাছিয়া অঞ্চলত কলেজ স্থাপনৰ মিছনৰ লগত সক্ৰিয় ভাবে জড়িত হৈ পৰাত মই উকালতি এৰিবলৈ বাধ্য হৈছিলোঁ। কলগাছিয়া-তিতাপানী-মইনবৰী আৰু চাকলা-নাম্বাৰপাৰা, বালাৰচৰ অঞ্চলৰ কেইজনমান বিশিষ্ট ব্যক্তিক আহ্বায়ক হিচাবে লৈ আমি ১৯৬৯ চনৰ ১৪ ডিচেম্বৰত কলেজ স্থাপন সম্পৰ্কে আলোচনা কৰিবলৈ কলগাছিয়াত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিলোঁ। সেই সময়ৰ জনীয়া বিধান সভা সমষ্টিৰ মাননীয় বিধায়ক আতাউৰ ৰহমান চাহাবৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বাঘবৰ আৰু অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ বিধায়কদ্বয় ক্ৰমে জালাল উদ্দিন আহমেদ আৰু শ্ৰী কন্দৰ্প বণিক্যৰ উপৰিও কেবা হেজাৰ ৰাইজৰ উপস্থিতিত কলগাছিয়া অঞ্চলত এখন মহাবিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তদুপৰি, উক্ত সভাত প্ৰস্তাৱিত মহাবিদ্যালয়ৰ স্থান সম্পৰ্কে মতানৈক্য হোৱাত এই প্ৰতিবেদকক আহ্বায়ক হিচাবে লৈ পোন্ধৰ জনীয়া এটি স্থান-নিৰ্ণয় কমিটি গঠন কৰা হৈছিল। উক্ত স্থান-নিৰ্ণয় কমিটিৰ বৈঠক ইং ১৯৬৯ চনৰ ২০ ডিচেম্বৰত বৰভীঠা হাইস্কুলত অনুষ্ঠিত হৈছিল। বিধায়ক আতাউৰ ৰহমান চাহাবৰ সভাপতিত্বত অনুষ্ঠিত উক্ত বৈঠকত প্ৰস্তাৱিত মহাবিদ্যালয়খনৰ নাম "নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া" নামেৰে নামকৰণ কৰা হয়। সভাত লগতে মহাবিদ্যালয়খন কলগাছিয়াত স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। স্থান-নিৰ্ণয় কমিটিৰ প্ৰস্তাৱ সমূহ অনুমোদনৰ কাৰণে ইং ১৯৭০ চনৰ ২৬ জানুৱাৰীত কলগাছিয়াত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হৈছিল। বিধায়ক ৰহমান চাহাবৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত স্থান-নিৰ্ণয় কমিটিৰ প্ৰস্তাৱ সমূহ সৰ্বসম্মতিক্ৰমে গৃহীত হোৱাৰ লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ কাম কাজ চলাই নিয়াৰ কাৰণে মোছলিম উদ্দিন আহমেদক সভাপতি আৰু এম. মোজাম্মেল হুছেইন (এই প্ৰতিবেদক)ক সম্পাদক হিচাবে লৈ চল্লিশ জনীয়া এটি পৰিচালনা সমিতি (উদ্যোগ, Sponsoring Body) গঠন কৰা হৈছিল। তাৰ পিছৰ পৰাই উক্ত পৰিচালনা (উদ্যোগ) সমিতিৰ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কাম পূৰ্ণ গতিত আৰম্ভ হয়। ১৯৭০-৭১ শিক্ষা বৰ্ষত নৱজ্যোতি মহাবিদ্যালয়ত (কলা) শ্ৰেণী খোলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অনুমতি নিদিয়াত ৰাইজৰ মনোবল ধৰি ৰাখিবলৈ পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্মে মহাবিদ্যালয়খনত টিউটৰিয়েল ক্লাছ খোলা হয়। পচিশজন ছাত্ৰৰে ১৯৭০ চনৰ ১৬ আগষ্টত গুনিয়ালগুৰি হাইস্কুলত টিউটৰিয়েল ক্লাছ আৰম্ভ হৈছিল। উল্লেখনীয় যে, বৰনগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সেই সময়ৰ ইতিহাসৰ বিষয়-শিক্ষক ৰমিজ উদ্দিন মিঞা চাহাবে টিউটৰিয়েল ক্লাছৰ শুভাৰম্ভ কৰিছিল। বছিৰ উদ্দিন আহমেদে অৰ্থ শাস্ত্ৰ, শিক্ষা-বিষয়, কন্দৰ্প গোস্বামীয়ে অসমীয়া, খোৰশেদ আলমে ভূগোল আৰু এম. মোজাম্মেল হুছেইনে (এই প্ৰতিবেদক) ৰাজনীতি বিজ্ঞান, ইংৰাজী আৰু ইতিহাস-বিষয় শিকাইছিল। বিজুলী বাতিৰ কোনো ব্যৱস্থা নথকাত হেচাক লাইট জ্বলাই আমি সন্ধিয়া ছয় বজাৰ পৰা পাঠদান আৰম্ভ কৰিছিলোঁ। মহাবিদ্যালয়ত ক্লাছ খোলাৰ বাৰ্তাই অনুষ্ঠানটোৰ অনুকূলে ৰাইজৰ মাজত এটা ভাল প্ৰভাৱ পেলাইছিল। সেই সময়ত অনুন্নত কলগাছিয়া অঞ্চলত মহাবিদ্যালয়ৰ নিচিনা উচ্চ শিক্ষানুষ্ঠান স্থাপনৰ



নৱজ্যোতি, ২০২১-২২ বৰ্ষ ঃঃ সংখ্যা- ৩৩

উদ্যোগ সঁচাকৈ দুঃসাহসিক আছিল। ৰাইজৰ অদম্য ইচ্ছা আৰু পূৰ্ণ সহযোগিতাৰ কাৰণে নৱজ্যোতি মহাবিদ্যালয়খন স্থাপন কৰা সম্ভৱ হৈছিল। উল্লেখযোগ্য যে, ইং ১৯৭০-৭১ বৰ্ষত নৱজ্যোতি মহাবিদ্যালয়ৰ (টিউটৰিয়েল) প্ৰাক্ বিশ্ববিদ্যালয় (কলা) শাখাত অধ্যয়ন কৰা সুকচৰ অঞ্চলৰ ওমৰ আলী সৰকাৰ নামৰ ছাত্ৰজনে বৰনগৰ কলেজৰ জৰিয়তে পৰীক্ষা দি উত্তীৰ্ণ হৈছিল। তেঁৱেই আছিল উত্তীৰ্ণ হোৱা নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰথম গৰাকী ছাত্ৰ। ১৯৭১-৭২ শিক্ষা বৰ্ষতো গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নৱজ্যোতি মহাবিদ্যালয়ত শ্ৰেণী খোলাৰ অনুমতি প্ৰথম অৱস্থাত দিয়া নাছিল। সেই সময়ৰ বৰপেটাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ফখৰুদ্দিন আলি আহমেদ, অসম বিধান সভাৰ উপাধ্যক্ষ তথা স্থানীয় বিধায়ক আতাউৰ ৰহমান, বাঘবৰ সমষ্টিৰ বিধায়ক জালাল উদ্দিন আহমেদৰ উপৰিও ৰূপসী আঞ্চলিক পঞ্চায়তৰ তদানীন্তন সভাপতি আব্দুল কাদেৰ বাবুৰ নেতৃত্বত কলেজ পৰিচালনা সমিতি আৰু ৰাইজৰ সঁজাতি দলৰ প্ৰৱল হেঁচাত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কলেজখন পৰিদৰ্শনৰ কাৰণে উক্ত বিশ্ববিদ্যলয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° এইচ পি দাসক পঠায়। তেওঁৰ পৰিদৰ্শন-প্ৰতিবেদন মৰ্মে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নৱজ্যোতি মহাবিদ্যালয়ত ১৯৭১-৭২ শিক্ষা বৰ্ষত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী (কলা) খোলাৰ অনুমতি প্ৰদান কৰে। উল্লেখযোগ্য যে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° মহম্মদ তাহেৰ চাহাবেও এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। পঞ্চল্লিছ জন ছাত্ৰৰে ১৯৭১ চনৰ ১৬ আগষ্টত নৱজ্যোতি মহাবিদ্যালয়ত প্ৰাক্-বিশ্ববিদ্যালয় (কলা) শাখাৰ শ্ৰেণী আনুষ্ঠানিক ভাবে উদ্বোধন কৰে কটন মহাবিদ্যালয়ৰ আৰবী বিভাগৰ অধ্যাপক মৌলানা আব্দুল লতিফ চাহাবে। বিশ্ববিদ্যালয়ৰ অনুমতি পোৱাৰ পিছতেই মহাবিদ্যালয় পৰিচালনা সমিতিয়ে বছিৰ উদ্দিন আহমেদক মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব দিয়ে। এই প্ৰতিবেদকে মহাবিদ্যালখনৰ উপাধ্যক্ষৰ উপৰিও পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল। বুৰঞ্জী বিভাগৰ প্ৰবক্তা ওমৰ আলী আহমেদৰ লগতে কেবাজন প্ৰবক্তাই মহাবিদ্যালয়খনত পাঠদান কৰিছিল। নৱজ্যোতি মহাবিদ্যালয়খন আৰম্ভ কৰাৰ সময়ত কলগাছিয়া অঞ্চলত মানুহৰ আৰ্থ- সামাজিক অৱস্থা অতি শোচনীয় আছিল। শিক্ষাৰ ক্ষেত্ৰতো মানুহবিলাক অতি পিছপৰা আছিল। অপৰাধ জনিত ঘটনা সঘনে সংঘটিত হৈছিল, যাৰ কাৰণে সৰ্ব সাধাৰণ ৰাইজৰ সামাজিক নিৰাপত্তা নাছিল। যাতায়ত বিছিন্ন কলগাছিয়া গাঁৱত সেই সময়ত ৰূপসী খণ্ড উন্নয়ন কাৰ্যালয়ৰ লগতে দুই/এটা চৰকাৰী অনুষ্ঠান আছিল। ব্যৱসায় বাণিজ্যতো গাঁওখন অতি পিছপৰা আছিল। দুই/এখন সৰু-সুৰা চাহৰ দোকানৰ বাহিৰে কলগাছিয়াত তেনে কোনো ব্যৱসায় প্ৰতিষ্ঠান নাছিল। বিজুলী বাতি, টেলিকম সেৱাও নাছিল। তেনেকুৱা এটা পৰিৱেশত শূন্য তহবিল লৈ নৱজ্যোতি মহাবিদ্যালয়খন আৰম্ভ কৰা হৈছিল। কিন্তু, ৰাইজৰ ইচ্ছা আৰু সহযোগিতা আছিল অতি উৎসাহজনক। স্থানীয় ৰাইজৰ লগতে অসমৰ বিভিন্ন ঠাইৰ কিছুমান ব্যক্তিয়ে চাঁদা বৰঙণি দি মহাবিদ্যালয়খন স্থাপনত সহায় কৰিছিল। উল্লেখযোগ্য যে, কলগাছিয়া, আমগুৰি, খাৰবাল্লী, বলাইপাথাৰ আৰু গুনিয়ালগুৰি গাঁৱৰ কেইজনমান মহান ব্যক্তিৰ প্ৰতিজনে এক/দুই বিঘা কৈ মুঠ ৪৫ (পঞ্চল্লিছ) বিঘা) ম্যায়াদি পট্টাৰ মাটি নৱজ্যোতি মহাবিদ্যালয়ৰ নামত দান দি উচ্চ শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠাত সহায় কৰিছে। তেওঁলোকে মাটি দান নিদিলে নৱজ্যোতি মহাবিদ্যালয়খন স্থাপন কৰা সম্ভৱপৰ নহ'লহেঁতেন। তদুপৰি, নৱজ্যোতি মহাবিদ্যালয়ত স্নাতক শ্ৰেণী খোলাৰ সময়ত বিশ্ববিদ্যালয়ৰ অনুমতিৰ কাৰণে পয়ত্ৰিশ হেজাৰ টকা স্থায়ী জমা দেখুৱাবলগীয়া হৈছিল। কলগাছিয়া-চাকলা অঞ্চলৰ কেইজনমান সদাশয় ব্যক্তিৰ প্ৰতিজনে এহেজাৰ টকা মূল্যৰ একোখনকৈ National Savings Certificate (N.S.C) মহাবিদ্যালয়ৰ নামত দান দি স্নাতক শ্ৰেণী খুলিবলৈ বিশ্ববিদ্যালয়ৰ অনুমতি পোৱাত সহায় কৰিছিল। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ কাৰণে ৰাইজৰ দান-বৰঙণিৰ বহু উদাহৰণ আছে। সুলভ মূল্যৰ দোকানৰ জৰিয়তে কলগাছিয়া-চাকলা অঞ্চলৰ সমবায় সমিতিৰ সহযোগিতাত ৰাইজৰ সম্মতিক্ৰমে চেনিৰ সম্পূৰ্ণ কোটাৰ লাভাংশ মহাবিদ্যালয়ৰ তহবিললৈ দান দি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত ৰাইজে সহায় কৰিছে। তদুপৰি, এই বৃহত্তৰ অঞ্চলৰ শিক্ষক-কৰ্মচাৰী, কৃষক শ্ৰমজীৱি ৰাইজৰ লগতে উক্ত অঞ্চলৰ প্ৰতি ঘৰ মানুহে ধান-মৰাপাট আৰু নগদ টকাৰ উপৰিও ঈদজ্জোহাৰ (কোৰবানী)ৰ সময়ত জবেহ কৰা পশু আদিৰ চামৰা বিক্ৰী কৰি মূল্য ইছলাম ধৰ্মীয় লোকসকলে দান দি নৱজ্যোতি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত সহায় কৰিছে। আনকি, মাছমৰীয়াই মাছ বিক্ৰী কৰি

পোৱা টকাৰ সম্পূৰ্ণখিনি মহাবিদ্যালয়ৰ নামত দান দিয়াৰ বহু উদাহৰণ আছে। তদুপৰি, সেই সময়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী (পৰৱৰ্তী সময়ত ভাৰতৰ ৰাষ্ট্ৰপতি) ফখৰুদ্দিন আলী আহমেদ, বিধায়ক তথা মন্ত্ৰী আতাউৰ ৰহমান, বিশিষ্ট সমাজকৰ্মী আব্দুল কাদেৰ (বাবু)ৰ সহযোগত গুৱাহাটী, শ্বিলংৰ উপৰিও অসমৰ বিভিন্ন ঠাইৰ মানুহৰ পৰা আমি বৰঙণি আদায় কৰিবলৈ সক্ষম হৈছিলোঁ।

১৯৭৩ চনৰ আৰম্ভণিত নলবাৰী অঞ্চলৰ এখন মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাবে কাম কৰি থকা আব্দুছ ছাত্তাৰ আহমেদে নৱজ্যোতি মহাবিদ্যালয়ত প্ৰবক্তা আৰু উপাধ্যক্ষ হিচাবে যোগদান কৰে। তাৰ কিছুদিন পিছত উক্ত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বছিৰ উদ্দিন আহমেদে ইস্তফা দি গুচি যোৱাত আব্দুছ ছাত্তাৰ আহমেদক অধ্যক্ষ পদত নিযুক্তি দিয়া হয়। উল্লেখযোগ্য যে, তেওঁ ২০০৫ চনৰ জুন মাহ লৈকে উক্ত পদত কাৰ্য্যনিৰ্বাহ কৰিছিল। এজন দক্ষ প্ৰশাসক হিচাবে তেওঁ মহাবিদ্যালয়খনৰ শৈক্ষিক দিশ উন্নত কৰাত যথেষ্ট সহায় কৰিছিল। ১৯৭৯ চনৰ অক্টোবৰ মাহত নৱজ্যোতি মহাবিদ্যালয়খনে ঘাটি মঞ্জুৰী অনুদান (Deficit grant-in-aid) লাভ কৰে। অসম আন্দোলনৰ সময়ত শিক্ষাৰ পৰিৱেশ বিনষ্ট হৈছিল। সেই সময়ত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ দাবীৰ পৰিপ্ৰেক্ষিতত আমি ১৯৮২ চনত নৱজ্যোতি মহাবিদ্যালয়ত উচ্চতৰ শ্ৰেণীত প্ৰথমে বিজ্ঞান শাখা খুলিছিলোঁ। তাৰ পিছত ক্ৰমান্বয়ে স্নাতক-শ্ৰেণী পৰ্য্যায়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰা হয়। উল্লেখযোগ্য যে, নৱজ্যোতি মহাবিদ্যালয়ত *বিজ্ঞান শাখা প্ৰৱৰ্তনৰ সময়তো এই* অঞ্চলৰ ৰাইজৰ যথেষ্ট অৱদান আছে। ১৯৯৫ চনত নৱজ্যোতি মহাবিদ্যালয়খনত স্নাতক পৰ্য্যায়লৈ বিজ্ঞান শাখা প্ৰাদেশীকৰণ হয়। বৃহত্তৰ গ্ৰাম্য অঞ্চলত উচ্চ শিক্ষাৰ পোহৰ বিস্তাৰত নৱজ্যোতি মহাবিদ্যালয়ৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বৰ্তমানে প্ৰায় দুই হেজাৰ ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়খনত অধ্যয়ন কৰি আছে। উল্লেখযোগ্য যে, ১৯৭১ চনত আৰম্ভণিৰ সময়ত মহাবিদ্যালয়খনত এজনী ছাত্ৰীও নাছিল। কিন্তু, বৰ্তমানে মুঠ শিক্ষাৰ্থীৰ প্ৰায় আধা সংখ্যক ছাত্ৰী। নাৰী শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ যে বিশেষ অৱদান আছে এইটো তাৰেই প্ৰমাণ। দূৰণিবটীয়া বহু ছাত্ৰ- ছাত্ৰী কলেজ-হোষ্টেলত থাকি অধ্যয়ন কৰে। মহাবিদ্যালয়খনৰ শিক্ষাৰ মানদণ্ড বহু উন্নত বুলি ক'ব লাগিব। মহাবিদ্যালয়খনত কৰ্মাচ আৰু বি.এড পাঠ্যক্ৰম খোলাৰ অনুমতিয়ে বৌদ্ধিক দিশত এই উচ্চ শিক্ষানুষ্ঠানটোক আৰু এখোজ আগুৱাই নিলে বুলি ক'ব লাগিব। তদুপৰি, মহাবিদ্যালয়খনত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলে বৰকৈ অনুভৱ কৰিছে। মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে এই ক্ষেত্ৰত ৰাইজৰ সহযোগিতাৰে আগবাঢ়িব বুলি আশা কৰা হ'ল। কলগাছিয়া অঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত নৱজ্যোতি মহাবিদ্যালয়ৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। গতিকে, প্ৰকৃততেই, এন্ধাৰ গুচাই পোহৰ বিলোৱা নৱজ্যোতি মহাবিদ্যালয়খন উজ্জ্বল এগছি বন্তি। মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

*[লেখক এম. মোজাম্মেল হুছেইন নৱজ্যোতি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক, উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰি ২০০৫ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে। তেওঁ অসম লোক-সেৱা আয়োগৰ সদস্যও আছিল।]*





# জনসংস্কৃতিত নাৰীৰ ভূমিকা ঃ এটি চমু আলোচনা।

**ড° ঘনশ্যাম ভৰালী**
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

ইংৰাজী 'Culture' শব্দটোৰ প্ৰতিশব্দ হিচাপে আমাৰ 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰা হৈছে। সংস্কৃতিৰ অৰ্থ হ'ল সংস্কাৰ বা সংস্কৃত কৰ্ম অৰ্থাৎ যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। আনফালে 'Culture' শব্দৰ প্ৰতিশব্দ ৰূপে কোনো কোনোৱে 'কৃষ্টি' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। কৃষ্টিৰ আভিধানিক অৰ্থ হ'ল- কৰ্ষণ, কৃষি কাৰ্য চৰ্চাৰ দ্বাৰা লাভ কৰা বিদ্যা। কৃষিৰ বাবে পথাৰত হাল বোৱা বা কোৰ মৰা, বাৰে বাৰে কৰা কাৰ্যৰ নামে কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি সংস্কাৰ, যোগ্যতা সেয়ে হ'ল সংস্কৃতি। এক কথাত ক'বলৈ গ'লে কৃষ্টিৰ সংস্কাৰৰূপে হ'ল সংস্কৃতি। আচলতে কোনো এটা জাতি বা জনগোষ্ঠীৰ শ শ বছৰ ধৰি সমাজত আৰ্জিত শিক্ষা-দীক্ষা, অভিজ্ঞতা ভাষা সাহিত্য, ৰীতি-নীতি, ৰুচি-অভিৰুচি, প্ৰেম-প্ৰীতি, হৰ্ষ-বিষাদ, জ্ঞান-আদৰ্শ, ধৰ্ম বিশ্বাস, অন্ধ বিশ্বাস আদিৰ মাজেৰে যি ৰূপ পায় সিয়ে সংস্কৃতি।

পৃথিৱীৰ প্ৰত্যেক জাতি বা মানৱগোষ্ঠীৰে নিজা নিজা সংস্কৃতি আছে আৰু সেইবোৰ তেনেদৰে চহকীও। আমাৰো নিজা সংস্কৃতি আছে আৰু ই চহকীও। আমাৰ সংস্কৃতি সকলো জাতি-উপজাতিৰে বাপতি সাহোন স্বৰূপ- এক সমন্বয়ৰ সংস্কৃতি। সংস্কৃতিৰ পৰিসৰ বৰ ব্যাপক। সংস্কৃতিৰ এটা উল্লেখযোগ্য বিভাগ হৈছে লোক-সংস্কৃতি বা জনসংস্কৃতি। অসমীয়া সংস্কৃতিত লোক সংস্কৃতিৰ বৈশিষ্ট্য প্ৰগাঢ়। সাধাৰণতে জনসাধাৰণৰ জীৱনধাৰা প্ৰকাশক গীত-মাত, নৃত্য, সাধুকথা, আখ্যান, সাজপাৰ, খোৱা-লোৱা, পূজা-পাতল, উৎসৱ পাৰ্বণ, খেল-ধেমালি, খেতি-বাতি, যাদু-মন্ত্ৰ, বিশ্বাস-অন্ধবিশ্বাস, আচাৰ-ব্যৱহাৰ আদিৰ সামাজিক আচৰণৰ সমন্বয়ে হ'ল লোক সংস্কৃতি বা জনসংস্কৃতি বা লোকজ্ঞান। অনেকে ক'ব খোজে যে লোকসংস্কৃতি জনসাধাৰণ সম্পৰ্কিত বিজ্ঞান নহয়, ই পৰম্পৰাগতভাৱে চলি অহা বিজ্ঞানহে। সি যিয়ে নহওঁক কোনো এটা জাতিৰ ধাৰ্মিক, মনস্তাত্বিক আদি মূল উপাদানবোৰৰ অধ্যয়নৰ জৰিয়তে লোক সন্দেহ নাই। লোক সংস্কৃতিয়ে কোনো এখন সমাজক চহকী কৰাৰ লগতে উন্নত কৰে সেই জাতিটোৰ সংস্কৃতিক। আনফালে লোক সংস্কৃতি কেৱল লোক বা জন অৰ্থাৎ গাঁৱলীয়া নিৰক্ষৰ সমাজৰ জীৱনধাৰা প্ৰকাশক নহয়, এয়া সকলো শিষ্ট-অশিষ্টৰে জীৱন ধাৰাৰ প্ৰতিচ্ছবি। অসমীয়া লোকসংস্কৃতিত ধৰ্মীয় বিশ্বাস, পূজা-পাতল, জন্ম-মৃত্যু, বিবাহ-পথাৰ, পাণ-তামোল, বাদ্যযন্ত্ৰ, চৰাই, গছ-গছনি লোক শিল্প আদিৰ যথেষ্ট গুৰুত্ব আছে। সেইদৰে অসমীয়া লোক সমাজতো সাংস্কৃতিক দিশত নাৰীৰ অনবদ্য অৱদান আছে আৰু সেইৰূপে লোক সংস্কৃতিত সেইবোৰৰ গুৰুত্বও অধিক। কিন্তু মৌখিক যুগৰ পৰা ক্ৰমবিৱৰ্তনৰ মাজেৰে নৈৰ সোঁতৰ দৰে গতি কৰি মানৱ শিল্প আৰু বিজ্ঞানৰ উন্নয়নৰ ফলত উন্নত জীৱন-যাপনৰ পথত অগ্ৰসৰ হৈ অহাৰ লগে লগে লোক সংস্কৃতিৰ বিভিন্ন শিতানবোৰৰ ৰূপ-ৰস ক্ৰমে সময়ৰ বুকুত হেৰাই যোৱাৰ উপক্ৰম হৈছে যেন অনুভৱ হৈছে। সেয়ে এই কথা উপলব্ধি কৰিয়ে বিহঙ্গম দৃষ্টিৰে অসমীয়া লোক বা জনসংস্কৃতিত নাৰীৰ ভূমিকা শীৰ্ষক বিষয়ৰ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। বিষয়টোৰ পৰিসৰ যথেষ্ট বহল আৰু গুৰুত্বপূৰ্ণ। সেয়ে অথাই সাগৰত সাঁতুৰিবলৈ দুঃসাহস কৰাৰ নিচিনা হৈছে। তথাপিতো প্ৰৱন্ধটোৰ অৱয়বৰ প্ৰতি লক্ষ্য ৰাখি লোক সংস্কৃতিৰ বিভিন্ন দিশৰ আলোচনা চমুকৈ দাঙি ধৰি সামৰণি মৰাৰ চেষ্টা কৰা হৈছে।

সৃষ্টিকৰ্তা পৰম ব্ৰহ্মা, পৰম পুৰুষ ভগৱানৰ অপৰূপ সুন্দৰ সৃষ্টিৰ এক অন্যতম বিচিত্ৰ ৰূপ হৈছে নাৰী। কিন্তু নাৰীৰ এই বিচিত্ৰ ৰূপৰ চৰিত্ৰ হেনো দেৱতাও নাজানে বুলি কোৱা হয়। কিয়নো সময়ত নাৰী মাতৃ, পত্নী, প্ৰেয়সী, নাৰী অনন্যা। নাৰী শান্তিৰ প্ৰতীক, মমতাৰ প্ৰতীক, দয়াৰ প্ৰতীক আৰু প্ৰয়োজনবোধে বা অসহনীয় হ'লে নাৰীয়ে সংহাৰ বা মহাকালৰ ৰূপ ধাৰণ কৰিব পাৰে। সেই কাৰণে নাৰীক দেৱী দুৰ্গা, কালী আদি বহুতৰে প্ৰতীক বুলি কোৱা হয়। পুৰাণ, ভাগৱত, গীতা, ৰামায়ণ, মহাভাৰত, অন্য সাহিত্যৰ প্ৰতিটো বিভাগতে নাৰীয়ে অধিক ঠাই দখল কৰি আহিছে। দেৱতাৰো ৰহস্যাবৃত নাৰীক কিন্তু মানুহে সময়ে সময়ে বিভিন্ন বিশ্লেষণেৰে বিভূষিত পৰি উজলাই তুলিছে, আকৌ কেতিয়াবা কলংকিত কৰিছে। তথাপিতো এইটো স্বীকাৰ্য যে নাৰী এক প্ৰচণ্ড শক্তি, এই বিশাল বিশ্বখন নিজৰ সুকোমল কান্ধৰ ওপৰলৈ সৃষ্টিক জীয়াই ৰখাৰ এক মহতী শক্তি। নাৰী এপাহ স্থল পদ্মৰ দৰে। প্ৰতিটো প্ৰহৰতে ৰূপৰ সলনি ঘটি থকা স্থলপদ্মৰ দৰে নাৰীৰ জীৱনৰো সঘন পৰিৱৰ্তন হয়। আই-অতিথি, গৃহস্থক দি থৈ খুৱাই-বুৱাই, পিন্ধাই, তাঁত-সূতা থৈ হেপাঁহ-মৰম, চেনেহ বুকুৰ ভৰ উমেৰে ঘৰখন ধৰি ৰখাৰ "জনমে মৰণে হ'মে মই লগৰী, নোপোৱা তুমি যে দুখ" — এই আত্ম বলেৰে নাৰী মহীয়ান হৈ উঠে। সেই কাৰণে বোধ হয় অসমীয়া সমাজত নাৰীৰ অন্য নাম লখিমী। সেয়ে নাৰীৰ উদ্ভাসিত বিচিত্ৰ ৰূপৰ প্ৰকাশ, লোক জীৱনৰ বিভিন্ন দিশৰ অভিজ্ঞতাৰ প্ৰকাশ বিভিন্ন প্ৰকাৰৰ লোক সাহিত্য, লোকসংস্কৃতিত নাৰীৰ গুৰুত্ব সৰ্বাধিক খোলাৰ থল আছে।

অসমীয়া সমাজ জীৱনত লোকসংস্কৃতিৰ বৰপথাৰখনত নাৰী বিভিন্ন প্ৰকাৰে জড়িত আৰু অৱদানও যথেষ্ট এনে কিছুমান লোক অনুষ্ঠান আছে যিবোৰ নাৰীকেন্দ্ৰিক যিবোৰত নাৰী জীৱনৰ প্ৰকৃত ছবি উদ্ভাসিত হৈছে আৰু সেইদৰে সেইবোৰত তাৎপৰ্যও মনকৰিবলগীয়া। অন্য প্ৰকাৰে ক'বলৈ গ'লে অধিক ক্ষেত্ৰতে নাৰীয়ে নিজেই নাৰী জীৱনৰ বাস্তৱিকতাক বিভিন্ন প্ৰকাৰৰ লোক অনুষ্ঠানৰ মাজেৰে দাঙি ধৰিছে। অসমীয়া সমাজ জীৱনত জন্ম, মৃত্যু, বিবাহ সংক্ৰান্তীয় বিভিন্ন কৰ্ম, নানান ধৰ্মীয় অনুষ্ঠান, আচাৰ-নীতি, সংস্কাৰ আদি লোক অনুষ্ঠানলৈ নাৰীৰ অৱদান অপৰিসীম। নাৰীক কেন্দ্ৰ কৰিয়ে বিভিন্ন লোক উৎসৱৰ জন্ম হৈছে। পোনতে যদি চাও চকুৰ আগতে ফুটফুটীয়া ফ্ৰক্ পিন্ধা ধূলি মাকতিৰে দৌৰি ফুৰা কণমানিজনী পাটগাভৰু হয়, যৌৱনপ্ৰাপ্ত হয় আৰু সমাজত লাজ ভাৱানুৰূপেৰে ৰঞ্জিত হৈ ভয়-শংকাৰে দুৱাৰ-দলিত গচকি বোৱাৰী হয়। এটা সময়ত মাতৃত্বৰ গৰ্বৰে গৰ্বিত হয়। এই ক্ষেত্ৰত গৰ্ভস্থ সন্তানৰ মংগলৰ হেতু শাহুৱেক বা আইতাকে চোকা দৃষ্টি ৰাখে। সন্তান জন্মাৰ লগত যিবোৰ অনুষ্ঠান তথা ৰীতি-নীতি আছে সেই আটাইবোৰৰ লগত নাৰী ওতঃপ্ৰোতভাৱে জড়িত আৰু এই ক্ষেত্ৰত নাৰীৰ ভূমিকা মনকৰিবলগীয়া।

সাধাৰণতে মাতৃত্বৰ সময়খিনিত পৰম্পৰাগতভাৱে চলা ৰীতি-নীতিমতে নাৰীয়ে জীয়া মাছ আদি নিজে মাৰি বাচি লৈ ৰন্ধাটো নিষেধ। এনে কৰিলে গৰ্ভস্থ সন্তান নষ্ট হোৱাৰ সম্ভাৱনা বেছি। গ্ৰাম্য অঞ্চলত আজিও এই লোক-বিশ্বাস আছে। তদুপৰি গৰ্ভৱতী নাৰীয়ে কাল সন্ধ্যা, দুপৰীয়া অকলে এৰাবাৰীৰ মাজেদি বা বটগছৰ তলেদি গ'লে দেও ভূত লম্ভিব পাৰে বুলি নাৰীগৰাকীক সাৱধানবাণী শুনায়। সন্তান গৰ্ভত থকা সময়ছোৱাত সজ চিন্তা, সজ আদৰ্শ লৈ থাকিলে সন্তানো সজ হয় আৰু অন্যথা ইয়াৰ বিপৰীতে মাতৃৰ চিন্তাৰ অনুৰূপ চৰিত্ৰ গঠিত হয় বুলি জন-বিশ্বাস আছে।

নাৰীকেন্দ্ৰিক লোকাচাৰৰ ভিতৰত গৰ্ভৱতী নাৰীক মাকৰ ঘৰলৈ আনি (কোনো কোনো ঠাইত) পাঁচ মাহত পঞ্চামৃত খুওৱাৰ বাবে মাকক অপৰিহাৰ্য্য বুলি গণ্য কৰা হয়। পাঁচগৰাকী আয়তী মাতি অনা হয় আৰু আয়তীসকলে উৰুলি ধ্বনিৰে পাঁচবাৰ পঞ্চামৃত মুখত দিয়াৰ নিয়ম। অসমীয়া সমাজত নাৰীৰ গৰ্ভৰ সাত মাহ, ন মাহত 'সাধন ভক্ষণ' ক. 'জেউৰা' দিয়া এক পৰম্পৰাগত নীতি। 'জেউৰা'টো পৰমান্ন মিঠাই, মাছ আদি ভাল ভাল বস্তুৰে গৰ্ভৱতী নাৰীক আহাৰ দিয়াৰ নিয়ম। কিছুমান ঠাইত বহুলভাৱে ভোজ ভাতৰো আয়োজন কৰে আৰু ওচৰ চুবুৰীয়া আই সকলৰ দ্বাৰাই মাহ চাউলৰ নৈবেদ্য আগবঢ়াই নাম গোৱাই সুপ্ৰসৱৰ বাবে আশীৰ্বাদও লয়। প্ৰসৱৰ কাৰ্য্যত নাৰী গৰাকীক সহায় কৰিবলৈ সাধাৰণতে ধাই বা অন্য নিম্নস্তৰৰ অভিজ্ঞ মহিলাক লগোৱাৰ নিয়ম। এইফালৰ পৰা চাবলৈ গ'লে নাৰী গ্ৰাম্য চিকিৎসাৰো পথ প্ৰদৰ্শক।





সকলো সময়তে নৱজাতকৰ পৰিচৰ্য্যা কৰে প্ৰসূতি মাতৃগৰাকীয়ে। কেঁচুৱা কোচত লৈহে মাকে এমাহলৈ আহাৰ খোৱাৰ নিয়ম, তেতিয়াহে কেঁচুৱাটোৰ স্বাস্থ্য সুঠাম হয় বুলি বিশ্বাস আছে। সাধাৰণতে মূৰটো গোল হ'বলৈ কেঁচুৱাক শুবৰ বাবে সৰিয়হৰ গাৰু, খাওঁতে কেঁচুৱাৰ হাত ভৰি পিটিকি থকা আদি প্ৰচলিত নাৰী সমাজৰ ৰীতি। প্ৰসূতি গা শুকাবলৈ নৰসিংহ, মানিমুনি, বনজালুক, ভেদাইলতা আদি বনৰীয়া শাক ৰান্ধি খুওৱাৰ প্ৰথা। তদুপৰি তপত বালিৰ সেক, ভজা নিমখৰ সেক, ফুট ছাইৰ টোপোলা বান্ধি এৰাগছৰ পাতেৰে পেটত দিয়া সেকে প্ৰসূতিগৰাকীৰ শৰীৰ আৰোগ্য কৰে বুলি গ্ৰাম্য অঞ্চলৰ বিশ্বাস। এই সকলোবোৰ সততে পোৱা গ্ৰাম্য চিকিৎসাই সময়ত নাৰীগৰাকীক মানসিকভাৱে সবল কৰি তুলিছিল আৰু সন্তানটিক পৰিচৰ্যা কৰাত এক অদম্য সাহস পাইছিল ফলত নাৰী সমাজত এক দৃঢ় লোকবিশ্বাসে গা কৰি উঠিছিল। এয়া লোক চিকিৎসা শাস্ত্ৰলৈ নাৰীৰ অৱদান বুলিব পাৰি। অৱশ্যে আধুনিক উন্নত চিকিৎসা শাস্ত্ৰৰ প্ৰভাৱত ইয়াৰ গুৰুত্ব নোহোৱাৰ ফলত লোক সংস্কৃতিৰ আঁত হেৰাই যোৱাৰ উপক্ৰম হৈছে।

সংসাৰৰ আওভাও বুজি নোপোৱা ফ্ৰক্ পিন্ধি লৰি-ঢাপৰি ফুৰা বাৰ-তেৰ বছৰীয়া ছোৱালীজনীৰ 'পুষ্পিতা' বা 'কন্যাকাল'ত সংযোজিত ভালেমান লোকাচাৰৰ লগত নাৰী সমাজ জড়িত। কন্যাকালপ্ৰাপ্ত লোক উৎসৱৰ নীতি নিয়মৰ ক্ষেত্ৰত পুৰুষৰ কোনো স্থান নাই; আনকি পুৰুষ মানুহে দেখিবই নেপায়, ই সম্পূৰ্ণভাৱে নাৰীকেন্দ্ৰিক দেখিবলৈ নোপোৱা লোকাচাৰৰ বাবে আচুতীয়াকৈ ৰখাৰ নিয়ম। চাৰিদিনৰ দিনা কোনো শুভক্ষণত আত্মীয়, ওচৰ চুবুৰীৰ আই সকলৰ উপস্থিতিত কলপুলিৰে সজা 'বেইঘৰ'ত ছোৱালীজনীৰ গাত তেল, মাহ, হালধি সানি আয়তীসকলৰ উৰুলিৰ লগে লগে গা ধুওৱাৰ নিয়ম। কোনো কোনো অঞ্চলত সাত দিনৰ দিনা 'তোলনী বিয়া' পতাৰ নিয়ম। এই সময়ত চোতালত এবেলাৰ বাবে দিয়া ৰভাখনৰ তলতে আয়তীসকলে গোট খাই আচল বিয়াৰ দৰে নাম-গুণ গাই ৰং ৰহইচ কৰে আৰু সুখ-শান্তিৰে পৰিপূৰ্ণ সন্তান-সন্ততিৰে ভৰপূৰ এখন সংসাৰ হওক বুলি আশীৰ্বাদ দি হাঁহি-মাতি বিয়া ভাঙি ঘৰাঘৰি যায়। অৱশ্যে আজিকালি এই লোকাচাৰসমূহৰ প্ৰতিহে গুৰুত্ব নিদি ভোজ ভাতৰ প্ৰতিহে বেছি গুৰুত্ব দিয়াত অনুষ্ঠানটিৰ পূৰ্বৰ ৰূপ-ৰস নোহোৱা হৈছে।

বিয়া হ'ল অসমীয়া সমাজ জীৱনৰ এক প্ৰাণময় লোক উৎসৱ। সমাজৰ সাংস্কৃতিক জীৱন মুদ্ৰাৰ ইপিঠি সিপিঠি। বিয়া ল'ৰাৰে হওঁক বা ছোৱালীৰে হওঁক গ্ৰাম্য জীৱনত ই ৰং ৰহইচৰ ৰহঘৰা। দৰা-কইনা উভয়ৰে মিলন ঘটাৰ লগে লগে আত্মীয় স্বজন আৰু সামাজিকৰো মিলন ঘটে। বিয়া এখনত পুৰুষ আৰু নাৰী উভয়ৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে যদিও বিয়াৰ বিভিন্ন মাংগলিক কাম আৰু আচাৰ, নীতি-নিয়ম আদি পালন কৰাৰ ক্ষেত্ৰত মহিলা বা নাৰীসকলে আগভাগ লয়। বাঁহ, কলপাতেৰে সজোৱা মনোৰম ৰভাখনৰ তলত জীয়াৰী, বোৱাৰী, আয়তী সকলোৰে গিজ্‌গিজাই থাকিলে বিয়াঘৰখন আনন্দ মুখৰ হৈ পৰে। বিয়া উপলক্ষে সুৱাগৰ ধান বানাৰ পৰা আৰম্ভ কৰি জোৰোণ দিয়া, পানীতোলা আদি বিভিন্ন কাৰ্য্যত ধৰ্মীয় আখ্যানৰ ভেটিত আয়তীসকলে গোৱা গীতবোৰত বৈদিক নীতি-নিয়মৰ অৰ্থপূৰ্ণ, ব্যাখ্যা আৰু গ্ৰাম্য লোকাচাৰৰ প্ৰকাশ অতি সুন্দৰ ৰূপত ফুটাই তোলে— "সুৱাগৰ ধান বানা ঐ আয়তী, ঢেঁকীত তেল সেন্দুৰ দিয়া হে ৰাম ৰাম...।" আকৌ.... "কি এ উপৰে ৰভা তলে হৰি সভা, আজি চানা বাপুৰ বিয়া হে কি এ, ধূপৰ গোন্ধ পাই নাৰদ আহে যায়' নাৰায়ণ বুলি হে....।" বিয়াৰ দিনা গধূলি দৰা-কইনাক গা-ধুওৱা, সুৱাগুৰি তোলা, দৰাক আদৰা, কইনাক সম্প্ৰদান কৰা, হোম পোৰা, আখৈ তোলা, পাখা খেলা, আঙুঠি লুকুওৱা আদি বিভিন্ন কাৰ্য্যত লোকাচাৰৰ লগত খাপ খোৱাকৈ গোৱা গীতসমূহে সকলোকে উৎসাহিত কৰাই নহয় সূত্ৰধাৰৰ নিচিনা বিয়াখনৰ প্ৰতিটো কথাৰে তাৎপৰ্য আয়তীসকলে গীতৰ মাধ্যমেৰে ব্যাখ্যা কৰাত এটা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়- ই মনকৰিবলগীয়া।

বিয়াৰ নিশা কইনাৰ বিদায়ৰ মূৰ্হুতত আয়তীসকলে গোৱা গীতৰ কৰুণ সুৰে আটাইৰে চকুলৈ চকুলো নমাই আনে। কইনাৰ নিজৰ চকুৰ পানীত নেওঠনী, যঁতৰ, তাঁতশাল, লেটাই-চেৰেকী সকলোটি যেন উটি যায়— "বৰ ঘৰত কান্দিলে নেওঠনী যঁতৰে, মাৰলত কান্দিলে ভনী।" অসমীয়া সামাজিক জীৱনৰ বহিঃপ্ৰকাশৰ এক ৰঙীন পৰিৱেশ তথা বিভিন্ন লোকাচাৰৰ প্ৰকাশ বিয়াৰ অনুষ্ঠানৰ

জৰিয়তে আয়তীসকলৰ বাহিৰে আন কোনোৱে গঢ়ি তুলিব নোৱাৰে। কিন্তু সমগ্ৰ বিয়াখনতে আৰম্ভণিৰে পৰা শেষলৈকে লাগি থাকি সমূহীয়া কৰ্তব্য পালন কৰা আয়তীসকলৰ অতীতৰ মৰ্যদা বৰ্তমান সমাজখনে দিবলৈ কুণ্ঠাবোধ কৰা হ'ল। বিবাহ কাৰ্য্যৰ বাবে বাঁহ, কলপাতেৰে সজা ৰভাখনৰ সৈতে চোতালখনৰো আদৰ নোহোৱা হ'ল। গাঁওখনৰে জীয়াৰী, বোৱাৰী, আয়তীসকলৰ মুখৰ বিয়াগীত লাজ, আধুনিকতাৰ বতাহে ধুই-ধাই নিলে। বিয়া অনুষ্ঠানটি 'বিবাহ ভৱন'লৈ উত্তৰণ হোৱাত ইয়াৰ প্ৰকৃত ৰূপ মাদকতা নোহোৱা হ'ল। অতীতক এৰি বৰ্তমানত আগবাঢ়িব পৰা নাযায়। সঁচাকৈ ই এটা জাতিৰ বাবে বৰ পৰিতাপৰ কথা।

মৃতকৰ বিভিন্ন ক্ৰিয়া-কৰ্মৰ লগতো নাৰী জড়িত। সাধাৰণতে, মৃত ব্যক্তি তিৰোতা হ'লে ওপৰ মুৱা কৰি বা কোনো কোনো ঠাইত সোঁ কাতি কৰি চিতাত শুৱাই কাঠ সংস্কাৰ কৰাৰ নিয়ম। পৰম্পৰাগতভাৱে চলা দস্তুৰ মতে স্বামীৰ মৃত্যুত হিন্দু নাৰীৰ শিৰৰ সেন্দুৰ আৰু কপালৰ সেন্দুৰ চিৰদিনৰ বাবে উঠি যায়। অলংকাৰ আদিও পৰিধান কৰা নিষেধ। ৰঙীন কাপোৰ সলাই বগা কাপোৰহে পিন্ধি বিধৱা ব্ৰত পালন কৰাৰ নিয়ম। শ্ৰাদ্ধ পৰ্যন্ত ব্ৰতত থকা দিন কেইটাত টো খুঁটি মাৰি ব্ৰতত থকা জ্যেষ্ঠা নাৰী গৰাকীয়ে নিৰামিষ আহাৰ (হবিচ ভাত) ৰান্ধি দিয়াৰহে প্ৰচলিত নিয়ম।

গৱেষক পণ্ডিতসকলে এক কথাত স্বীকাৰ কৰি গৈছে যে আমাৰ সংস্কৃতি মূলত কৃষিকেন্দ্ৰিক। কৃষি কৰ্মতো পুৰুষৰ সমানে মহিলা সকলো জড়িত। খেতি আৰম্ভ কৰাৰ সময়ত হাল বোৱা, কোৰ মৰাৰ বাহিৰে আন কাম কঠিয়া তোলা, ভুঁই ৰোৱা, ধান কাটি চপাই অনা, ধান উহাই শুকাই চাউল কৰা, ভজা খুন্দালৈকে বিভিন্ন আচাৰ-অনুষ্ঠান আৰু সংস্কাৰৰ লগত জড়িত আমাৰ গ্ৰাম্য অঞ্চলৰ নাৰীসকল। বিহু সংক্ৰান্তি, অন্য উৎসৱ-পাৰ্বণ আদিত ঘৰ-চোতাল, ভঁৰাল ঘৰ সাৰি-মচি তাত চাকি নৈবেদ্য দিয়া কামো মহিলাৰে। তদুপৰি বিভিন্ন প্ৰকাৰৰ পিঠা-পনা, লাৰু, আখৈ, চিৰা আদিৰ লগত সাঙোৰ খাই থকা জন-জীৱনৰ লোকবিশ্বাস আৰু ফঁকৰা-যোজনাই আমাৰ সংস্কৃতিৰ নিভাঁজ প্ৰতিচ্ছবিকে দাঙি ধৰে। পিঠা-পনা কেৱল সুস্বাদু মুখ ৰোচক খাদ্য আৰু ভোজন বিলাসৰ সামগ্ৰীয়ে নহয়, এইবোৰ নাৰী মনৰ শিল্পৰুচি তথা লোক শিল্পৰো গৌৰৱময় নিদৰ্শন। ঢেঁকীশালখনো আমাৰ জীয়াৰী-বোৱাৰীৰ বাবে ক্লাৱ ঘৰ সদৃশ। লুকাই-চুৰকৈ এঘুমতি মৰা, ৰবাব টেঙা, আচাৰ, জলফাই, অমৰা, ঔটেঙা, খুন্দি খোৱা, নাম গুণ গোৱা, গোপন কথাৰ মহলা মৰা আদি নাৰী মনৰ প্ৰকাশে ঢেঁকীশালখন সজীৱ কৰি তোলে। নাৰীৰ বাবে ঢেঁকীশালখন লক্ষ্মীশাল স্বৰূপা। আনফালে ৰান্ধনি-শালখনো সম্পূৰ্ণভাৱে মহিলাৰে; পুৰুষৰ তাত কোনো স্থান নাই। ভাত ৰন্ধা ঠাইখিনিৰ পৱিত্ৰতাৰ বাবে চৌকাৰ পৰা কিছু আঁতৰত মাটিৰে গৰু আলি এটা দি লোৱাৰ নিয়ম। এই আলিটো লক্ষ্মণ ৰেখা সদৃশ। ৰান্ধনীৰ বাহিৰে তাত আনৰ প্ৰৱেশত সকলো অশুচি হয় বুলি জন-বিশ্বাস। ৰান্ধনীয়ে হাত মেলিলে সকলো বস্তু পোৱাকৈ ৰখাৰ নিয়ম। গা-মূৰ তিয়াই ভিজা কাপোৰেৰে আহি মজিয়াৰ দাৰত থোৱা ৰঙীন কাপোৰ পিন্ধি অন্নপূৰ্ণা হৈ ৰান্ধনীয়ে পাকঘৰত সুমুৱাৰ নিয়ম। বিভিন্ন প্ৰকাৰৰ আঞ্জা জুতি লগাকৈ ৰান্ধিব পৰাতহে অসমীয়া ৰান্ধনীজনীৰ গৌৰৱ। ৰান্ধি-বাঢ়ি সকলোকে দি থৈ খুৱাই-ধুৱাই চৰুত দুটামান ভাত ৰাহি হোৱা সু-গৃহিনীৰ লক্ষণ। ৰান্ধনিশালখনক লক্ষ্মীশাল জ্ঞান কৰি বিহু তিথি, উৎসৱ-পাৰ্বণ আদিত এগছি বন্তি জ্বলাই গৃহস্থৰ শুভ কামনা কৰাটো এক লোকাচাৰ।

বিহু ঘাইকৈ এটি কৃষি ভিত্তিক উৎসৱ, আমাৰ বাপতি সাহোন। খেতি পথাৰত বীজ সিঁচাৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে বিভিন্ন কৃষি কৰ্মত বিহু সংস্কৃতি জড়িত। ৰঙালী, কঙালী আৰু ভোগালী— এই তিনিটা বিহুৰ লগত জড়িত আচাৰ-অনুষ্ঠান, নীতি-নিয়ম, গীত-মাত, বাদ্য-নৃত্যত যুৱক পুৰুষৰ সমানে যুৱতী তথা নাৰীৰ ভূমিকা কম নহয়। জেং বিহু সম্পূৰ্ণভাৱে নাৰীৰ। প্ৰতিটো বিহুতে নাৰীয়ে ঘৰ-কাঠি, মচা-সৰা, চাফ-চিকুণ কৰা, বিভিন্ন প্ৰকাৰৰ পিঠা-লাৰু বনোৱা, নৈবেদ্য শৰাই, আগবঢ়োৱা, চাকি-বন্তি দিয়া, মান্যজনক সেৱা-শুশ্ৰূষা কৰা আদি প্ৰথা, লৌকিকতা কাৰ্য্যকৰণৰ ক্ষেত্ৰত নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মৰম-চেনেহৰ দীঘ বাণীৰে তাঁতশালত বোৱা বিহুৱানখন প্ৰেমৰ প্ৰতীক, যি অসমীয়া নাৰীৰ লোকবিদ্যা, সৌন্দৰ্য্যপ্ৰীতি আৰু শিল্প প্ৰতিভাৰ পৰিচায়ক। "ছাঁতে শুকুৱা মুঠতে লুকুৱা।"—





কাপোৰখন আমাৰ লোকসংস্কৃতিৰ গৌৰৱ। এই শিল্প লোকবিদ্যাৰ অন্তৰ্গত। তদুপৰি লোক-অলংকাৰ, লোক-পোছাক পৰিধান কৰা, হাত-ভৰিত সুন্দৰভাৱে জেতুকাৰ ৰং লোৱা, ওঁঠত বৰহমথুৰি বোলোৱা, দাঁত ক'লা কৰি তোলা আদি অসমীয়া পৰিৱেশ্য লোকসংস্কৃতিৰ প্ৰকাশক।

লোকসংস্কৃতিত প্ৰভাৱ পেলোৱা বছৰটোৰ বিভিন্ন সময়ত পালিত আইনাম; অপেশ্বৰী সবাহৰ নাম, লখিমী সবাহৰ নাম আদি নাৰীৰ একচেটীয়া লোক অনুষ্ঠান। 'আইলা' পূজাও হিন্দু নাৰীসকলৰ এক আচুতীয়া উৎসৱ। শাৰদীয় দুৰ্গাপূজাৰ নৱমী বা দশমীৰ দিনা সধবা নাৰী বা কুমাৰী ছোৱালীয়ে বোৱা-কটা বিদ্যাত পাৰ্গত হ'বলৈ কলপাতত সেন্দুৰ, কোমোৰা নৈবেদ্য চাকি-বন্তি, ধূপ-ধূনাৰে বয়নৰ অধিষ্ঠাত্ৰী আইলা দেৱীক পূজা কৰাৰ নিয়ম। 'আইলা' পূজাৰ সময়ত গোৱা লোকগীতবোৰ বোৱা কটা সম্পৰ্কীয় আৰু উপমা-পটন্তৰে ভৰপূৰ। ডুবি, দেৰগাঁও, হাজো আদি মন্দিৰত পৰম্পৰাগতভাৱে চলি অহা দেৱদাসী নৃত্যও নাৰীৰ বিশিষ্ট অৱদান। কিন্তু বৰ্তমান ই লুপ্তপ্ৰায়।

পৰম্পৰাগতভাৱে চলি অহা অসমীয়া সমাজ জীৱনৰ সৈতে বান্ধ খাই থকা নাৰী সম্বন্ধীয় সাঁথৰ, ডাকৰ বচন, ফঁকৰা-যোজনা, খণ্ডবাক্য আদি অনেক ৰচিত হৈছে। দেখিবলৈ ধুনীয়া নহ'লেও অৰ্থাৎ জধলা অসুন্দৰী তিৰোতাই যে বেছি গুণৱতী সেই অৰ্থত "সুফল বাদলী, সুতিৰী ফেদেলী" বুলি কোৱা হয়। সেইদৰে অনেক ফঁকৰা-যোজনা বা প্ৰবচনও আছে; যেনে- নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা, হাঁহৰ ওপৰত শিয়াল ৰজা, তিৰীৰ ওপৰত বৰ মতা; তিৰীক নিদিবি লাই, কুকুৰক নিদিবি ঠাই; তিৰীয়ে গিৰি, তিৰী নহ'লে হতচিৰি আদি লোকাচাৰ প্ৰকাশৰ ক্ষেত্ৰত ব্যৱহৃত সৰিয়হ ফুল যেন ছোৱালী; তিয়ঁহৰ জালি যেন গা; তিলফুল যেন নাক; সিংহৰ দৰে চিয়াঁ কঁকাল আদি জতুৱা ঠাঁচেৰে সাহিত্য ভৰপূৰ। ডাকৰ বচনতো পোৱা যায়- সোণাৰ তুল্য কন্যাদান, ডাকে বোলে তাৰ স্বৰ্গত থান; মাছে গৰকা পাচলি খাবা, শাহুৱে গৰকা বোৱাৰী ক'বা- আদি বেদৰ বাণী সদৃশ স্ত্ৰী বা নাৰী সম্বন্ধীয় অনেক বচন অসমীয়া লোক সাহিত্যৰ বিশেষ সম্পদ।

সময় গতিশীল। যুগৰ পৰিৱৰ্তন হ'বই। সময়ে অতীতৰ কৃষ্টি সংস্কৃতিৰো পৰিৱৰ্তন ঘটাইছে। কিয়নো সংস্কৃতি স্থবিৰ নহয় ই গতিশীল। মৌখিক যুগৰ পৰা বোকা পানী গচকি আধুনিক যুগত আধুনিকতাৰ ৰঙীন সাজৰ প্ৰভাৱত ৰূপৰ কিছু সলনি হ'ব-তাত ভাবিবলৈ একো নাই। কিন্তু সলনি হ'ল বুলিয়ে ভৱিষ্যত বংশধৰলৈ বিশেষ একো থৈ যাব নোৱাৰা জাতিয়ে সাতামপুৰুষীয়া ৰীতি-নীতি, সম্পদসমূহ এটি দুটিকৈ এৰি দিয়াটো জাতিটোৰ বাবে শুভ লক্ষণ নহয়, ই চিন্তনীয়।


প্ৰসংগ পুথি-

১। ড° মহেশ্বৰ নেওগ- অসমীয়া সাহিত্যৰ ৰূপৰেখা।
২। ড° লীলা গগৈ- অসমৰ সংস্কৃতি।
৩। ড° বিৰিঞ্চি কুমাৰ বৰুৱা- অসমৰ লোকসংস্কৃতি।
৪। ড° নিৰ্মলপ্ৰভা বৰদলৈ- অসমৰ লোকসংস্কৃতি।
৫। ড° উপেন ৰাভা হাকাচাম- অসম সাহিত্য সভা পত্ৰিকা (সম্পাদিত)
৬। ড° হেমন্ত ডেকা, ড° কমল নয়ন পাটোৱাৰী- ফুলকুমাৰী কলিতাৰ ৰচনা সম্ভাৰ (সম্পাদিত)

# পৰিৱেশ প্ৰদূষণ আৰু মানৱৰ ভৱিষ্যৎ

ড° এম. এছ্ শ্বেইখ
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

উশাহৰ বাবে বিশুদ্ধ বায়ু, পান কৰাৰ বাবে পৰিষ্কাৰ পানী, বাস কৰাৰ বাবে অকৃত্ৰিম মাটি আৰু মানুহ হিচাবে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় অন্ন, বস্ত্ৰ আৰু শান্তিৰ যেন এটাও বৰ্তমান পৃথিৱীত বিচাৰি পাবলৈ নাই। নাই এইবোৰৰ মাজত সুস্থিৰ সুমধুৰ সম্পৰ্ক আৰু সমন্বয়। কাৰণ তেনেই পৰিচিত। অৰ্থাৎ প্ৰদূষণ নামৰ ঘাতক। সহজলভ্য প্ৰদূষকৰ কঠিন সমাধান। প্ৰতিবিধ প্ৰাণী আৰু উদ্ভিদৰ সুস্থিৰ জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় জৈৱ-অজৈৱ কাৰকৰ সমন্বয়কে পৰিৱেশ বুলি কোৱা হয়। জীৱৰ আভ্যন্তৰীণ পৰিৱেশৰ উপৰিও প্ৰাকৃতিক পৰিৱেশ আৰু সামাজিক পৰিৱেশে জীৱকুলৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। ভূমণ্ডলীয় আৰু মহাজাগতিক কাৰক বা উপাদানৰ সমষ্টিৰ পৰস্পৰ সম্পৰ্কৰ ফলতেই প্ৰাকৃতিক পৰিৱেশ। আনহাতে, সামাজিক পৰিৱেশে জনসংখ্যা, জাতি, ধৰ্ম, কৰ্ম, চিন্তাধাৰা, পৰিচালন ব্যৱস্থা, চৰকাৰ, প্ৰশাসন, ৰাজনৈতিক চিন্তাধাৰা আৰু মানৱীয়তাৰ প্ৰতিফলনক সূচায়। পৰিৱেশৰ অৱক্ষয় বা ধ্বংস আৰু জীৱকুলৰ ওপৰত প্ৰভাৱ পেলাব পৰা উপাদান বা কাৰক সমূহক প্ৰদূষক বুলি কোৱা হয়। উৎপত্তিৰ উৎস অনুসৰি প্ৰদূষক সমূহক প্ৰাকৃতিক প্ৰদূষক নাইবা কৃত্ৰিম প্ৰদূষক বুলি কব পাৰি। আনহাতে প্ৰদূষকৰ প্ৰকৃতি আৰু অৱস্থা অনুসৰি প্ৰদূষক সমূহক গোটা (সীহ, পাৰা, দস্তা, উৰণীয়া ছাই, এৰছল, উদ্যোগৰ অপদ্ৰব্য, ঘৰুৱা বা বাণিজ্যিক পেলনীয়া অপচনশীল দ্ৰব্য ইত্যাদি); গেছীয় প্ৰদূষক (ছি এফ ছি অৰ্থাৎ ক্ল'ৰ ফ্ল'ৰ কাৰ্বন, কাৰ্বন-ডাই অক্সাইড, ছালফাৰ ডাই অক্সাইড, নাইট্ৰজেন অক্সাইড, কাৰ্বন মনঅক্সাইড, মিথেন ইত্যাদি) আৰু জুলীয়া প্ৰদূষক (খনিজ তেল, ইউৰিয়া, এমনিয়া, ক্ল'ৰাইড, ফ্ল'ৰাইড, কিটনাশক দ্ৰব্য, বিভিন্ন ৰং, গ্ৰীজ আদি) এই তিনি ভাগত ভগাব পাৰি।

যিবোৰ প্ৰদূষক পৰিৱেশত অণুজীৱৰ দ্বাৰা বিয়োজিত হয় সেইবোৰক জৈৱ পচনশীল আৰু যিবোৰে পৰিৱেশত পৰিৱৰ্তন নোহোৱাকৈ বহু বছৰ ৰৈ যায় আৰু পৰিৱেশত বিৰূপ ক্ৰিয়া কৰে সেইবোৰক অপচনশীল প্ৰদূষক বুলি কোৱা হয়। পলিথিন, প্লাষ্টিক, গেমাক্সিন, ডি ডি টি ইত্যাদি পৰিৱেশত মন্থৰ গতিত ভাঙি যায়। ইন্ডিয়াম ১০ (আনবিক বোমা বিস্ফোৰণৰ ফলত সৃষ্টি হয়) আৰু স্পুটনিয়াম ২৩৯ হেজাৰ হেজাৰ বছৰলৈ অপৰিৱৰ্তনশীল অৱস্থাত ৰৈ পৰিৱেশত ক্ষতি কৰি থাকে। প্ৰদূষকৰ কাৰ্য স্থান অনুসৰি বায়ু প্ৰদূষক, পানী প্ৰদূষক, মাটি প্ৰদূষক আৰু ধ্বনি প্ৰদূষক এই চাৰি ভাগত ভগাব পাৰি। কাৰ্য অনুসৰি প্ৰদূষকৰ বিষাক্ততাক আন্ত্ৰিক বিষ, স্পৰ্শ বিষ, স্নায়ু বিষ, তন্ত্ৰীয় বিষ আদিৰে নামাংকৃত কৰা হয়। ড্ৰাগছ বা নিচাজাতীয় দ্ৰব্য, কীটনাশক দ্ৰব্য, খাদ্য সংৰক্ষণ দ্ৰব্য আদিৰ বেছি ভাগেই বিষ ৰূপে ক্ৰিয়া কৰে।

আধুনিক যুগত পৰিৱেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা লাফিং গেছ (স্নায়ুৰ ওপৰত ক্ৰিয়া কৰি মানুহক অস্থিৰ স্বভাৱৰ বা খিংখিঙীয়া স্বভাৱৰ কৰে), ছালফাৰ ডাই অক্সাইড (জলীয় বাষ্পৰ লগত বিক্ৰিয়া কৰি অম্লবৃষ্টিৰ সৃষ্টি কৰে), কাৰ্বন ডাই অক্সাইড (ভূপৃষ্ঠৰ উষ্ণতা বৃদ্ধি কৰি সেউজগৃহ প্ৰভাৱ পৰিঘটনাত অৰিহণা যোগায়)। এইবোৰৰ উপৰিও কল-কাৰখানা, নিৰ্মাণ কাৰ্য, দহন কাৰ্য আদিৰ পৰা উৎপন্ন হোৱা উৰন্ত ছাইত মিহলি হৈ থকা বিষাক্ত সীহ, দস্তা, ধূলিকণা, বিভিন্ন আঁহজাতীয় পদাৰ্থ আদিয়ে কৰ্কট ৰোগ, বুক ফাংস কৰা, যকৃতৰ ক্ষতি কৰা, স্নায়ু ধ্বংস কৰা, এলাৰ্জি ৰোগৰ সৃষ্টি কৰাৰ লগতে ফটোকেমিকেল ঋণ ৰূপে ভূপৃষ্ঠলৈ নামি আহি জীৱকুলক মৃত্যু মুখলৈ ঠেলি দিয়ে। শীত-তাপ নিয়ন্ত্ৰক যন্ত্ৰ, জায়জেনিক যন্ত্ৰ আদিত ব্যৱহাৰ কৰা ছি এফ ছি গেছে বায়ুমণ্ডলৰ ওপৰত থকা অজন স্তৰ বা অ'জন ছাতি ক্ষয়ীকৰণৰ দ্বাৰা অ'জন ছিদ্ৰ সৃষ্টি কৰি মাৰাত্মক অতি বেঙুনীয়া ৰশ্মি বায়ুমণ্ডলত প্ৰৱেশ কৰোৱাৰ মাধ্যমেৰে মানুহৰ ছালৰ কৰ্কট ৰোগ আৰু ডি এন এ অণুৰ উৎপৰিৱৰ্তন কৰি বংশগতিৰ ধাৰাৰ পৰিৱৰ্তন কৰে। জেট ইঞ্জিন, ৰকেট, পাৰমাণৱিক বিস্ফোৰণ, কৃষি ভূমিত ব্যৱহৃত ৰাসায়নিক কীটনাশক দ্ৰব্য আদিৰ পৰা নিৰ্গত হোৱা নাইট্ৰজেন অক্সাইডেও অজন স্তৰ ক্ষয় কৰাত বাৰুকৈয়ে সহায় কৰে।





পৃথিৱীৰ জলভাগ ৩/৪ অংশ হ'লেও সুজল পানীৰ মুঠ পৰিমাণ কেৱল ২.৬৬ শতাংশ অৰ্থাৎ বাকী ৯৭.৩৪ শতাংশ পানী লুণীয়া অৰ্থাৎ পান কৰাৰ বাবে অনুপযোগী। সুজল পানীৰ ২.০৪% বৰফ, ০.৮১% মাটিৰ তলত অৰ্থাৎ ভূগৰ্ভত, ০.০০৯% হ্ৰদত, ০.০০৫% মাটিত মিহলি হৈ থকা আদ্ৰতা, ০.০০১% বায়ু বাষ্প আৰু মাত্ৰ ০.০০০১% নদ-নদী, জান-জুৰি আদিত পোৱা যায়। এই নগন্য পৰিমাণৰ সুজল পানীৰ বেছিভাগেই খোৱাৰ বাবে অনুপযোগী। বনানি ধ্বংস বা নিৰ্বনীকৰণ আৰু আধুনিক কৃষি বা উদ্যোগীকৰণৰ ফলস্বৰূপে ভূগৰ্ভৰ পৰা অতিমাত্ৰাত পানী আহৰণ কৰাৰ ফলত ভূগৰ্ভীয় জলপৃষ্ঠ দ্ৰুত হাৰত নিম্নগামী হোৱাৰ ফলস্বৰূপে অচিৰেই বা অদূৰ ভৱিষ্যতে সেউজ ধৰণী ৰঙা গ্ৰহত পৰিণত হ'ব বুলি এক প্ৰকাৰ খাটাংকৈ ক'ব পাৰি। বিষাক্ত ৰাসায়নিক পদাৰ্থ, গধুৰ ধাতু, অজৈৱ যৌগ, অজৈৱ লৱণ ৰোগ সৃষ্টিকাৰী অণুজীৱ (বেক্টেৰিয়া, ভাইচ, ভেঁকুৰ, এককোষী অন্য প্ৰাণী, বিভিন্ন দেশ) আদিয়ে পানী দূষিত কৰাত অগ্ৰণী ভূমিকা লয়। খনিজ পদাৰ্থৰ খনন কাৰ্য, ভূমিকম্প, ভূমিস্খলন, আগ্নেয়গিৰি উদগীৰণ, নিৰ্গমন, চহৰ-নগৰ-কল-কাৰখানা-উদ্যোগ-ঘৰুৱা প্ৰতিষ্ঠান আদিৰ বৰ্জনীয় পদাৰ্থ আৰু কৃষি ভূমিত ব্যৱহৃত ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যই পানী দূষিত কৰে।

মাটি প্ৰদূষকৰ ভিতৰত গোটা পেলনীয়া পদাৰ্থ, কৃষি ভূমিত ব্যৱহৃত ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য, ঘৰুৱা আৰু ৰাজহুৱা আৱৰ্জনা, উদ্যোগিক আৰু বিজ্ঞানাগাৰ আদিৰ পৰা ওলোৱা বৰ্জনীয় পদাৰ্থ, নিত্য ব্যৱহাৰ্য পেলনীয়া সামগ্ৰী আদিয়ে মাটি প্ৰদূষণত বাৰুকৈয়ে অৰিহণা যোগায়। এইবোৰৰ ভিতৰত পলিথিন আৰু প্লাষ্টিক জাতীয় সামগ্ৰী, উদ্যোগিক গোটা নাইবা জুলীয়া বিষাক্ত পদাৰ্থ, সীহ, পাৰা, আৰ্ছেনিক আদিয়ে মাটি বেছিকৈ দূষিত কৰে।

আধুনিক বিশ্বত ধ্বনি প্ৰদূষণে মানৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই (WHO) মাত্ৰ ৪৫ ডেচিবেল শব্দইহে মানৱ শৰীৰৰ বাবে বিপদমুক্ত বুলি নিৰ্ধাৰণ কৰি দিছে। আমি ব্যৱহাৰ কৰা প্ৰতিখন গাড়ীয়ে গড়ে ১১০ ডেচিবেল ধ্বনি সৃষ্টি কৰে। একেদৰে লাউড স্পিকাৰ— ৪৫ ডেচিবেল, জেট ইঞ্জিন ১১০ ডেচিবেল আৰু ৰেলগাড়ী ১০ ডেচিবেল ধ্বনি সৃষ্টি কৰে। জাতীয় দৈহিক পৰীক্ষাগাৰ, ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থা, অল ইণ্ডিয়া মেডিকেল ইনষ্টিটিউট, ইনষ্টিটিউট অফ ৰোড ট্ৰাফিক আদিৰ সমীক্ষা অনুযায়ী ভাৰতবৰ্ষৰ চহৰ-নগৰ সমূহত ৬০-৯৫ ডেচিবেল ধ্বনি সৃষ্টি কৰে। আটাইতকৈ ভয়াৱহ দিশটো হ'ল ভাৰতবৰ্ষৰ গাঁও অঞ্চল সমূহত দ্ৰুত হাৰত বৃদ্ধি হোৱা পুৰণি যান-বাহন অৰ্থাৎ ট্ৰাক, অটো ৰিক্সা, মটৰ বাইক, সৰু চাৰি চকীয়া যান, ট্ৰাক্টৰ, শিল-আটা ভঙা মেচিন আদিৰ অবাধ প্ৰচলনে ধ্বনি আৰু জীৱাশ্ম ইন্ধন সম্পৰ্কীয় বহু মাৰাত্মক ৰোগ নৱ- প্ৰজন্মৰ মাজত বিয়পাই মানৱ সমাজক ঘুনিয়া কৰি আছে। স্মৰ্তব্য যে, ৫০-৫৫ ডেচিবেল ধ্বনিয়ে টোপনিত ব্যাঘাত জন্মায়, ৬০ ডেচিবেল ধ্বনিয়ে অস্থিৰতা বৃদ্ধি কৰে, ৯৫-৯৫ ডেচিবেল ধ্বনিয়ে স্বয়ংক্ৰিয়া স্নায়ুৰ কাৰ্যত আউল লগায়, ১৫ ওপৰৰ পৰা ১৫০ ৰ তলৰ ডেচিবেল ধ্বনিয়ে কাণৰ শ্ৰৱণ ধাৰণ ক্ষমতা হ্ৰাস কৰে আৰু দৃষ্টিশক্তিহীন কৰে। আনহাতে ১৫০ উৰ্দ্ধৰ ডেচিবেল ধ্বনিয়ে শ্ৰৱণ ক্ষমতা সম্পূৰ্ণৰূপে বা চিৰদিনৰ বাবে বন্ধ কৰে। অসমৰ তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যান-বাহনৰ জন বিস্ফোৰণ, অদূৰদৰ্শী আৰু অবৈজ্ঞানিক ৰাস্তা-ঘাট নিৰ্মাণ, বাট-পথৰ কেস্নাৰ ৰোগ, পৰিৱেশ অসচেতনতা আদিয়ে ধ্বনি প্ৰদূষণৰ ভয়াবহ আৰু অশুভ বাৰ্তা কঢ়িয়াই আনিছে।

আধুনিক সভ্য মানৱৰূপে পৰিচয় দিবলৈ হ'লে বিভিন্ন ইলেক্ট্ৰনিক সামগ্ৰী যেনে- অভেন, ওৱাচিং মেচিন, ৰেফ্ৰিজাৰেটৰ, ভেকাম ক্লিনাৰ, পিচি, প্ৰিন্টাৰ, ফে' মেচিন, জেৰক্স মেচিন, মোবাইল, ডিজিটেল কেমেৰা, এলচিডি, টিভি, চিডি প্লেয়াৰ, জয়ষ্টিক, পুতলা বট, ড্ৰিলিং মেচিন, পানচিং মেচিন, টিকট কটা মেচিন, বৈদ্যুতিক যন্ত্ৰপাতি আদিত অতি বিষাক্ত মৌল বা যৌগ যেনে ক্লৰিন আৰু ব্ৰমিন যুক্ত পদাৰ্থ, প্লাষ্টিক জাতীয় পাদাৰ্থ, বিষাক্ত গধুৰ ধাতু (সীঁহ, দস্তা, ক্ৰমিয়াম, কেডমিয়াম, পাৰা, তাম, জাৰমেনিয়াম, বিষমাত, গেলিয়াম, বেৰিয়াম, টাইটেনিয়াম, চেলেনিয়াম, ক'বাল্ট, মেংগানিছ, ভানাডিয়াম, আৰ্চেনিক, বেৰিলিয়াম আদি) আদিয়ে মানৱৰ লগতে বন্য জীৱৰো মাৰাত্মক

ক্ষতিসাধন কৰে। আমি সচৰাচৰ ব্যৱহাৰ কৰা (ফুলকুমলীয়া ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈকে) কম্পিউটাৰৰ চাৰকুইট বৰ্ডৰ লেড আৰু কেডমিয়াম, মনিটৰত লেডঅ'ইড আৰু কেডমিয়াম, ছুইজত পাৰা, বেটাৰিত কেডমিয়াম, কেপাচিটৰ আৰুট্ৰান্সফৰ্মাৰত পলিক্লৰিনেটেড বাইফিনাইল, প্ৰিন্টাৰত ব্ৰমিনেটেড ফ্ৰেম আৰু মাৰাত্মক ভাবে বিষাক্ত তথা ক্ষতিকাৰক উপাদান সমূহ থাকে। মাটি নাইবা পানীক এইবোৰে প্ৰদূষিত কৰাৰ লগতে পুৰি পেলালে বিষাক্ত ধোঁৱা আৰু গেছৰ দ্বাৰা মস্তিষ্ক, স্নায়ুতন্ত্ৰ, হাওঁফাও, বৃক্ক, যকৃৎ আৰু প্ৰজনন তন্ত্ৰক বাৰুকৈয়ে ধ্বংস কৰে। এইবোৰৰ উপৰিও ক্ৰমিয়ামে হাপানী, ব্ৰংকাইটিচ, ডি এন এ ধ্বংস কৰাৰ পৰিলক্ষিত হয়। একেদৰে পিভিচিয়ে ৰোগ প্ৰতিৰোধক তন্ত্ৰ আৰু অন্তক্ষৰণ তন্ত্ৰত ব্যাঘাত জন্মোৱা; বেৰিয়ামে হৃদযন্ত্ৰ যকৃৎ প্লীহা আৰু মাংসপেশী দুৰ্বল কৰা; বেৰিয়ামে হাওঁফাও আৰু ছালৰ কৰ্কট ৰোগৰ সৃষ্টি কৰা দেখা যায়। স্মৰ্তব্য যে ভাৰতবৰ্ষত প্ৰতি বছৰে ১৪৬১৮০ টন গোট। পেলনীয়া ই-সামগ্ৰী জমা হয়। পেলনীয়া ই-সামগ্ৰীৰ উপৰিও পৰিৱেশৰ লগতে মানৱ সমাজৰ বাবে ভাবুকি স্বৰূপ আন গোটা পেলনীয়া সামগ্ৰী বিশেষকৈ পলিথিন, প্লাষ্টিক, বিভিন্ন ৰাসায়নিক দ্ৰব্য, আৱৰ্জনা আদি বিশ্বজুৰি প্ৰতিবছৰে প্ৰায় ৩০০ ৰ পৰা ৫০০ মিলিয়ন টন উৎপন্ন হয়। এই বিশাল পৰিমাণৰ পেলনীয়া আৱৰ্জনাই মানৱৰ লগতে পৰিৱেশৰ প্ৰতি সাংঘাতিক প্ৰতিকূলতাৰ সৃষ্টি কৰিছে। এই অশুভ ভাবুকিৰ প্ৰতি লক্ষ্য কৰি ১৯৭২ চনৰ ষ্টকহম আন্তৰ্জাতিক সম্মিলন, বেসেল সম্মিলন (১৯৮৯), ৰায়ডিজেনেৰীঅ সম্মিলন (১৯৯২) আদিৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ লগতে ভাৰতবৰ্ষতো ছলিড ওয়াই ডিছপজেল আইন (১৯৬৫), ক্লিন এয়াৰ আইন (১৯৭০), ফেডাৰেল ওৱাটাৰ পলচন কন্ট্ৰল আইন (১৯৭২), ছে ড্ৰিংকিং ওৱাটাৰ আইন (১৯৭৪), টক্সিক ছবিছটেন্স কন্ট্ৰল আইন (১৯৭৬), ক্লিন ওৱাটাৰ আইন (১৯৭২), ফেডাৰেল আদি।

প্ৰদূষণত বাৰুকৈয়ে অৰিহণা যোগায়। এইবোৰৰ ভিতৰত পলিথিন আৰু প্লাস্টিক জাতীয় সামগ্ৰী উদ্যোগীক গোটা ইনছেকটিছাইট, ফাংগিছাইট এণ্ড ৰোডেনটি ছাইট আইন (১৯৪৭), পাব্লিক হেল্‌থ ছাৰ্ভিছ আইন (১৯৪৪), ডেনজাৰাছ কাৰ্গ আইন (১৯৫২), হেজাৰডাছ মেটেৰিয়েল আইন (১৯৭৫), লেড বেইজড পেইন্ট পয়জনিং প্ৰিভেনচন আইন (১৯৭৩) আদিৰ মাধ্যমেৰে পেলনীয়া আবৰ্জনাৰ ক্ষতিৰ পৰিমাণ হ্ৰাস আৰু নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও প্ৰকৃতাৰ্থত এই আইনবোৰৰ প্ৰয়োগ প্ৰায় নিথৰ বুলিয়ে ক'ব পাৰি।

ইং ১৯৯৭ চনৰ কিয়টো প্ৰটকল অনুযায়ী প্ৰতি বছৰে ৫% হ্ৰাসৰ দ্বাৰা ২০০৮-১২ চনৰ ভিতৰত পৰিৱেশত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ সুস্থিৰ কৰাৰ পদক্ষেপৰ সিদ্ধান্তৰ পাছতেই বিশ্বব্যাপী যুগান্তকাৰী মতবাদ কাৰ্বন ইকনমি চলি থকাৰ সময়তে (সহজ কথাত পৰিবেশত যিয়ে যিমান কাৰ্বন যোগ কৰিব তাৰ প্ৰতিশোধন বা বিশুদ্ধকৰণৰ ব্যৱস্থা আৰু দায়ীত্বও ল'ব লাগিব নাইবা সমপৰিমাণৰ অৰ্থ চৰকাৰ নাইবা ট্ৰেডাৰ্চক জমা দিব লাগিব) মানৱ সভ্যতাৰ নতুন দিগন্তস্বৰূপ নেন' টেকনলজিয়ে মানৱ অস্তিত্বৰ প্ৰতি ভাবুকিৰো অৱতাৰণা কৰিছে। ১৯৮০ চনত কে ইৰিক ডে'লাৰ নামৰ বিজ্ঞানী এজনে কম্পিউটাৰ, মটৰ গাড়ী, ৰ'বট আদিক কোষ এটাৰ আকাৰতকৈয়ো ক্ষুদ্ৰ ৰূপত নিৰ্মাণৰ কথা চিন্তা কৰিছিল। ডেনড্ৰিমাৰচ আৰু নেন' পাৰ্টিকেলচ নামৰ নেন' পদাৰ্থৰ সহায়ত বহু জটিল ৰোগৰ চিকিৎসা কৰা হয়। প্ৰটিন আৰু পেপ্‌টাইড নামৰ বৃহৎ অণুৰ লগত নেন' কণিকা যুক্ত কৰি নেন' বায়ফাৰ্মাকিউটি' পদ্ধতিৰে ৰোগৰ চিকিৎসা কৰা হয়। কোৱান্টাম ডছ নামৰ নেন' কণিকা সহায়ত কৰ্কট ৰোগৰ অৱস্থিতি ধৰা পেলোৱা, আলোক চিত্ৰ লোৱা আৰু চিকিৎসা কৰাৰো চিন্তাচৰ্চা আৰু গৱেষণা চলি আছে। টিউমাৰৰ ভিতৰত কেডমিয়াম চেলিনাইড (কোৱান্টাম ডছ) উজ্জ্বলভাবে দেখা দিয়াৰ ফলত অস্ত্ৰ প্ৰচাৰত অতি উজু হয়। নেন' ৰবট (০.৫-৩ মাইক্ৰ মিটাৰ আকাৰ), ছেল ৰিপিয়াৰ নেন' যন্ত্ৰ আদিৰ সহায়ত নেন' টেক্নলজি বিশেষজ্ঞ সকলে বৃক্কৰ জটিল ৰোগৰ চিকিৎসা কৰিবলৈয়ো সক্ষম হৈছে। বৰ্তমান বিভিন্ন ধৰণৰ কচমেটিক, ৰং, পুতলা, আদিতো নেন' প্ৰযুক্তি প্ৰয়োগ কৰা পৰিলক্ষিত হয়। অতি ক্ষুদ্ৰাকৃতিৰ হোৱা বাবে পৰিৱেশত বা জীৱদেহত অতি সহজে প্ৰৱেশ কৰি নানান বেমেজালিৰ সৃষ্টি কৰাটো বৈজ্ঞানিক সকলৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। কাৰণ যদিহে নেন' প্ৰযুক্তিৰে পাৰমাণৱিক বোমা তৈয়াৰ কৰিবলৈ সক্ষম হয় তেতিয়া হ'লে মানৱ সভ্যতাই আন এক জটিল সমস্যা নাইবা বিধ্বংসী সমস্যাৰ সন্মুখীন হ'ব। ৫ জুন ১৯৭২ চন পৃথিৱীৰ ইতিহাসত এক উল্লেখনীয় দিন। এই দিনতেই ষ্টকহ মত মানৱ পৰিৱেশৰ ওপৰত প্ৰথম আন্তৰ্জাতিক সন্মিলন পতা হয়। এই দিনটোকে বিশ্ব পৰিৱেশ দিৱস হিচাবে পালন কৰা হয়। ভাৰতবৰ্ষৰ বন্য প্ৰাণী সংৰক্ষণ আইন ১৯৭২, পানী প্ৰদূষণ ৰোধ কৰা আৰু



নৱজ্যোতি, ২০২১-২২ বৰ্ষ ঃঃ সংখ্যা- ৩৩

নিয়ন্ত্ৰণ কৰা আইন ১৯৭৪, বায়ু প্ৰদূষণ ৰোধ কৰা আৰু নিয়ন্ত্ৰণ কৰা আইন ১৯৭৪ আৰু ১৯৮১ আদিয়েও বিশ্ব দৰবাৰত বাৰুকৈয়ে সমাদৃত। পৰিৱেশ সংৰক্ষণৰ বাবে কেৱল আইনে একো কৰিব নোৱাৰে। আইনৰ উৰ্দ্ধত জনসাধাৰণ বা প্ৰতিজন নাগৰিকৰ সদিচ্ছা আৰু সজাগতাৰ অতি দৰকাৰ। ধৰ্মীয়, সামাজিক, বাস্তৱ আৰু মানৱীয়তাৰ দৃষ্টি কোণৰ পৰা বিচাৰ আৰু বিবেচনাৰেহে পৰিৱেশ সংৰক্ষণ কৰিব পাৰি। ব্যক্তি আৰু চৰকাৰৰ লগতে বেচৰকাৰী অনুষ্ঠানৰ (এন. জি. অ.) ভূমিকাও অতুলনীয়। বৃক্ষ সংৰক্ষণৰ বাবে দশলী গ্ৰাম সৱজো মণ্ডলে কৰা চিপকো আন্দোলন, কল্প বৃক্ষই কৰা নৰ্মদা বাচাও আন্দোলন, বম্বে নেচাৰেল হিছটৰী ছোছাইটিৰ বহুমুখী পদক্ষেপ, ডাবু ডাবু এফ, ছেন্টাৰ ফৰ ছায়েন্স এণ্ড এনভায়ৰমেন্ট, কেৰেলা শাস্ত্ৰ সহিত্য পৰিষদ, আৰণ্যক, জেদ এচ আই, অসম বিজ্ঞান সমিতি আদি বেচৰকাৰী সংস্থা সমূহে পৰিৱেশ সংৰক্ষণৰ বহু নজিৰ ইতিমধ্যেই ৰচিবলৈ সক্ষম হৈছে। একেদৰে ধৰ্ম গুৰু, ধৰ্ম যাজক, বিচাৰপতি, জনপ্ৰতিনিধি, চৰকাৰী বিষয়া, শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, উদ্যোগপতি, ব্যৱসায়িক, বিজ্ঞানী, চিকিৎসক, অভিযন্তা, ঠিকাদাৰ, পুলিচ, সৈন্য, কৃষক, বনুৱা আদি সকলোৱে নৈতিক দায়িত্বৰূপে পৰিৱেশ সংৰক্ষণৰ বাবে স্বতঃস্ফূৰ্তভাবে আগুৱাই অহা বাৰুকৈয়ে প্ৰয়োজন। নাটক, চিনেমা, বাটৰ নাট, আৰ্হি, প্ৰকল্প, গল্প, উপন্যাস, কবিতা, গান, ধাৰাবাহিক, সাধুকথা, মন্ত্ৰণালয়, পৰ্যটন বিভাগ, মিউজিয়াম, কৰ্মশালা, ৰচনা প্ৰতিযোগিতা, আলোচনা চক্ৰ, বিনোদন ব্যৱস্থা, শিক্ষামূলক ভ্ৰমণ, গৱেষণা আদিৰ মাধ্যমেৰেও সজাগতা আনি পৰিৱেশ সংৰক্ষণ কৰিব পাৰি। ইতিমধ্যে টেলিভিচন যোগে প্ৰচাৰ কৰা বিৰাছট, ৰেইচ টু ছেভ দ্যা প্লেনেট, হেড্‌ছ এণ্ড টেইল, তেৰা ভিউ, কেপ্টেইন প্লেনেট, প্লেনেট আৰ্থ, ডিছকভাৰী, মেন ভাৰ্ছাছ ওৱাইল্ড, টম এণ্ড জেৰি, ডমিন, কৃষ্ণা আদিয়ে এই দিশত যথেষ্ট সফলতা আৰু জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

মানৱ জনবিস্ফোৰণ, গোলকীয় উষ্ণতা বৃদ্ধি আৰু পৰিৱেশ প্ৰদূষণৰ মূল কাৰণ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বৰ্তমান বিশ্বত জনসংখ্যা হ'ল ৮ বিলিয়ন আৰু এই সংখ্যা ২০৫০ চনত প্ৰায় ১০.৫০ বিলিয়ন হ'ব বুলি ঠাৱৰ কৰা হৈছে। একেদৰে ভাৰতবৰ্ষত বৰ্তমান জনসংখ্যা হ'ল ১.৪১৭ বিলিয়ন আৰু ২০৫০ চনত এই সংখ্যা ১.৬৩ বিলিয়ন হ'ব বুলি অনুমান কৰা হৈছে। জনবিস্ফোৰণৰ ফলত মানুহৰ মৌলিক অধিকাৰ পুৰণাৰ্থে কৃষি ভূমি আৰু আবাসভূমিৰ বৃদ্ধি কৰণৰ ফলত বনানি ধ্বংস নাইবা জলাশয় ধ্বংসও অধিক হাৰত হোৱা দেখা যায়। যান-বাহনৰ অধিক ব্যৱহাৰ, জীৱাশ্ম ইন্ধনৰ অতিমাত্ৰাত প্ৰজ্জ্বলন আৰু ধ্বনি প্ৰদূষণ, পাহাৰ কাটি গৃহ নিৰ্মাণ, এডলীয়া পাহাৰত ঝুমখেতিৰ ফলত পাহাৰৰ ভূমিস্খলন আৰু ভৈয়ামৰ জলাশয় তৰাংকৰণ, সোচৰা বেমাৰৰ দ্ৰুত সম্প্ৰসাৰণ, মেৰু বৰফলন, সুউচ্চ পাহাৰত জমাহৈ থকা বৰফ গলন, সাগৰ পৃষ্ঠৰ উত্তোলনৰ ফলত হোৱা প্ৰৱল বানপানী, খেতি পথাৰত অধিক মাত্ৰাত কীটনাশক ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগৰ ফলত জৈৱ বৈচিত্ৰ্যতা ধ্বংসৰ লগতে মানৱ শৰীৰৰ গুৰুত্বপূৰ্ণ অংগ যেনে যকৃৎ, বৃক্ক, মস্তিষ্ক, স্নায়ু, হৃদযন্ত্ৰ আদিৰ ক্ষতিসাধন, অধিক উদ্যোগীকৰণৰ ফলত হোৱা অম্ল বৃষ্টি, সেউজগৃহ প্ৰভাৱ পৰিঘটনা, মাটি পানী, বায়ু বিষাক্ত কৰণ, আদিৰ উপৰিও সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা, যুদ্ধ বিগ্ৰহ, সন্ত্ৰাসবাদী কাৰ্যকলাপ, শোষণ, দূৰ্নীতি, অকাল মৃত্যু, যান্ত্ৰিক মানৱ আদিৰ সৃষ্টিৰ মাধ্যমেৰে সেউজ ধৰিত্ৰীক ৰঙা গ্ৰহ নাইবা বিষাক্ত গ্ৰহলৈ ৰূপান্তৰিত কৰি মানৱৰ মানৱীয় গুণৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। বায়ুমণ্ডলৰ সুস্থ পৰিৱেশৰ বাবে ধৰিত্ৰীত ৩৩ শতাংশ বনাঞ্চল থকা অতিকৈ প্ৰয়োজন। অসমত এই পৰিমাণ মাত্ৰ ২২%। দ্ৰুত নিৰ্বনানীকৰণ আৰু বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বৃদ্ধিৰ বাবে পৃথিৱী পৃষ্ঠৰ উষ্ণতা বৃদ্ধি অৰ্থাৎ সেউজ গৃহ প্ৰভাৱ পৰিঘটনাই দেখা দিছে। স্মৰ্তব্য যে, বিগত ১৮ হেজাৰ বছৰত এই উষ্ণতা বৃদ্ধি হৈছিল মাত্ৰ ৮° ছেলছিয়াছ। ধাৰণা কৰা মতে ২০০৫-২০৫০ চনত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি হ'ব ১.৫° ছেলছিয়াছ আৰু ২০৫০-২১০০ চনত অতিৰিক্ত ৩° ছেলছিয়াছ বৃদ্ধি হোৱাৰ ফলত বৰফাবৃত অঞ্চল সমূহৰ বৰফ গলি বানপানীৰ প্ৰকোপ বৃদ্ধিৰ ফলত ভাৰত, বাংলাদেশ, পাকিস্থান, অসম, পশ্চিমবঙ্গ আদি বিস্তৃত অঞ্চলৰ বানপানীৰ জলপৃষ্ঠ ৩-৪ ফুট অধিক হৈ কৃষিভূমি ধবংস কৰাৰ লগতে মানুহৰ জীৱনত বিভীষিকাৰ সৃষ্টি কৰিব।

প্ৰদূষণৰ ফলত পৃথিৱীত হোৱা কিছুমান দুৰ্যোগৰ পৰা আমি অতি সহজে মাটি, পানী আৰু বায়ু প্ৰদূষণৰ কুফল আৰু দুৰ্যোগ অনুমান কৰিব পাৰি। ১৯৫৩-৬০ চনত জাপানৰ যাতছুছিৰ সাগৰৰ পাৰৰ মিনামাতা উপকূল ৰাসায়নিক Arterto উদ্যোগৰ ভিনাইল ক্লৰাইড ইউনিটৰ পৰা নিৰ্গত হোৱা মিথাইল মাৰ্কাৰী নামৰ ৰাসায়নিক দ্ৰব্য মাছৰ মাধ্যমেৰে মানুহৰ দেহত প্ৰৱেশ কৰি মিনামাতা ৰোগৰ মহামাৰি ৰূপে মস্তিষ্কৰ ক্ষতিসাধন কৰি মানসিক

বিকাৰগ্ৰস্ততাৰে বহু মানুহ মৃত্যুমুখত পৰিছিল। ১৯৭২ চনত ইৰাকত পাৰাযুক্ত কীটনাশক দ্ৰব্য চাউলৰ লগতে সেৱন কৰি ৫০০ জনৰো অধিক মানুহ মৃত্যুমুখত পৰিছিল। ভূপাল ট্ৰেজেডী (৩ ডিচেম্বৰ ১৯৮৪) বিশ্ব ইতিহাসৰ এক শোকাবহ দিন। ইউনিয়ন কাৰ্বাইড উদ্যোগৰ পৰা নিৰ্গত হোৱা মিথাইল আইছছায়েনাইড (মিক)ৰ দ্বাৰা ২৫০০ জনৰ করুণ মৃত্যু আৰু প্ৰায় ১০ হেজাৰজন ব্যক্তি অসুস্থ হৈ পৰে। ২৬ এপ্ৰিল ১৯৮৬ চানবিল নিউক্লিয়াৰ দুৰ্ঘটনাত ৩১ জনৰ মৃত্যু হয়। ১৯৭৮ চনত পশ্চিমবংগৰ ২৪ পৰগণা, হুগলী আৰু মুৰ্ছিদাবাদত আৰ্চেনিক বিষাক্ততাত ৪০ মিলিয়ন মানুহ আক্ৰান্ত হয়। একেদৰে ১৯৯৫ চনত বাংলাদেশতো বহু মানুহ আৰ্চেনিক বিষাক্ততাৰ চিকাৰ।

১৯৪৫ চনৰ ৬ আগষ্ট আমেৰিকাই জাপানৰ হিৰোচিমাত লিটিল বয় নামৰ পাৰমাণবিক বোমা বিস্ফোৰণ ঘটোৱাত ১৪০,০০০ মানুহৰ করুণ মৃত্যু হৈছিল। একেদৰে ৯ আগষ্ট ১৯৪৫ নাগাছাকিত পাৰমাণবিক বোমাৰে ৭,৮০০ মানুহ হত্যা কৰিছিল। আজিও পাৰ্শ্বক্ৰিয়া স্বৰূপ জিনীয় উৎপৰিৱৰ্তনৰ ফলত পংগুত্ব আৰু লিউকেমিয়া হৈ বহু শিশুৱে ঘৃণীয়া জীৱন যাপন কৰিবলগীয়া হৈছে। একেদৰে ইৰাক আৰু আফগানিস্থানত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু মিত্ৰবাহিনীয়ো পেলোৱা ক্লাষ্টাৰ বোমাত ব্যৱহাৰ কৰা তেজষ্ক্ৰিয় পদাৰ্থৰ বাবেও দেশ দুখনত বহু মানুহ বিশেষকৈ শিশুসকল পঙ্গু হোৱাৰ শত উদাহৰণ আছে। আন একো নহয় ১৯৭০ চনত ভাৰত পাকিস্থানৰ যুদ্ধত হোৱা অগণন বোমা বিস্ফোৰণৰ ফলত হেজাৰ হেজাৰ মানুহৰ হোৱা জয়বাংলা নামৰ চকুৰ বেমাৰ।

পৃথিৱীত আজিলৈকে যিমান বৃহৎ, ক্ষুদ্ৰ নাইবা মজলীয়া নদীবান্ধ দিয়া হৈছে প্ৰতিটোৰে পাৰ্শ্বক্ৰিয়া মানৱ আৰু পৰিবেশৰ পৰিপন্থিৰূপে প্ৰমাণিত হৈছে। ন-ন বা আচহুৱা বেমাৰ আজাৰৰ উপৰিও বহু প্ৰাণী আৰু উদ্ভিদো সেই অঞ্চল সমূহৰ পৰা নোহোৱা হয় আৰু আন কিছুমান নতুন জীৱৰ (ৰোগজনকৰ) প্ৰাদুৰ্ভাৱ হোৱা দেখা যায়। সৰদাৰ চৰোৱৰ প্ৰকল্পৰ ফলত ২৫০ খন গাঁৱৰ মুঠ এক লাখ মানুহে ক্ষতিগ্ৰস্থ হৈছিল। ঝাৰখণ্ডৰ ঝাৰীয় কয়লা খননৰ বাবে ৫ ০.৩ মিলিয়ন মানুহ ক্ষতিগ্ৰস্থ হয়। বাল্মিকী ব্যঘ্ৰ প্ৰকল্প স্থাপনৰ ফলত জনজাতীয় মানুহৰ ১৪২ খন গাঁও আক্ৰান্ত হৈছিল। কেৰেলাৰ ওৰেআন্দ বন্য প্ৰাণী সংৰক্ষিত অঞ্চল স্থাপনৰ বাবে ৫৩৪৭২ টা ট্ৰাইবেল পৰিয়াল উদবাস্তু হৈছিল। একেদৰে ইৰাকৰ যুদ্ধৰ সময়ত সাগৰত দুৰ্ঘটনাগ্ৰস্থ হেজাৰ হেজাৰ বেৰেল তেলৰ বাবে সাগৰীয় জীৱ জন্তুৰ করুণ মৃত্যু মানৱ সভ্যতাৰ বাবে কলা নিদৰ্শন হৈ ৰ'ব।

মানৱ সভ্যতাক আধুনিকৰ পৰা অত্যাধুনিক কৰি সৃষ্টিৰ মাধুৰ্যতাক অতি সুন্দৰ কৰিবলৈ হ'লে বিকাশ, প্ৰগতি, উন্নতি, নগৰীকৰণ, বাণিজ্যিকীকৰণ, নিৰ্মাণ, কৃষি ব্যৱস্থা উন্নতিকৰণ, উদ্যোগীকৰণ, বহিঃ গ্ৰহৰ পৰা শক্তি আহৰণ, খনন, শক্তিৰ বাবে খনিজ পদাৰ্থ আহৰণ আৰু নবীকৰণ (বায়ু শক্তি, বায় ডিজেল, সৌৰ শক্তি, সাগৰীয়া ঢৌ, আৱৰ্জনা দহন, বায় গেছ, এলকহল ইত্যাদি) আৰু ক্ষয়শীল শক্তিৰ বাবে প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা বিজ্ঞান সন্মতভাবে হাতত লোৱা অতি দৰকাৰ। কিন্তু নিজৰ লগতে আন জীৱ-জন্তু আৰু উদ্ভিদৰ সংৰক্ষণৰ কথাও চিন্তা কৰিব লাগিব যাক কোৱা হয় "Sustainable Development"। আহক আমি সকলোৱে মিলি এখন সুন্দৰ ধৰণী গঢ়োঁ।

ঃ কৌতুক ঃ

শিক্ষকে পৰীক্ষাত চাৰিপৃষ্ঠাজোৰা এখন ৰচনা লিখিবলৈ দিলে। ৰচনাৰ বিষয় হ'ল 'এলাহ'। এজন ছাত্ৰই তিনি পৃষ্ঠা একো নিলিখি এৰি দি চতুৰ্থ পৃষ্ঠাটোত ডাঙৰ ডাঙৰ আখৰেৰে লিখিলে 'এয়াই এলাহ'।





# নাৰী অধিকাৰ আৰু মৰ্য্যাদা

**আব্দুল ওৱাহাব সৰকাৰ,**
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ

মহাকৰ্ষণৰ নীতি অনুসৰি জাগতিক প্ৰতিটো বস্তু স্থান কাল সাপেক্ষে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰে। এই আকৰ্ষণ প্ৰক্ৰিয়া ইমানেই নিখুঁত আৰু সূক্ষ্ম যে ইয়াৰ ওপৰত বিশ্বৰ বিৱৰ্তন প্ৰক্ৰিয়াৰ ভাৰসাম্য নিৰ্ভৰ কৰে। এই প্ৰক্ৰিয়াত প্ৰতিটো কণাৰেই ভূমিকা গুৰুত্বপূৰ্ণ। গতিকে বিশেষ দৃষ্টিকোণৰ পৰা বিশ্বৰ প্ৰতিটো কণা সমান গুৰুত্বপূৰ্ণ আৰু জাগতিক বৈচিত্ৰ্যতাৰ বাহক। বিচিত্ৰ কণা সমূহৰ জটিল আৰু ভিন্ন সমাহাৰত উদ্ভৱ হোৱা সৃষ্ট সত্তা'ও বৈচিত্ৰ্য। অজৈৱ সত্তাৰ দৰে জৈৱিক সত্তা সমূহ ও স্বাভাৱিক ভাৱেই বৈচিত্ৰ্যময়। এই বৈচিত্ৰ্যতাৰ এক অপূৰ্ব নিদৰ্শন হ'ল জৈৱিক সত্তা সমূহৰ লিঙ্গ বিপৰীত ধৰ্মীতা। জগতৰ সৰ্বত্ৰ বিপৰীত ধৰ্মীতাৰ সমাহাৰত নতুনত্বৰ আৱিৰ্ভাৱ এই সনাতন সত্য মানৱ প্ৰজাতিৰ ক্ষেত্ৰতো অবধাৰিত ভাৱে সত্য। মানৱ বৈচিত্ৰ্যময়তাৰ অসংখ্য দিশৰ মাজত প্ৰধান দুটা দিশ হ'ল - নাৰী আৰু পুৰুষ। এই নাৰী পুৰুষৰ অক্লান্ত চিন্তা আৰু কৰ্মৰ ভেটিত মানুহ তাৰ আদিম অৱস্থা অতিক্ৰম কৰি সুদীৰ্ঘ কালৰ উত্থান পতনৰ মাজেদি সভ্যতা সংস্কৃতিৰ বৰ্ত্তমানৰ ৰূপ দিব পাৰিছে।

মানুহ জন্মতে হয় পুৰুষ বা নাৰী অথবা তৃতীয় লিঙ্গ ৰূপে জন্মগ্ৰহণ কৰে, কিন্তু তাৰ প্ৰথম পৰিচয় হ'ল তেওঁ মানুহ। ধৰ্ম, বৰ্ণ, ভাষা, জাতি, গোষ্ঠী- এই সকলো বং পৰৱৰ্তী পৰ্যায়ত পৰিৱেশৰ পৰা অৰ্জিত বা আৰোপিত। গতিকে মানুহৰ মানবিক মূল্য নিৰ্ভৰ কৰে তেওঁৰ কৰ্মৰাজিৰ ওপৰত। লিংগ ভিত্তিক মূল্য নিৰ্ধাৰণ কেতিয়াও সঠিক কথা হ'ব নোৱাৰে। অস্তিত্বশীল সত্তা হিচাপে মানৱ অস্তিত্বৰ সকলো চৰ্ত পুৰুষ আৰু মহিলা উভয়ৰে ওপৰত সম ভাবে নিৰ্ভৰ কৰে। সুখ আৰু সমৃদ্ধিৰে জীয়াই থকাৰ বাবে, অধিক বিকশিত হোৱাৰ বাবে নাৰী পুৰুষ উভয়ৰ ভূমিকা সমান গুৰুত্বপূৰ্ণ আৰু সমান মৰ্য্যাদাশীল। সেয়ে জীৱনৰ পথত, সভ্যতা সংস্কৃতিৰ অগ্ৰগতিৰ যাত্ৰাত পুৰুষ আৰু মহিলাৰ ভূমিকা, অধিকাৰ, স্বাধীনতা, গুৰুত্ব আৰু মৰ্যাদা সমান হোৱা উচিত। কাৰণ জীৱন নাটৰ উপভোগ্যতা সৌন্দৰ্য আৰু লাবণ্যতা নিৰ্ভৰ কৰে নাৰী পুৰুষৰ সম মৰ্য্যাদা আৰু গুৰুত্বতাৰ ওপৰত। গতিকে, পৰম্পৰাৰ নামত, ধৰ্মীয় বিধানৰ নামত বা প্ৰাকৃতিক নিয়মৰ অজুহাতত নাৰী সকলক তাৰ প্ৰাপ্য স্বাধীনতা, অধিকাৰ আৰু মৰ্য্যাদাৰ ফালৰ পৰা কিঞ্চিৎ পৰিমাণে বঞ্চিত কৰাটো কেৱল অমানবিকেই নহয়, সভ্যতা সংস্কৃতিৰ বিকাশৰ পথত জটিল অন্তৰায়।

আদিম সমাজত নাৰী পুৰুষৰ শ্ৰেষ্ঠত্ব বা আধিপত্যৰ ধাৰণা নাছিল বুলিয়েই সমাজ বিজ্ঞানী সকলে মত পোষণ কৰে। তেওঁলোকৰ মতে প্ৰাকৃতিক নীতিৰ সুবিধা লৈ অথবা প্ৰাকৃতিক অৱস্থাৰ বাধ্য বাধকতাৰ অজুহাতত মানৱ ইতিহাসৰ কোনোবা পৰ্যায়ত প্ৰাকৃতিক নীতিৰে পৰিপন্থী — এই শ্ৰেষ্ঠত্ব বা আধিপত্যৰ ধাৰণা হয়তো কিছু সংখ্যক পুৰুষৰ মনত দোলা দিছিল। আৰু এই ধাৰণাই বিকশিত হৈ মানুহৰ সভ্যতাৰ অগ্ৰগতিৰ কোনোবা স্তৰত নিয়ন্ত্ৰকৰ ভূমিকা ল'বলৈ সক্ষম হয়। ফলত সামাজিক ৰীতি নীতি আৰু পৰম্পৰাত পুৰুষৰ নানা ৰঙৰ চিন্তাৰ প্ৰাধান্যতা বিৱৰ্তনৰ ৰূপত বিকাশ হ'বলৈ ধৰে। দীৰ্ঘদিনীয়া এনে বৈষম্যই নাৰী মনস্তত্বত এক ধ্বংসাত্মক বা নেতিবাচক প্ৰৱণতাৰ সৃষ্টি কৰে। আৰু এনে

নেতিবাচক প্ৰৱণতাই স্বাভাৱিকতে নাৰীৰ দৈহিক সক্ষমতা আৰু মানসিক তথা বৌদ্ধিক যোগ্যতাৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। এই কাৰণেই হয়তো যুগ যুগ ধৰি নাৰীয়ে নিজকে পুৰুষতকৈ দুৰ্বল বুলি অনুভৱ কৰি আহিছে। মানৱ জাতিৰ এক বৃহৎ অংশৰ মনৰ এনে হীনমন্যতা বোধ নিঃসন্দেহে প্ৰগতিৰ পথ মন্থৰ কৰিছে।

বিজ্ঞানৰ অভাৱনীয় উৎকৰ্ষ তথা অৱদানৰ ফলত মানৱ সমাজৰ বিস্ময়কৰ উত্তৰণ তথা সভ্যতা সংস্কৃতিৰ যথেষ্ট প্ৰগতি হ'লেও নাৰী মনস্তত্ত্বৰ এনে পশ্চাদগামী প্ৰৱণতা তথা হীনমন্যতা বোধ দূৰ কৰিব পৰা অৱস্থা বা পৰিৱেশ গঢ়ি উঠা নাই। দূৰ কৰিব পৰা নাই নাৰী পুৰুষৰ অৱস্থানগত দ্বন্দ্ব আৰু বৈষম্য। বৰং কিছুমান সমাজত ধৰ্মীয় বিশ্বাসৰ ভেঁটিভ নাৰীক ভোগ্য সামগ্ৰী ৰূপে ধাৰণা কৰি অহা হৈছে।

যোগ্যতা আৰু দক্ষতাৰ ফালৰ পৰা মহিলা সকল পুৰুষতকৈ যে কোনো গুণে কম নহয় সেই কথা বুজিবলৈ চেষ্টা কৰা হোৱা নাই। বৰং সমাজ ভেদে নাৰীক বিভিন্ন ৰূপে ধৰ্ম, জাতি, গোষ্ঠীৰ আৱৰণেৰে সংজ্ঞায়িত কৰা হৈছে। নাৰীক যে কেৱল পুৰুষতান্ত্ৰিক সমাজেই শৃংখলিত কৰে সেয়া নহয়, বৰং বিভিন্ন তথাকথিত বিশ্বাসৰ ভিত্তিত নাৰীয়েও নাৰীক শৃংখলিত কৰাৰ নানা নাটক ৰচা হৈ অহা হৈছে। গতিকে মহিলা সকলৰ পশ্চাদগামীতাৰ কাৰণে মহিলা সকল নিজেও বহু পৰিমাণে দায়ী। উদাহৰণ স্বৰূপে ক'ব পাৰি যে, ন-বোৱাৰী আপোন কৰি লোৱাৰ ক্ষেত্ৰত শাহু ননদ আদিয়েই বহু ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ ৰূপে দেখা দিয়ে বা যৌতুক দাবী কৰি বোৱাৰী নিৰ্যাতন তথা হত্যাৰ বেলিকা বহু ক্ষেত্ৰত শাহু ননদেই মুখ্য ভূমিকা পালন কৰে। অৱশ্যে ইয়াৰ উত্তৰ হিচাপে বহুতো পণ্ডিতে ক'ব খোজে যে পুৰুষ তান্ত্ৰিক সমাজত পুৰুষ প্ৰধান চিন্তাৰ প্ৰভুত্ব নাৰী চিন্তাৰ মাজেদি প্ৰকাশ পায়। অৰ্থাৎ এয়া নাৰী মনস্তত্ত্বত পুৰুষ চিন্তাৰ বহিঃপ্ৰকাশহে।

উল্লেখনীয় যে, সকলো ধৰ্মই নাৰীক উচ্চ আসন আৰু মৰ্যদা দিছে বুলি দাবী কৰে। কিন্তু বাস্তৱত এনে দাবীৰ সত্যতা পৰিলক্ষিত নহয়। বৰং বিভিন্ন ধৰ্মই পুৰুষ আৰু মহিলাৰ বাবে সুকীয়া কিছুমান দায়িত্ব, কৰ্তব্য আৰু স্থান নিৰ্ধাৰণ কৰি দিছে আৰু সময়ৰ অগ্ৰগতিৰ বিভিন্ন স্তৰত ধৰ্ম সমূহে নিৰ্ধাৰণ কৰি দিয়া সেই ৰীতি-নীতি বোৰৰ সুবিধা লৈ বিভিন্ন সমাজত নানা স্বৰূপে আৰু নানা কৌশলে নাৰী সকলক তেওঁলোকৰ পূৰ্ণ বিকাশৰ পথত বাধা দিয়া হৈছে। এনে বৈষম্য মূলক ধ্যান-ধাৰণা আৰু তাৰ বাস্তৱ কু-প্ৰভাৱ হেতু নাৰী অধিকাৰ, স্বাধীনতা আৰু মৰ্য্যাদা ৰক্ষাৰ বাবে গঠিত হৈছে বিভিন্ন নাৰী সংগঠন। ফলতঃ পৃথিৱীৰ বিভিন্ন প্ৰান্তত নাৰীবাদী আন্দোলনৰ জোকাৰণী প্ৰত্যক্ষ হয়।

ধৰ্মৰ নামত, সামাজিক পৰম্পৰাগত ৰীতি-নীতিৰ নামত যুগে যুগে নাৰী সকলক নানা অপকৌশল প্ৰয়োগ কৰি মানবীয় অধিকাৰৰ পৰা বঞ্চিত কৰিলেও, নানা ভাবে নাৰী মনস্তত্ত্বক অবদমন কৰি ৰখা হ'লেও বিভিন্ন দেশৰ বিভিন্ন সমাজৰ বহু নাৰীয়ে বৌদ্ধিক জগতত বিস্ময়কৰ সফলতা দেখুৱাবলৈ সক্ষম হৈছে। গতিকে আমি নিসন্দেহে ক'ব পাৰি যে মানব জাতিয়ে বহু বিস্ময়কৰ সফলতা দেখুওৱাব পাৰিব বা মানব জাতিয়ে কৰিব পৰা সম্ভাব্য বিস্ময়কৰ সকলো কিছু কৰাত সফল হব যদিহে নাৰীয়ে তেওঁৰ স্বাধীনতা, অধিকাৰ, মৰ্যদা আৰু গুৰুত্ব লাভৰ বাবে সুকীয়াকৈ আন্দোলন কৰিব লগা নহয়।

গতিকে পুৰুষ তান্ত্ৰিক মনস্তত্ত্বৰ স্বাভিমাণী মহাৰথী সকলে সৰ্বদা মনত ৰখা প্ৰযোজন বিদ্ৰহী কবি নজৰুলৰ সেই হৃদয় স্পৰ্শী 'নাৰী' কবিতাৰ কথা-

"বিশ্বে যা-কিছু মহান সৃষ্টি চিৰ-কল্যাণকৰ  
অৰ্ধেক তাৰ কৰিয়াছে নাৰী, অৰ্ধেক তাৰ নৰ।  
বিশ্বে যা-কিছু এল পাপ-তাপ বেদনা অশ্ৰুবাৰি  
অৰ্ধেক তাৰ আনিয়াছে নৰ, অৰ্ধেক তাৰ নাৰী"।





# প্ৰসঙ্গ ঃ আত্ম সমালোচনা কলেজ শিক্ষকৰ পদমৰ্য্যদা, কৰ্ম-সংস্কৃতি আৰু বেতন ইত্যাদি

**এ. কুদ্দুচ**  
সহকাৰী অধ্যাপক  
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

শিক্ষক শব্দটোৰ সৰল অৰ্থ হৈছে যিয়ে শিকায় বা শিক্ষাদান কৰে। পিছে শিক্ষাদানৰ বিষয়-বস্তু, কাৰ্য আৰু পৰিসৰৰ বিভিন্নতাৰ কাৰণে শিক্ষকৰ নাম, পদবী-পদমৰ্যদা আদিৰো সলনি হয়। মাষ্টাৰ মশাই, পণ্ডিত বাবু, ৰীডাৰ, অধ্যাপক, প্ৰৱক্তা, বিষয় শিক্ষক ইত্যাদি। শিক্ষাৰ স্তৰ ভেদে স্থানগত মানৰ সকলোতকৈ শীৰ্যত আছে কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকসকল।

সি যিয়ে নহ'ওক, শিক্ষাদান সকলো শিক্ষকৰে মৌলিক আৰু অনিবাৰ্য কৰ্তব্য। কিন্তু শিক্ষাদানৰ এই কাৰ্যটো আকৌ বিভিন্ন ধৰণে অৰ্থ কৰা হয়। কিছুমানে পাঠদানকে শিক্ষাদান বুলি কয়, আকৌ কিছুমানে কোনো বিষয়ত সীমিত পৰিসৰত দিয়া নিৰ্দেশনাকেই শিক্ষাদান বুলি ক'ব খোজে। এই অৰ্থত শ্ৰেণীত বা বাহিৰত স্থায়ী বা অস্থায়ীভাৱে কোনো বিষয়ত নিৰ্দেশনা বা শিক্ষণ-প্ৰশিক্ষণ দিয়া 'গুৰু' জনো শিক্ষক হ'ব পাৰে। প্ৰচলিত প্ৰবাদমতেও এটা 'অক্ষৰ' শিক্ষা দিয়াজনো আমাৰ শিক্ষক। অৱশ্যে এয়া নিত্যান্তই অসংগঠিত আৰু অনানুষ্ঠানিক কথা। প্ৰকৃত অৰ্থত 'শিক্ষক' এটা ব্যৱসায়িক শব্দ (Professional term) য'ত কৰ্মৰ ধাৰাবাহিকতা আৰু আনুষ্ঠানিক নিয়ম শৃংখলাৰ বেষ্টনীত সেৱা আৰু উৎসৰ্গৰ মনোভাৱ জড়িত থাকে। শিক্ষা, শিক্ষক আৰু শিক্ষাদানৰ ত্ৰিপৰিধীয় ক্ষেত্ৰখনৰ মাজত প্ৰত্যক্ষ যোগসূত্ৰ আছে। শিক্ষাৰ উদেশ্য, বিষয় নিৰ্বাচন, শিকণ-শিক্ষণ, মূল্যায়ন-পৰিমাপন আদি সকলোবোৰ দিশ পাৰস্পৰিক আন্তঃ সম্পৰ্ক আৰু সমন্বয়ৰ আধাৰত পৰিচালিত হয়, য'ত শিক্ষক হৈছে এই বৃহৎ প্ৰক্ৰিয়াটোৰ মুখ্য সমন্বয়ক। সেয়ে এই সকলোবোৰ দিশৰ পটভূমিক জ্ঞান নোহোৱাকৈ 'হঠাৎ বাবু' হোৱদি শিক্ষক হোৱা সহজ কথা নহয়।

আনহাতে 'শিক্ষাদান' কাৰ্যটোৰ গভীৰতা, কৰ্ম আৰু দায়িত্ববোধৰ আদৰ্শগত দৃষ্টিকোণৰ পৰা ইয়াক আকৌ দুটা অৰ্থত ব্যৱহাৰ কৰিব পাৰি। প্ৰথম 'শিক্ষাদান' কৰ্ম (Teaching job) আৰু দ্বিতীয় 'শিক্ষাদান বৃত্তি' (Teaching profession)। যদিও শিক্ষাদান 'কৰ্ম' শিক্ষাদান বৃত্তিৰেই অন্তৰ্ভুক্ত (inclusive) ধাৰণা, তথাপিও দুয়োটা ধাৰণাৰ সুকীয়া আৰু স্বতন্ত্ৰ ব্যাখ্যাৰ যথেষ্ট অৱকাশ আছে। সাধাৰণভাৱে 'কৰ্ম' হিচাবে শিক্ষাদান হৈছে আৰোপিত আৰু নিৰ্দিষ্ট উদেশ্যৰ দ্বাৰা প্ৰেৰিত। ইয়াত শিক্ষকৰ কাম হৈছে নিৰ্দেশনাধৰ্মী, প্ৰত্যক্ষ আৰু অনানুসৰণমূলক। ইয়াত শিক্ষকৰ যোগ্যতা নিৰ্ধাৰণ কৰা হয় স্বকীয় নূন্যতম সাধাৰণ অৰ্হতাৰ ভিত্তিত।

আনহাতে 'বৃত্তি' বা Profession হিচাবে গ্ৰহণ কৰা শিক্ষাদান কাৰ্যত শিক্ষাৰ উচ্চস্তৰীয় প্ৰশিক্ষণ, দক্ষতা, উন্নত কৌশল, শিক্ষাদানৰ কলা আৰু বিজ্ঞানৰ সমূচিত প্ৰয়োগ অপৰিহাৰ্য। বৃত্তি হিচাবে শিক্ষাদান কাৰ্যৰ পৰিসৰ শ্ৰেণী শিক্ষণৰ ঠেক গণ্ডীৰ মাজত সীমিত কৰিব নোৱাৰি। পাঠদানৰ 'মুখ্য' কৰ্তব্যৰ উপৰিও শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ সামগ্ৰীক উন্নয়ন, শৈক্ষিক পৰিকল্পনা, পৰিচালনা আৰু মূল্যায়নৰ সকলোবোৰ দিশ ইয়াত সামৰি লোৱা হয়। শিক্ষাৰ উদেশ্য অনুধাৱন কৰা আৰু বিষয়-পাঠ্যক্ৰমৰ শিক্ষণ-অনুশীলনৰ জৰিয়তে ইয়াৰ ক্ৰিয়াত্মক ৰূপদান কৰা শিক্ষাদান বৃত্তিৰ অপৰিহাৰ্য কৰ্তব্য। ইয়াৰ বাবে শিক্ষণ পদ্ধতিৰ উদ্ভাৱন কৰা, শিক্ষণৰ আৰ্হি, ডিজাইন, মড্ইউল আদিৰ বিকশিত আত্ম নিয়োগ কৰা শিক্ষকৰ প্ৰাত্যাহিক কৰ্মৰ অন্তৰ্ভূক্ত। শিক্ষাদান বৃত্তিৰ সাধাৰণ আচৰণ বিধি, শিক্ষণ সংস্কৃতি, মূল্যবোধ আৰু আদৰ্শই শিক্ষকৰ এনে প্ৰাত্যাহিক কৰ্মৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰে। তদুপৰি সমাজৰ প্ৰতি দায়বদ্ধতা, সমাজ পৰিৱৰ্তন ও উন্নয়নৰ হকে কাম কৰা, নেতৃত্ব আৰু পথ-প্ৰদৰ্শনৰ জৰিয়তে শিক্ষাৰ্থীৰ উত্তৰ দায়িত্ব পালন কৰাটোও শিক্ষাবৃত্তিৰ বহল ক্ষেত্ৰখনে সামৰি লয়।

কিন্তু প্ৰশ্নটো হৈছে আমি শিক্ষকসকলে শিক্ষাদান কাৰ্যটো কি হিচাবে গ্ৰহণ কৰিছো, 'কৰ্ম' নে 'বৃত্তি'? আৰু এই ক্ষেত্ৰত আমি কিমান দূৰ সফল হ'ব পাৰিছো। দ্বিতীয়টো প্ৰশ্ন হৈছে শিক্ষকৰ কৰ্ম সংস্কৃতি আৰু বেতন সম্বন্ধীয়। অৱশ্যে বেতন বা দৰমহাৰ বিষয়টো কোনেও খোলাচা কৰিব নুখোজে। বৰং এই বিষয়ে প্ৰশ্ন কৰিলে মানুহে বেয়াহে পায়। হয়তো হ'ব পাৰে আনৰ তুলনাত

যথেষ্ট নিম্ন বা কম হোৱা কাৰণে লজ্জাবোধ কৰা হয়। আনহাতে দৰমহাৰ হাৰ উচ্চ বা অতি উচ্চ হোৱা কাৰণে প্ৰকাশ কৰাত দ্বিধা বা প্ৰকাৰান্তৰে কৰা ভয় আৰু আশংকাই বাধা দিয়ে। এই দুয়োটা বিপৰীত অৱস্থিতিৰ এটা সাধাৰণ কাৰণ হৈছে 'কামৰ' লগত 'মজুৰী'ৰ আনুপাতিক বৈষম্য বা অসামঞ্জস্যতা শিক্ষকসকল, বিশেষকৈ কলেজ শিক্ষকসকলে, নিজৰ 'মজুৰী'ৰ হাৰ, পৰিমাণ আদি খোলাচা কৰিবলৈ সাহস গোটাব পাৰিলে আত্ম সমালোচনাৰ দিশত এধাপ আগুৱাই যাব পাৰিব।

সি যিয়ে নহ'ওক, শিক্ষাদানক 'কৰ্ম' বা 'বৃত্তি' যি হিচাবেই গ্ৰহণ কৰা নহ'ওক লাগিলে প্ৰকৃত কৰ্ম ক্ষেত্ৰত শিক্ষাদান বৃত্তিৰ যে সঠিক পতিপালন হোৱা নাই সেয়া কিন্তু ধ্ৰুৱপ। শিক্ষা বৃত্তিৰ মাজত থাকিও অধিকাংশ শিক্ষকেই শিক্ষাদান বৃত্তিটোক প্ৰকৃত 'বৃত্তিগতভাৱে' (Professionally) গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ এটা মুখ্য কাৰণ হয়তো হ'ব পাৰে শিক্ষাৰ অন্তদৃষ্টিৰ অভাৱ। শিক্ষাদানৰ নিচিনা গুৰু দায়িত্বটোক শ্ৰেণী পৰিসৰত পাঠদান কাৰ্য্যৰ মাজতে সীমিত কৰাৰ লঘূ প্ৰয়াসৰ কাৰণেই হ'ব পাৰে শিক্ষাৰ মানহানি হৈছে। পাঠদানত অনিহা, আন্তৰিকতাহীন প্ৰয়াস আৰু নিৰুৎসাহিত কৰা মানসিকতাই শিক্ষকৰ শিক্ষাদান কাৰ্যৰ ফলপ্ৰসুতা প্ৰায় শূন্যৰ ঘৰলৈ নমাই আনিছে। কোনো কোনো শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ স্বল্পতা অথবা সামূহিকভাৱে ছাত্ৰ-ছাত্ৰীয়ে কৰা অঘোষিত শ্ৰেণী বৰ্জনৰ ঘটনাই এই কথাৰ প্ৰমাণৰ বাবে যথেষ্ট। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ ব্যংগাত্মক নামাকৰণ কৰা, নামৰ শেষত অশোভনীয় টাইটেল যোগ কৰা আদি কাৰ্যই শিক্ষকজনৰ কোনো নহয় কোনো ক্ষেত্ৰত ব্যৰ্থতাকেই প্ৰতিপন্ন কৰে।

অৱশ্যে শিক্ষক আৰু শিক্ষাবৃত্তিৰ এনে অধঃ পতনৰ কাৰণ সাৰ্বজনীন আৰু সাধাৰণীকৰণ কৰা নাযায়। আমাৰ সামজত এতিয়াও বহু আদৰ্শৱান শিক্ষক-অধ্যাপক আছে যি সকলৰ আদৰ্শ আৰু কৰ্ম অনুকৰণীয়। এনে গুণৱান শিক্ষকজনক ছাত্ৰ-ছাত্ৰীয়েও আন্তৰিকভাৱে শ্ৰদ্ধা কৰে আৰু ভালতকৈ ও ভাল নামেৰে পৰিচয় দি গৌৰৱ অনুভৱ কৰে। পক্ষান্তৰে শিক্ষাদান কাৰ্যক পাতল আৰু সস্তীয়াভাৱে গ্ৰহণ কৰা শিক্ষকসকলক নেতিবাচক মূল্যায়নৰ অংশ হিচাবে ছাত্ৰ-ছাত্ৰীয়ে ব্যংগাত্মক উপাধি প্ৰদান কৰে যেনে— 'গাওঁবুঢ়া ছাৰ', 'গোবিন্দ মশাই', 'ভাদাইমা ছাৰ' 'গ'প্পী বাইদেউ'......ইত্যাদি।

শিক্ষাদান কাৰ্যক বৃত্তি হিচাবে গ্ৰহণ কৰা অধিকাংশ নামধাৰী শিক্ষকেই যে উক্ত বৃত্তিটোৰ সঠিক নিৰ্বাহ কৰিব পৰা নাই, সেয়া অপ্ৰিয় হ'লেও সত্য। শিক্ষাদান কাৰ্য আমি ভবাৰ দৰে সহজ আৰু পাতলীয়া নহয়। শিক্ষা কেৱল পাঠ্য বিষয়তে সীমাবদ্ধ কৰিব নোৱাৰি আৰু শিক্ষাদান মানে কেৱল পাঠদান কৰাকে নুবুজায়। জীৱনৰ দীৰ্ঘম্যাদী প্ৰয়োজন আৰু প্ৰত্যাহ্বান সমূহ পাৰদৰ্শিতাৰে মোকাবিলা কৰিবৰ বাবে অৰ্হতাৰ বিকাশ কৰাৰ নামেই শিক্ষা। শিক্ষাই মানুহক আত্ম প্ৰতিষ্ঠাত সহায় কৰিব লাগে। জ্ঞানদান শিক্ষাৰ বুনিয়াদী কৰ্তব্য, কিন্তু 'জ্ঞান' শব্দটোৰ পোনপটীয়া আৰু সস্তীয়া ধাৰণাই শিক্ষাৰ ক্ষতি কৰে। জ্ঞানৰ বিশ্লেষণ হ'ব লাগে। ই কেৱল তথ্য সমাচাৰ (information) আদিৰ বিমূৰ্ত ৰূপটোক নুবুজায়। জ্ঞানৰ পৰিধি অতি বহল। বিদ্যালয়ৰ শ্ৰেণীৰ ভিতৰত ইয়াৰ সীমা নিৰ্ধাৰণ কৰা আৰু পাঠ্য বিষয়তে সকলো প্ৰশ্নৰ সমাধান বিচৰা সঠিক কথা হ'ব নোৱাৰে। বিদ্যালয় সমূহত, বিশেষকৈ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পাঠ্যক্ৰমৰ সকলো বিষয়কেই প্ৰাসংগিক (Reference) হিচাবেহে ল'ব লাগে। নিৰ্দিষ্টকৈ বান্ধি দিয়া চূড়ান্ত পাঠ্যক্ৰমৰ ধাৰণাই শিক্ষা আৰু জ্ঞানৰ বিকাশ সীমিত কৰে। অনুৰূপভাৱে শ্ৰেণীকক্ষতে শিক্ষকৰ কৰ্তব্যৰ সীমাৰেখা নিৰ্ধাৰণ কৰা আৰু জ্ঞান আৰু অৰ্হতাৰ মাপকাঠি হিচাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটোকে সৰোগত কৰাটো আৰু অধিক বিপদজনক কথা। কিন্তু পৰিতাপৰ বিষয় যে আজিৰ শিক্ষা ব্যৱস্থাত এইটোৱেই স্বীকৃত সাধাৰণ নিয়মত পৰিণত হৈছে আৰু সুবিধাবাদীয়ে ইয়াৰ সুবিধা লোৱাত কোনো ত্ৰুটি কৰা নাই। অলপতে বহুসংখ্যক কলেজ শিক্ষক আৰু অধ্যক্ষৰ পি.এইচ.ডি. ডিগ্ৰীৰ বৈধতাৰ অনুসন্ধানৰ কথা কাকতত প্ৰকাশ পাইছিল। কিন্তু কি এই বৈধতা? কেৱলমাত্ৰ UGC ৰ চৰ্ত মানি ক'ৰ্চ ৱাৰ্ক, ছুটী, বিভাগীয় অনুমোদন আদিয়েই যথেষ্ট নে? গৱেষণাৰ মৌলিকতাৰ প্ৰশ্নত এই 'বৈধতা' কিমান বৈধ সেইটো কিন্তু আমাৰ জনাত নাই। প্ৰশ্ন হৈছে শিক্ষা গৱেষণাপত্ৰখন গৱেষক শিক্ষকজনৰ সঁচাই বৌদ্ধিক সমল হয় নে? নে ই কিবা 'কৌশলী' বুদ্ধিজীৱিৰ বৌদ্ধিক চাতুৰ্যৰ ফল? (প্ৰকৃত আৰু মৌলিক গৱেষকৰ প্ৰতি ক্ষমা প্ৰাৰ্থনাৰে)।

সম্প্ৰতি যুৱ প্ৰজন্মৰ শিক্ষকৰ মাজত ব্যাপক হাৰে গৱেষণাৰ যি সংখ্যা বৃদ্ধি পাইছে তাৰ দ্বাৰা উচ্চশিক্ষাৰ সংখ্যাগত উন্নয়ন হৈছে বুলিয়ে ক'ব লাগিব। কিন্তু ইয়াৰ ফলত শিক্ষক আৰু শিক্ষা জগতখন কিমান দূৰ লাভৱান হ'ব সেইটো কিন্তু নিশ্চিত নহয়। কাৰণ অধিক সংখ্যক গৱেষণাই মৌলিকতা ৰোহিত, গৌণ তথ্যভিত্তিক আৰু তথ্য চুৰি, তথ্য নকল (plagiarism) ৰ অভিযোগত অভিযুক্ত। তদুপৰি গৱেষণাৰ প্ৰকৃত উদেশ্য তল পেলাই কেৱল দৰমহাত ইজাফা অথবা চাকৰিত পদন্নোতিৰ কাৰণেই যেনে-তেনে ডিগ্ৰীটো যোগাৰ কৰিব লাগে বুলি যি অঘোষিত প্ৰতিযোগিতা চলিছে, সেয়া নিশ্চিতৰূপে দেশৰ শিক্ষা জগতত এক সুদূৰ প্ৰসাৰী নেতিবাক প্ৰভাৱ পেলাব তাত সন্দেহ নাই।





সময় সমাগত। শিক্ষা বৃত্তিধাৰীসকলৰ আত্ম-সমালোচনা আৰু পুণৰ মূল্যায়নৰ সময়। শিক্ষাদান কাৰ্যক যি ধৰণেই গ্ৰহণ কৰা নহ'ওক কিয় সকলোতেই শিক্ষকৰ মৌলিক জ্ঞান আৰু কৰ্ম-সংস্কৃতিৰ সৰ্বোচ্চ অনুশীলনৰ আৱশ্যক। ইয়াৰ অবিহনে শিক্ষদান কাৰ্য ল'ৰা ধেমালিৰ বাহিৰে অন্য একো নহয়। কৰ্ম এটা সংস্কৃতি। ইয়াক সাংস্কৃতিকভাৱেই গ্ৰহণ কৰিব লাগে। কৰ্মৰ লগত দায়িত্ববোধ জড়িত থাকে। সংস্কৃতিবিহীন কৰ্মক আপুনি কামৰ বোজা বুলিব পাৰে, য'ত আছে নিৰ্ঘাত শ্ৰম, শ্ৰমজনিত ক্লান্তি, বিৰক্তি আৰু নিৰানন্দ। শিক্ষাদান এটা পৱিত্ৰ কৰ্তব্য। পিছে শিক্ষাৰ লগত আনন্দ যোগ কৰা আৰু নিজে আনন্দ উপভোগ কৰাৰ পৱিত্ৰ মানসিকতা কিমানজন শিক্ষকৰ আছে সেয়াই এই সময়ৰ গুৰুতৰ প্ৰশ্ন।

আজিৰ সমাজত শিক্ষকৰ স্থান ক'ত? সমাজৰ একোজন দায়িত্বশীল, নেতৃস্থানীয়, মূখীয়াল আৰু সমাজৰ মেৰুদণ্ড বুলি কোৱা এসময়ৰ শিক্ষক আজিৰ তাৰিখত সমাজৰ পিছৰ শাৰীত অৱস্থান লোৱা একোজন পৰাজিত সৈনিক। আত্মবোধ আৰু আত্ম-মৰ্যদাৰ ঠাইত আত্ম-অহংকাৰ আৰু আত্ম-গৌৰৱৰ নেতিবাচক মানসিকতাই শিক্ষক আৰু শিক্ষকতা বৃত্তিৰ গৰিমা ম্লান কৰিছে আৰু সমাজৰ চকুত শিক্ষকজন হৈছে হেয় আৰু ঈৰ্যাৰ পাত্ৰ। নিজৰ পাণ্ডিত্য, আদৰ্শ আৰু কৰ্মৰ দ্বাৰা শ্ৰদ্ধা আৰু সন্মানলৈ ছাত্ৰ-ছাত্ৰীৰ অন্তৰত প্ৰৱেশ কৰিব পৰাকৈ নিজকে উন্নীত কৰিব নোৱাৰাটোয়ে আজিৰ তাৰিখত শিক্ষকৰ বৃহৎ নৈতিক পৰাজয়।

শিক্ষা আৰু শিক্ষকৰ সমালোচনাত পঞ্চমূখ মানুহৰ অভাৱ নাই। তেওঁলোকে শিক্ষাক এটা উৎপাদন অযোগ্য (Non productive) কামৰ কাৰখানা বুলি ক'ব খোজে আৰু শিক্ষক সকলক কামৰ তুলনাত অধিক দৰমহা আদায় লোৱাৰ অভিযোগ কৰে। কিন্তু তেওঁলোকে নাজানে যে দৈনিক ৭/৮ ঘন্টা কাম কৰা বুলি দাবী কৰা চৰকাৰী কৰ্মচাৰী এজনৰ বিপৰীতে উচ্চ শিক্ষাৰ অনুষ্ঠানত কৰ্মৰত শিক্ষকজনৰ কামৰ কোনো সীমা নিৰ্ধাৰণ কৰা নাযায়। ৰাতি-দিন একাকাৰ কৰি শিক্ষকে আপোন বৃত্তিৰ উন্নয়নৰ হকে কাম কৰে। দেশৰ সম্পদ গঢ়াৰ উদেশ্যে আন্ধাৰ ৰাতি কমাৰশালত জুই জলায়। হয়, এয়া শিক্ষকৰ কথাই কোৱা হৈছে। হ'ব পাৰে কলেজ বা বিশ্ববিদ্যালয়ৰ কোনোবাজন। কিন্তু বাকী সকলো শিক্ষকেই যে এই কৃতিত্বৰ দাবী কৰিব নোৱাৰে, সেই কথাটোও কিন্তু অকপটে স্বীকাৰ কৰিব লাগিব। আৰু এই স্বীকাৰোক্তিয়ে হৈছে আত্ম-সমালোচনাৰ প্ৰথমটো ধাপ। সপ্তম দৰমহা আয়োগে কলেজ শিক্ষকজনৰ যিদৰে নামৰ পৰিবৰ্তন কৰি মৰ্যদাসম্প্যন্ন কৰিলে, তেনেদৰে দৰমহাৰ গাথঁনিও বৃদ্ধি কৰিছে। এতিয়াৰ এজন কলেজ শিক্ষকক আপুনি 'প্ৰফেচাৰ' বুলি মাতিব লাগিব, হয়তো হ'ব পাৰে সহকাৰী বা সহযোগী। নহ'লে বেচেৰা প্ৰফেচাৰ মহোদয়ে আপোনাক বেয়া পাই যাব পাৰে। নামৰ আগত 'প্ৰফেচাৰ' শব্দটোৰ সংযোগ নকৰিলে নামটোকেই যে অস্বীকাৰ কৰিব বপুৰা অধ্যাপক মহাশয়ে। ডক্টৰ বোলাজনেতো আৰু অধিক চড়া হোৱাৰে কথা, কিন্তু দৰমহা গাঁথনিত সৰ্বোচ্চ বেতন লাভ কৰা শিক্ষকজনৰ এই নামৰ স্বাৰ্থকতা ক'ত? সময়ত শিক্ষকৰ যোগ্যতাক লৈও প্ৰশ্ন উত্থাপিত হ'ব। তাৰো সময় সমাগত। কিন্তু তাৰ আগতেই আমি আমাৰ যোগ্যতাক লৈ নিজেই নিজক প্ৰশ্ন কৰা ভাল হ'ব। অন্ততঃ নাকটো বচাবৰ কাৰণে। (যোগ্যজনলৈ ক্ষমা প্ৰাৰ্থনাৰে)।

আজিৰ সমাজত শিক্ষা আৰু শিক্ষকৰ আদৰ্শগত সংকট দূৰ কৰাৰ দায়িত্ব শিক্ষকেই ল'ব লাগিব। ইয়াৰ বাবে প্ৰথম পদক্ষেপ হিচাবেই শিক্ষকৰ কৰ্ম সংস্কৃতিৰ সংস্কাৰৰ কথা ক'ব লাগিব। নিজ বৃত্তিৰ প্ৰতি দায়ৱদ্ধতা (Accountability), আন্তৰিকতা (Sense of belongingness) আৰু দায়িত্ববোধ (Responsibilities) ৰ এই ASR approach শিক্ষকৰ কৰ্ম সংস্কৃতিৰ মূল্যায়নৰ সঠিক নিৰ্ধাৰক হ'ব পাৰে। তথাকথিত ACR ৰ মাধ্যমত শিক্ষকৰ বিশ্বাসযোগ্য মূল্যায়ন হয় বুলি মনে নধৰে। শিক্ষানুষ্ঠানৰ আনুষ্ঠানিক বিধি মানি 'ৰেকৰ্ড কিপিঙ'ৰ উদেশ্য প্ৰস্তুত কৰা ACR ত উক্ত ASR কিমানদূৰ প্ৰতিফলিত হয় সেয়া নিশ্চিত নহয়। শিক্ষাৰ্থীৰ পৰা গ্ৰহণ কৰা আনুষ্ঠানিক Feed Back ব্যৱস্থাও যে সঠিক মূল্যায়ন দিব পাৰে সেয়াও সন্দেহৰ আৱৰ্তত। কাৰণ ইয়াত শিক্ষাৰ্থীৰ ইচ্ছাকৃত (Voluntary) আৰু উদেশ্য প্ৰণোদিত (Motivation) কিছুমান ভুল ৰৈ যায়। ইয়াৰ সলনি শিক্ষকে নিজেই নিজৰ মূল্যায়ন কৰিব লাগে। নিজৰ বিবেকৰ ওচৰত জবাব দিহিতাই এজন শিক্ষকক পুনৰ সংস্থাপিত কৰিব পাৰে নিজৰ বৃত্তীয় আদৰ্শৰ মাজত। ইয়াৰ বাবে প্ৰয়োজন শৈক্ষিক মূল্যবোধৰ দৃঢ় সংকল্প (Value comitment) আৰু শক্তিশালী ব্যাৱসায়িক মনোবৃত্তি (Professionalism)। ইয়াৰ উপৰি শিক্ষকে নিজৰ 'কৰ্ম ক্ষেত্ৰ' সম্প্ৰসাৰণ কৰিব লাগিব। নিজৰ কামৰ কৌশল, পদ্ধতি আৰু উপকৰণ আদি সলনি কৰা আৱশ্যক। ফলপ্ৰসু শিক্ষাদান পদ্ধতিৰ উদ্ভাৱন কৰা, নতুন চিন্তা আৰু প্ৰত্যাহ্বান সৃষ্টি কৰা আৰু শিক্ষাৰ্থীৰ মনত শক্তিশালী কৌতুহল জগাই তুলিব পৰাকৈ শিক্ষকে নিজকে শক্তিশালী ৰূপত উপস্থাপন কৰিব লাগিব। ইয়াৰ বাবে শিক্ষকসকলে প্ৰাত্যাহিক পাঠদান কাৰ্যৰ লগে লগে হ্ৰস্যম্যাদী Action Research আৰু স্থানীয়ভাৱে ব্যাৱহাৰিক Project ৰ কৰ্মসূচী গ্ৰহণ কৰিব পাৰে। ইয়াৰ দ্বাৰা নিজৰ ব্যাৱসায়িক যোগ্যতাৰ উন্নতি হোৱাৰ লগতে শিক্ষাৰ বৃহৎ উপকাৰ সাধন হ'ব।

# বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰৰ সনাতন ঐতিহ্য আৰু নৈসৰ্গিক শোভাঃ পৰ্য্যটন ক্ষেত্ৰত ইয়াৰ সম্ভাৱনা আৰু গুৰুত্ব


ড° ধ্ৰুৱজ্যোতি দাস
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া


মহাবাহু তীৰ্থৰাজ ব্ৰহ্মপুত্ৰ অনাদি কালৰ পৰাই কামৰূপ-প্ৰাগজ্যোতিষপুৰ, বৰ্তমান অসমৰ বুকুয়েদি বৈ আছে আৰু ইয়াৰ পাৰে পাৰে গঢ়ি তুলিছে বিভিন্ন সময়ত মানুহৰ বৰ্ণিল সভ্যতা। এই ব্ৰহ্মপুত্ৰই মহাভাৰতৰ মহা অংগ কামৰূপ-কামাখ্যাৰ পূণ্যভূমি অসমৰ বিস্তীৰ্ণ সেউজ উপত্যকাৰ দুয়োপাৰে থকা বিভিন্ন অঞ্চলসমূহৰ বিভিন্ন পাহাৰসমূহত প্ৰাগ-ঐতিহাসিক কালতে উৎপত্তি হোৱা বিভিন্ন পূৰাণ, তন্ত্ৰ আদিত বৰ্ণিত সনাতন সংস্কৃতিৰ ধ্বজাবাহক, সনাতন পৰম্পৰাৰ শৈৱ-শাক্ত, গণপত্য, বৈষ্ণৱ আদি পৰম্পৰাৰ প্ৰতি সমৰ্পিত বিভিন্ন দেৱ-দেৱীৰ থান, দেৱালয়, পীঠস্থান আদিৰ চৰণ পখালি আছে আৰু এইদৰে তীৰ্থৰাজ মহাবাহু ব্ৰহ্মপুত্ৰই যেন স্বয়ং পৰমাত্মাৰ আদেশত অনাদি অনন্ত কালৰ পৰাই যুগ যুগ ধৰি বৰ্তমানলৈকে এই সনাতন পীঠস্থান, দেৱালয়সমূহৰ প্ৰতি অবিৰত সেৱা ভক্তি জনাই আহিছে।

যুগ যুগ ধৰি আদি কালৰ পৰাই ব্ৰহ্মপুত্ৰৰ এই বিশাল উপত্যকাৰ মহাভাৰতৰ মহা অংগ কামৰূপ-প্ৰাগজ্যোতিষপুৰ আৰু বৰ্তমান যাক আমি অসম বুলি কওঁ, এই পূণ্যভূমিত বিভিন্ন দেৱ-দেৱীৰ প্ৰকট হোৱা শুনা যায়, যিবোৰ বিভিন্ন শাস্ত্ৰ, পূৰাণ আৰু তন্ত্ৰপুথিত, আখ্যানসমূহত বৰ্ণিত। ইয়াৰ উপৰিও যুগে যুগে বিভিন্ন কালখণ্ডত এই পৱিত্ৰভূমিত বিভিন্ন ঋষি, মুনি, যোগী, সাধক, মনীষী আদিৰ আগমন-আৱিৰ্ভাৱ হোৱা শুনা যায়, যিবোৰ বিভিন্ন পুৰাণ, তন্ত্ৰ আৰু আখ্যানসমূহত বৰ্ণিত হৈ আছে। তাহানিৰে পৰা এই পূণ্যভূমি পূৰাণ প্ৰসিদ্ধ বিভিন্ন ঋষি-যোগী, সাধক, মহাপুৰুষৰ সাধনা-উপাসনাৰ থলী, যিসকলে ইয়াত যুগে যুগে সনাতন পৰম্পৰা সংস্কৃতিৰ সাধনা কৰি এই ভূমিক সনাতন সভ্যতা সংস্কৃতি পৰম্পৰাৰ প্ৰাচীন সূতাডালেৰে বান্ধি থৈ গৈছে। আদি কালতে এই ভূমিত দেৱ-দেৱীসকলৰ আৱিৰ্ভাৱ, যুগে যুগে বিভিন্ন কালখণ্ডত ঋষি-যোগীসকলৰ আগমন, পদাৰ্পন আদিয়ে ব্ৰহ্মপুত্ৰৰ পাৰৰ এই সুবিশাল উপত্যকাত বিভিন্ন তীৰ্থক্ষেত্ৰ, পীঠস্থান, দেৱালয়, সৃষ্টি কৰি থৈ গৈছে, যিবোৰৰ কিছুমান বিভিন্ন আক্ৰমণ, দুৰ্যোগত কালৰ সোঁতত বিলুপ্ত হৈছে আৰু কিছুমান যিবোৰ সদাজাগ্ৰত আৰু মাহাত্ম্যৰে মহীয়ান, সেইবোৰ বিভিন্ন আক্ৰমণ, দুৰ্যোগ, ঘাত-প্ৰতিঘাত, উত্থান-পতন আৰু বিভিন্ন প্ৰত্যাহ্বানৰ মাজেদিও অদ্যাপি এই ভূমিত সনাতন পৰম্পৰা-সংস্কৃতিৰ চানেকী বহন কৰি আহিছে।

আমি দেখিবলৈ পাওঁ যে, মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে উজনিৰ পৰা নামনিলৈ বিস্তৃত হৈ থকা বিভিন্ন অঞ্চল, বিভিন্ন জিলাসমূহত ব্ৰহ্মপুত্ৰৰ নিচেই পাৰতে থকা সুপ্ৰাচীন পাহাৰবোৰত এই সনাতন পৰম্পৰা-ঐতিহ্যৰ বিভিন্ন প্ৰাচীন ঐতিহাসিক পীঠস্থান, দেৱালয় আৰু শিলাখণ্ডত বিভিন্ন প্ৰাচীন সমল বিচাৰি পোৱা যায়, যিবোৰে সেই সনাতন প্ৰাচীন পৰম্পৰা-ঐতিহ্যক সোঁৱৰাই দিয়ে। মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা বিভিন্ন অঞ্চলবোৰত আদি কালৰ পৰাই যুগ যুগ ধৰি প্ৰাচীৰৰ দৰে সদম্ভে থিয় হৈ থকা সুপ্ৰাচীন পাহাৰবোৰত অনুসন্ধান, পৰ্যবেক্ষণ কৰিলে সনাতন সংস্কৃতি পৰম্পৰাৰ কিবা নহয় কিবা এটা প্ৰাক-ঐতিহাসিক সমল, কীৰ্তিচিহ্ন, থান পীঠ আদি দেখিবলৈ পোৱা যায়, যিবোৰৰ কিছুমান সংৰক্ষণৰ অভাৱত কালৰ সোঁতত নিশ্চিহ্ন হৈ গৈছে আৰু আন কিছুমান সংৰক্ষণৰ অভাৱ আৰু অৱহেলাত অনাদৃত আৰু পৰিত্যক্ত হৈ পৰি আছে আৰু ইয়াৰ কিছুমান চৰকাৰী কৰ্তৃপক্ষ, পুৰাতত্ব বিভাগ আৰু স্থানীয় সচেতন ব্যক্তিৰ সহযোগত কিছু সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যদিও, সেয়া উপযুক্ত আৰু পৰ্যাপ্ত নহয়।

ব্ৰহ্মপুত্ৰৰ নিচেই পাৰতে অৱস্থিত এই পাহাৰবোৰত যিবোৰ প্ৰাচীন প্ৰাক-ঐতিহাসিক পীঠস্থান, দেৱালয়, প্ৰাচীন সমল দেখিবলৈ পোৱা যায়, সেইবোৰ আদি কালৰ পৰাই অদ্যাপি যুগ যুগ ধৰি বহু সংকট দুৰ্যোগ আৰু প্ৰত্যাহ্বান নেওঁচি সনাতন সংস্কৃতি-পৰম্পৰাৰ গৌৰৱগাঁথা আৰু ধ্বজা বহন কৰি আহিছে। এই পীঠস্থান, দেৱালয়সমূহ একো একোখন পূণ্য তীৰ্থক্ষেত্ৰ, যিবোৰ সংৰক্ষণ, সংবৰ্দ্ধন আৰু আন্তঃগাঁথনিৰ অভাৱ আৰু অৱহেলাত জনসাধাৰণ, পৰ্য্যটক, দৰ্শনাৰ্থীৰ চকুৰ আঁতৰত আৰু সেয়েহে এইবোৰ অসমৰ প্ৰায় মানুহৰ আৰু চৰকাৰী ব্যৱস্থাটোৰ দৃষ্টিৰ অগোচৰত। কোনোধৰণৰ জনপ্ৰিয়তা আৰু মানুহৰ সঘন যাতায়ত আৰু সমাগম নোহোৱা আৰু চৰকাৰৰ পৰ্য্যটনৰ মানচিত্ৰত নপৰা এই পীঠস্থান, দেৱালয়সমূহে স্থানীয়ভাৱে নিজৰ সনাতন পৰম্পৰাৰ চানেকি আৰু অস্তিত্ব বজাই ৰাখিছে। ইয়াৰে কিছুমানৰ অৱস্থা অতি শোচনীয়, দুখলগা কাৰণ বছৰ বছৰ ধৰি সংৰক্ষণৰ অভাৱত পৰিত্যক্ত হৈ আছে। কোনো চৰকাৰ, বেচৰকাৰী সংস্থা তথা বিভাগীয় কৰ্তৃপক্ষই এইবোৰৰ উদ্ধাৰ, সংৰক্ষণ-সংবৰ্দ্ধনৰ কোনো উপযুক্ত যাৱতীয় ব্যৱস্থা লোৱা দেখা নাযায়, যাৰ ফলত ইয়াৰে কিছুমানৰ বহু প্ৰাক-ঐতিহাসিক সমল কীৰ্তিচিহ্ন, ভগ্নাৱশেষ অৱস্থাত অ'ত-ত'ত গুৰুত্বহীন হৈ পৰিত্যক্ত অনাদৃত হৈ পৰি ৰৈছে আৰু ইয়াৰে কিছুমান সংৰক্ষণৰ অভাৱত কালৰ সোঁতত নিশ্চিহ্ন তথা বিলুপ্তি হৈ গৈছে, যিবোৰ অতি পৰিতাপৰ কথা।

আমাৰ অনুসন্ধান আৰু পৰ্য্যবেক্ষণত আমি যদি চাওঁ, কামৰূপ জিলাৰ গুৱাহাটীৰ পৰা নামনি অসমলৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা জিলাসমূহত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বহুকেইখন পৌৰাণিক পাহাৰ দেখিবলৈ পোৱা যায়। ইয়াৰে কিছুমান ব্ৰহ্মপুত্ৰৰ নিচেই পাৰত আৰু আন কিছুমান ব্ৰহ্মপুত্ৰৰ কিছু আঁতৰত। কামৰূপ জিলাত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা পৌৰাণিক পাহাৰবোৰ যেনে- নীলাচল পাহাৰ, ভস্মাচল পাহাৰ, উমানন্দ পাহাৰ, ছত্ৰাকাৰ পাহাৰ, পাণ্ডুনাথ পাহাৰ, ডাকিনী পাহাৰ, লংকেশ্বৰ পাহাৰ, কালেশ্বৰ পাহাৰ, চিত্ৰাচল পাহাৰ, পাৰ্বতী পাহাৰ আদি বহুতো পাহাৰ। বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ পাৰতে থকা কেইখনমান পাহাৰ হ'ল যেনে- বাঘবৰ পাহাৰ, নগৰবেৰা বুঢ়া গোঁসাই পাহাৰ আদি। গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ নিচেই পাৰতে থকা পৌৰাণিক পাহাৰ সমূহ হ'ল- শ্ৰীশ্ৰীসূৰ্য্যপাহাৰ, নন্দেশ্বৰ পাহাৰ, মহাদেৱ পাহাৰ, টুক্ৰেশ্বৰী পাহাৰ, ডেকধোৱা পাহাৰ, পঞ্চৰত্ন পাহাৰ, হলুকান্দা পাহাৰ, পাগলাটেক পাহাৰ, জয়ভূম পাহাৰ আদি। বঙাইগাঁও জিলাত ব্ৰহ্মপুত্ৰৰ নিচেই পাৰতে দেখিবলৈ পোৱা পৌৰাণিক পাহাৰসমূহ হ'ল- যোগীঘোপা দুগ্ধনাথ পাহাৰ, মালেগড় পাহাৰ, ভৈৰৱচূড়া পাহাৰ, দেওঁহাটী মহাদেৱ পাহাৰ, লুঙাই পাহাৰ, বাঘেশ্বৰী পাহাৰ, ভূমেশ্বৰ পাহাৰ আদি। ধুবুৰী জিলাত ব্ৰহ্মপুত্ৰৰ পাৰতে থকা পাহাৰসমূহ হ'ল যেনে- চান্দৰডিঙা পাহাৰ, কামাখ্যা পাহাৰ, মহামায়া পাহাৰ আদি। এইদৰে আমি সুবিশাল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা বিভিন্ন জিলা, অঞ্চলসমূহত বিভিন্ন সৰু-বৰ পৌৰাণিক পাহাৰ দেখিবলৈ পাওঁ, যিবোৰত সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত বিভিন্ন প্ৰাচীন দেৱালয়, পীঠস্থান, মন্দিৰ, শিলত কটা প্ৰাচীন গুহা, বিভিন্ন দেৱ-দেৱীৰ শিলত কটা মূৰ্তি, শিলালিপি, শিৱলিংগ, যোনীপীঠ আৰু বহুতো প্ৰাচীন প্ৰাক-ঐতিহাসিক সমল দেখিবলৈ পোৱা যায় যিবোৰ কিছুমান পুৰাতাত্বিক ভগ্নাৱশেষৰ ৰূপত আছে আৰু কিছুমান স্থানীয় সচেতন ভক্তৰ দ্বাৰা পূজিত হৈ আছে আৰু কিছুমান সংৰক্ষণৰ অভাৱ আৰু অৱহেলাত কালৰ সোঁতত নিশ্চিহ্ন হৈছে বা নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে।

আমি আমাৰ এই অধ্যয়নত বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ পাৰতে থকা প্ৰাচীন বাঘবৰ পাহাৰত দেখিবলৈ পোৱা সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত বিভিন্ন প্ৰাচীন সমলসমূহৰ বিষয়ে আলোচনা কৰাৰ চেষ্টা কৰিছো আৰু লগতে ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে অৱস্থিত বাঘবৰ পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ওপৰতো কিছু আলোকপাত কৰাৰ চেষ্টা কৰিছো, কাৰণ এই দুয়োটা দিশেই বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰক প্ৰাকৃতিক পৰ্য্যটন আৰু ধৰ্মীয় আধ্যাত্মিক পৰ্য্যটনৰ ক্ষেত্ৰত এক প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ হিচাপে গুৰুত্ব লাভ কৰাৰ থল আছে।

ব্ৰহ্মপুত্ৰৰ নিচেই পাৰতে অৱস্থিত এখন পৌৰাণিক পাহাৰ হ'ল বাঘবৰ পাহাৰ। বাঘবৰ পাহাৰৰ লগত বহুতো পৌৰাণিক কিংবদন্তী জড়িত হৈ আছে। দেৱাদিদেৱ মহাদেৱৰ অৰ্ধাংগিনী দেৱী পাৰ্বতী। এই পাৰ্বতীৰ এটা ৰূপ হ'ল মা বাঘেশ্বৰী দেৱী যাৰ বাহন হ'ল বাঘ। সনাতন পৰম্পৰা ঐতিহ্যৰ চানেকী হিচাপে বাঘবৰ পাহাৰত আছে প্ৰাচীন বাঘেশ্বৰী থান। ইয়াত দেৱী বাঘেশ্বৰী এটা শিলাখণ্ডত যোনীপীঠৰূপত বিৰাজমান হৈ আছে। সেয়েহে ইয়াক বাঘেশ্বৰী পীঠ বুলিও কোৱা হয়। এই বাঘেশ্বৰী পীঠ কেতিয়া

উৎপত্তি হৈছিল সেই বিষয়ে কোনো ঐতিহাসিক তথ্য পোৱা নাযায়, অৰ্থাৎ প্ৰাক-ঐতিহাসিক কালৰে পৰা যুগ যুগ হাজাৰ হাজাৰ বছৰ ধৰি এই বাঘেশ্বৰী পীঠ সনাতন পৰম্পৰা-সংস্কৃতিৰ এক উজ্জ্বল প্ৰতীক হিচাপে আজিলৈকে বৰ্তি আছে আৰু ভক্ত দৰ্শনাৰ্থীৰ মাজত ইয়াৰ মাহাত্ম্য বিলাই ফুৰিছে। তাৎপৰ্যপূৰ্ণভাৱে, এই প্ৰাচীন বাঘেশ্বৰী পীঠৰ অৱস্থিতিৰ কাৰণেই এই পাহাৰ আৰু অঞ্চলটোৰ নাম বাঘবৰ হৈ পৰে বুলি বহুতেই কয়। এই বাঘেশ্বৰী পীঠ এখন জাগ্ৰত দেৱীপীঠ বুলি জনা যায়। এই পীঠত গাখীৰ ঢালিলে সেই গাখীৰ পীঠৰ সোমাজত থকা শিলৰ ফুটাৰে গৈ ব্ৰহ্মপুত্ৰত পৰে বুলি এক জনবিশ্বাস প্ৰচলিত হৈ আছে। বাঘবৰ পাহাৰৰ দাঁতিৰ কেইঘৰমান বড়ো জনজাতীয় লোকে এই বাঘেশ্বৰী পীঠত পূজা-সেৱা আগবঢ়াই আহিছে। এই বাঘেশ্বৰী থানখন বৰ্তমান ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু অবৈধ বেদখলকাৰীৰ কবলত পৰি অস্তিত্বৰ সংকটত পৰিছে।

এটা জনশ্ৰুতিমতে, প্ৰায় ছশ বছৰপূৰ্বে এডাল বৰগছৰ তলত এজনী বাঘ আৰু অজগৰ সাপে একেলগে বসবাস কৰিছিল বুলি এই অঞ্চলৰ বুঢ়ালোকসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ পৰা শুনিছিল আৰু ইয়াৰ পৰাই পাহাৰ আৰু অঞ্চলটোৰ নাম বাঘবৰ হৈ পৰে বুলি কয়। আন এক জনশ্ৰুতি মতে, কমতাপুৰৰ ৰজা আৰিমত্তই (১৩৬৫-১৩৮৫) বাঘেশ্বৰী থান নিৰ্মাণ কৰা বুলি জনা যায়। পাহাৰ, নদী আৰু ইয়াৰ বিনন্দীয়া প্ৰকৃতিৰ অপৰূপ ৰূপেৰে মহীয়ান এই ঐতিহাসিক বাঘবৰ অঞ্চল। বাঘেশ্বৰী মন্দিৰৰ গাঁতে লাগি থকা এটা পাহাৰৰ চূড়া হৈছে ফুলেশ্বৰী পাহাৰ। প্ৰাচীন কালত ফুলেশ্বৰী মন্দিৰৰ বিগ্ৰহটি হেনো এবাৰ কেইজনমান মাছমৰীয়াই নাৱেৰে চুৰ কৰি লৈ যাওঁতে গোবিন্দপুৰ পথাৰত বিগ্ৰহসহ আটাইকেইজন মাছমৰীয়াই মৃত্যুমুখত পৰে। তেতিয়াৰ পৰাই সেই ঠাইখিনিৰ নাম 'ফুলেশ্বৰী জান' হৈ পৰে। বাঘবৰ পাহাৰৰ ওপৰত এটি প্ৰাচীন নাদ থকা বুলি বহুতে কয়, যিটো প্ৰকাণ্ড নাদত অগণন সাপৰ বাসস্থলী আছিল। পূৰ্বতে ভক্ত-পূজাৰীসকলে মনসা পূজা কৰি সেই নাদটোত গাখীৰ ঢালিছিল আৰু গাখীৰ নিগৰি যোৱা নিজৰাসদৃশ বাটটো কালক্ৰমে এখন সৰু বিলৰ ৰূপ লয় বুলি এক প্ৰবাদ আছে, যাৰ নাম হৈ পৰে সিলিকী বিল, সিও বাঘবৰ পাহাৰৰ কাষতেই য'ত বৰ্তমান কহুৱা, ঝাউবন আদিৰে ভৰপূৰ হৈ সৌন্দৰ্য্যবৰ্দ্ধন কৰিছে।

বাঘবৰ পাহাৰত সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত আৰু বহুতো থান-দেৱালয় আৰু প্ৰাচীন ঐতিহাসিক সমল আছে যিবোৰৰ আজিলৈকে প্ৰকৃতাৰ্থত কোনো উদ্ধাৰ, উপযুক্ত সংৰক্ষণ আৰু প্ৰসাৰ হোৱা নাই, সেইবোৰৰ ভিতৰত সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত এক প্ৰাচীন পৱিত্ৰ স্থান হ'ল- জপাশিল। বহুতে ইয়াক জপাশিল সদাশিৱ গোঁসাই থান বুলি বিশ্বাস কৰে। বাঘবৰ পাহাৰৰ ওপৰত এটা শিলাখণ্ডত এই প্ৰাচীন জপাশিল সদাশিৱ গোঁসাই থান বিৰাজমান। বাঘবৰ পাহাৰৰ এই শিলাখণ্ডত স্বয়ং দেৱাদিদেৱ মহাদেৱ প্ৰকট হৈছিল বুলি এক পৌৰাণিক প্ৰবাদ আছে, সেয়েহে এই পৱিত্ৰ স্থান সদাশিৱ মহাদেৱৰ উপাসনাৰ থান, য'ত শিৱ মহাদেৱ এক জপাশিলৰ ৰূপত প্ৰতিষ্ঠিত হৈ আছে। এই জপাশিল সদাশিৱ গোঁসাই থানৰ লগত বহুত মাহাত্ম্য জড়িত হৈ থকা শুনা যায়। লোক বিশ্বাস মতে ইয়াক ক্ষয়-ক্ষতি বা অপৱিত্ৰ কৰিলে মানুহ ৰুগীয়া আৰু ঘূণীয়া হৈ পৰে আৰু স্বপ্ন দেখুৱাই সকীয়নী দিয়ে। এই জপাশিল সদাশিৱ গোসাঁই থান আজি চৰকাৰী কৰ্তৃপক্ষ, পুৰাতত্ব বিভাগ আৰু সাধাৰণ ৰাইজৰ দৃষ্টিৰ আঁতৰত অনাদৃত আৰু অৱহেলিত হৈ পৰি আছে। আজিকোপতি ইয়াৰ উদ্ধাৰ, সংৰক্ষণ-সংবৰ্দ্ধন আৰু প্ৰসাৰৰ কোনো উপযুক্ত পদক্ষেপ আৰু ব্যৱস্থা লোৱা দেখা নগ'ল। বৰ্তমান এই জপাশিল সদাশিৱ গোঁসাই থানখনো অবৈধ বেদখলকাৰীৰ কবলত পৰি ইয়াৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে।

'জপাশিল' নামে এই পৱিত্ৰ স্থানৰ লগত আন এক জনশ্ৰুতি আছে। জনশ্ৰুতি মতে একালত এজনী দেৱবালা আৰু ব্ৰহ্মপুত্ৰৰ মাজত পৰিচয় হয়। প্ৰথম পৰিচয়তে ব্ৰহ্মপুত্ৰ দেৱবালাৰ প্ৰেমত পৰে। সুন্দৰী দেৱবালাক স্ত্ৰী হিচাপে পাবলৈ আবেদন কৰাত সুন্দৰী দেৱবালাই ইয়াক প্ৰত্যাখান কৰি পাহাৰৰ জপাশিলটোৰ সুৰংগত সোমাই যায়। তেতিয়াৰ পৰাই ব্ৰহ্মপুত্ৰই দেৱবালাৰ দম্ভ চূৰ্ণ কৰি এদিন হ'লেও বাঘবৰ পাহাৰ চুবই বুলি এক লোক বিশ্বাস প্ৰচলিত আছে। এইদৰে বাঘবৰ পাহাৰৰ এই সনাতন ঐতিহ্যসমূহৰ লগত বহুতো লোক বিশ্বাস, পৌৰাণিক আখ্যান আদি জড়িত হৈ আছে, যিবোৰ অদ্যাপি আস্থাৰে প্ৰৱাহিত হৈ আছে ঠিক মহাবাহু ব্ৰহ্মপুত্ৰৰ অবিৰত গতিৰ দৰে।

বাঘবৰ পাহাৰৰ আন এখন পবিত্ৰ স্থান হৈছে 'বুৰুজ'। ইয়াতেই হেনো সীতাদেৱীয়ে ৰাম-লক্ষণৰ লগত দ্বিতীয়বাৰ বনবাস খটাৰ সময়ত বিশ্বকৰ্মাৰ হতুৱাই শিৱ মন্দিৰ প্ৰতিষ্ঠাৰ বাবে শিলৰ বহুতো সামগ্ৰী প্ৰস্তুত কৰিছিল। হাজাৰ হাজাৰ বছৰীয়া এই জন-বিশ্বাস আৰু সনাতন প্ৰবাদবোৰে বাঘবৰ পাহাৰত সনাতন পৰম্পৰা ঐতিহ্যৰ ধ্বজা বহন কৰি আহিছে। ২০১৮ চনত এবাৰ আমি ৭





জনীয়া কলেজীয়া ছাত্ৰৰ দল এটা লৈ বাঘবৰ পাহাৰ পৰিভ্ৰমণ কৰিবলৈ যাওঁতে বাঘবৰ পাহাৰৰ দক্ষিণ দিশৰ নামনিত ব্ৰহ্মপুত্ৰৰ কাষত থকা বাঘবৰ থানাৰ পৰা বাঘবৰ পাহাৰৰ ওপৰলৈ বগাই যাওঁতে পাহাৰৰ ওপৰত প্ৰাচীন মন্দিৰৰ খুঁটা, ভগ্নাৱশেষ এটা ঠাইত সিঁচৰিত হৈ থকা প্ৰত্যক্ষ কৰিছিলো, যিটো আচৰিত হ'বলগীয়া আৰু অনুসন্ধানৰ বিষয়। পাহাৰৰ একেবাৰে ওপৰত সোমাজত পুখুৰী থকা দেখিবলৈ পোৱা যায়, যি বছৰৰ সকলো সময়তে জলমগ্ন হৈ থাকে। বাঘবৰ পাহাৰৰ বুকুত সনাতন পৰম্পৰা-ঐতিহ্যৰ লগত জড়িত বহুতো স্থান, সমল লুকাই আছে, যিবোৰ পুৰাতত্ত্ব বিভাগৰ বিশেষত্ত্ব আদিয়ে অনুসন্ধান কৰিলে বহু তথ্য আৰু ৰহস্যৰ সম্ভেদ পোৱা যাব।

বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ নিচেই পাৰৰ বাঘবৰ পাহাৰত সনাতন পৰম্পৰা ঐতিহ্যৰ বিভিন্ন চানেকি জড়িত হৈ থকাৰ লগতে ইয়াৰ লগত মহাপুৰুষীয়া পৰম্পৰাৰ চানেকিও জড়িত হৈ আছে। বাঘবৰ পাহাৰৰ দাঁতিতে আছে মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত বৈঠাপুতাঘাট সত্ৰ। আনুমানিক প্ৰায় ৪৫০ বছৰ আগতে মহাপুৰুষ মাধৱদেৱ আৰু তেখেতৰ শিষ্যসকলে একেলগে নাৱেৰে ভটিয়াই যাওঁতে সেই ভটিয়ালী যাত্ৰাত সন্ধিয়া হোৱাত বাঘবৰ পাহাৰৰ কাষতে থকা নদীঘাটত বঠাখন পুতি থৈ জিৰণি লৈ তাতেই ৰাতিটো কটাইছিল। ব্ৰহ্মপুত্ৰৰ পাৰত বাঘবৰ পাহাৰৰ দাঁতিত মনোমোহা নৈসৰ্গিক শোভা দেখি আপ্লুত হৈছিল আৰু সুন্দৰ মনোমোহা স্বাস্থ্যকৰ ঠাই দেখি তাতেই শিষ্যসকলৰ স'তে গুৰু বন্তি এগছি জ্বলাই সত্ৰ প্ৰতিষ্ঠা কৰিছিল, যিখন সত্ৰ কালক্ৰমত মানুহৰ মুখে মুখে মহাপুৰুষ মাধৱদেৱ গুৰুজনাই পতা বৈঠাপুতাঘাট সত্ৰ হিচাপে বিখ্যাত হৈ পৰে। এই মহাপুৰুষীয়া বৈঠাপুতাঘাট সত্ৰখনক কেন্দ্ৰ কৰি কেইঘৰ অসমীয়া মানুহ তাত আছে আৰু তেওঁলোকেই পিছত ইয়াত নাম-প্ৰসংগ সেৱা জনাই আহিছে। বৰ্তমান এই ঐতিহাসিক মহাপুৰুষীয়া বৈঠাপুতাঘাট সত্ৰখনৰ চৰকাৰী সাহায্য আৰু পৃষ্ঠপোষকতাত ইয়াৰ আন্তঃগাঁথনিৰ কিছু উন্নয়ন হৈছে। মহাপুৰুষ মাধৱদেৱৰ স্মৃতিবিজড়িত এই বৈঠাপুতাঘাট সত্ৰখন চাবলৈ দূৰ-দূৰণিৰ বৈষ্ণৱ ভক্তপ্ৰাণ ৰাইজ ইয়ালৈ আহি থাকে। বৰ্তমান ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু অবৈধ বেদখলৰ কবলত পৰি এই সত্ৰখনো অস্তিত্বৰ সংকটত পৰিছে। তথাপিও বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ নিচেই পাৰত বাঘবৰ পাহাৰৰ দাঁতিত এই বৈঠাপুতাঘাট সত্ৰই মহাপুৰুষীয়া পৰম্পৰাৰ চানেকি বহন কৰি আহিছে।

ঐতিহাসিক বাঘবৰ পাহাৰখন বেঁকী আৰু ব্ৰহ্মপুত্ৰৰ দ্বাৰা আবৃত পানীৰ ওপৰত ভাঁহি থকা এখন ওলোমা উদ্যানৰ দৰে যেন অনুমান হয়। ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰ আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্যই দূৰ-দূৰণিৰ বহু পৰ্য্যটক হাত বাউলি মাতে। আহিন মাহৰ পৰা বহাগ মাহলৈ এই সময়ছোৱা প্ৰায় বহু পৰ্য্যটকৰ ইয়ালৈ সমাগম হয় আৰু তেওঁলোকে পাহাৰ বগাই ইয়াৰ মনোমোহা নৈসৰ্গিক শোভা উপভোগ কৰে। বাঘবৰ পাহাৰ আৰু ইয়াৰ নামনি অংশৰ পৰা ব্ৰহ্মপুত্ৰৰ দৃষ্টিনন্দন নৈসৰ্গিক শোভাই সকলো পৰ্য্যটককে আকৰ্ষণ আৰু আপ্লুত কৰে। ঐতিহাসিক বাঘবৰ পাহাৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত প্ৰাচীন ক্ষেত্ৰ আৰু সমলসমূহ, মহাপুৰুষীয়া পৰম্পৰাৰ সত্ৰানুষ্ঠান আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্যই বাঘবৰ পাহাৰক্ষেত্ৰক পৰ্য্যটনৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ প্ৰচুৰ সম্ভাৱনা আৰু থল আছে। বৰপেটা জিলা তথা স্থানীয় সচেতন মহলে ইয়াক পৰ্যটনৰ এক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে দীৰ্ঘদিনীয়া দাবী জনাই আহিছে। বৰ্তমান চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ, প্ৰশাসনে বাঘবৰ পাহাৰ আৰু ইয়াৰ সংলগ্ন অঞ্চলৰ সনাতন পৰম্পৰা ঐতিহ্যৰ লগত জড়িত প্ৰাচীন ক্ষেত্ৰ আৰু সমলসমূহ, মহাপুৰুষীয়া পৰম্পৰাৰ পৱিত্ৰ স্থান আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ পাহাৰৰ মনোমোহা নৈসৰ্গিক শোভাক নতুন পৰ্য্যটন নীতি আৰু মানচিত্ৰত সামৰি লৈ ইয়াক প্ৰাকৃতিক পৰ্য্যটন আৰু ধৰ্মীয় আধ্যাত্মিক পৰ্য্যটনৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি তুলিব বুলি আমি আশাবাদী।

সহায়ক উৎস ঃ এই প্ৰৱন্ধটো বাঘবৰ পাহাৰত কৰা পৰ্য্যবেক্ষণ, ক্ষেত্ৰ অধ্যয়ন, বাতৰি-কাকতৰ প্ৰাসংগিক প্ৰতিবেদন আৰু সৰু প্ৰাসংগিক প্ৰৱন্ধৰ পৰা পোৱা তথ্যৰ ভিত্তিত যুগুত কৰা হৈছে।

ঃ ডাকৰ বচন ঃ

পূৱে হাঁহ, পশ্চিমে বাঁহ
উত্তৰে গুৱা, দক্ষিণে ধুৱা।

# সমাজ সংগঠক শ্ৰীমন্ত শংকৰদেৱ

ড° নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ** সৰ্বকালৰ যুগপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমৰ সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক জীৱন আৰু ইতিহাসত প্ৰাসংগিকতা অপৰিসীম। শংকৰদেৱে নিজা জ্ঞান, অভিজ্ঞতা আৰু প্ৰতিভাৰে অসমভূমিৰ যি পৰিকাঠামো ৰচনা কৰি গ'ল তাৰ চাপ আৰু প্ৰভাৱ অসমৰ সৰ্বত্ৰতে বিৰাজমান। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে শংকৰদেৱৰ নেতৃত্বত অসমতো বৈষ্ণৱ ভক্তি আন্দোলনৰ ঢৌৱে তোলপাৰ লগোৱা সময়ত অসমৰ সমাজ ব্যৱস্থাত বৰ্ণবৈষম্য ধৰ্মীয় চাকচিক্যইআধিপত্য বিস্তাৰ কৰি আছিল। কিন্তু সেই সকলোবোৰ প্ৰত্যাহবান মূৰ পাতি লৈ মহাপুৰুষজনাই যি আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল তাক যুগে যুগে অসমবাসীয়ে স্মৰণ কৰিব। শংকৰদেৱে অসমীয়া জাতীয় সত্তাক অনৈক্যৰ মাজত ঐক্যবদ্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। বৈষ্ণৱ আন্দোলনৰ গইনা লৈ অসমীয়া সমাজখনক ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ লগতে সামাজিক দিশত ঠন ধৰি উঠাত তেওঁৰ যি অৱদান সেয়া প্ৰতিজন অসমীয়াই স্বীকাৰ কৰে। তেখেতৰ ৰচনাৰাজিতো এই কথা স্পষ্টৰূপত প্ৰতিফলিত হৈ আছে।

শংকৰদেৱ আছিল এজন প্ৰকৃত সমাজ সংগঠক। জাত পাত, উচ্চ নীচৰ ভেদাভেদ আঁতৰ কৰি মানুহৰ মাজত তেখেতে শান্তি আৰু সাম্য মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি এখন নিকা আৰু সুস্থ সমাজ গঠন কৰিবলৈ যত্ন কৰিছিল আৰু বৰ অসমৰ ভেটি সুদৃঢ় কৰিছিল। আহোম স্বৰ্গদেৱে যিদৰে সমগ্ৰ অসমখনক 'সাত ৰাজ মাৰি এক ৰাজ কৰাৰ কথা কৈছিল ঠিক একেদৰে শংকৰদেৱেও সাম্য মৈত্ৰীৰ বাণীৰে সকলোকে একত্ৰিত কৰি বৰ অসম গঢ়াৰ চেষ্টা কৰিছিল। শংকৰদেৱে কুকুৰ শৃগাল গদৰ্ভবো আত্মা ৰাম' বুলি কৈ সকলোতে সমভাৱ দৃষ্টি ৰাখি সমাজত সাম্য মৈত্ৰীৰ বীজ সিঁচিব বিচাৰিছিল আৰু সমাজখনক সমৃদ্ধ কৰিছিল। সেয়েহে এজন প্ৰকৃত ধৰ্ম প্ৰচাৰক বা ধৰ্ম গুৰুৰ আওতাৰ বাহিৰেও এজন সমাজ সংগঠক হিচাপে শংকৰদেৱৰ প্ৰকৃত মূল্যায়ণৰ যথেষ্ট প্ৰয়োজন আছে। আৰু বৰ্তমানৰ প্ৰেক্ষাপটত এই ধাৰণাৰ মূল্যায়ণ কৰাৰ আৱশ্যকতা আৰু অধিক সেয়েহে আমাৰ এই আলোচনাত অসমৰ সমাজ সংগঠক হিচাপে শংকৰদেৱৰ এটি সামগ্ৰিক আলোচনা কৰিবলৈ যত্ন কৰা হৈছে । আৰু ইয়াৰ জৰিয়তে এজন ধৰ্মগুৰুৰ উৰ্দ্ধত শংকৰদেৱৰ সমাজ সংগঠক ৰূপটোৰ আলোচনাক প্ৰাধান্য দিয়া হৈছে।

**আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

সাম্প্ৰতিক সময়ত ভিন্ন ধৰ্ম- জাতি- ভাষাৰ মাজত যি বৈষম্য প্ৰকট হৈছে আৰু যিটো নিৰ্মূলৰ বাবে কোনো বাস্তৱ আৰু দূৰদৰ্শী সিদ্ধান্ত কোনো ব্যক্তি বা সংস্থাই ল'ব পৰা নাই, সেই কাম পোন্ধৰশ শতিকাতে শংকৰদেৱে কৰিবলৈ সক্ষম হৈছিল। সেই বাবে আজি এনে বিষয়ৰ আলোচনাৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি এই গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে। তদুপৰি কেৱল এজন ধৰ্ম প্ৰচাৰকৰ ৰূপত শংকৰদেৱৰ আলোচনা সামৰি নথৈ এজন বলিষ্ঠ সমাজ সংগঠকৰ দিশেৰে শংকৰদেৱক বিশ্লেষণৰ দৃষ্টিৰে চোৱাৰ লক্ষ্য আগত ৰাখিও গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**সমাজ সংগঠক হিচাপে শংকৰদেৱ ঃ**

সমাজ সংগঠক হিচপে শংকৰদেৱ অসমীয়া সমাজত মাইলৰ খুঁটি। শংকৰদেৱে নামঘৰ, মণিকূট স্থাপন কৰাৰ লগতে মানুহৰ মাজত শান্তি, সাম্য- মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি উদাৰ নৈতিক মানৱতাবাদৰ দৃষ্টান্ত দাঙি ধৰিছিল। অৱশ্যে বহু সময়ত এই দিশটো ধৰ্মগুৰুৰ পৰিচয়ৰ তলত ঢাক খাই থাকে। তদুপৰি অসমৰ সমাজ সংগঠক হিচাপে অসমীয়া জাতি গঠন পক্ৰিয়াতো শংকৰদেৱৰ





ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁৰ মহান আদৰ্শৰ বাবেই একেখন ৰভাৰ তলত স্ত্ৰী- শূদ্ৰ সকলোৱে বহি হৰিনাম চৰ্চা কৰিব পাৰিছে, য'ত কোনো ধৰণৰ জাত পাত, উচ্চ-নীচ ভেদভাৱৰ স্থান নাই। মানৱতাই হৈছে শংকৰদেৱৰ প্ৰধান মন্ত্ৰ । সাম্যবাদৰ মহান আদৰ্শ সমাজত বিলাই দি শংকৰদেৱে যি বৰ অসমৰ ভেটি সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছিল আজিৰ প্ৰেক্ষাপটতো তাৰ গুৰুত্ব অত্যন্ত বেছি। তলত এই সন্দৰ্ভত বহলাই আলোচনা কৰা হ'ল —

**থলুৱা জাতি জনজাতিৰ প্ৰতি শংকৰদেৱৰ উদাৰতা ঃ**

শংকৰদেৱ আছিল উদাৰ মনৰ অধিকাৰী ব্যক্তি। অসমৰ প্ৰতিটো জাতি জনজাতিৰ প্ৰতি একধৰণৰ সাম্যবাদী ভাৱে তেওঁৰ মনত অহৰহ ক্ৰিয়া কৰিছিল। সেয়ে নিৰ্ভীকভাৱে সকলোকে তেওঁৰ নৱবৈষ্ণৱ ধৰ্মত স্থান দিছিল। গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই, মিছিঙৰ পৰমানন্দ আদি লোক তেওঁৰ প্ৰিয় আছিল। তদুপৰি শংকৰদেৱৰ লেখনিত প্ৰকাশিত টেঙ্গুৱানী জান আৰু ৰাধিকা শান্তিৰ কাহিনীৰ জৰিয়তে কিদৰে শংৰদেৱে নিম্ন বৰ্ণৰ লোকৰ নৈতিক আৰু সামাজিক অধিকাৰক আগস্থান দি তেখেতে সাম্যবাদ প্ৰতিষ্ঠা কৰিছিল তাক জানিব পাৰি। বোধহয় এনেবোৰ কৰ্মই পিছপৰা জাতি জনজাতিৰ লোকসকলক তেওঁৰ মানৱাদৰ্শৰ প্ৰতি আকৃষ্ট কৰিছিল। আৰু ইয়াতেই ৰোপিত হৈছে সমন্বয়ৰ বীজ। মনকৰিবলগীয়া যে- শংকৰদেৱৰ ভক্তি ধৰ্ম কোনো ধৰণৰ সংকীৰ্ণতাৰ আৱৰ্তত নথকা হেতু শংকৰী ধৰ্মত দীক্ষিত নোহোৱা মানুহৰ মাজতো সেই ধৰ্মপম্পৰাৰ প্ৰভাৱ পৰিছিল। আৰু আপোনা আপুনি প্ৰায়বোৰ লোকে ইয়াক পালন কৰিছিল। অসমৰ সহজ সৰল জনজাতীয় মানুহখিনিৰ নিজস্ব ধৰ্মীয় পৰম্পৰা আছিল। শংকৰদেৱে নিজে সেই মানুহবোৰৰ মাজলৈ ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ যোৱা নাছিল। তথাপি সেই মানুহখিনিয়ে আপোন চিত্তে এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। যাৰ ফলশ্ৰুতিত নিজৰ ধৰ্মীয় পৰম্পৰা পালন কৰাৰ লগতে নাম- কীৰ্তন, মাহ প্ৰসাদ আদিয়েও স্থান লাভ কৰিছিল। ইয়াৰ পৰাই শংকৰদেৱৰ মহান আদৰ্শৰ উমান পাব পাৰি।

অসমত বাস কৰা বড়ো, তিৱা, কাৰ্বি, মিছিং, গাৰো, ডিমাছা, হাজং আদি এই সকলোবোৰ জনগোষ্ঠীৰ মাজত উল্লিখিত দিশবোৰ প্ৰতিফলিত হোৱা দেখা যায়। এই মানুহখিনিয়ে নামঘৰ সাজি নাম কীৰ্ত্তন কৰিছে আনহাতে বিভিন্ন দেৱ দেৱীৰ পূজা অৰ্চনাও কৰিছে। এওঁলোক কিন্তু শংকৰী ধৰ্মৰ লোক নহয়, তথাপি নাম কীৰ্তন কৰিছে, শংকৰদেৱৰ গুণ গান গাইছে। শংকৰদেৱৰ ভক্তি আদৰ্শৰ প্ৰভাৱৰ বাবেই এনে হোৱা দেখা যায়। আৰু এনেবোৰ কথাৰ পৰাই সমাজত সমভাৱৰ সৃষ্টি হয়।

**নৱবৈষ্ণৱ ধৰ্মত সম অধিকাৰ ঃ**

শংকৰদেৱে নববৈষ্ণৱ ধৰ্ম প্ৰচাৰ প্ৰসাৰ কৰা সময়ত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল বৰ্ণ হিন্দুকে আদি কৰি বিভিন্ন ক্ষুদ্ৰ জাতি জনজাতিৰ আবাস ভূমি আছিল আৰু এই সকলো লোকে নিজ নিজ ধ্যান ধাৰণাৰে উপাসনা কৰিছিল। সেই সময়ত সমগ্ৰ অসমতে শৈৱ আৰু শাক্তৰ প্ৰভাৱ আছিল অপৰিসীম আৰু সীমিত পৰিমাণে প্ৰচলিত হৈ আছিল বৈষ্ণৱ ধৰ্ম। আনহাতে জনজাতীয় সমাজতো প্ৰচলিত আছিল নিজস্ব ধ্যান ধাৰণা সম্ভূত বিভিন্ন নীতি নিয়ম। তেনে এক সময়তে গুৰুজনাই যি মহান পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সঁচাকৈয়ে আছিল এক প্ৰত্যাহবান স্বৰূপ। তেওঁ 'এক দেৱ, এক সেৱ এক বিনে নাই কেৱ' বুলি কৈ সমাজ জীৱনত এক সমতাৰ মনোভাৱ বিস্তাৰিত কৰিবলৈ যত্ন কৰিছিল। তদুপৰি নৱবৈষ্ণৱ ধৰ্মত সকলোৱে মুকলি মনে হৰিৰ শ্ৰৱণ কীৰ্তন কৰিব পাৰিছিল আৰু এই ক্ষেত্ৰত কোনো বাধা নিষেধ নাছিল। সকলোৱে সমভাৱে একেলগে হৰিৰ গুণানুকীৰ্ত্তন কৰিব পাৰিছিল। সেয়ে তেওঁ কৈছে -

'কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কংক গোৱাল ।
অসম মলুক ধোৱা যে তুৰুক
কুৱাচ ম্লেচ চণ্ডাল ।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সংগত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।'

(শ্ৰীমদ্ভাগৱত ২য় স্কন্ধ-পদ ৫৩-৫৪)

মূলতঃ ভক্তি ধৰ্মৰ এই উদাৰ দৃষ্টিভংগীৰ বাবেই সকলোৱে ইয়াৰ প্ৰতি আকৃষ্ট হৈছিল। ফলস্বৰূপে সমাজখনো নৱবৈষ্ণৱ ধৰ্মৰ

এনে আদর্শৰ দ্বাৰা একত্ৰিত হোৱাৰ সুযোগ পাইছিল আৰু তাৰ প্ৰধান হোতা আছিল শ্ৰীমন্ত শংকৰদেৱ।

**নামঘৰৰ যোগেদি সাম্য প্ৰতিষ্ঠা ঃ**

সকলোৰে বাবে প্ৰৱেশৰ সমান অধিকাৰ সাব্যস্ত কৰোৱা নামঘৰ অসমীয়া জাতীয় জীৱনৰ এক আপুৰুগীয়া গুৰুসৃষ্ট সম্পদ, য'ত সাম্যৰ বাণীৰে জীপাল হৈ উঠে বৃহৎ অসমীয়া জাতিসত্তা। ধৰ্মীয়, সাংস্কৃতিক সাহিত্যৰ প্ৰতিটো দিশতে জাতীয় জীৱনলৈ নামঘৰৰ অৱদান অতুলনীয়। নামঘৰবোৰ অসমীয়া সংস্কৃতিৰ যাদুঘৰ। যুগ যুগ ধৰি নামঘৰ আৰু সত্ৰসমূহে শংকৰী সংস্কৃতিক নতুন প্ৰজন্মলৈ আগুৱাই আনিছে। নামঘৰে আন্তঃপ্ৰাজন্মিক সাম্য প্ৰতিষ্ঠাতে চমকপ্ৰদ ভূমিকা পালন কৰি আহিছে। অকল নামঘৰেই নহয়, মণিকূট, বাটচ'ৰা, সিংহাসন সকলোতে জাতীয় জীৱনৰ সমূহীয়া ধাৰাৰেই এক যৌক্তিক কচৰৎ।

অকল সাংস্কৃতিক উপাদান গীত- নাটক বাদ্য আদিতেই নহয় সুস্থ গণতান্ত্ৰিক পৰম্পৰা প্ৰচাৰৰ ক্ষেত্ৰতো নামঘৰৰ ভূমিকা অতুলনীয়। শংকৰদেৱৰ কীৰ্ত্তিৰ একাংশ বহন কৰিছে অসমৰ অন্যতম সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰে। ভক্তপ্ৰাণসকলে অসমৰ গাঁৱে গাঁৱে, নগৰে নগৰে আত্মশুদ্ধিৰ স্থল হিচাপে নামঘৰ প্ৰতিষ্ঠা কৰিছে। নামঘৰত নাট ভাওনাৰ পৰা আৰম্ভ কৰি নাম কীৰ্তন, গাঁৱৰ সমস্যা সমাধান, নতুন চিন্তাৰ কাৰ্যকৰণ ইত্যাদি আলোচনা বিলোচনা কৰা হয়। শংকৰদেৱৰ নামঘৰ প্ৰতিষ্ঠাৰ এই সুদূৰপ্ৰসাৰী সফলতা অসমীয়া জাতিয়ে যাৱজ্জীৱন সুঁৱৰিব লাগিব। নামঘৰক প্ৰধানকৈ ধৰ্মকেন্দ্ৰৰূপে স্থান দিয়া হৈছিল যদিও ইয়াক অকল নাম লোৱাৰ বাবে ব্যৱহাৰ হোৱা নাছিল। নামঘৰ আছিল সমাজ ব্যৱস্থাৰ শৃংখলাবদ্ধ ৰূপত পৰিচালনা কৰা এটি কেন্দ্ৰীয় কক্ষ।

**সামৰণি ঃ**

শ্ৰীমন্ত শংকৰদেৱে ছকুৰী বছৰীয়া জীৱন কালত অসমীয়া সমাজখন আটকধুনীয়াকৈ সজাই পৰাই ধৰ্মৰ মহিমাৰে পবিত্ৰ কৰি ভাষা, সাহিত্য-সংস্কৃতিৰ বৰঘৰ গুৰনি কৰি অসমীয়াৰ কণ্ঠত গৌৰৱ গৰিমাৰ জয়মালা পিন্ধাই থৈ গ'ল। ইয়াৰোপৰি বিভিন্ন জাতি জনগোষ্ঠীৰে বৈচিত্ৰ্যময় অসমৰ সকলো লোকক একেখন সমাজত প্ৰতিষ্ঠা কৰিব পৰাটো এক বৈপ্লবীক জাগৰণ। শংকৰদেৱৰ সদিচ্ছা আৰু জনগণৰ মহান প্ৰচেষ্টাতে এক বিশাল অসমীয়া জাতি, এক ভাষা এক গণ সংস্কৃতিয়ে গঢ় লৈ উঠিছিল আৰু সি আজিও শত-সহস্ৰ বিঘিনি, প্ৰবল ধুমুহা শিলাবৃষ্টিৰ মাজেৰেও আগবাঢ়ি আছে। গুৰুজনাই ভক্তি প্ৰেমৰ বীজ সিঁচি ভকতিক মূল সম্পদ হিচাপে লৈ সুস্থ, সবল, আধ্যাত্মিক ভাৱধাৰাৰে পৰিপুষ্ট এখন সমাজ গঢ়াৰ আন্দোলন সৃষ্টি কৰে। পৰিশেষত ইয়াকে কৈ সামৰিব পাৰি যে ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি আৰু সমাজ সংগঠনৰ ক্ষেত্ৰত অলেখ অৱদান দিবলৈ সক্ষম হোৱা এনে এজন মহাপুৰুষ পৃথিৱীৰ ভিতৰতে বিৰল।

ঃ সাঁথৰ ঃ

আগ তিতা গুৰি মৌ, কি কৰিছা ভাবুলী বৌ?

উত্তৰ ঃ কুঁহিয়াৰ





# সূৰ্য ঃ এক শক্তি

ড° মালবিকা বাগ্‌লাৰী
সহকাৰী অধ্যাপিকা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

পৃথিৱীত প্ৰতিটো বস্তু সৃষ্টিৰ আঁৰত প্ৰাকৃতিক অৱস্থা বা কাৰণ জড়িত হৈ আছে। পৃথিৱীত জুই বা অগ্নি সৃষ্টিৰ আঁৰতো বহু কাৰণ লুকাই আছে। আদিম মানৱৰ মনত সূৰ্যোদয় আৰু সূৰ্যাস্ত বিস্ময়জনক বিষয় আছিল। পৃথিৱীত আন্ধাৰ আৰু পোহৰ হোৱা ঘটনাটো কোনো অদৃশ্য শক্তিৰ ফল বুলি আদিম মানৱে ভাবিছিল। সেয়ে লাহে লাহে সূৰ্যৰ প্ৰতি মানৱৰ মনত শ্ৰদ্ধা আৰু ভক্তি ভাব উদয় হৈছিল। সেই সূৰ্যৰ প্ৰতি শ্ৰদ্ধা ভক্তি থকা বাবেই আদিম মানৱৰ মনত জুই বা অগ্নিৰ প্ৰতিও মানৱৰ মনত শ্ৰদ্ধা ভক্তি জাগিছিল। ইয়াৰ লগতে বিভিন্ন প্ৰাকৃতিৰ অৱস্থা যেনে-বিজুলী, ঢেৰেকনি, শিলে শিলে ঘঁহনি খাই জুই সৃষ্টি হোৱা, অৰণ্যত জুই জ্বলা আদি ঘটনাই আদিম মানৱক বিস্মিত কৰি তুলিছিল। সভ্যতাৰ বিকাশৰ লগে লগে জুইৰ ব্যৱহাৰে মানৱক অধিক বিশ্বাসী কৰি তুলিলে।

সূৰ্য এক শক্তি। সূৰ্যক পোহৰৰ শক্তি, উৰ্বৰতা আৰু বৃষ্টিৰ উৎস বুলি স্বীকাৰ কৰা হয়। সূৰ্যই আন্ধাৰ আঁতৰায়, ৰোগ-ব্যাধি আঁতৰায়, আয়ুস বৃদ্ধি কৰে। তেওঁ সন্তানদাতা, বৃষ্টিদাতা। সূৰ্যক প্ৰজনন আৰু উৰ্বৰা শক্তিৰ প্ৰতীক বুলি বিশ্বাস কৰা হয়। সেইবাবেই সূৰ্যক দেখিলেই পুষ্পিতা ছোৱালী গৰ্ভৱতী হ'ব বুলি ভাবি সেই কন্যাক অসূৰ্যস্পৰ্শ্যা কৰি ৰখা হৈছিল। এনে বিশ্বাসেৰেই সন্তানহীন বা সন্তান নোহোৱা নাৰীয়ে পুৱা স্নান কৰি উঠি সূৰ্য প্ৰণাম কৰিলে গৰ্ভৱতী হয় বুলি বিশ্বাস কৰা হয়। কৃষিৰ সৈতেও সূৰ্যৰ এক সম্পৰ্ক দেখা যায়। সূৰ্যৰ পৰা ওলোৱা তাপ আৰু পোহৰৰ ফলতেই পানী আৰু বায়ুৰ প্ৰভাৱত উদ্ভিদে নিজৰ আহাৰ প্ৰস্তুত কৰি নিজৰ বংশ বিস্তাৰ কৰে।

পৃথিৱীৰ বহু ধৰ্মৰ মূল সূৰ্য। সেয়ে সূৰ্যক ঈশ্বৰৰ ভাস্বৰ প্ৰতীক হিচাপে স্বীকাৰ কৰা হয়। ঈশ্বৰকো এক জ্যোতিময় সত্তা বুলি বিশ্বাস কৰা হয়। আনকি এই বিশ্বাসো প্ৰচলিত যে পৃথিৱীত জ্যোতিময় ঈশ্বৰৰ দ্বাৰা সৃষ্ট বস্তুক অগ্নিয়ে পবিত্ৰ কৰি তোলে। যিকোনো ধৰ্মৰ লোকে মম বা চাকি জ্বলোৱাৰ অৰ্থও একেটাই।

বেদত সূৰ্যই মূল দেৱতা। বেদৰ আত্মা হ'ল গায়ত্ৰী মন্ত্ৰ। অশ্বমেধযজ্ঞ সূৰ্য উপাসনাৰ সমাৰ্থক আছিল। প্ৰাচীন তিনিজনা প্ৰধান দেৱতা স্বৰূপে সবিতা, অগ্নিয়েই আছিল বুলি জনা যায়। বেদত সূৰ্যক বহু ঠাইত বৃষভ বোলা হৈছে। হৰপ্পা সভ্যতাৰ বৃষভ পূজাৰ পৰম্পৰা আছিল। বৈদিক আচাৰ মতে স্বৰ্ণ সূৰ্যৰ প্ৰতীক। সূৰ্য আকাশৰ অলংকাৰ। সোণৰ থালখনে সৌৰ বৃত্তটোক বুজায়। তেনেদৰে সূৰ্যক সৃষ্টিকৰ্তা, পালনকৰ্তা, ৰক্ষাকৰ্তা, সংহাৰকৰ্তা বুলি কোৱা হয়। সূৰ্য পুৰুষ, পিতৃসদৃশ। অৱশ্যে সৌৰজ্যোতি মাতৃসদৃশ। সেয়ে বেদমাতা গায়ত্ৰীমন্ত্ৰক সূৰ্যৰ বীজমন্ত্ৰ বোলা হয়। ঋকবেদতো সূৰ্যক সম্ৰাট বোলা হৈছে আৰু মিত্ৰক সূৰ্যৰ সহযোগী বোলা হৈছে।

সূৰ্য আদিম আৰ্যসকলৰ উপাস্য দেৱতা। সেয়ে আৰ্যসকলৰ বিভিন্ন শাখাত সূৰ্যস্তুতি পোৱা যায়। ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীয়ে আওপকীয়াকৈ সূৰ্য উপাসনা কৰে। বৈদিক হোমযজ্ঞও সূৰ্য উপাসনা বা অগ্নি উপাসনাৰেই নামান্তৰ। যজ্ঞৰ আহুতি মূলতঃ অগ্নি উপাসনা। অগ্নিয়ে পৃথিৱীক সৃষ্টি কৰিব পাৰে, ধ্বংসও কৰিব পাৰে। অগ্নি পূজাৰ সৈতে সূৰ্য উপাসনা জড়িত হৈ আছে বুলি ক'ব লাগিব।

বেদ পুৰাণত সূৰ্যক সৰ্বদেৱতাত্মক সমগ্ৰ বিশ্ব চৰাচৰ প্ৰাণসত্তা আৰু প্ৰকাশক তেজৰূপত দ্ব্যৰ্থহীন ভাষাত স্তুতি কৰা হৈছে। সূৰ্য বৈজ্ঞানিক দৃষ্টিত জড় অগ্নিপিণ্ড যদিও সূৰ্য তেজোৰূপী প্ৰাণময় চিৎসত্তা। সূৰ্যৰ তিনিটা ৰূপ আৰু স্থান ক্ৰমে- অগ্নি, বিদ্যুৎ আৰু সূৰ্য। তেনেদৰে সূৰ্যৰ স্থান হ'ল পৃথিৱী, অন্তৰীক্ষ আৰু দ্যুলোক (স্বৰ্গ)।

মাৰ্কণ্ডেয় পুৰাণত কৈছে ঃ সূৰ্য স্বয়ম্ভু সকলো লোকৰ চকু, "স্বয়ম্ভুৱে লোক সমস্ত চক্ষুয়ে" মাৰ্কণ্ডেয় পুৰাণত আৰু কৈছে— "আদিত্য, ভাস্কৰ, ভানু সবিতা, দিবাকৰ, পুৰাতন অৰ্বমা, স্বভানু প্ৰদীপ্ত কিৰণ, চতু যুগৰ অন্তকাৰী কালগ্ৰিৰূপ দুদৰ্শ, যোগীশ্বৰ, অনন্তৰক্ত, পীত, শুভ, কৃষ্ণ। বৰাহ মিহিৰে বৃহৎ সংহিতাৰ সূচনাত (১/১) সূৰ্যক বিশ্বৰ সৃষ্টিকৰ্তা, বিশ্বৰ আত্মা, আকাশৰ অলংকাৰ, গলিত স্বৰ্ণতুল্য কিৰণ সহস্ৰ শোভিত বুলি বন্দনা কৰিছে।

পৃথিৱীৰ বিভিন্ন ঠাইত সূৰ্য উপাসনা পৰম্পৰাগতভাৱে চলি আহিছে। হৰপ্পা সভ্যতা, মহেঞ্জোদাৰো সভ্যতা, সিন্ধু সভ্যতাত সূৰ্য উপাসনাৰ কথা পোৱা যায় । প্ৰাচীন মিছৰ আৰু ইজিপ্তুতো সূৰ্য উপাসনাৰ কথা জনা যায় । সেই ঠাইত সূৰ্য প্ৰধান দেৱতা। ইণ্ডোনেছিয়াৰ বালি আদিতো সূৰ্য উপাসনাৰ কথা জনা যায় ।

প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষতো সূৰ্য আৰু সূৰ্যৰ প্ৰতীকক উপাসনা কৰা পৰম্পৰা আছে। মন্দিৰৰ স্থাপত্যত সূৰ্যৰ প্ৰতীক বিভিন্ন মুদ্ৰাত পোৱা যায়। ভাৰতবৰ্ষৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সূৰ্য উপাসনাৰ পৰম্পৰা চলি আহিছে। ভাৰতবৰ্ষৰ সূৰ্য বংশীয় ৰজা বা সূৰ্য বংশীয় বিষয় পৰম্পৰাগতভাৱে জনা যায়। সূৰ্য ৰামৰ প্ৰথম পূৰ্বপুৰুষ বুলি জনা যায়। সীতা উদ্ধাৰৰ বাবে ৰাৱণ বধৰ আগদিনা ৰাতি ৰামে আদিত্য হৃদয় স্তোত্ৰ পাঠ কৰিছিল বুলি জনা যায়। ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীৰ লোকে জোন-বেলিৰ শপত খোৱা পৰম্পৰা আছে।

কোল মুণ্ডাসকলেও সূৰ্য উপাসনা কৰা কথা জনা যায়। কোলসকলে সূৰ্য আৰু চন্দ্ৰক পতি পত্নীৰূপে তৰাবোৰক সন্তান বুলি ভাবে। মহাৰাষ্ট্ৰৰ বল্লালসকলে আৰু দক্ষিণ ভাৰতৰ টোজসকলে সূৰ্য উপাসনা কৰা পৰম্পৰা আছে।

লোক-বিশ্বাস যে সূৰ্য পূজা কৰিলে দহটা অশ্বমেধ আৰু এশটা বাজপেয় যজ্ঞৰ ফল লাভ কৰে। সূৰ্যক পূজা কৰিলে মহাপাপীও নিস্পাপ হয়। সূৰ্য মন্দিৰ নিৰ্মাণ কৰোঁতাজনে ঐশ্বৰ্য ভোগ কৰে আৰু তেওঁ শতকল্প যুগ সূৰ্যলোকত বাস কৰে। সূৰ্যৰ আধিবাস ৰখা ব্যক্তি সাত জন্ম নিৰোগী হৈ থাকে আৰু সমস্ত সংসাৰৰ দুখৰ পৰা মুক্ত হৈ তেওঁ সূৰ্যলোকত বাস কৰিব পাৰে।

প্ৰাচীন ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত সূৰ্য উপাসনাৰ কেন্দ্ৰ আছিল । বিহাৰৰ পাটলিপুত্ৰ, গয়া, হাজাৰীবাগ আদিত বিভিন্ন ভগ্নাৱেশৰ আৰু স্থাপত্য পোৱা যায়। তেনেদৰে বংগদেশ, মথুৰা, এলাহাবাদ, উজ্জয়িনী, যোধপুৰ, মেৱাৰ, অমৰাৱতী আদিতো সূৰ্য উপাসনাৰ থলী আৰু স্থাপত্যৰ নিদৰ্শন পোৱা যায়। উৰিষ্যাৰ কোনাক মন্দিৰ, কাশ্মীৰৰ মাৰ্তণ্ড মন্দিৰ আদি সূৰ্য উপাসনাৰ কেন্দ্ৰস্থল।

ভাৰতীয় লোকমানসত সূৰ্যদেৱতাক বিভিন্ন ৰূপত কল্পনা কৰি লোৱা হৈছে। তেনেদৰে সূৰ্য মূৰ্তি নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষত উদ্ধাৰ হোৱা সূৰ্যমূৰ্তিবোৰে সূৰ্য উপাসনাৰ কথা প্ৰমাণ কৰে। সূৰ্য উপাসনাৰ সৈতে নৱগ্ৰহৰ মূৰ্তিসমূহো জড়িত হৈ আছে সেই কথা নক'লেও হ'ব।

পৃথিৱীৰ বিভিন্ন অঞ্চলৰ লগতে ভাৰতবৰ্ষৰ অসম প্ৰদেশৰ বিভিন্ন অঞ্চলত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সূৰ্য উপাসনা পৰম্পৰাগতভাৱে চলি আহিছে। মাৰ্কণ্ডেয় পুৰাণৰ মতে কামৰূপ সূৰ্য উপাসনাৰ কেন্দ্ৰস্থল আছিল। তেজপুৰৰ দ' পৰ্বতীয়া, মদন-কামদেৱৰ ভাস্কৰ্য, গোৱালপাৰাৰ সূৰ্য পাহাৰ ভাস্কৰ্য আৰু স্থাপত্যৰ পৰা সূৰ্য উপাসনাৰ আভাস স্পষ্টভাৱে পোৱা যায় ।

অসমৰ সূৰ্য উপাসনা সম্পৰ্কে পণ্ডিতসকলৰ মত- "The Solar cupt and fire worship in Assam come to be divested of their original meaning at a latter stage and were no more associated with Bishnu cult. In some form or order, sun orship may be noticed even to day not only in the harvesting rites of the tribes but also among the people of the plains, particularly in their national festivel Bihu, associated both with fire cult and harvesting rites.

বৰ্ণহিন্দুৰ বিবাহ অনুষ্ঠানত ধৰমৰ টেকেলিৰ পানীৰে দৰা-কইনাক গা ধুওৱা পৰম্পৰা আছে। এই ধৰম বা ধৰ্ম হৈছে সূৰ্য দেৱতা। শুধ বস্ত্ৰৰে সুসজ্জিত এই ঘট লৈ মূৰ দোঁৱাই দৰা-কইনাই সেৱা কৰে। এই ঘটৰ পানী বৰুণ দেৱতাৰ আশীৰ্বাদ বুলি বিশ্বাস কৰা হয়। বৰুণ দেৱতা উৰ্বৰতাৰ প্ৰতীক ।

অসমৰ বড়ো জনগোষ্ঠীৰ ব্ৰহ্মধৰ্মীসকলৰ বিশ্বাস মতে সূৰ্য-চন্দ্ৰৰ পৃথিৱীৰ সৈতে সম্পৰ্ক আছে। ব্ৰহ্মধৰ্মৰ দৰ্শন মতে আকাশত সূৰ্য আছে বাবেই পৃথিৱীও দিন ৰাতি হোৱাটো বিধি, দেহত চেতন সত্তা আছে বাবেই মৃত্যু হোৱাটো বিধি, তেনেদৰে ব্ৰহ্মাণ্ড মণ্ডলত কোনো এক সৰ্বশক্তিমান সৰ্বকাৰণিভূত বিধায়ক আছে; যাৰ বাবে এই বিশ্বব্ৰহ্মাণ্ডত সৃষ্টি স্থিতি প্ৰলয় কাৰ্য অনন্ত





গতিত চলি আছে। বড়ো সমাজত ব্ৰহ্মধৰ্মীসকলে সূৰ্যৰ সৈতে পৃথিৱীৰ সম্পৰ্ক আছে বাবেই পূৰ্ণিমা, অমাৱস্যাৰ সন্ধিয়া বা দিনত যজ্ঞ কৰে। বিহাৰী সম্প্ৰদায়ৰ ষট্ পূজা সূৰ্য পূজাৰেই নামান্তৰ । এই পূজা কাতি মাহৰ শুক্লা ষষ্ঠী তিথিত পালন কৰা হয়। এই পূজাত বিভিন্ন ফলমূল, ধূপ-দীপ-চন্দনেৰে নৈবেদ্য আগবঢ়োৱা হয় সূৰ্য দেৱতালৈ। সাধাৰণতে সন্ধিয়া কোনো নদী বা জলাশয়ৰ পাৰত এই পূজা অনুষ্ঠিত কৰা হয়। পিছদিনা পুৱা সূৰ্যোদয়ৰ পিছতহে ভক্তসকলে আহাৰ গ্ৰহণ কৰে। এই পূজাৰ মূল সূৰ্য উপাসনা ।

ইছলাম ধৰ্মীয় লোক বিশ্বাসমতে ৰমজান মাহৰ বহু বিশ্বাস সূৰ্য-চন্দ্ৰৰ সৈতে জড়িত হৈ আছে। সূৰ্যোদয়ৰ সময়খিনিৰে পৰা ইছলামধৰ্মী লোকে উপবাসে থাকি ব্ৰত পালন কৰা উদ্দেশ্যও সূৰ্যৰ প্ৰতি থকা আস্থা আৰু বিশ্বাস। তেওঁলোকৰ বিশ্বাস যে পৃথিৱীত সূৰ্য-চন্দ্ৰ আছে বাবেই এই পৃথিৱী চলি আছে। পোহৰ আছে বাবেই সৃষ্টি অনন্ত গতিত চলি আছে। সেই বাবে চন্দ্ৰৰ পৃথিৱীত উপস্থিতিৰ জৰিয়তে এই পৱিত্ৰ ৰমজানৰ মাহৰ সামৰণি মৰা হয়।

জনবিশ্বাস যে পৃথিৱীৰ শেষ অৱস্থাত সূৰ্য প্ৰাকৃতিকভাৱে পৃথিৱীৰ পৰা নোহোৱা হৈ যাব। কাৰণ সূৰ্যাস্তই পৃথিৱীত আন্ধাৰ নমায়, সেই আন্ধাৰে পৃথিৱীক শেষ কৰি পেলাব পাৰে। এক কথাত সূৰ্যৰ পোহৰে পৃথিৱীত নতুনৰ সৃষ্টি কৰে ।

সূৰ্য ব্ৰহ্মাস্বৰূপ। সূৰ্যক ইন্দ্ৰ, আদিত্য, সৌৰদেৱতা, বৰুণ, বিষ্ণু, অগ্নি বুলি কোৱা হয়। সেয়ে বহু ক্ষেত্ৰত সূৰ্য উপাসনা আৰু অগ্নি উপাসনাক এক কৰা হৈছে। সূৰ্যক প্ৰাণীৰ একমাত্ৰ নেত্ৰ বুলি কোৱা হয় ।

সূৰ্য নমস্কাৰ, সূৰ্যগ্ৰহণ আৰু সূৰ্যগ্ৰহণৰ বিভিন্ন বিশ্বাস লোক সমাজত প্ৰচলিত আহিছে। সূৰ্যগ্ৰহণে পৃথিৱীত তথা পৃথিৱীৰ জীৱ-জন্তুৰ ওপৰত বেয়া প্ৰভাৱ পেলোৱা, মানুহে সূৰ্যগ্ৰহণৰ সময়ছোৱাত খাদ্য গ্ৰহণ নকৰা, খালী চকুৰে সূৰ্যগ্ৰহণ নোচোৱা আদি অনেক বিশ্বাস আৰু কৰ্মই সূৰ্যৰ প্ৰতিথকা শ্ৰদ্ধা আৰু ভক্তিৰ কথাকে কয়। পৃথিৱীৰ বিভিন্ন সমাজত, বিভিন্ন অঞ্চলত সূৰ্য উপাসনা পৰম্পৰাগতভাৱে চলি আহিছে তাত সন্দেহ নাই। পৃথিৱীত সূৰ্য, চন্দ্ৰ, গ্ৰহ, নক্ষত্ৰ থকালৈকে সূৰ্য উপাসনা প্ৰক্ৰিয়া চলি থাকিব।

## কৌতুক

(১)

গ্ৰাহক ঃ দোকানী কল কেনেকৈ দিছে?

দোকানী ঃ হালি ল'লে দহ টকা বাইদেউ।

গ্ৰাহক ঃ যদি হালি ল'লে দহ টকা তেনেহ'লে থিয় হৈ ল'লে কিমান?

(২)

গ্ৰাহক ঃ ছাতি ভালনে দাদা?

দোকানী ঃ হয়, ভাল বাইদেউ।

গ্ৰাহক ঃ পিছে কিমান দিন যাব?

দোকানী ঃ ৰ'দ আৰু বৰষুণৰ পৰা বচাই ৰাখিলে গোটেই জীৱন যাব।

সংগ্ৰাহক— আছাদ আলী

# ছাত্ৰ শিক্ষকৰ সম্পৰ্ক ঐতিহ্য আৰু বিৱৰ্তন

**মোস্তাফিজুৰ ৰহমান**
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ
নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

সূৰ্য্যৰ পোহৰে গোটেই পৃথিৱীখনক আলোকিত কৰি পৃথিৱীৰ বৈচিত্ৰ্যৰূপ আমাৰ সন্মুখত দৃশ্যমান কৰি তোলে। ঠিক তেনেদৰে শিক্ষাৰ পৰা আৰ্জিত জ্ঞানে আমাৰ সকলোৰে মন আৰু জীৱনক আলোকিত কৰে। জন্মৰ পিছত এজন শিশুৰ প্ৰথম পাঠ আৰম্ভ হয় তাৰ পৰিয়ালত। কিন্তু তাৰ পিছতেই শিশুটোৰ শিক্ষাদানৰ মহান দায়িত্ব অৰ্পিত হয় শিক্ষকৰ ওপৰত। শিক্ষকে তাৰ অৰ্জিত শিক্ষা, জ্ঞান আৰু অভিজ্ঞতাৰ সহায়ত শিশুক গঢ়ি তোলাৰ প্ৰয়াস কৰে। শিক্ষকে নিজৰ সমগ্ৰ জ্ঞান শিক্ষাৰ্থীসকলৰ মাজত বিলাই দিয়ে। এনে শিক্ষাদান আৰু গ্ৰহণৰ মাজেদিয়েই শিক্ষক আৰু ছাত্ৰৰ মাজত গঢ়ি উঠে এক মধুৰ সম্পৰ্কত অটুট বান্ধোন আৰু যি সম্পৰ্কৰ সন্মুখত আমি সকলোৰে শ্ৰদ্ধা আৰু ভালপোৱাৰে সদায় মূৰ নত কৰোঁ।

শিক্ষক সকল হৈছে জাতি গঠন কৰাৰ কাৰিকৰ। শিক্ষকে দেখুৱাই দিয়া পথক অনুসৰণ কৰি শিক্ষাৰ্থীসকলে নিজকে গঢ়ি তোলে। শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কটোও পৰিয়ালৰ সম্পৰ্কৰ দৰেই গুৰুত্বপূৰ্ণ। এই সম্পৰ্কৰ পিছত ভালপোৱা, শ্ৰদ্ধা, স্নেহ, শাসন আদিয়ে ক্ৰিয়া কৰে। শিক্ষক ছাত্ৰৰ সম্পৰ্ক সম্বন্ধে মাৰ্কিন দাৰ্শনিক জন ডিউইয়ে কৈছিল যে, "এজন শিক্ষক হৈছে চালক বা পথ প্ৰদৰ্শক।" তেওঁ গাড়ী চলাই যাব আৰু সেই গাড়ীৰ চালিকা শক্তিৰ উৎস হ'ল ছাত্ৰসকল।" সেয়েহে শিক্ষক আৰু ছাত্ৰৰ মাজত নিবিড়, বন্ধুত্বপূৰ্ণ আৰু সুস্থ সম্পৰ্ক অবিহনে আমাৰ শিক্ষা ব্যৱস্থাত উল্লেখনীয় পৰিৱৰ্তন অনাটো সম্ভৱ নহয়।

অসমীয়াত এটি প্ৰবাদ আছে যে, পিতৃ-মাতৃয়ে জন্ম দিয়ে ভূত, শিক্ষকে জন্ম দিয়ে পুত (পুত্ৰ)। অৰ্থাৎ পিতৃ-মাতৃয়ে সন্তান জন্ম দিয়ে ঠিকেই কিন্তু সেই সন্তানক মানুহ হিচাপে গঢ়ি তোলে শিক্ষকেহে।

খুউব আশ্চৰ্য্য মধুৰ এটা সম্পৰ্ক হৈছে ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক। এই সম্পৰ্ক খুবেই সাৱলীল, মধুৰ, স্বতঃফূৰ্ত আৰু গাম্ভীৰ্যপূৰ্ণ। শিক্ষকে প্ৰয়োজনত ছাত্ৰৰ ওপৰত অভিভাৱক সূলভ কঠোৰ শাসন চলায় আকৌ কেতিয়াবা বন্ধুৰ দৰে ভালপায়, পৰামৰ্শ দিয়ে, উৎসাহ যোগায়, সকলো সময়ত ওচৰত থাকে। ছাত্ৰ সকলে শিক্ষক সকলক অভিভাৱকৰ নিচিনা সন্মান কৰে, আদেশ-উপদেশ মানি চলে, শ্ৰদ্ধাৰে স্মৰণ কৰে মুঠতে ছাত্ৰ শিক্ষকৰ সম্পৰ্ক পথ-প্ৰদৰ্শক আৰু পথিকৰ দৰে। শিক্ষকে ভৱিষ্যতৰ পথ দেখুৱাই দিক্-নিদেৰ্শনা দিয়ে আৰু ছাত্ৰই সেই দেখুওৱা পথৰ দিক-নিদেৰ্শনা মানি চলে। উদাৰতা, স্নেহ, সময়, ভালপোৱা আৰু শাসনৰ মাজেদি এজন শিক্ষকে তাৰ ছাত্ৰৰ মাজত সপোনৰ বীজ ৰোপণ কৰে আৰু ছাত্ৰই সেই সপোনক লালন-পালন কৰে। সেয়ে ছাত্ৰ শিক্ষকৰ সম্পৰ্ক স্বপ্নদ্ৰষ্টা আৰু স্বপ্নশ্ৰষ্টাৰ দৰে একে।

শিক্ষক হ'ল মানুহ গঢ়াৰ কাৰিকৰ। সেয়েহে শিক্ষাৰ্থীসকলৰ লগত শিক্ষকৰ সম্পৰ্ক যিমানেই বেছি ভাল, সুন্দৰ আৰু বন্ধুত্বপূৰ্ণ হ'ব শিক্ষকে তেওঁৰ ছাত্ৰক সিমানেই ভাল মানুহ হিচাপে গঢ়ি তুলিব পাৰিব। শিক্ষকৰ সান্নিধ্যত আহি ছাত্ৰই জীৱনক চাবলৈ শিকে। শিক্ষকে ছাত্ৰসকলক দেখিবলৈ চকু আৰু জ্ঞানৰ দুৱাৰ খুলি দি তেওঁলোকক জ্ঞান আৰু পোহৰৰ পথলৈ আগবঢ়াই লৈ যায়। জীৱন সম্পৰ্কে শিক্ষকে যি দৰ্শনৰ চিন্তা ছাত্ৰক দেখুৱাই তাৰ ভিত্তিতেই ছাত্ৰই তেওঁৰ জীৱনৰ ব্ৰত ঠিক কৰে। এজন আদৰ্শ শিক্ষকে বিপথে যোৱা ছাত্ৰকো সঠিক পথলৈ আনি তাৰ জীৱনৰ দিক ঘূৰাই দিব পাৰে।

এজন শিক্ষকৰ ওচৰত তেওঁৰ ছাত্ৰৰ প্ৰত্যাশা হ'ল শিক্ষকে তেওঁক জীৱনোপযোগী আৰু সময়োপযোগী শিক্ষা দিয়া। ছাত্ৰক জ্ঞান অৰ্জনৰ পথ দেখুৱাই দিয়া আৰু পোহৰৰ পথৰ যাত্ৰী সৃষ্টি কৰা। শিক্ষকে তেওঁৰ ছাত্ৰক নজনাক জনাব, নেদেখাক দেখুওৱাব, চিনা শুনা বিষয়বোৰক নতুনকৈ চিনাৰ আকাংখা সৃষ্টি কৰিব লগতে ভৱিষ্যতৰ দিক্-নিৰ্দেশনা প্ৰদান কৰিব। ছাত্ৰক উৎসাহ উদ্দীপনা, প্ৰেৰণা আৰু শক্তি যোগাব। সকলো সময়ত ছাঁটোৰ দৰে মূৰৰ ওপৰত থাকিব। শিক্ষকে তেওঁলোকক ভাল বেয়া উচিত অনুচিত আদি শিকাব। সৰ্বোপৰি শিক্ষকৰ ওচৰত প্ৰত্যাশা হ'ল তেওঁ তেওঁৰ ছাত্ৰক ভাল মানুহ আৰু সুনাগৰিক হিচাপে গঢ়ি তুলিব।

শিক্ষক জ্ঞানদাতা বুলি তেওঁ কেৱল সদায় দিব সেইটো ঠিক নহয়। বৰং ছাত্ৰৰ ওচৰতো তাৰ কিছু প্ৰত্যাশা আছে। ছাত্ৰৰ ওচৰত শিক্ষকৰ সকলোতকৈ ডাঙৰ প্ৰত্যাশা হ'ল ছাত্ৰসকলে শিক্ষকে দান কৰা শিক্ষাৰে প্ৰকৃত শিক্ষিত হ'ব। শিক্ষকে দেখুৱাই দিয়া পথ অনুসৰণ কৰা, শিক্ষকক সন্মান, শ্ৰদ্ধা, ভক্তি প্ৰদৰ্শন কৰা লগতে শিক্ষক হিচাপে তাৰ প্ৰাপ্য মৰ্য্যদা পোৱা। শিক্ষকসকল যিদৰে ছাত্ৰৰ শুভাকাংশী ঠিক তেনেদৰে শিক্ষকেও প্ৰত্যাশা কৰে যে ছাত্ৰ সকলেও তেওঁক ভালপাওঁক আৰু তেওঁৰ প্ৰতি অনুগত থাকক।

মানুহৰ জ্ঞানচৰ্চাৰ আৰম্ভণিৰ পৰাই ছাত্ৰ-শিক্ষকৰ সম্পৰ্কৰ সুচনা হৈছে সেয়ে এই সম্পৰ্ক দীৰ্ঘদিনৰ পুৰণি। অতীতত ছাত্ৰ শিক্ষকৰ সম্পৰ্ক আছিল পৰমাত্মীয়ৰ দৰে। শিষ্যসকলে গুৰু গৃহত থাকি শিক্ষা লাভ কৰিছিল। শিষ্যসকলে গুৰুক পিতৃ হিচাপে জ্ঞান কৰিছিল আৰু গুৰুৱেও শিষ্যসকলক পুত্ৰসম জ্ঞান কৰিছিল মুঠতে ছাত্ৰ শিক্ষকৰ সম্পৰ্ক আছিল পিতা-পুত্ৰৰ নিচিনা। গুৰুৰ প্ৰতি শিষ্যৰ ভক্তি শ্ৰদ্ধা আছিল অপৰিসীম। গুৰুৰ দৰে পৰামৰ্শ দিয়া বাবে শিক্ষক আছিল ছাত্ৰৰ বন্ধু, ন্যায়-অন্যায়ৰ নিৰ্দেশ দি ছাত্ৰক নৈতিক, মূল্যবোধৰ জ্ঞান দিয়া বাবে শিক্ষক আছিল ছাত্ৰৰ বাবে দাৰ্শনিক আৰু ছাত্ৰৰ ভৱিষ্যত জীৱনৰ সকলো ক্ষেত্ৰতে নিৰ্দেশনা প্ৰদান কৰাৰ বাবে শিক্ষকে আছিল ছাত্ৰৰ বাবে পথ প্ৰদৰ্শক। মুঠতে অতীতত শিক্ষক আছিল ছাত্ৰৰ বাবে friend, philosopher and guide

অতীতত ছাত্ৰ শিক্ষকৰ সম্পৰ্ক আছিল অকৃত্ৰিম। ছাত্ৰসকলে শিক্ষকসকলক দেৱতাৰ দৰে শ্ৰদ্ধা, ভক্তি কৰিছিল। ছাত্ৰ শিক্ষকৰ অটুট বন্ধনৰ উদাহৰণ মহাভাৰতত পোৱা যায়। পঞ্চপাণ্ডৱে সিহঁতৰ গুৰু অৰ্থাৎ শিক্ষকক ইমানেই শ্ৰদ্ধা কৰিছিল যে শত্ৰুপক্ষত থকা সত্বেও যুদ্ধ ক্ষেত্ৰত অস্ত্ৰ ত্যাগ কৰি গুৰুক শ্ৰদ্ধা জ্ঞাপন কৰিছিল আনকি গুৰুৱেও সিহঁতক বিজয়ী হোৱাৰ আশীৰ্বাদ দিছিল। দ্বিগবিজয়ী আলেকজেণ্ডাৰৰ শিক্ষক আছিল দাৰ্শনিক এৰিষ্টট'ল আৰু দুয়োৰে মাজৰ সম্পৰ্ক খুউব দৃঢ় আছিল। সেয়ে আলেকজেণ্ডাৰে তেওঁৰ শিক্ষকক হৃদয়ৰ পৰা সৰ্বোচ্চ শ্ৰদ্ধা কৰিছিল। এৰিষ্টট'লেও আলেকজেণ্ডাৰক বহুত ভাল পাইছিল।

শিক্ষক ছাত্ৰৰ অতীতৰ সু-সম্পৰ্কৰ দিনসমূহ এতিয়া বিচাৰি পোৱা নাযায়। আধুনিক শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন সাধিত হৈছে। অতীতত অৰ্থৰ বিনিময়ত বিদ্যা বিতৰণ কৰা হ'লেও সেই সময়ত অৰ্থ প্ৰধান বিবেচ্য বিষয় নাছিল। শিক্ষকে নিজকে নিঃশেষ কৰি হ'লেও জ্ঞান বিতৰণ কৰিছিল। কিন্তু সাম্প্ৰতিক সময়ত এই পৰিস্থিতিৰ আমূল পৰিৱৰ্তন হৈছে। বৰ্তমান শিক্ষক ছাত্ৰৰ সম্পৰ্ক নিত্যান্তই এক আনুষ্ঠানিকতাত পৰিণত হৈছে। প্ৰতিষ্ঠানিক শিক্ষাই শিক্ষকৰ কৰ্তব্যবোধক সংকুচিত কৰিছে আৰু ছাত্ৰৰ অবাধ কৌতুহলক ক্ৰমে সীমিত কৰিছে। বৰ্তমান টকাৰ বিনিময়ত বিদ্যা কিনা হয়। টকা বা অৰ্থ লাভৰ তাড়নাত বহু শিক্ষকে ছাত্ৰৰ ঘৰত দৌৰি যায় লগতে অৰ্থ বা টকা বিদ্যা দানৰ উপায় হিচাপে গণ্য হৈছে। বৰ্তমান শিক্ষা প্ৰতিষ্ঠান ব্যৱসায় প্ৰতিষ্ঠানৰ ৰূপ লৈছে। নামি দামী বিদ্যালয় সমূহত বৃহৎ পৰিমাণৰ অনুদান বা মাচুল দি ছাত্ৰক নামভৰ্ত্তি কৰিব লাগে। ব্যক্তিগত শিক্ষানুষ্ঠান আৰু কোচিং চেন্টাৰৰ নামত ছাত্ৰক স্বল্প লিখা-পঢ়াত শিক্ষক সমাজে পাছ কৰাৰ নিশ্চয়তা প্ৰদান কৰে। ফলত শিক্ষক আৰু ছাত্ৰৰ মাজৰ সহজ স্বাভাৱিক পৱিত্ৰ সম্পৰ্ক বিনষ্ট হৈ আছে। শিক্ষক ছাত্ৰৰ মধুৰ সম্পৰ্কৰ মাজত টকাৰ সম্পৰ্ক আহি দুয়োজনকে দূৰলৈ ঠেলি দিছে। এতিয়া ছাত্ৰৰ মুখ চিনি ৰখাৰ প্ৰয়োজন নাই শিক্ষকেও শ্ৰদ্ধা পোৱাৰ আশা বিসৰ্জন দিছে ফলত বৰ্তমান সময়ত ছাত্ৰ শিক্ষকৰ সম্পৰ্কৰ কৰুণ পৰিণতি ঘটিছে। সাম্প্ৰতিক সময়ত শিক্ষা ব্যৱস্থাত যি অনাচাৰৰ প্ৰৱেশ ঘটিছে তাৰ ফলত সম্পৰ্ক আৰু অধিক তিক্ত হৈ পৰিছে।

অন্যায় অত্যাচাৰ আৰু উশৃংখলতাৰ তৎপৰতাত আজি কালি শিক্ষানুষ্ঠান মুখৰিত তাত সুন্দৰ সম্পৰ্ক বজাই ৰখাৰ অৱকাশ নাই। আমাৰ ৰাজ্যৰ বেছিভাগ শিক্ষকৰ লগত ছাত্ৰৰ সম্পৰ্ক ভাল নহয়। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি বেছি সংখ্যক শিক্ষকেই শ্ৰেণীত বিৰক্তিদায়ক আচৰণ কৰে, ছাত্ৰৰ মনৰ অৱস্থাৰ বুজ নোলৈ শিক্ষাদান কৰে, ফলত শিক্ষক সম্পৰ্কে ছাত্ৰৰ মনত এক বিৰূপ ধাৰণা সৃষ্টি হয়। কিছু সংখ্যক শিক্ষকে সঠিকভাৱে ক্লাচ নকৰি টিউচনৰ ওপৰত জোৰ দিয়ে, টিউচন নকৰিলে পৰীক্ষাত কমকৈ নম্বৰ দিয়া ইত্যাদি মানসিক অত্যাচাৰ কৰা দেখা যায় ফলত শিক্ষক ছাত্ৰৰ সম্পৰ্ক বিনষ্ট হয়।



নৰজ্যোতি, ২০২১-২২ বৰ্ষ ঃঃ সংখ্যা- ৩৩

বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ কিছুসংখ্যক শিক্ষকে বিভিন্ন ৰাজনৈতিক দল, সংস্থা, সংগঠন আদিৰ পদ পদবী দখল কৰি ক্ষমতাৰ কেন্দ্ৰবিন্দুত থকাটো এক শ্ৰেণীৰ শিক্ষকৰ ধ্যান-জ্ঞান হৈ পৰিছে। অথচ শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষক হিচাপে ছাত্ৰক জ্ঞান দানৰ উপৰিও গৱেষণা কাৰ্য্যৰ সহায়ত নিত্য নতুন জ্ঞান সৃষ্টিৰ মহৎ কামত নিজকে নিয়োজিত থকা উচিত আছিল। এনে কাৰণতে সমাজৰ সৰ্বস্তৰৰ শিক্ষকসকলৰ সন্মান ও ভাৱমূৰ্তি দিনক দিনে বিনষ্ট হ'বলৈ ধৰিছে।

ছাত্ৰ শিক্ষকৰ সম্পৰ্কত যি চৰম অৱনতি ঘটিছে তাৰ অন্যতম প্ৰধান কাৰণ হ'ল মানুহৰ সামাজিক মূল্যবোধৰ অৱক্ষয় হোৱা। এজন শিক্ষকে তেওঁৰ মূল্যবোধক পাহৰি নীতি নৈতিকতাক বিসৰ্জন দি ছাত্ৰক কেৱলমাত্ৰ অৰ্থ উপাৰ্জনৰ বাবে ব্যৱহাৰ কৰিছে। ছাত্ৰসকলক জিম্মাত ৰাখি তেওঁলোকৰ পৰা অধিক সুবিধা আদায়ৰ চেষ্টা কৰি আছে। আনকি ছাত্ৰ সকলে তেওঁলোকৰ পাশৱিকতাৰ স্বীকাৰ হৈ আছে। যাক মানুহ গঢ়াৰ কাৰিকৰ বুলি কোৱা হয় তেওঁৱেই নীতি আদৰ্শ পাহৰি ছাত্ৰসকলক ডিগ্ৰী লাভৰ চমু উপায় বাহিৰ কৰি দি আছে। সাম্প্ৰতিক সময়ত ছাত্ৰ শিক্ষকৰ মাজত নীতি-নৈতিকতা ও মূল্যবোধৰ চৰ্চাৰ অভাৱ হৈছে। অভিভাৱক সকলেও সচেতন নহয় ফলত ছাত্ৰসকলে বিনা পৰিশ্ৰমত সৰ্বোচ্চ ফলাফলৰ বাবে শিক্ষকৰ লগত বুজাবুজি কৰিছে। শিক্ষক ছাত্ৰৰ লেন-দেনৰ সম্পৰ্কৰ কাৰণে প্ৰশ্ন ফাদিলৰ দৰে অপৰাধ সংঘটিত হৈ আছে।

বিখ্যাত গ্ৰীক দাৰ্শনিক চক্ৰেটিছে কৈছিল যে, "মই জানো যে, মই একো নাজানো। যেতিয়া এজন মানুহে নিজকে পৰিপূৰ্ণ বুলি ভাৱে তেতিয়া তাৰ মাজত জ্ঞান আহৰণৰ স্পৃহা হ্ৰাস পায়। যদি কাৰোবাৰ মাজত এই বোধটোৱে ক্ৰিয়া কৰে যে, মই বহুত জানো, মই সকলো জানো তেতিয়াই তাৰ মাজত জন্ম লয় অহংকাৰবোধ আৰু এই অহংকাৰবোধে ইগো (অহম) ৰ জন্ম দিয়ে ফলত মানুহ জনৰ জ্ঞান সীমাবদ্ধ কৰি দিয়ে। এই বহুত জানো প্ৰৱণতাটো সম-সাময়িক শিক্ষক সকলৰ মাজত খুউব বেছি দেখা যায় যাৰ ফলতো ছাত্ৰ শিক্ষকৰ মাজত সম্পৰ্ক বিনষ্ট হৈছে।

প্ৰকৃতপক্ষে বিভিন্ন কাৰণত শিক্ষাৰ মান এফালে যিদৰে কাংখিত লক্ষ্যত উপনীত হ'ব পৰা নাই ঠিক তেনেদৰে শিক্ষক শিক্ষাৰ্থীৰ সম্পৰ্ক দিনে দিনে বিনষ্ট হৈ আছে। প্ৰধানতঃ শিক্ষাৰ বাণিজ্যিকীকৰণ, শিক্ষা প্ৰতিষ্ঠানত ৰাজনীতিৰ অনুপ্ৰৱেশ, শিক্ষা প্ৰদান আৰু গ্ৰহণত আন্তৰিকতাৰ অভাৱ, শিক্ষক আৰু শিক্ষাৰ্থীৰ নৈতিক স্খলন সমন্বিতে ইত্যাদি বিভিন্ন কাৰণত শিক্ষক শিক্ষাৰ্থীৰ সম্পৰ্কত প্ৰতিনিয়ত অৱনতি ঘটিছে।

এজন শিক্ষক তেতিয়াই সফল হ'ব যেতিয়া তেওঁ নিজ শিক্ষাৰে তেওঁৰ ছাত্ৰক শিক্ষিত কৰিব পাৰিব আৰু এজন ছাত্ৰও তেতিয়াও সফল হ'ব যেতিয়া সি সেই শিক্ষাক আত্মস্থ আৰু উপলব্ধি কৰিব পাৰিব ইয়াৰ বাবে প্ৰয়োজন শিক্ষক-ছাত্ৰৰ এক সু-সম্পৰ্ক। কিন্তু বৰ্তমান এই সম্পৰ্ক একেবাৰে বিৰল। সেয়ে এনে সম্পৰ্কৰ উন্নতিৰ বাবে কৰণীয় হ'ল-

১। শিক্ষক ও শিক্ষাৰ্থীৰ অৱশ্যই পৰস্পৰৰ ওপৰত অৰ্পিত দায়িত্ব আৰু কৰ্তব্যসমূহ পালন কৰিব লাগিব।
২। পৰস্পৰৰ ওপৰত যিসমূহ প্ৰত্যাশা আছে সেইবোৰ পূৰণ কৰিব লাগিব।
৩। কোনো পৰিস্থিতিতেই কোনেও কাৰো প্ৰতি অসৎ আচৰণ কৰিব নালাগে। ছাত্ৰ সকলে শিক্ষকৰ প্ৰতি সদায় শ্ৰদ্ধাশীল হ'ব লাগে আৰু শিক্ষক সকলে ছাত্ৰৰ প্ৰতি স্নেহশীল হ'ব লাগে।
৪। শিক্ষক সকলৰ আৰ্থিক অৱস্থাৰ উন্নয়ন ঘটাব লাগে। সিহঁতৰ বেতন ভাট্টা তথা অন্যান্য সুবিধা বৃদ্ধি কৰিব লাগে যাতে সিহঁতে স্বচ্ছল জীৱন যাপন কৰিব পাৰে।
৫। শিক্ষকৰ দ্বাৰা শিক্ষাৰ্থীসকল বেছি প্ৰভাৱিত হয় সেয়ে শিক্ষক সকলে নিজৰ গুণাৱলীসমূহ ছাত্ৰৰ মাজত বিলাই দিয়া উচিত।
৬। শিক্ষকতাক কেৱলমাত্ৰ এক মহান বৃত্তি হিচাপে স্বীকৃতি দিলেই নহ'ব বৰং তাক সামাজিকভাৱে প্ৰতিষ্ঠিত কৰিব লাগিব।
৭। অভিভাৱক সকলে নিজৰ সন্তানৰ নৈতিক আৰু মূল্যবোধৰ শিক্ষা দিয়া উচিত যাতে সিহঁতে শিক্ষকক সন্মান কৰে।
৮। সৰ্বোপৰি শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰিবলৈ সকলোৱে একেলগে কাম কৰা উচিত।

এজন আদৰ্শ ভাল শিক্ষকে এজন ছাত্ৰৰ জীৱনত আমুল পৰিৱৰ্তন আৰু তেওঁক নৱজন্ম দিব পাৰে লগতে সম্ভাৱনা আৰু সাফল্যৰ দুৱাৰলৈ আগুৱাই দিব পাৰে। সেয়ে শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কৰ ভেটি মজবুত ও দৃঢ় হোৱাটো অত্যন্তই প্ৰয়োজনীয়। মৰম ভালপোৱা আৰু শ্ৰদ্ধা সন্মানেৰে ৰচিত হোৱা সম্পৰ্কটো যাতে সৰ্বদাই অটুট থাকে তাৰ বাবে শিক্ষক ছাত্ৰৰ পৱিত্ৰ সম্পৰ্কটো অক্ষুণ্ণ ৰখাটো সকলোৰেই নৈতিক দায়িত্ব তথা কৰ্তব্য।





# শৈশৱ, কৈশোৰ, যৌৱন আৰু নোমোফ'বিয়া

**শামচুল আলম,**
সহকাৰী অধ্যাপক, প্ৰাণী বিদ্যা বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

শৈশৱকাল বুলি সাধাৰণতে জন্মৰ পিছৰ পৰা বয়ঃসন্ধি কাললৈ বুজায়। বিশ্বৰ বিভিন্ন দেশত শৈশৱকালৰ এটা সময়সীমা বন্ধা থাকে, যাক অতিক্ৰম কৰিলেই পূৰ্ণ বয়স্ক বুলি বিবেচিত হয়। ভিন ভিন দেশত এই সময় সীমা ১০-১৪ বছৰত শেষ হয়। ১০-১১ বছৰৰ পৰা ১৮-১৯ বছৰ বয়সলৈ কৈশোৰ কাল ধৰা হয়। ১৮- ১৯ বছৰত যৌৱন আৰম্ভ হয়। ব্যস্ত জীৱনত এপলক শৈশৱৰ ধেমালি ভৰা দিনবোৰৰ দুষ্টামি আৰু সহজ-সৰল চিন্তা-কল্পনাৰ কথা ভাৱিলে মুখমণ্ডল উজলি উঠে আৰু নিজক সুখী, নিৰাপদ যেন অনুভৱ হয়। পিছ মুহূৰ্ততেই মনলৈ আহে সেই আমেজভৰা দিন, সেই পৰিস্থিতি আজি আৰু নাই। মনটো সেমেকি উঠে। শৈশৱৰ দিনবোৰ উজ্জ্বল, সোনোৱালী, নিকা আৰু স্পষ্ট। ককা-আইতা, মা-দেউতা, ভাই-ভনী, পৰিয়ালবৰ্গৰ নিৰ্ভেজাল মৰম আৰু তত্ত্বাৱধানত থাকি নিজকে পৰম সুখী, শক্তিশালী অনুভৱ হয়।

কৈশোৰ কালত সমনীয়া, সহপাঠী, লগৰীয়া, এইসকলৰ লগত খেল-ধেমালিত পাৰ হোৱা দিনবোৰ কি যে মধুৰ যাক ভাষাৰে বৰ্ণাব নোৱাৰি। কৈশোৰ কাল আহিলে শাৰীৰিক, মানসিক পৰিৱৰ্তনৰ লগে লগে চিন্তা-ধাৰাৰো পৰিৱৰ্তন সাধিত হয়। মা-দেউতাৰ উপৰিও সহপাঠীৰ লগত খেলা-ধূলা, কথা-বতৰা আদিত পাৰ কৰি আনন্দ পায়। যৌৱনৰ আগমনত মানসিক পৰিৱৰ্তন, আবেগ আৰু ভাৱ-প্ৰৱণ হ'বলৈ ধৰে। অলীক কল্পনা সমুদ্ৰত বুৰ গৈ অনেক সময়ত ভুল সিদ্ধান্ত গ্ৰহণ কৰে। এইদৰে স্বাভাৱিকতে প্ৰতিজন শিশু যৌৱনত ভৰি দিয়ে। কিন্তু সাম্প্ৰতিক যুগত আমি আমাৰ সন্তানবোৰক সিহঁতৰ শৈশৱ, কৈশোৰ বা যৌৱনৰ দিনবোৰ ৰঙীন, অৰ্থপূৰ্ণ, সজীৱ কৰাত কিমাননো সহায় কৰিব পাৰিছোঁ? থুনুক থানাক মাত ফুটি জগতখনক বুজি উঠিবলৈ ধৰাৰে পৰাই এক প্ৰকাৰ প্ৰতিযোগিতাত নমাই দিয়াৰ দৰে- বুঢ়ী আইৰ সাধু, জোনবাইৰ দেশৰ সাধু, আলিফ লাইলাৰ কাহিনী শুনাই আপ্লুত কৰাৰ সলনি দেশবোৰৰ নাম আৰু তাৰ ৰাজধানী মুখস্থ কৰাবলৈ ধৰো। জোনাক ৰাতি চোতালত পাটি পাৰি, বাগৰ দি বা বহি আকাশ, তৰা, জোনবাইক দেখুৱাৰ সলনি পঢ়া কোঠালিত বহুৱাই গণিতৰ কিতাপ মুখস্থ কৰাত লগাই দিও। অইন শিশুৰ লগত তুলনা কৰি নিজৰ সন্তানৰ মেধাৰ বিষয়ে যাতে সামাজিক মাধ্যমত পোষ্ট কৰি গৌৰৱ অনুভৱ কৰিব পাৰো। শিশুৱে শৈশৱৰ আমেজ উপভোগতকৈ আমি ডাঙৰ ডাঙৰ মোবাইল ফোনত সিহঁতৰ প্ৰাপ্ত নম্বৰৰ তালিকা পোষ্ট কৰাৰ প্ৰতিযোগিতাতহে ব্যস্ত। প্ৰকৃতিৰ এই বিনন্দীয়া পৃথিৱীখন উপভোগ কৰিবলৈ কোনো বৈদ্যুতিন সঁজুলিৰ প্ৰয়োজন নাই। ইয়াৰ বাবে প্ৰয়োজন আছে যদি সেয়া হ'ল সময়, সমলৰহে প্ৰয়োজন।

আজিৰ সময়ত প্ৰায়বোৰ পৰিয়ালেই নিঃসঙ্গ। স্বামী-স্ত্ৰী উভয়ে হয়তো নিজৰ কৰ্মসূত্ৰে মূল পৰিয়াল ত্যাগ কৰি অকলসৰীয়া জীৱন-যাপন কৰিবলৈ বাধ্য হয়। ফলত পিতৃ-মাতৃয়ে শিশুটিক সময় দিব নোৱাৰা হয়। যাৰ বাবে শিশুয়ে নিজেই কষ্ট কৰি নিজক চম্ভালিব লগীয়া হয়। শৈশৱৰ সুখ উপভোগৰ পৰা বঞ্চিত হয় বেচেৰা শিশুবোৰ।

গতিকে, ব্যস্ত জীৱনত সামান্য সময় উলয়াই, মোবাইলৰ স্ক্ৰীণৰ পৰা নিজকে ক্ষন্তেক সময়ৰ বাবে আঁতৰাই প্ৰকৃতিৰ লগত

শিশুৰ সৈতে মিলিব পাৰিলে শিশুবোৰৰ ওপৰত যথেষ্ট ধনাত্মক প্ৰভাৱ পৰিব। লক্ষণীয় হ'ল আমি নিজৰ ব্যস্ততাতকৈও বেছি সময় মুখপুথি (facebook), হোৱাটচএপ, ইন্সটাগ্ৰাম আদিত বিভিন্ন পোষ্ট, ছবি, ভিডিও আদি এটাৰ পিছত এটাকৈ চাই চাই সময় পাৰ কৰো। ই হ'ল এক প্ৰকাৰ ব্যাধি যাক নোমোফ'বিয়া বোলা হয় (No Mobile Phone Phobia-এনে এক শাৰীৰিক, মানসিক অৱস্থা যি অৱস্থাত ব্যক্তিজন মোবাইল-ফোন বা সংযোগী অৱস্থাৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ অহেতুক ভিত্তিত ভোগে)। ঘৰখনৰ বয়োজ্যেষ্ঠসকলৰ মোবাইলৰ আসক্তি দেখি শিশুবোৰেও আকৰ্ষিত হয়। মোবাইল হাতত লৈ ইটো সিটো কৰিবলৈ ধৰে। লিখিবলৈ শিকাৰ আগতে বা কলমৰ ব্যৱহাৰ নজনা শিশুৰ হাতত কলম দিলে সি কাগজত ভাল কিবা লিখিব বুলি যিদৰে আশা কৰিব নোৱাৰি, সি নিশ্চয় অনৰ্থক আঁক-বাকহে কৰিব। নিশ্চয় কিবা দুৰ্বোধ্য সৃষ্টি কৰিব যাৰ ফলাফল উপকাৰী হ'বই নোৱাৰে। সেইদৰে মোবাইল ফোনৰ সঠিক ব্যৱহাৰ নজনা শিশুটিয়ে হাতত মোবাইল পালে ইয়াৰ ভ্ৰান্ত ব্যৱহাৰেই কৰিব ।

বহুতো অভিভাৱকে সহজলভ্য পন্থা হিচাপে শিশুৰ হাতত মোবাইল ফোনটোকে দি দায়িত্ব সাৰে। ফলস্বৰূপে শিশুসকলৰ স্বভাৱ খিংখিঙিয়া, অলপতে খং উঠা, কোনো কামত মনোযোগ দিব নোৱাৰা, অবুজ স্বভাৱ, ত্যাগ কৰাৰ মানসিকতা গঢ় নোলোৱা, জেদী হোৱা, মুঠেই সামাজিক হ'বলৈ নিবিচৰা আদি অৱস্থাই দেখা দিয়ে। নিজৰ বয়সে ঢুকি নোপোৱা নানা প্ৰকাৰৰ অপ্ৰয়োজনীয় বিষয়বোৰ মগজুত সোমাই মনটো কলুষিত কৰি পেলায়। এনে ল'ৰা-ছোৱালী ভৱিষ্যতে পঢ়া-শুনাত দুৰ্বল হয়।

বিশ্বজুৰি গুৰুতৰভাৱে নোমোফ'বিয়াত আক্ৰান্ত লোক হ'ল ২০.৮১%, মধ্যমীয়া আক্ৰান্ত লোক ৭০.৭৬%। সমাজৰ সকলো স্তৰৰ লোকৰ মাজত এই ব্যাধি সিপাই গৈছে। সামাজিক মাধ্যমৰ বিভিন্ন উৎসৰ জৰিয়তে মোবাইল ফোনে সকলো স্তৰৰ মানুহক ইমান বেয়াকৈ গ্ৰাস কৰিছে যে, ইয়াৰ অবিহনে জীৱন-কল্পনা বহিৰ্ভূত। ইয়াৰ ব্যৱহাৰে নৱ-প্ৰজন্মৰ প্ৰতি সতৰ্কধ্বনিৰে সৈতে অশনি সংকেত কঢ়িয়াই আছে। স্মাৰ্ট ডিভাইচ নিৰ্মাতাৰ শীৰ্ষ প্ৰতিষ্ঠান অ'প্পোয়ে বজাৰ পৰ্যবেক্ষণ সংস্থাৰ দ্বাৰা চলোৱা সমীক্ষাত প্ৰকাশ কৰা মতে- স্মাৰ্ট ডিভাইচ ব্যৱহাৰকাৰী ভাৰতীয় লোকৰ ৭৫% ই নোমোফ'বিয়াত আক্ৰান্ত।

সময়ৰ ইমানো নাটনি হোৱা নাই যে গধূলি চাহকাপত সোঁহা মাৰোঁতেও আনখন হাতত মোবাইল ফোনটো নোহোৱাকৈ নোৱাৰিম, ইমানো ব্যস্ততা আহি পৰা নাই যে ফোনটো এৰি লগৰজনৰ সৈতে কথা পাতি পাতি খাবলৈ নোৱাৰিম। পাঁচজন বন্ধু একেলগে আহি চাহৰ দোকানত বহিল যদিও আচৰিত নিস্তব্দতা, কিয়নো প্ৰত্যেকৰে হাতত মোবাইলটো আছে, তাৰ মাধ্যমত হয়তো বহুযোজন দূৰৈৰ কোনোবাৰ লগত চলিছে বাৰ্তালাপ। ইমানো সময়ৰ অভাৱ হোৱা নাই যে কণমানিটোৱে থৰক-বৰক খোজেৰে খেলিবলৈ ধৰা সময়ত এখন্তেক সময় দিবয়ে নোৱাৰিম। ইমানো সময়ৰ অভাৱ হোৱা নাই যে, ৰাতি শোৱাৰ সময়ত সৃষ্টিকৰ্তাক সুঁৱৰি আপোনজনৰ লগত দুটামান কথা পাতি টোপনি যাবলৈ আহৰি নাই। আচলতে আমাৰ মাজত ড্ৰাগছৰ আসক্তিৰ নিচিনাকৈ নোমোফ'বিয়াই আমাক ধ্বংসৰ গৰাহলৈ টানি লৈ গৈ আছে। আজিৰ প্ৰজন্মৰ মাজত কিতাপ পঢ়াৰ অভ্যাস অতিকৈ কমি গৈছে। ফে'চবুক, মেচেঞ্জাৰ, হোৱচএপ, ইন্সটাগ্ৰাম আদিত হাজাৰ হাজাৰ বন্ধু আছে যদিও, কাষত হ'লে কোনেও নাই। নিজৰ মনৰ ব্যক্ত কৰিবলগীয়া বা নকবলগীয়া বহু কথা এনে ব্যক্তিৰ লগত ব্যক্ত কৰা হয় যাক মুঠেও চিনি নাপাও। এইদৰে অচিন ব্যক্তিৰ লগত মনৰ ভাৱ আদান-প্ৰদান কৰাটো কিমান উচিত, এয়া বুজা জটিল।

বিভিন্নজনৰ দৈনন্দিন কাম-কাজ, খোৱা-বোৱা, সাজ-পাৰ, নিম্ন মানৰ চিন্তা-ধাৰাৰে প্ৰস্তুত কৰা ভিডিঅ' ৰীল আদিবোৰ চাই সময়বোৰ পাৰ কৰো। এইবোৰৰ পৰা অৱশ্যে আমি বহুতো নজনা কথা জানিব পাৰো। চীন, জাপান, কোৰিয়াৰ লোকসকলে তেওঁলোকৰ খাদ্য খোৱাৰ অদ্ভূত ৰীল বনোৱা দেখি আমাৰ মাজৰ কিছুমান ব্যক্তিয়ে আসুৰিক ধৰণে খাদ্য খোৱাৰ ৰীল প্ৰস্তুত কৰি সামাজিক মাধ্যমত এৰি দিয়ে। এইবোৰ প্ৰস্তুত কৰি মানুহবোৰে কি ধৰণৰ মানসিক তৃপ্তি যে পায় সেয়া অবোধ্য। তাতোকৈ ডাঙৰ কথা হ'ল আমাৰ মাজৰে আধাতকৈ বেছি মানুহে সেইবোৰকে চাই থাকো আৰু সময় নাই বুলি অজুহাত দিওঁ। অৱশ্যে এইবোৰৰ পৰাও আমি ভাল, জানিবলগীয়া কথাও শিকিব পাৰোঁ। সেই বুলি এইবোৰৰ পিছত সময় ব্যয় কৰি আপোনজনক সময় দিব নোৱাৰাটো দুৰ্ভাগ্যজনক।

যিটো সময়ত, যি বয়সত শিশুৰ হাতত নীতি-শিক্ষাৰে পূৰ্ণ সাধুকথা, চুটিগল্পৰ পুথি, সুন্দৰ সুন্দৰ কমিক্সৰ কিতাপবোৰ থাকিব লাগিছিল, সেই ক্ষণত শিশুবোৰৰ হাতত পৰে মোবাইল ফোন, আৰু ফোনত পায় নানা গেম্‌ছ, কাৰ্টুন, বন্ধু-বান্ধৱৰ সৈতে চাটিং আদিৰ সহজতৰ উৎস। শিশুৱে পায় অসামঞ্জস্যপূৰ্ণ বাৰ্তা, ছবি, ভিডিঅ' বা লিপি বিনিময়ৰ সহজ পন্থা। সিহঁতে অপৈণত বয়সতে পৰ্ণগ্ৰাফীৰ প্ৰতি আকৃষ্ট হয় আৰু সিহঁতৰ চিন্তা-কল্পনাৰ অনুভূতিত বিস্তৰ বিচ্যুতি ঘটে। এনেকি সিহঁতে অসতৰ্কভাৱে নিজৰ ছবি বা ভিডিঅ'বোৰ অইনলৈ প্ৰেৰণ কৰাৰ ফলত ভৱিষ্যৎ জীৱনলৈ কুপ্ৰভাৱ পেলাব পৰা ধৰণে কিছুমান বুমেৰাঙৰ সৃষ্টি কৰে ।

শিশু তথা কিশোৰ কিশোৰী, ডেকা-গাভৰু সকল মোবাইলৰ লগত আঠাৰ দৰে লাগি থাকি নিজৰ আজৰি সময়বোৰত কোনো শাৰীৰিক কাৰ্যকলাপত জড়িত হ'বগৈ নোৱাৰে, মুক্ত অক্সিজেনৰ পৰা হয় বঞ্চিত। ইয়াৰ ফলত মেদবহুলতাৰ শঙ্কা আৰু অইন ৰোগ-ব্যাধি হ'বলৈ ধৰে। পৰৱৰ্তী সময়ত এইবোৰৰ পৰা ডায়বেটিছ, উচ্চ ৰক্তচাপ আদি ৰোগৰো উৎপত্তি হয়। মোবাইল ফোনৰ অসতৰ্কপূৰ্ণ আৰু অসঙ্গত ব্যৱহাৰৰ কুফল, যৌৱন বয়সত আৰু এখোপ বাঢ়ি যায়। এই ক্ষেত্ৰত বয়সে ঢুকি নোপোৱা কেতবোৰ নিষিদ্ধ চাইট, সহজলভ্য মানসিক বিকৃতিপূৰ্ণ ছবি-ভিডিঅ' আদি আৰু সংগোপনে বিভিন্ন ব্যক্তিৰ সতে যোগাযোগ স্থাপন আদিৰ বাবে নিজৰ অমূল্য সময় অপচয় কৰাৰ লগতে পথভ্ৰষ্ট হৈ বিপথে যোৱা দেখিবলৈ পোৱা যায়।

ইয়াতেই শেষ নহয়, মেডিয়া জগতত সোমাই গৈ আমিবোৰে আমাৰ নিজৰ সংস্কৃতি ধৰি ৰাখিবলৈ সময়ৰ নাটনি দেখুৱা হ'লো। সঁচাকৈয়ে আমি শিক্ষিত যিমানেই হৈছো, যিমানেই আধুনিক সা-সুবিধাৰে সুসজ্জিত হৈছোঁ সিমানেই মূল সিপাৰ পৰা আঁতৰি গৈ আছোঁ। এনে লাগে যেন এজাক ধুমুহাতেই আমি নিঃশেষ হৈ যাম। নিজেও অন্ধকাৰৰ মাজলৈ গৈ আছোঁ আৰু নতুন প্ৰজন্মকো যান্ত্ৰিকতাৰ মাজলৈ ঠেলি দিছো। শৈশৱৰ দিনবোৰৰ স্বাধীনচিতিয়া উমলি-জামলি সময়বোৰ, কৈশোৰ-যৌৱনৰ বিনন্দীয়া মুহূৰ্তবোৰ মোবাইল মিডিয়াত বন্দী হৈ নিঃশেষ হৈ যাবলৈ নিদি ইজনে সিজনক সময় দি জীৱনটো সুন্দৰ বনাবলৈ সময়ৰ সৎব্যৱহাৰ কৰিবলৈ শিকা উচিত। শিশুকালৰে পৰা সন্তান সন্ততিক শাৰীৰিক-মানসিক, বৌদ্ধিক বিকাশত সময় খৰচ কৰি অধিক সুস্থ, সবল, কল্যাণময় ভৱিষ্যৎ প্ৰজন্মৰ সমাজ এখন গঢ়াত আমি ভূমিকা গ্ৰহণ কৰিব পাৰোঁ।

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- শ্বামিমা ৰহমান
বি.এ. দ্বিতীয় যান্মাসিক।

১। আপোনাৰ জীৱনক আনৰ সৈতে তুলনা নকৰিব। সূৰ্য আৰু চন্দ্ৰৰ মাজত কোনো তুলনা নাই। যেতিয়া তেওঁলোকৰ সময় হয় তেতিয়া সিহঁত জিলিকি উঠে। — এ.পি.জে. আব্দুল কালাম।
২। আনক আঘাত দিলে সেই আঘাত এদিন নিজে ভোগ কৰিব লাগিব। — তুলসী দাস।

# আৰবী ভাষাৰ উৎপত্তি আৰু বিকাশ

**ড° ইমৰুল হুছেইন**
সহকাৰী অধ্যাপক, আৰবী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

আৰবী ভাষাটো হৈছে দেশীয় ভাষাগোষ্ঠীৰ এক অন্যতম ভাষা। দেশীয় ভাষাগোষ্ঠীৰ উদ্ভৱ হজৰত নুহ (আঃ)ৰ পুত্ৰ শ্বামৰ পৰা হৈছিল। কিন্তু আৰবী ভাষাটো কেতিয়াৰ পৰা আৰম্ভ হৈছে সেই বিষয়ে ইতিহাসত কোনো সঠিক তথ্য পোৱা নাযায়। অৱশ্যে পণ্ডিতসকলে অনুমান কৰে যে, সম্ভৱত খ্ৰীষ্টপূৰ্ব অষ্টম শতিকাৰ পৰা আৰবী ভাষাটো অস্তিত্বলৈ আহে। কিন্তু খৃষ্টীয় পঞ্চম শতিকাৰ আগত কোনো আৰবী সাহিত্যৰ নমুনা পোৱা নাযায়। প্ৰাচীন কিছু শিলালিপিৰ পৰা জনা যায় যে আৰবী ভাষাটো খৃষ্টীয় পঞ্চম শতিকাৰ আগতেই বিকাশ লাভ কৰিছিল আৰু এই ভাষাত কথিত ৰূপত সাহিত্য ৰচিত হৈছিল।

ঐতিহাসিক বুৰঞ্জীবিদ সকলে আৰবী ভাষা আৰু সাহিত্য ইতিহাসক প্ৰধানত তিনিটা ভাগত ভাগ কৰিছে। যেনে—

১। হিমাৰাইট যুগ, ২। প্ৰাক্-ইছলামিক যুগ আৰু ৩। ইছলামিক যুগ। হিমাৰাইট যুগত আৰবী ভাষাৰ কোনো লিখিত সাহিত্য পোৱা নাযায়। প্ৰাক্ ইছলামিক যুগত (৫০০-৬২২ খ্ৰীঃ) আৰবী সাহিত্যৰ প্ৰকৃত ধাৰা আৰম্ভ হয়। এই যুগতেই আৰবত প্ৰায় ২ শতাধিক কবি সাহিত্যিকৰ জন্ম হৈছিল বুলি ধাৰণা কৰা হয়। তেওঁলোকে আৰবী কবিতা আৰু কম পৰিমাণৰ গদ্য সাহিত্যৰ জৰিয়তে আৰবী ভাষা আৰু সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

প্ৰাচীন আৰবী ভাষাটোক কেইবাটাও উপ-ভাষাত বিভক্ত কৰিব পাৰি। তাৰ ভিতৰত দক্ষিণী উপ-ভাষা আৰু উত্তৰী উপ-ভাষাটো বৰ প্ৰভাৱশালী হৈ উঠিছিল। আৰু লাহে লাহে দক্ষিণী উপ-ভাষাটোৰ অস্তিত্ব নাইকিয়া হ'বলৈ ধৰিছিল। ফলস্বৰূপে উত্তৰৰ আৰবী উপ-ভাষাটো ব্যৱসায়-বাণিজ্যৰ ভাষাত পৰিণত হৈ ই গোটেই মধ্যপ্ৰাচ্যৰ লগতে দক্ষিণ আফ্ৰিকা আৰু উত্তৰ-পূৱে ৰাছিয়াৰ কিছু অংশ লৈ বিস্তাৰিত হয়।

এইদৰে ইছলামিক যুগত এই ভাষাটো এক গোলকীয় পৰ্যায়ৰ ভাষালৈ উপনীত হয়। এই ক্ষেত্ৰত কোৰআন আৰু হাদিছ গ্ৰন্থসমূহে বিশেষ অৰিহণা আগবঢ়ায়। এই ইছলামিক গ্ৰন্থসমূহে আৰবী ভাষা আৰু সাহিত্যক এক স্থিৰতা আৰু সাৰ্বজনীনতা প্ৰদান কৰে। বৰ্তমানৰ আৰবী ভাষা আৰু সাহিত্য বুলিলে আমি আৰবৰ উত্তৰ অঞ্চলত চলি থকা উপ-ভাষাটোক বুজো। আৰবী ভাষা সাহিত্যৰ ইছলামী যুগৰ বিভিন্ন সময়ত আৰবী সাহিত্যৰ বিভিন্ন দিশ শক্তিশালী হৈ থকা দেখা যায়। বিশেষকৈ উমাইয়া যুগৰ শেষ ভাগৰ পৰা আৰম্ভ হৈ আব্বাছী যুগত আৰবী ভাষা অধিকভাৱে উন্নতি লাভ কৰে। এই ভাষাটো আব্বাছী যুগত সাহিত্যৰ ভাষাৰ উপৰিও দৰ্শন, বিজ্ঞান, ভূগোল, বুৰঞ্জী, ৰাজনীতি ব্যৱসায়-বাণিজ্য আদি প্ৰধান ভাষা হিচাপে পৰিগণিত হয়। এইদৰে আৰবী ভাষাটো বৰ্তমান পৃথিৱীৰ মৰ্যাদাসম্পন্ন প্ৰধান ভাষাবোৰৰ ভিতৰত এক অন্যতম চহকী ভাষা হিচাপে পৰিগণিত হৈছে।

সহায়ক গ্ৰন্থপুঞ্জীঃ
১। অধ্যাপক শহীদুল্লাহঃ আৰবী সাহিত্যৰ ইতিবৃত্ত, প্ৰথম খণ্ড, কোলকাতা, বাণী বুক ষ্টল, ২০০৫
২। হুছেইন, দেৱান মঃ আলম ঃ আৰবী সাহিত্যৰ চমু বুৰঞ্জী, প্ৰথম খণ্ড, ই. মি. প্ৰকাশন, নগাঁও, ২০০২
৩। ড° হক, ইনামুলঃ আৰবী সাহিত্যৰ বুৰঞ্জী প্ৰথম খণ্ড (প্ৰাক্-ইছলামী যুগ), আজাদ প্ৰকাশন, বৰপেটা, ২০২২





# ড° ভূপেন হাজৰিকাৰ গীতত মানৱীয় দৰদ ঃ এটি বিশ্লেষণাত্মক চমু অৱলোকন ঃ

**নয়নমণি দেৱী**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

**আৰম্ভণিঃ**

ড° ভূপেন হাজৰিকা আৰু তেখেতৰ গীতে মানৱীয় অনুভূতিসমূহক সম্পূৰ্ণৰূপে জাগ্ৰত কৰিব পাৰিছে। এটি বৃহৎ অনুষ্ঠান এই গৰাকী মহান গণশিল্পী। তেখেতৰ গীতত মানৱীয় দৰদে সাৰ পাই উঠিছে আৰু জনতাৰ হৃদয়ত সেই দৰদ অনুৰণিত কৰিব পাৰিছে একমাত্ৰ তেখেতৰ গীতে। অতি সূক্ষ্মভাৱে আৰু আৱেগিকভাৱে কেতিয়াবা হাজৰিকাই কান্দি উঠিছে একমাত্ৰ মানুহৰ কাৰণে । মানৱীয় চিন্তণেই যেন অহৰহ তেখেতৰ মগজুত ক্ৰিয়া কৰি থাকে।

হাজৰিকাদেৱে যিমানখিনি মানুহৰ কাৰণে কৰিলে তাৰ তুলনা আমি কেতিয়াও দিব নোৱাৰো। এগৰাকী সঁচা অৰ্থত মানৱ দৰদী ব্যক্তি এইগৰাকী শিল্পী। প্ৰকৃত শিল্পী হ'ব পৰা এই গৰাকী ব্যক্তিয়ে জনতাৰ গভীৰ কোণত স্থান অধিকাৰ কৰিব পাৰিছে। মানৱীয় চিন্তণেই তেখেতক খেদি ফুৰে অহৰহ যাৰ পূৰ্ণ প্ৰকাশ ঘটিছে তেখেতৰ গীতৰ মাজত। অসমীয়াৰ হিয়াৰ আমঠু এই গৰাকী শিল্পীয়ে গাইছে একমাত্ৰ জনতাৰ গান, জনতাৰ হিতৰ গান। শিল্পীয়ে গাইছে—

"প্ৰতি অসমীয়া আমি ভাল ভাৰতীয়
আৰু দূৰণিৰ পৰা আহি লুইতৰ পাৰৰে
মাটিক মাতৃ বোলা প্ৰতি ভাৰতীয় হ'ল
নতুন ৰূপৰ অসমীয়া
আমি সেইভাৱে থাকিলেই হ'ব
নহ'লে আমাৰ ৰাজহাড় নাই বুলি
বিশ্বই বৰকৈ হাঁহিব।"

প্ৰত্যেক গৰাকী ব্যক্তিৰ মনত সঁচা অৰ্থত মানুহৰ চিন্তাৰ ভাৱনা জাগ্ৰত কৰিব পাৰিছে হাজৰিকাদেৱৰ গীতৰ কলিয়ে। হাজৰিকাই গাই গৈছে কেৱল মানুহৰ গান, মানুহৰ মুক্তিৰ গান, মানুহৰ মংগলৰ গান। এগৰাকী মানৱ দৰদীৰ ৰূপত আমি হাজৰিকাদেৱক বিচাৰি পাওঁ তেখেতৰ গানৰ মাজত। সেইকাৰণেই হাজৰিকাদেৱে গাব পাৰিছে—

"দুয়ো পাৰে ক'ত মানুহ, ক'ত যে ইতিহাস।
ক'ত যুগৰ ক'ত আশা-নিৰাশাৰে নিশ্বাস।।"

**ড° হাজৰিকা আৰু মানৱ দৰদ ঃ**

হাজৰিকাদেৱে জাতীয়তাবাদ তেখেতৰ গানৰ জৰিয়তে প্ৰকাশ কৰিছে অতি সুন্দৰকৈ। হাড়ে হিমজুৱে মানুহৰ চিন্তা কৰিব পৰা ব্যক্তি হাজৰিকাদেৱ। কেৱল যেন মানুহৰ বাবেই জীয়াই আছে এই গৰাকী মহান শিল্পী। অসমীয়া জাতিৰ প্ৰতি শিল্পীৰ কিমান যে দৰদ তাৰ তুলনা নাই নহ'লেনো তেখেতে গাই নে ?

"আমি অসমীয়া নহওঁ দুখীয়া'
বুলি সান্ত্বনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।"
('আমি অসমীয়া নহওঁ দুখীয়া')

অতি আৱেগিক আৰু দূৰদৰ্শিতাৰে হাজৰিকাদেৱে এইদৰে ক'ব পাৰিছে। মানুহ, কেৱল মাত্ৰ মানুহৰে চিন্তা এই গৰাকী মহান শিল্পীৰ। সংগ্ৰামেৰে জীৱন জয় কৰাৰ পক্ষপাতী এই গৰাকী শিল্পী। জীৱনৰ যেন অন্য এটি নাম সংগ্ৰাম। মানৱ দৰদী এই গৰাকী

শিল্পীয়ে জনতাক সংগ্ৰামৰ মাজেৰে, সংগ্ৰামক আপোন কৰি জীৱনটোত জয়ী হ'বলৈ উৎসাহ দিছে সেইকাৰণেই হাজৰিকাদেৱে গাইছে—

"কান্দিছনো কিয় ?
সংগ্ৰাম জীৱনৰ যদি এটি নাম
(সেই) সংগ্ৰাম হওঁক তোৰ প্ৰিয়
দুই হাতে চকু দুটি ঢাকি ধৰি তই
অকলেই কান্দিছনো কিয় ?
('কান্দিছনো কিয়'?)

হাজৰিকাদেৱৰ মনত পাহাৰ-ভৈয়াম সকলোৰে বাবে মৰম আছে, আছে মানৱীয় দৰদ। অৰুণাচললৈ যোৱা হাজৰিকাদেৱক পাহাৰৰ গালং, পদম, আপাতানি, মনপা, আঁকা, বৰী জনগোষ্ঠীৰ ভাই — ভনীহঁতে আকোঁৱালি ধৰিছিল আৰু তাৰ মৰম ভূপেন হাজৰিকাদেৱৰ মনত ৰৈ গৈছিল যাৰ প্ৰকাশ ঘটিছিল গীতৰ মাজেৰে—

"চিয়াঙৰে গালং, লোহিতৰে খামতি;
টিৰাপৰে ৱানচুৱে মোক কিয় মাতিছে।"
('চিয়াঙৰে গালং, লোহিতৰে খামতি')

একমাত্ৰ মানৱৰ চিন্তাত বুৰ গৈ থকা হাজৰিকাদেৱৰ মনত অহৰহ মানুহেই ভিৰ কৰি থাকে। এক মহান গণশিল্পীৰ কাৰণেহে সেয়া সম্ভৱ হ'ব পাৰে যেনেদৰে আমাৰ হাজৰিকাদেৱ। কেৱল মানুহ দেখা পোৱা, মানুহৰ দুখ-কষ্ট-বেদনা দেখা পোৱা, মানুহৰ মৰম, মিঠা মাত শুনিব পৰা এই গৰাকী শিল্পীয়ে ধৰাৰ দিহিঙে দিপাঙে লৰবি থাকিলেও মানুহৰ কথা নাপাহৰে। সেয়েহে তেখেতে গাইছে—

"মই এটি যাযাবৰ, মই এটি যাযাবৰ
ধৰাৰ দিহিঙে দিপাঙে লৱৰোঁ
নিবিচাৰি নিজা ঘৰ।"
('মই এটি যাযাবৰ')

**ড° হাজৰিকাদেৱৰ গীতত মানৱ চিন্তণৰ গতিধাৰা ঃ**

ড° ভূপেন হাজৰিকাদেৱ প্ৰকৃততেই এগৰাকী মানৱ প্ৰেমী। সেই কাৰণে তেখেতৰ গানৰ কলিয়ে মানুহৰ মনৰ দিগন্তত চিন্তাৰ খোৰাক যোগাব পাৰে একমাত্ৰ মানুহৰ কাৰণে। ইমান গভীৰভাৱে মানুহৰ কথা তেখেতে ভাবিব পাৰিছে সেয়া আমাৰ বাবে অনুকৰণীয়। গীতত সেয়েহে তেখেতে মুক্ত কণ্ঠে গাইছে—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা ? সমনীয়া ?"
('মানুহে মানুহৰ বাবে')

ভাৰতবৰ্ষৰ যি বিভাজন হৈছিল তাৰ ফলত মানুহৰ মাজত ভাগ ভাগ সৃষ্টি হৈছিল। শিল্পীৰ প্ৰাণে এইবোৰ সহিব পৰা নাছিল। পদ্মা আৰু গংগা যেন দুই নদীৰূপী মাতৃহে। এই দুয়োগৰাকী মাতৃৰ প্ৰতি শিল্পীৰ আছে অগাধ শ্ৰদ্ধা। এই শ্ৰদ্ধাৰে সাধাৰণ মানুহৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে এইদৰে—

"গঙ্গা মোৰ মা
পদ্মা মোৰ মা
মোৰ চকুলোৰে দুটি ধাৰা
মেঘনা যমুনা
একেই আকাশ,
একেই বতাহ
দুই কলিজাত একে উশাহ।"
('গঙ্গা মোৰ মা, পদ্মা মোৰ মা')

মানুহৰ সৰ্বহাৰাৰ ছবিখন যেন শিল্পীৰ মানস পটত অহৰহ ভাঁহি থাকে। প্ৰতিগৰাকী মানুহৰ বাবে ভাবে এই গৰাকী গণ শিল্পীয়ে। নিজৰ যাযাবৰী জীৱনত অনেক ঠাইতেই থাকিব লগীয়া হৈছে শিল্পী গৰাকীয়ে। লুইতৰ পৰা মিছিছিপি হৈ ভল্গা পাইছেগৈ, কেতিয়াবা অটোৱাৰ পৰা অষ্ট্ৰিয়া, আকৌ কেতিয়াবা ইলোৰা-





অজন্তাৰ পৰা চিকাগোত গৈ উপস্থিত হৈছেগৈ। পিছে সকলোতে সৰ্বহাৰাৰ একেই ৰূপ দেখা পাইছে আৰু তেখেতৰ হৃদয়ত সেয়াই দুখৰ ভাৱনা আনি দিছে যাৰ বাবে শিল্পীয়ে গাই উঠিছে—

"মই দেখিছোঁ অনেক গগনচুম্বী অট্টালিকাৰ শাৰী
তাৰ ছাঁতেই দেখিছোঁ কতনা গৃহহীন নৰ-নাৰী
মই দেখিছোঁ কিছু ঘৰৰ সমুখ বাগিচাৰে আছে ভৰি
আৰু দেখিছোঁ মৰহা ফুলৰ পাপৰি অকালতে পৰা সৰি।
বহু দেশে দেশে গৃহদাস দেখি চিন্তিত হওঁ বৰ
মনৰ মানুহ বহুতেই দেখোঁ ঘৰতে হৈছে পৰ।"
('মই এটি যাযাবৰ')

এই গৰাকী গণশিল্পীয়ে মানুহৰ দুখত দুখী হৈ পৰিছে। সেইকাৰণেই খৰাংপীড়িত বিহাৰৰ দুৰ্ৱাৱস্থাকো গীতৰ বিষয় কৰিছে, অথবা ভৰ বাৰিষাৰ বানৰ ৰূপৰ কথাও তেখেতৰ গীতত সাৰ পাইউঠিছে। শ্ৰোতাৰ মনৰ মানুহ হ'বলৈ যেন শিল্পীয়ে চিন্তা কৰিছে। অকল মানুহেই তেখেতৰ প্ৰাণ হৈ পৰিছে যাৰ সুখ-দুখ তেখেতে পদে পদে অনুভৱ কৰিব পাৰে।

**ড° হাজৰিকাৰ গীত আৰু অসমীয়া জাতি ঃ**

অসমীয়াৰ বাবে, অসমীয়া জাতিৰ বাবে এই গৰাকী গণশিল্পীয়ে অহৰহ চিন্তা কৰিছে। অতীত গৌৰৱকে অকল সাৰটি বহি থাকিলে নহ'ব। এয়া শিল্পীৰ স্পষ্ট কথা। সময়ৰ লগে লগে সকলোৰে মিলি এক গোট হৈ আগুৱাই যাবলৈ প্ৰতিজন অসমীয়াকে আহ্বান জনাইছে এই গৰাকী গণশিল্পীয়ে—

"প্ৰতি অসমীয়াই কি কৰা উচিত,
উপদেশ দিবলৈ নাই লাচিত,
'ডাঙৰ নহয়, দেশতকৈও মোৰ
দুৰ্বল চিতীয়া মোমাইবোৰ বোলা
হেংদানধাৰী লাচিত নেথাকিলেও
আগুৱাই যাবই লাগিব ।
নহ'লে অসমীয়া অসমৰ মাটিতে নিজেই মগনীয়া হ'ব।"
("আমি অসমীয়া নহওঁ দুখীয়া')

একেবাৰে এগৰাকী সঁচা মানৱদৰদী এইগৰাকী গণশিল্পী ড° ভূপেন হাজৰিকাদেৱ। মানুহৰ মনৰ কথাই তেখেতক অহৰহ ক্ৰিয়া কৰি থাকে, মানুহৰ ভাৱনাই তেখেতৰ একমাত্ৰ সম্বল। মাতৃভূমি অসমৰ প্ৰতি যেন অসীম শ্ৰদ্ধা, ভালপোৱা এই গৰাকী শিল্পীৰ। অসমৰ মৃত শ্বহীদলৈ শিল্পীৰ অফুৰন্ত শ্ৰদ্ধা । ভাৰতীয় সৈন্যক শত্ৰুৱে নিপাত কৰা দেখি দুঃখিত হৈ তেখেতে গাই উঠিছে—

"আমি কামেং সীমান্ত দেখিলোঁ
দেখি শত্ৰুৰ পশুত্ব চিনিলোঁ;
আৰু মৃত মৌন শত জোৱানলৈ
মোৰ অশ্ৰু অঞ্জলি যাচিলোঁ।"
(ক'ত জোৱানৰ মৃত্যু হ'ল)

দোলাভাৰীৰ শ্ৰমদান যেন শিল্পীৰ সহ্য হোৱা নাছিল। বৰ বৰ মানুহৰ দোলা কঢ়িয়াই ফুৰা দোলাভাৰীৰ প্ৰতি শিল্পীৰ আছিল অগাধ সহানুভূতি। শিল্পীৰ চকুৰে চকুলো বৈ গৈছিল, হৃদয়ত দুখৰ সাম্ৰাজ্য গঢ়ি উঠিছিল এই দোলাভাৰীৰ কৰুণ ছবি দেখি। সেইকাৰণেই শিল্পীয়ে আৰ্তনাদ কৰি গাই উঠিছে—

"দোলা হে দোলা, হে দোলা
একাবেঁকা বাটেৰে কঢ়িয়াওঁ কঢ়িয়াওঁ
বৰ বৰ মানুহৰ দোলা।
দোলাৰ ভিতৰত তিৰিবিৰ্ কৰিছে চহকী পাটৰে পাগ
ঘনে ঘনে দেখিছোঁ লৰচৰ কৰিছে
শুকুলা চোঁৱৰৰ আগ।"
('দোলা হে দোলা')

শোষিত জনতাৰ বাবে শিল্পীয়ে অহৰহ দুখ কৰি থাকে। সেইসকলৰ মনৰ বেদনা যেন বুজিব পাৰিছে শিল্পী গৰাকীয়ে। হৃদয়ত প্ৰচণ্ড দুখৰ বান সৃষ্টি হয় এই শোষিত সকলৰ বাবে। মানৱদৰদী শিল্পীৰ মনে এইবোৰ দেখি হাহাকাৰ কৰি উঠে। সেইকাৰণেই শিল্পীয়ে গাই উঠিছে—

"ভাং শিল ভাং।
ভাঙ্‌ঙ্গ ভাঙ্‌ঙ্গ ভাঙ্ ভাঙোতা ঙ্গ শিল ভাঙ্।
তোৰ ঘাম ভৰা নঙঠা পিঠি
তপত ৰ'দত যায় ফাটি
কোমল ভৰিৰ তলুৱাত জ্বলে
তপত ৰঙা ৰঙা মাটি
তথাপি তোৰ নাই গুণ গাওঁতা।"

('ভাং শিল ভাং')

**প্ৰকৃত মানৱ দৰদী ড° ভূপেন হাজৰিকা :**

এগৰাকী প্ৰকৃত অৰ্থত মানৱ দৰদী শিল্পী, গণ শিল্পী ড° ভূপেন হাজৰিকাদেৱ। হাজৰিকাদেৱে শোষণকাৰীৰ বিৰুদ্ধে সাধাৰণ জনগণক একত্ৰিত কৰিব বিচাৰিছে তেখেতৰ গানৰ জৰিয়তে। সেই কাৰণেই গীতিকাৰ হাজৰিকাই সাম্যৰ মন্ত্ৰ উচ্চাৰণ কৰিছে—

"হৰিজন, পাহাৰী, হিন্দু-মুছলিমৰ
বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।"

এই গৰাকী শিল্পীয়ে গাইছে জনতাৰ মুক্তিৰ গীত। গাইছে জনতাৰ হৃদয়ৰ কথা। মানুহৰ প্ৰতি অকৃত্ৰিম ভালপোৱা আছে শিল্পী হাজৰিকাদেৱৰ হৃদয়ৰ নিভৃত কোণত। এই ভালপোৱাৰ নাই সীমনা, জনশক্তিক শিল্পীয়ে বিশ্বাস কৰে, শ্ৰদ্ধা কৰে । গণশক্তিৰ জৰিয়তে সমগ্ৰ জনগণ একত্ৰিত হৈ শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ মানৱ দৰদী শিল্পী হাজৰিকাদেৱে বাৰে বাৰে আহ্বান জনাইছে তেখেতৰ গীতৰ কলিৰ মাজেৰে।

প্ৰকৃততে মানুহৰ ভাষা বুজিব পৰা এই গৰাকী শিল্পী আমাৰ বাবে সদায় নমস্য গণশিল্পী হৈ থাকিব। আমাৰ মানস পটত এই গৰাকী শিল্পীৰ মূল্যায়ন হাজাৰ গুণ বেছি।

মানুহৰ হৃদয়ত এখনি থাপনা পাতিবলৈ সক্ষম হৈছে এই গৰাকী গণশিল্পীয়ে । প্ৰকৃত অৰ্থত মানৱৰ চিন্তণ কৰিব পৰা এই গৰাকী গণশিল্পীয়ে কেতিয়াও কোনো দিনে নিজৰ নাম বিচৰা নাছিল। কেৱল জনতাৰ বাবে হৃদয়ত অফুৰন্ত মৰম-চেনেহ, সহানুভূতি লগত লৈ ফুৰিছে। কেতিয়াবা আকৌ জনতাক কঠোৰ হ'বলৈ শিকাইছে এই গৰাকী শিল্পীয়ে। জনতাৰ দুখত দুখী হব পৰা প্ৰকৃত অৰ্থত এগৰাকী মানৱ দৰদী শিল্পী ড° ভূপেন হাজৰিকাদেৱ। সেইকাৰণেই হাজৰিকাদেৱে শোষণত জৰ্জৰিত হোৱা, নিপীড়িত জনগণৰ কাষত থিয় হৈ গাইছে মুক্ত কণ্ঠেৰে—

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম।"
("অগ্নি যুগৰ ফিৰিঙতি মই)

**সামৰণি ঃ** ড° হাজৰিকাদেৱ প্ৰকৃত জনগণৰ প্ৰকৃত গণশিল্পী। তেখেতৰ গীতত প্ৰাণ পাই উঠিছে মানুহৰ অনুভূতিসমূহ। শ্ৰমিকৰ বাবে আছে হৃদয়ত অফুৰন্ত সহানুভূতি। এই গৰাকী গীতিকাৰ, শিল্পীৰ গানৰ গাম্ভীৰ্য্যই আমাক আপ্লুত কৰি তোলে। কিদৰে অহৰহ মানুহৰ কথাকেই ভাবিব পাৰিছে এই গৰাকী মানৱ দৰদী শিল্পীয়ে ? আমাৰ বাবে তেখেত সদায় নমস্য ব্যক্তি, নমস্য গণশিল্পী। জনতাই যেন তেখেতৰ প্ৰধান অস্ত্ৰ। একমাত্ৰ জনতাৰ মাজতেই নিজকে এইদৰে বিচাৰি পাইছে। অসমীয়াৰ হিয়াৰ আমঠু এই গৰাকী শিল্পী কেৱল জনতাৰ শিল্পী, কেৱল মানৱ দৰদী শিল্পী। জনতাই যেন জীৱন এই গৰাকী মহান শিল্পীৰ। চিৰ নমস্য ড° ভূপেন হাজৰিকাদেৱ, জনতাৰ মানৱ দৰদী শিল্পী হাজৰিকাদেৱ চিৰ নমস্য।

ঃ সাঁথৰ ঃ

খাল বিল শুকাই গ'ল,
গছৰ আগত পানী ৰ'ল?

উত্তৰঃ নাৰিকল





# মিচিং বয়ন শিল্পত বিশ্বায়ন আৰু আধুনিকীকৰণৰ প্ৰভাৱ

**মেঘালী মৰাং**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে গৌৰৱ কৰিব পৰা লোক শিল্প সমূহৰ ভিতৰত বয়নশিল্প হৈছে অন্যতম। অসমৰ অন্যান্য নৃ-গোষ্ঠীৰ দৰে মিচিং সকলৰো বয়নশিল্পৰ অতীত পৰম্পৰা লক্ষ্য কৰা যায়। এই শিল্প মিচিং সমাজত মহিলাৰ দ্বাৰাই পৰিচালিত। মিচিং গাভৰুৰ হাতত প্ৰাণৱন্ত হয় মাকো। তাঁতশালক বাদ দি এজনী মিচিং জীয়াৰীৰ জীৱনটো অসম্পূৰ্ণ। বংশানুক্ৰমিক ভাৱে প্ৰচলিত তাঁত শিল্পৰ ঘৰুৱা পৰিৱেশে মিচিং জীয়ৰীক অতি কম বয়সতে বয়ন কাৰ্যৰ প্ৰতি আকৰ্ষিত কৰে আৰু সেইবাবেই ওতপ্ৰোতভাৱে তাঁতশালৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তোলে।

মিচিং বয়নশিল্প সমাজ জীৱনৰ মৌলিক প্ৰয়োজনতে সীমাবদ্ধ নাথাকি ব্যৱসায়িক দিশলৈ প্ৰচাৰ আৰু প্ৰসাৰিত হৈছে। বয়ন পদ্ধতিৰ জৰিয়তে অৰ্থনৈতিক দিশতো স্বাৱলম্বী হোৱাও পৰিলক্ষিত হৈছে। মিচিং সমাজৰ পৰম্পৰাগত বয়ন শিল্পৰ একচেতিয়া ব্যৱসায় আঁতৰাবলৈ উদ্যোগৰ কৰ্মক্ষেত্ৰলৈ আগ্ৰহী হোৱা দেখা যায়।

**মিচিং বয়নশিল্প তথা সাজপাৰত বিশ্বায়ন আৰু আধুনিকীকৰণৰ প্ৰভাৱ**

পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। সময়ে সমাজ তথা সংস্কৃতিলৈ পৰিৱৰ্তন আনিছে। সমাজৰ লগত সংস্কৃতি সংপৃক্ত হৈ আছে। সেয়ে সমাজৰ পৰিৱৰ্তন মানে সংস্কৃতিৰো পৰিৱৰ্তন। বিশ্বায়ন তথা আধুনিকীকৰণে সমগ্ৰ বিশ্বকে গ্ৰাস কৰিছে। মিচিং সমাজ সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। মিচিং সকলৰ সমাজ জীৱনতো বিশ্বায়ন আৰু আধুনিকীকৰণে স্পৰ্শ কৰিছে। বিশ্বায়ন আৰু আধুনিকীকৰণে মিচিং সংস্কৃতিৰ বিভিন্ন উপাদানত প্ৰভাৱ পেলোৱাৰ দৰে সাজপাৰৰ ক্ষেত্ৰতো প্ৰভাৱ পেলাইছে।

বস্ত্ৰ উৎপাদনৰ মূল আছিলা কপাহৰ পৰা সূতা কাটি কঁকাল শাল ব্যৱহাৰ কৰি কাপোৰ বোৱা বৰ্তমান লুপ্ত হৈছে। কঁকাল শালত কাপোৰ বোৱা প্ৰায় অঞ্চলতে হেৰাই গৈছে। কিছু বয়োজ্যেষ্ঠ মহিলাই সীমিতভাৱে বোৱা-কটা অটুট ৰখাৰ চেষ্টা কৰিছে, যদিও নগণ্য। বৰ্তমান মাটিশাল তথা সাধাৰণ বাঁহৰ তাঁতৰ খুটি কাঠ লৈ পৰিৱৰ্তিত হ'ল। চাঙৰ তলৰ তাঁতশালখন মুকলি ঘৰৰ আওতালৈ সলনি হোৱা দেখা গৈছে।

তাঁতশালৰ সঁজুলি সমূহৰ ক্ষেত্ৰত প্ৰায় পৰিৱৰ্তন হৈছে উঘাৰ সলনি ববিন; ইকৰা বা বাঁহৰ মহুৰাৰ পৰিৱৰ্তে প্লাষ্টিকৰ মহুৰা থোৱা যতন আদি। ইয়াৰ উপৰিও সৰল শালখন উন্নত মানেৰে কম সময়ৰ ভিতৰত বস্ত্ৰৰ উৎপাদন কৰিব পৰা প্ৰযুক্তি বিদ্যাৰ উৰামাকোশাল ব্যৱহাৰ কৰিবলৈ লৈছে। এনেদৰে বয়নশিল্পৰ ক্ষেত্ৰত পৰিৱৰ্তন মিচিং লোকসকলৰ লক্ষ্য কৰিব পাৰি। পূৰ্বতে মিচিংসকলে পাহাৰৰ দাঁতিত কপাহৰ খেতি কৰা বিষয়ে লোকগীত সমূহে বহন কৰে। কপাহৰ খেতি কৰি ইয়াৰ পৰা মিৰিজিম আৰু অন্যান্য সাজপাৰ তৈয়াৰ কৰিছিল যদিও বৰ্তমান বজাৰৰ ৰঙ বিৰঙৰ সূতা ব্যৱহাৰ কৰা দেখা গৈছে। আজিকালি বজাৰৰ কেঁচাপাট, টচমুগা আৰু মেচিনত কটা এৰী সূতা কিনিবলৈ পোৱাত ঘৰতে টাকুৰিৰে সূতা কটা পৰম্পৰা এৰিব ধৰিছে।

পুৰুষ মহিলাৰ উভয়ৰে সাজপাৰৰ ক্ষেত্ৰত পৰিৱৰ্তন পৰিলক্ষিত হৈছে। পুৰুষসকলে উগন (চুৰীয়া), গাদু গালুক (জিম কোট)ৰ পৰিৱৰ্তে লংপেন্ট, হাফপেন্ট, কোট, জেকেট ব্যৱহাৰ কৰিবলৈ লৈছে। ঠিক তেনেকৈ মহিলাসকলেও এগে (মেখেলা), ৰিবি গাচেংৰ সলনি স্কাৰ্ট, টপ, চুৰিদাৰ, পেন্ট, শাড়ী আদি পৰিধান কৰা দেখা গৈছে।

মানুহ সময়ৰ দাস। সময়ে সমাজ তথা সংস্কৃতি সকলো পৰিৱৰ্তন কৰি পেলায়। ইচ্ছা নকৰিলেও সেই সকলোবোৰ গ্ৰহণ কৰিব লগা হয়। ঠিক তেনেকৈ মিচিং সংস্কৃতিৰ লোকসকলৰ বয়নশিল্প তথা সাজপাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তন আহিছে।

সাম্প্ৰতিক সময়ত চাবলৈ গ'লে প্ৰাকৃতিকভাৱে ৰং তৈয়াৰ কৰা পদ্ধতি অতি কষ্টসাধ্য আৰু ইয়াৰ জৰিয়তে কিছুৰংহে পোৱা যায়। কিন্তু বজাৰত বিবিধ আধুনিকীকৰণৰ সময়ত মানুহে গুণগত মানতকৈ ডিজাইন বা ষ্টাইলৰ ওপৰত অধিক গুৰুত্ব দিয়ে। সেয়েহে মিচিংসকলৰ সাজপাৰ আৰু বয়নশিল্পৰ ক্ষেত্ৰত পৰিৱৰ্তন লক্ষ্যণীয়। যিমানে আধুনিকীকৰণ বা গোলকীকৰণৰ ফলত পৰিৱৰ্তন হলেও নিজৰ পৰম্পৰাগত সাংস্কৃতিক মান যাতে অক্ষুণ্ণ থাকে আৰু এই বয়নশিল্প বিশ্ব দৰবাৰত প্ৰতিষ্ঠা আৰু জিলিকি বয় তাৰ বাবে উঠি অহা নৱ প্ৰজন্মই বিভিন্ন পদক্ষেপ লোৱা উচিত।

**মিচিং বয়নশিল্প : বজাৰ আৰু বাণিজ্যিক মান**

অসমৰ এটি ক্ষুদ্ৰ শিল্প উদ্যোগ হৈছে বয়নশিল্প। এই বয়নশিল্পৰ দিশত মিচিং জনগোষ্ঠীৰ যথেষ্ট খ্যাতি আছে। প্ৰত্যেক গৰাকী মিচিং মহিলাই অতীজৰ পৰা বোৱা কটা দিশত যথেষ্ট পাৰ্গত। মিচিং সমাজত অতি প্ৰাচীন কালৰে পৰা উৎপাদিত সামগ্ৰীসমূহ আদান-প্ৰদানৰ জৰিয়তে পৰস্পৰে পৰস্পৰৰ মাজত আত্মীয়তা গঢ়ি উঠাৰ লগতে ব্যৱসায়িক দিশো বৰ্তি আছিল। ব্যৱসায়িক লেনদেনৰ ভিতৰত কপাহে আছিল মূল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিনিময় প্ৰথাত সাজপাৰৰ মূল্য নিৰ্ধাৰিত কাৰ্যই লাহে লাহে বাণিজ্যিক দিশত উজ্জল হ'বলৈ ধৰিলে। মিচিংসকলৰ সাজপাৰৰ বাণিজ্যিক দৰত অগ্ৰগতি লাভ কৰিবলৈ বৰ্তমান আৰম্ভ কৰিছে। পূৰ্বতে মিচিং সমাজে নিজৰ প্ৰয়োজনতে কাপোৰ বৈ লৈছিল। নিজৰ নিম্নতম চাহিদা খিনি পূৰণ কৰাৰ উপৰিও ল'ৰা-ছোৱালী, স্বামী, বৃদ্ধ-বৃদ্ধা সকলোৰে অভাৱ দূৰ কৰিবলৈ মিচিং মহিলাসকলে অধিক শ্ৰম আৰু বস্ত্ৰ উৎপাদন কৰিব লগা হৈছিল। কিন্তু বৰ্তমান এনে প্ৰয়োজনীয়তাৰ উপৰিও ব্যৱসায়িক লাভালাভৰ উদ্দেশ্যে মিচিং শিপিনীসকলে নানা ৰং বিৰঙৰ কাপোৰ ব'বলৈ ল'লে। মিচিং মহিলাসকলে বোৱা ফুলাম চাদৰ-মেখেলা সকলো মানুহৰে অতি প্ৰিয় হৈ পৰিছে আৰুপৰিধান কৰিবলৈ আগবাঢ়ি আহিছে। বৰ্তমান আধুনিক ফেশ্বনেও মিচিং সাজপাৰক আদৰি লোৱা দেখা গৈছে।

গোলকীকৰণৰ যুগত পুৰুষ-মহিলাৰ উভয়ে গ্লেমাৰ পাবলৈ সঁচাকৈ দ্ৰুত গতিত খোজ মেলিছে। গণ মাধ্যম সমূহে সাজপাৰ সমূহৰ মান বৃদ্ধি কৰি এখোপ তুলি ধৰিছে। ফলত মিচিং সাজপাৰে সকলোৰে আদৰ তথা সমাদৰ পাবলৈ ধৰিছে। আৰু বাণিজ্যিক দিশত উন্নতি হ'বলৈ ধৰিছে। আনকি আধুনিক ফেশ্বনৰ জোৱাৰতো মিচিংসকলৰ বোৱা কাপোৰৰ স্থান আছে বুলিব পাৰি।

তাঁত শিল্পই ঘৰুৱা ভাৱেই নহয়, ব্যৱসায়িক ভিত্তিতো মিচিং সমাজক অনুপ্ৰাণিত কৰি আহিছে। মিচিং মহিলাসকলে অৰ্থনৈতিক উন্নতিৰ বাবে আপ্ৰাণ চেষ্টা কৰে। তেওঁলোকৰ এনে উন্নতিশীল মানসিকতা আৰু নিজক স্বাৱলম্বী কৰিব পৰা দক্ষতাৰ বাবে মিচিং মহিলাসকল বয়নশিল্পৰ বাণিজ্যিক দিশত আগবাঢ়ি গৈছে। মিচিং সমাজত বয়ন বিদ্যা জনা পুৰুষ কাচিৎ হে দেখা যায়। এই দিশত মহিলাই অধিক পাৰ্গত। মিচিং ছোৱালীক মাক-দেউতাকে সাধাৰণ পৰিশ্ৰমেৰে অৰ্থনৈতিক উৎপাদন মুখী কাৰ্যাৱলীৰ শিক্ষা দিয়ে আৰু অদূৰ ভৱিষ্যতে অৰ্থনৈতিক উৎপাদনৰ দিশত কঠোৰ পৰিশ্ৰমী আৰু স্বাৱলম্বী হ'বলৈ তেওঁলোকক অনুপ্ৰেৰণা যোগায়। সেয়েহে মিচিং মহিলাসকলে বয়ন বিদ্যাত পাৰ্গত হৈ ইয়াৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ শিকিছে।

বৰ্তমান সময়ত গাঁৱলীয়া অঞ্চলত কেইবাজনী ছোৱালী লগ লাগি কেইবাখনো শাল পুতি ৰং বিৰঙৰ ডিজাইনৰ চাদৰ মেখেলা বৈ উপাৰ্জনৰ পথ মুকলি কৰি লোৱা পৰিলক্ষিত হৈছে। মিচিং মহিলাসকলে নিজে বোৱা সাজপাৰ পৰিধান কৰি গৌৰৱ বোধ কৰে। কৰ্মপটু কঠোৰ পৰিশ্ৰমী মিচিং মহিলাসকলে পৰম্পৰাগত তাঁতশালতে পাচাং গামিকৰ সহায়ত কম সময়তে সাজপাৰ তৈয়াৰ কৰা পৰিলক্ষিত হয়। আধুনিক উন্নত কাৰিকৰী পদ্ধতিৰে বয়নশিল্পৰ প্ৰশিক্ষণ লৈ বস্ত্ৰ উৎপাদনৰ চাহিদা বৃদ্ধি কৰিছে যদিও বৰ্তমানো কোনো কাৰিকৰী প্ৰশিক্ষণ নোলোৱাকৈ মিচিং মহিলাই সুন্দৰ ফুলাম সাজপাৰ প্ৰস্তুত কৰি বিক্ৰী কৰি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হৈছে। মিচিং মহিলা তথা শিপিনীসকলেও বৰ্তমান বাণিজ্যিক জগতখনৰ লগত পৰিচিত হৈ পৰিছে। তেওঁলোকে ঘৰুৱা উদ্যোগ, চৰকাৰী নাইবা বেচৰকাৰী উদ্যোগ প্ৰতিষ্ঠানৰ সহায়ত উন্নত হ'ব ধৰিছে। আটাইতকৈ গৌৰৱৰ বিষয় মিচিং এগে-গাচৰ (চাদৰ মেখেলা) বৰ্তমান অসমীয়া সমাজত খুবেই জনপ্ৰিয়। কিন্তু এটা ফালৰ পৰা চালে মিচিং বস্ত্ৰ উদ্যোগ আৰু বাণিজ্যিক দিশ এতিয়াও চালুকীয়া অৱস্থাত আছে। অৱশ্যে কিছু কিছু ঠাইত বিকাশৰ ধাৱাই গঢ় লৈ উঠিছে।

বৰ্তমান বাণিজ্যিক মেলা, বস্ত্ৰ মেলা, মিচিং বস্ত্ৰ সম্ভাৰ ব্যৱসায়িক প্ৰতিষ্ঠান, দোকান, মহোৎসৱ আদিত মিচিং সাজপাৰ সমূহ মহিলাসকলে বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰা পৰিলক্ষিত হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰযুক্তিবিদ্যাৰ যান্ত্ৰিকতাত মিচিং সকলেও চিন্তা-চৰ্চা কৰি সচেতন মহিলাসকলে চৰকাৰী নাইবা ব্যক্তিগত বস্ত্ৰ উদ্যোগৰ অভাৱ অনুভৱ কৰি ওলাই অহা পৰিলক্ষিত



নৱজ্যোতি, ২০২১-২২ বৰ্ষ ঃঃ সংখ্যা- ৩৩

হৈছে। ফলস্বৰূপে স্থায়ী-অস্থায়ী বস্ত্ৰ উদ্যোগৰ সহায়ত বহু শিপিনীয়ে ব্যস্ত হৈ অৰ্থনৈতিক সমস্যা কিছু পৰিমাণে সমাধান কৰিবলৈ সক্ষম হৈছে।

অসমত প্ৰায় ৩২০০খন চৰকাৰী পঞ্জীয়নভুক্ত প্ৰাথমিক বোৱা কটা সমবায় সমিতি আছে। ইয়াৰে ধেমাজি জিলাত প্ৰায় ২১ খন সমবায় সমিতিৰ অন্তৰ্গত প্ৰগতিশীল জনজাতি বোৱা কটা সমবায় সমিতি, কাংকান জনজাতি বোৱা কটা সমবায় সমিতি, নৰোদয় জনজাতি বোৱা কটা সমবায় সমিতি আদি নিৰ্ভৰযোগ্য এই বোৱা কটা প্ৰতিষ্ঠানৰ জৰিয়তে মিচিং সাজপাৰসমূহৰ উৎপাদন কৰি বিক্ৰী কৰা হয়। এই প্ৰতিষ্ঠানসমূহত প্ৰায় ২০ গৰাকীকৈ শিপিনী অন্তৰ্ভুক্ত হ'ব পাৰে । শিপিনীসকলে মাহিলী বেতনৰ সহায়ত বোৱা কটা কাৰ্য অব্যাহত ৰাখে। কিন্তু ভিতৰুৱা কিছুমান অঞ্চলৰ পাৰ্গত শিপিনীসকল এই সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। গণমাধ্যমৰ অধিক জনপ্ৰিয়তা তথা প্ৰচাৰৰ যুগতো এই ভিতৰুৱা অঞ্চলসমূহত পোহৰ বিলাব পৰা নাই। সেয়েহে শিক্ষিত চামে এই ক্ষেত্ৰত পদক্ষেপ ল'ব পাৰে। কিয়নো এই পাৰ্গত মহিলাসকলক বাহিৰলৈ উলিয়াই আনিবলৈ তথা মিচিং সংস্কৃতিৰ বয়নশিল্পক জাকত জিলিকা কৰিবলৈ আৰু অধিক জনপ্ৰিয়তা তথা বাণিজ্যিক দিশতো অধিক আগবঢ়াই নিবলৈ শিক্ষিত চামে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা উচিত।

**উপসংহাৰ ঃ**

সামগ্ৰিক সিদ্ধান্তঃ মিচিং সংস্কৃতিৰ পৰম্পৰাগত বয়ন শিল্প ঃ এক অধ্যয়ন— এই বিষয়টো আলোচনাৰ অন্তত নিম্নলিকিত সিদ্ধান্তত উপনীত হ'ব পাৰি । অসমত বসবাস কৰা অন্যান্য মংগোলীয় নৃ-গোষ্ঠীৰ দৰে মিচিং সকলৰো বয়ন শিল্পৰ অতীত পৰম্পৰা আছে।

মিচিং বয়নশিল্প প্ৰধানত : মহিলাৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। মিচিং বয়ন পদ্ধতিত পৰম্পৰাগতভাৱে প্ৰচলিত তাঁতশাল দুবিধ। এবিধ হ'ল কঁকালত বান্ধি বোৱা তাঁতশাল। আনবিধ হৈছে সচৰাচৰ প্ৰচলিত তাঁতশাল । মিচিং বয়ন পদ্ধতিত ব্যৱহাৰ কৰা নক্সাসমূহৰ স্বকীয় বৈশিষ্ট্য থকা দেখা যায়। মিচিং বয়নশিল্পৰ চানেকি ডিজাইনবোৰ জ্যামিতিক বিন্যাস যুক্ত। সেইবোৰৰ ভিতৰত কোণীয়া, বৰ্ফি আকৃতি, ত্ৰিভুজীয়া, কণীয়া ৰেখা উল্লেখযোগ্য। পূৰ্বতে মিচিং মহিলাসকলে প্ৰকৃতিৰ গছ-লতা, ফল-মূল আদিৰ জৰিয়তে ৰঙৰ প্ৰস্তুত কৰিছিল। কিন্তু বৰ্তমান বজাৰৰ সূতাৰে কাপোৰ বোৱা দেখা যায় ।

মিচিংসকলৰ পুৰুষৰ সাজপাৰ সমূহ হ'ল— উগন(চুৰীয়া) গনৰ উগন (বৰ চুৰীয়া) গাদু-গালক (জিম কোটা) গালুক বা মিবু গালুক, মীৰ পুং দুমীৰ (মূৰত বন্ধা গামোচা) টঙালী বা জিনৰেক আদি। মহিলাৰ সাজপাৰৰ ভিতৰত এগে, গে'ৰ য়াস্ব, ৰিয়া, তাপোম গাচৰ আদি উল্লেখযোগ্য। অসমত প্ৰায় ৩২০০খন চৰকাৰী পঞ্জীয়নভুক্ত প্ৰাথমিক বোৱা কটা সমবায় সমিতি আছে। ইয়াৰে ধেমাজি জিলাত প্ৰায় ২১খন সমবায় সমিতিৰ অন্তৰ্গত। প্ৰগতিশীল জনজাতি বোৱা কটা সমবায় সমিতি, কাংকান জনজাতি বোৱা কটা সমবায় সমিতি, নৰোদয় জনজাতি বোৱা কটা সমবায় সমিতি আদি উল্লেখযোগ্য।

ঃ সাঁথৰ ঃ

ইয়াতে মাৰিলো টিপা,
গঁড়গাঁও পালেগৈ শিপা।

উত্তৰঃ ভূমিকম্প

# বাল্য বিবাহ আৰু ইয়াৰ প্ৰতিৰোধ আইন- এক চমু অৱলোকন

**নাছিৰ উদ্দিন**
অংশকালীন প্ৰৱক্তা
ৰাজনীতি বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

**বাল্য বিবাহ প্ৰতিৰোধ আইন ঃ** ভাৰতীয় আইনৰ অধীনত ১৯২৯ চনত বাল্য বিবাহ নিষিদ্ধ কৰা হৈছিল য'ত ছোৱালীৰ বাবে বিবাহৰ নূন্যতম বয়স ১৪ বছৰ আৰু ল'ৰাৰ বাবে ১৮ বছৰ নিৰ্ধাৰণ কৰা হৈছিল। ভাৰত স্বাধীন হোৱাৰ পিছত এই আইনখন দুবাৰকৈ সংশোধন কৰা হয়। ১৯৪৯ চনত বিবাহৰ নূন্যতম আইনী বয়স ছোৱালীৰ ১৫ বছৰলৈ বৃদ্ধি কৰা হয় আৰু ১৯৭৮ চনত ছোৱালীৰ ১৮ বছৰ আৰু ল'ৰাৰ ২১ বছৰলৈ বৃদ্ধি কৰা হয়। সমাজৰ ভিতৰৰ পৰা বাল্য বিবাহ নিৰ্মূল হোৱাটো নিশ্চিত কৰিবলৈ ভাৰত চৰকাৰে পূৰ্বৰ আইন ১৯২৯ ৰ বাল্য বিবাহ নিয়ন্ত্ৰণ আইনখনৰ ঠাইত বাল্য বিবাহ প্ৰতিৰোধ আইন ২০০৬ প্ৰণয়ন কৰে।

**বাল্য বিবাহ প্ৰতিৰোধ আইন, ২০০৬ ঃ** এই আইনখন বাল্য বিবাহৰ বাবে নিষেধাজ্ঞা, ভূক্তভোগীক সুৰক্ষা আৰু সকাহ প্ৰদান কৰা আৰু এনে বিবাহক সহায় কৰা, প্ৰচাৰ কৰা বা উৎসাহিত কৰি তোলা সকলৰ শাস্তি নিৰ্ধাৰণ কৰা হৈছে। এই আইন মতে বাল্য বিবাহ বুলিলে এনে বিবাহক বুজায় যাৰ চুক্তিবদ্ধ পক্ষৰ কোনো এজন সন্তানৰ বয়স নূন্যতম বয়সতকৈ কম অৰ্থাৎ ল'ৰাৰ ক্ষেত্ৰত ২১ বছৰতকৈ কম আৰু ছোৱালীৰ ক্ষেত্ৰত ১৮ বছৰতকৈ কম।

**বাল্য বিবাহ প্ৰতিৰোধ আইন, ২০০৬ ৰ গুৰুত্বপূৰ্ণ ধাৰাসমূহ ঃ**

ধাৰা- ২- শিশু ঃ পুৰুষৰ ক্ষেত্ৰত ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ সম্পূৰ্ণ নকৰা ব্যক্তিক শিশু বোলে।

বাল্য বিবাহ ঃ এনে বিবাহক বুজায় যাৰ চুক্তিবদ্ধ পক্ষৰ কোনো এজন সন্তান নাবালক।

ধাৰা- ৩- বাল্য বিবাহ চুক্তিবদ্ধ পক্ষৰ বিকল্পত বাতিল কৰিব পৰা যাব যিজন বিবাহৰ সময়ত শিশু আছিল।

ধাৰা- ৪-বাল্য বিবাহ মহিলা চুক্তিবদ্ধ পক্ষক ভৰণ-পোষণ আৰু বাসস্থানৰ ব্যৱস্থা। (জিলা আদালতে ৰক্ষণাবেক্ষণৰ পৰিমাণ মাহেকীয়া বা এককালীনভাৱে দিবলৈ নিৰ্দেশ দিব পাৰে)

ধাৰা- ৫- যদি বাল্য বিবাহৰ পৰা সন্তান জন্ম হয়, তেন্তে তেনে সন্তানৰ তত্বাৱধানৰ বাবে জিলা আদালতে শিশুটিৰ কল্যাণৰ বাবে বিবেচনা কৰিব পাৰে।

ধাৰা- ৬- বাল্য বিবাহৰ পৰা জন্ম হোৱা সন্তানক বৈধ সন্তান বুলি গণ্য কৰা হয়।

ধাৰা- ৯- ১৮ বছৰৰ ওপৰৰ পুৰুষ প্ৰাপ্তবয়স্ক। তেনে ব্যক্তিয়ে যদি বাল্য বিবাহৰ চুক্তি কৰে, তেওঁক কঠোৰ কাৰাদণ্ডৰ শাস্তি দিয়া হ'ব যিটো দুবছৰলৈকে বা এক লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব পাৰে।

ধাৰা- ১০- কোনো ব্যক্তিয়ে যদি বাল্য বিবাহ কৰে, পৰিচালনা কৰে বা নিদেৰ্শনা বা সহায় কৰে তেওঁক কঠোৰ কাৰাদণ্ডৰ শাস্তি দিয়া হয় যিটো দুই বছৰলৈকে হ'ব পাৰে।

ধাৰা- ১১- বাল্য বিবাহৰ প্ৰচাৰ বা অনুমতি দিয়াৰ শাস্তি। কোনো বাল্য বিবাহৰ চুক্তিত শিশুৰ দায়িত্ব থকা যিকোনো ব্যক্তিয়ে, সেয়া পিতৃ-মাতৃ বা অভিভাৱক হিচাপেই হওঁক বা আন কোনো ব্যক্তি হিচাপেই হওঁক যিয়ে বাল্য বিবাহত অংশগ্ৰহণকে ধৰি বিবাহৰ প্ৰচাৰৰ বাবে অনুমতি দিয়া যিকোনো কাৰ্য বা গাফিলতিৰে ইয়াক বন্ধ কৰি ৰখাত বাধা দিব নোৱাৰিলে কঠোৰ কাৰাদণ্ডৰ শাস্তি হ'ব যিটো দুই বছৰলৈকে হ'ব পাৰে।

ধাৰা- ১২- কিছুমান বিশেষ পৰিস্থিতিত নাবালক সন্তানৰ বিবাহ বাতিল কৰা হয়। যেনে-

ক) বৈধ অভিভাৱকৰ পৰা বাহিৰলৈ লৈ যোৱা বা





প্ৰলোভিত কৰা হয়।

খ) প্ৰতাৰণামূলক উপায়েৰে যিকোনো ঠাইলৈ যাবলৈ প্ৰৰোচিত কৰা।

গ) বিবাহৰ উদ্দেশ্যে বিক্ৰী কৰা হয় বা অনৈতিক উদ্দেশ্যত বিক্ৰী বা সৰবৰাহৰ বাবে।

ধাৰা- ১৩- বাল্য বিবাহ নিষিদ্ধ কৰা নিষেধাজ্ঞা জাৰি কৰাৰ আদালতৰ ক্ষমতা।

ধাৰা- ১৪- নিষেধাজ্ঞাৰ আদেশ উলংঘন কৰি বাল্য বিবাহ বাতিল কৰা। ধাৰা ১৩ ৰ অধীনত জাৰি কৰা নিষেধাজ্ঞাৰ আদেশ উলংঘা কৰি গম্ভীৰভাৱে কৰা যিকোনো বাল্য বিবাহ আৰম্ভণিতে বাতিল হ'ব।

ধাৰা- ১৫- অপৰাধসমূহ চিনাক্তকৰণযোগ্য আৰু জামিনহীন হ'ব লাগিব।

ধাৰা- ১৬- বাল্য বিবাহ নিষেধাজ্ঞা বিষয়া।

ধাৰা- ১৭- বাল্য বিবাহ নিষেধাজ্ঞা বিষয়াক ৰাজহুৱা সেৱক হ'ব।

**এই আইনৰ অধীনত অপৰাধ আৰু ইয়াৰ শাস্তি ঃ**

**পুৰুষ প্ৰাপ্তবয়স্কৰ শাস্তি ঃ** যদি ১৮ বছৰৰ ওপৰৰ প্ৰাপ্তবয়স্ক পুৰুষে বাল্য বিবাহৰ চুক্তি কৰে তেন্তে তেওঁক ২ বছৰৰ বাবে কঠোৰ কাৰাদণ্ড বা এক লাখ টকা বা দুয়োটা জৰিমনা বিহা হ'ব।

**বাল্য বিবাহ অনুষ্ঠিত কৰাৰ শাস্তি ঃ** যদি কোনো ব্যক্তিয়ে বাল্য বিবাহ কৰে, পৰিচালনা কৰে, নিৰ্দেশ প্ৰদান কৰে বা সহায় কৰে তেন্তে তেওঁক ২ বছৰৰ বাবে কঠোৰ কাৰাদণ্ড বা এক লাখ টকা বা দুয়োটা জৰিমনা বিহা হ'ব।

**বাল্য বিবাহৰ প্ৰচাৰ / গম্ভীৰ অনুমতি দিয়াৰ শাস্তি ঃ** শিশুৰ দায়িত্ব থকা যিকোনো ব্যক্তিয়ে পিতৃ-মাতৃ বা অভিভাৱক হওঁক বা ব্যক্তিৰ সংগঠন বা সংঘৰ সদস্যক ধৰি কোনো ব্যক্তিয়ে এনে বিবাহৰ প্ৰচাৰৰ বাবে যদি কোনো কাম কৰে বা বাল্য বিবাহৰ অনুমতি দিয়ে বা গাফিলতিৰে ইয়াক বাধা দিব নোৱাৰে বৰং তেনে বিবাহত অংশ গ্ৰহণ কৰে তেনে ব্যক্তিক কঠোৰ কাৰাদণ্ড বা এক লাখ টকা বা দুয়োটা জৰিমনা বিহা হ'ব।

**মহিলাৰ ৰক্ষণাবেক্ষণ আৰু বাসস্থানৰ ব্যৱস্থা ঃ** জিলা আদালতে বাল্য বিবাহ বাতিলৰ অনুমতি দিয়াৰ সময়ত পুৰুষ চুক্তিবদ্ধ পক্ষক, মহিলা চুক্তিবদ্ধ পক্ষক ভৰণ-পোষণৰ ধন দিবলৈ নিৰ্দেশ দি অন্তৰৰ্তীকালীন বা চূড়ান্ত আদেশ দিয়ে। যদি পুৰুষ চুক্তিবদ্ধ পক্ষ নাবালক হয় তেন্তে আদালতে পিতৃ-মাতৃ / অভিভাৱকক নাবালকজনক নিৰ্দেশ দিব, মহিলা চুক্তিবদ্ধ পক্ষক ভৰণ-পোষণৰ ধন দিবলৈ। মহিলা চুক্তিবদ্ধ পক্ষই তাইৰ পুনৰ বিবাহলৈকে ভৰণ-পোষণ লাভ কৰাৰ অধিকাৰ আছে।

**সামৰণি ঃ** সমগ্ৰ ভাৰবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো বাল্য বিবাহ এক সামাজিক ব্যাধিত পৰিণত হৈছে। ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহে এই সামাজিক ব্যাধিস্বৰূপ বাল্য বিবাহ প্ৰতিৰোধ কৰাৰ কাৰণে সময়ে সময়ে বিভিন্ন আইন প্ৰণয়ন কৰিছে আৰু ইয়াৰ জৰিয়তে বাল্য বিবাহ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰি আহিছে। বাল্য বিবাহ প্ৰতিৰোধ আইন, ১৯২৯, বাল্য বিবাহ নিৰ্মূল আইন, ১৯৪৯ আৰু বাল্য বিবাহ প্ৰতিৰোধ আইন, ২০০৬ এই ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ। উপনিৱেশিক ভাৰতবৰ্ষৰ পৰাই স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ বৰ্তমানলৈকে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰসমূহে প্ৰণয়ন কৰা আইনসমূহৰ জৰিয়তে যদিও সমাজত বাল্যবিবাহ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লোৱা হৈছে, তথাপিও আমাৰ সমাজ ব্যৱস্থাত এই সামাজিক ব্যাধিস্বৰূপ বাল্য বিবাহ বিভিন্ন ধৰণে বিভিন্ন অঞ্চলত প্ৰচলিত হৈয়ে আহিছে, যিয়ে সমাজত নাৰী শিক্ষাত বাধাৰ সৃষ্টি কৰিছে আৰু লিংগ বৈষম্যই সমাজৰ সামগ্ৰীক বিকাশ, সমশিক্ষা আৰু সম অধিকাৰ আৰু সম-বিকাশত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তথাকথিত আইনসমূহে যদিও কিছুক্ষেত্ৰত বাল্য বিবাহ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধত সফল হৈছে, তথাপিও সমাজৰ অভ্যন্তৰত আধুনিক শিক্ষাৰ সফল ৰূপায়ণ, ইয়াত নাৰীৰ অন্তৰ্ভূক্তিকৰণ আৰু জনসাধাৰণৰ সজাগতাই হ'ব বাল্য বিবাহ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ মূলনীতি।

ঃ কৌতুক ঃ

শিক্ষক ঃ হস্পিটাল কি বা কাক কয়?

ছাত্ৰ ঃ পৃথিৱীৰ পৰা স্বৰ্গলৈ যোৱা ৰাজপথত যি টোল প্লাজা থাকে তাকেই হস্পিটাল কোৱা হয়।

# স্মাৰ্টফোন (এক পৰ্যালোচনা)

**মীৰ ৰবিউল আউৱাল**
অংশকালীন প্ৰবক্তা
অসমীয়া ঃ বিভাগ

একবিংশ শতিকাৰ এই সময় বিজ্ঞান আৰু প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল। বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰভাৱ এতিয়া মানুহৰ ওপৰত ইমান বিস্তাৰিত হৈছে যে মানুহ ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে ইয়াৰ ওপৰত নিৰ্ভৰশীল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অন্যতম অৱদান হৈছে স্মাৰ্টফোন।

স্মাৰ্টফোন কি? ই হ'ল Advance Technology ৰ অন্যতম নিদৰ্শন, য'ত বিভিন্ন Application ৰ দ্বাৰা আমি Social Network side ৰ লগত সহজে সংযোগ স্থাপন কৰিব পাৰো। আগতেই Networking ৰ নিচিনা কামবোৰৰ বাবে কম্পিউটাৰ ব্যৱহাৰ হৈছিল। এতিয়া স্মাৰ্টফোনেৰেই এই কামবোৰ সহজে কৰিব পাৰি। একবিংশ শতিকাৰ অন্যতম নিদৰ্শন স্মাৰ্টফোন, যিয়ে আমাৰ কামবোৰ সহজসাধ্য কৰি তুলিছে। আমাৰ প্ৰয়োজনীয় কামবোৰ এতিয়া অতি সহজতে স্মাৰ্টফোনত কৰিব পাৰো যাৰ বাবে আমি বেলেগৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। Email, Gmail ৰ জৰিয়তে আমি মুহূৰ্ততে আমাৰ প্ৰয়োজনীয় নথি, তথ্য আদিবোৰ বেলেগকৈ পঠিয়াব পৰা হৈছো। চাকৰি, বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ প্ৰমাণ পত্ৰ আমি এতিয়া এই স্মাৰ্টফোনৰ জৰিয়তে দাখিল কৰিব পাৰো। ইয়াৰ জৰিয়তে আমি বেংকলৈ নোযোৱাকৈয়ে ঘৰতেই বহি বেংকৰ লেনদেন কৰিব পাৰো। আমাৰ লাগতিয়াল সা-সামগ্ৰী, কাপোৰ আদিৰ বজাৰ কৰিব পাৰো। কোনোবা অচিনাকি ঠাইলৈ গ'লে স্মাৰ্টফোনৰ জৰিয়তে হোটেল বুক কৰিব পাৰো। ৰেল, উৰাজাহাজ আদিৰ টিকট বুক কৰিব পাৰো। ইয়াৰ উপৰিও Google Application বোৰৰ দ্বাৰা যিকোনো বাতৰি, নজনা কথা, সাধাৰণ জ্ঞান আদি জানিব পাৰো।

স্মাৰ্টফোনৰ অন্যতম অংশ হৈছে Social Media, Facebook, Twitter, Whatsapp, Instagram, Telegram, youtube ইত্যাদি। Facebook ৰ জৰিয়তে আমি বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ লগত চা-চিনাকি আৰু বন্ধুত্ব স্থাপন কৰিব পাৰো। Twitter ৰ জৰিয়তে আমি বিভিন্ন মানুহ, নেতা, খেলুৱৈ, অভিনেতা-অভিনেত্ৰী আদিৰ লগত পোনপটীয়াভাৱে মত-বিনিময় কৰিব পাৰো। এই ছোচিয়েল মিডিয়া আমাৰ বাবে এক ৰোমাঞ্চকৰ আহিলা হৈ পৰিছে। আনহাতে ই আমাৰ দৈনন্দিন জীৱনত এক প্ৰকাৰৰ মহা ব্যাধি হৈ পৰিছে। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে স্মাৰ্টফোনৰ প্ৰতি আসক্তি থকা দেখা যায়। আজিকালি ছাত্ৰ-ছাত্ৰীসকলে কিবা বুজি নাপালে বা অৰ্থ নাজানিলে Google ৰ সহায় লয়। কিন্তু প্ৰতিক্ষেত্ৰতে Google য়ে ইয়াক সঠিক উত্তৰ দিব নোৱাৰিবও পাৰে। বিজ্ঞানৰ সূত্ৰ সমূহৰ ওপৰত বিভিন্ন সময়ত বিভিন্ন বিজ্ঞানীয়ে গৱেষণা চলাই ইয়াৰ ৰহস্য আৰু সূত্ৰ আৱিষ্কাৰ কৰে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে ভুল শব্দ চাবলৈ গ'লে ই আমাৰ সম্পৰ্কবোৰতো ব্যাঘাত জন্মায়।

বহুতেই এই নিচাত আসক্ত হৈ নিজস্বতা হেৰুৱাই পেলায়। সদায় নতুন নতুন মানুহৰ লগত চিনাকি হৈ পাছলৈ এই চিনাকি বন্ধুত্বলৈ পৰিণত হয়। মোবাইল জগতৰ এই পৃথিৱীখনক Virtual world বুলি কয়। মানুহ বিলাক এই Virtual World ত ইমানেই গভীৰভাৱে সোমাই পৰে যিয়ে আমাৰ বাস্তৱ জীৱনটোত প্ৰভাৱ পেলায়। কেতিয়াবা Social Media ৰ জৰিয়তে বিভিন্ন ভুৱা বাতৰি প্ৰচাৰ হয়। যিয়ে বহুক্ষেত্ৰত হিংসাত্মক ৰূপ লয় আৰু প্ৰচাৰিত হোৱা বাতৰিটো সত্য হয় নে নহয় বিবেচনা নকৰি অপপ্ৰচাৰ চলায় যাৰ পৰিণতি অতি ভয়াবহ হয়।

যিকোনো বস্তুৰেই ভাল বেয়া দুটা দিশ আছে। আমি বেয়াখিনি পৰিত্যাগ কৰি ভালখিনিৰ ব্যৱহাৰ কৰিব লাগিব। লগতে আমি যুগৰ লগত নিজকে খাপ খুৱাই চলিব লাগিব। একবিংশ শতিকাৰ লোক হিচাপে আমি প্ৰযুক্তিৰ এই সুবিধাখিনি গ্ৰহণ কৰিব লাগিব কিন্তু নিজস্বতা বৰ্তাই ৰাখিহে। আমি স্মাৰ্টফোনৰ উচিত ব্যৱহাৰ শিকিব লাগিব। এই প্ৰযুক্তিৰ পৰা নিজকে মুক্ত কৰিবলৈ আমি নিজক বিভিন্ন কামত ব্যস্ত ৰাখিব লাগিব। নহ'লে এই আসক্তিয়ে মহামাৰীৰ ৰূপ লৈ আমাক ধ্বংসৰ গৰাহলৈ ঠেলি দিব।





# বৰপেটাৰ ফাকুৱা উৎসৱ আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশ

**মোঃ শ্বফিকুল ইছলাম**
লাইব্ৰেৰী সহায়ক,
নৱজ্যোতি মহাবিদ্যালয়

**আৰম্ভণি ও উৎপত্তি ঃ** শীতৰ শেষত ফাগুন আহে। ফাগুন মানেই ৰং বিৰঙৰ উৎসৱ, আনন্দৰ উৎসৱ। ফাগুনেই আনে উৎসৱৰ বতৰা। এইখিনি সময়তেই উদ্‌যাপন হ'বলৈ ধৰে শিৱৰাত্ৰি, মিচিংসকলৰ কৃষিমূলক উৎসৱ আলি আয়ে লৃগাং, ৰাভা সকলৰ খেৰাই উৎসৱ, ডিমাচা সকলৰ গেৰুৱা উৎসৱ (গেৰবা পূজা), চাহ জনজাতি সকলৰ বিভিন্ন উৎসৱ পাৰ্বন আৰু উদ্‌যাপন হয় ৰঙৰ উৎসৱ 'ফাকুৱা'। জাতি ধৰ্ম বৰ্ণ-নিৰ্বিশেষে পালন কৰা ফাকুৱা উৎসৱ প্ৰেম, একতা আৰু ভ্ৰাতৃত্ববোধৰ শ্ৰেষ্ঠ উদাহৰণ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই ফাকুৱাক মহান মানৱ প্ৰেমৰ আদৰ্শৰূপে পালন কৰি জাতিৰ ভেদা-ভেদ দূৰ কৰাৰ চেষ্টা কৰিছিল।

প্ৰতিটো উৎসৱৰ লগত নানা প্ৰবাদ, কাহিনী, কিংবদন্তি জড়িত হৈ থকাৰ দৰে এই ফাকুৱা উৎসৱৰ লগতো বহুতো প্ৰবাদ, পৌৰাণিক আখ্যান, কিংবদন্তি জড়িত হৈ আছে। পুৰাণৰ আখ্যান মতে, ব্ৰজধামত শ্ৰীকৃষ্ণই কৰা নানা লীলাৰ ভিতৰত এই দৌল উৎসৱ বা ফল্গুৎসৱ অন্যতম। প্ৰবাদ অনুসৰি অসুৰৰাজ হিৰণ্যকশিপুৱে ব্ৰহ্মাৰ বৰ লাভ কৰি অত্যন্ত অহংকাৰী আৰু অত্যাচাৰী হৈ পৰিছিল। বিষ্ণু আছিল তেওঁৰ পৰম শত্ৰু। কাৰণ বিষ্ণুৱে তেওঁৰ ভ্ৰাতৃক বধ কৰিছিল। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আছিল একান্ত বিষ্ণু ভক্ত। পুত্ৰক বিষ্ণু ভক্তিৰ পৰা বিৰত থাকিবলৈ বুজোৱাৰ পাছতো অবুজ হৈ থকা প্ৰহ্লাদক হিৰণ্যকশিপুৱে অৱশেষত হত্যা কৰাৰ পৰিকল্পনা কৰিলে। হিৰণ্যকশিপুৰ মাংস লুলুপা এগৰাকী ভগ্নী আছিল। তাই নৰমাংস খাবলৈ নাপালে তৃপ্তি বোধ কৰা নাছিল। সেই অনুসৰি হোলিকাকে মাতি আনে। হিৰণ্যকশিপুৱে প্ৰহ্লাদক জুইত পুৰি হত্যা কৰিবলৈ আদেশ দিয়ে। কিন্তু এই ঘটনাত সেই হোলিকাই প্ৰাণ আহুতি তথা প্ৰাণ হেৰুৱায় (হিৰণ্যকশিপুৰ ভগ্নী-হোলিকা)। আনহাতে নাৰায়ন বিষ্ণুৰ কৃপাত-প্ৰহ্লাদৰ প্ৰাণ ৰক্ষা পৰে। গতিকে ইয়াৰ পৰাই অনুমান কৰি কব পাৰি যে, এই হোলিকা নামটোৰ পৰাই হয়তো হোলী শব্দটোৰ উৎপত্তি হৈছে। যাৰ কাৰণেই উক্ত এই উৎসৱটোক অশুভ শক্তিৰ বিপৰীত শুভ শক্তিৰ জয় প্ৰতীকী অৰ্থত প্ৰকাশ কৰা হয় যেন লাগে।

জনশ্ৰুতি অনুসৰি আমাৰ ভাৰতবৰ্ষত উদযাপন হোৱা 'ফাকুৱা' প্ৰথম। উদ্‌যাপন হৈছিল বৈকুণ্ঠত। জনবিশ্বাস অনুসৰি এই উৎসৱমুখৰ পৰিৱেশত শ্ৰীকৃষ্ণক দোলাত তুলি নানা গীত নৃত্য কৰি স্বতঃস্ফূৰ্ত আনন্দ প্ৰকাশ কৰিছিল। এই উৎসৱৰ পিছলৈ দেৱলোকলৈ যায় আৰু শেষত মানৱ সমাজত ই উদ্‌যাপন হ'বলৈ ধৰে আৰু আজি মানৱ সমাজত ই স্বতঃস্ফূৰ্তভাৱে হৈ চলি আছে।

অসমত দৌল উৎসৱক 'ফাকুৱা' বা ফল্গুৎসৱ হিচাপে উদযাপন কৰা হয়। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সময়ৰ পৰাই ফাকুৱা বা দৌল উৎসৱ পালিত হৈ আহিছে। আনহাতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেই ইয়াৰ প্ৰৱৰ্ত্তক বুলি জনা যায়। গুৰুজনাই পোন প্ৰথমে অসমত মানুহক কৃষ্ণভক্তিৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল আৰু যাৰ বাবে ভাগৱতৰ আৰ্হিত বৰদোৱাত এই ফল্গুৎসৱ বা দৌল উৎসৱৰ শুভাৰম্ভ কৰে। বৰদোৱা গুৰু চৰিতত এই সম্পৰ্কে বিতং তথ্য পৰিপূৰ্ণভাৱে উল্লেখ

আছে। গতিকে গুৰু জনাই প্ৰৱৰ্তন কৰা দৌল উৎসৱ আজিও অসমৰ সত্ৰসমূহত স্ব-মহিমাৰে পালিত তথা মহামণ্ডিত হৈ আছে।

আনহাতে, মহাপুৰুষজনাৰ আৰ্হি আদৰ্শৰে মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই দ্বিতীয় বৈকুণ্ঠপুৰী হিচাপে জনাজাত বৰপেটা সত্ৰত এই দৌল বা ফাকুৱা তথা ফল্গুৎসৱৰ শুভাৰম্ভ কৰে আৰু তেতিয়াৰ পৰাই আজিলৈকে বৰপেটা সত্ৰত নীতি আৰু পৰম্পৰাৰে উদ্‌যাপিত হৈ আহিছে এই বিখ্যাত দৌল উৎসৱ। বৰ্তমান সময়ত বৰপেটাৰ এই দৌল উৎসৱ গোটেই ভাৰতবৰ্ষ জুৰি বিখ্যাত হৈ পৰিছে। নক্ষত্ৰৰ গণনা অনুসৰি বৰপেটাৰ সত্ৰৰ দেউল তিনিদিনীয়া, চাৰিদিনীয়া অথবা পাঁচদিনীয়াকৈ পালন কৰা হয়। সচৰাচৰ ফাগুনত উদ্‌যাপিত হোৱা দেউল বুলি ক'লে ইয়াক চাৰি বা পাঁচদিনীয়াকৈ পালন হোৱা বুজায় আৰু যাৰ বাবে ইয়াক ডেকা দেউল বুলি কোৱা হয়। আনহাতে, চ'ত মাহত হোৱা দেউল তিনিদিনীয়া, সেইবাবে ইয়াক বুঢ়া দেউল বুলি কোৱা হয়। দৌল উৎসৱৰ প্ৰথম দিনা গন্ধ বা বহ্নোৎসৱ বুলি কোৱা হয়। মাজৰ দুই তিনিদিন ভৰদেউল আৰু পিছত শেষৰ দিনা 'হোলী' বা 'ফাকুৱা' যাক স্থানীয়ভাৱে জনা যায় 'সুৱেৰী বা স-ৰি' বুলি। ইয়াৰে প্ৰথম দিনা ভক্ত সৱে নল খাগৰি ইকৰা আদি কাটি আনি কীৰ্তন ঘৰৰ সন্মুখৰ চোতালত এটা প্ৰকাণ্ড মেজি সজায়। আবেলি দৌল গোবিন্দক মনিকূট ঘৰৰ পূৱে দুৱাৰেদি খোল-তাল বজাই বাহিৰলৈ আনি মঠৰ চোতালত এখন বৰ শৰাইত থয়। ইয়াৰ পিছত চোতালত সজাই থোৱা মেজি ঘৰটো জ্বলাই প্ৰজ্বলিত মেজিটোৰ চাৰিওফালে কলীয়া গোসাইক শ্ৰীকৃষ্ণৰ বিগ্ৰহ গায়ন বায়ন সমন্বিতে ভক্তসৱে ঢোলক-তাল-মৃদংগ আদি বাদ্য বজাই হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে আৰু উক্ত সময়তেই দৌলগৃহৰ ওচৰত নানা ধৰণৰ আঁতচবাজী ফুটাই এক অনন্য পৰিৱেশৰ সৃষ্টি কৰা হয়। এইখিনিতে এটা কথা বিশেষভাৱে স্পষ্ট হয় যে, আতজবাজীৰ প্ৰদৰ্শন গন্ধ উৎসৱৰ এক বিশেষ আকৰ্ষণ।

গন্ধ উৎসৱৰ পিছদিনা ভৰ দেউল। সেইদিনা বিভিন্ন ঠাইৰ পৰা যোৱা ভক্ত সকলে মহাপ্ৰভূক দৰ্শন কৰি 'ফাঁকু' অৰ্থ্যাৎ ৰং ছটিয়াই সেৱা জনাই ভক্তি নিবেদন কৰে। সেইদিনাই সত্ৰৰ চৌহদৰ ভিতৰত সৰু ঢুলীয়া বৰ ঢুলীয়া, ঢুলীয়া নৃত্য, ওজাপালি আদি অনুষ্ঠান পৰিৱেশনে সত্ৰৰ চাৰিও দিশ মূখৰিত হৈ পৰে। ইয়াৰ উপৰিও শংকৰী সংস্কৃতিৰ বিভিন্ন গীত মাত নৃত্য আদিৰ উপৰিও হোলী গীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নিশাৰ ভাগত দক্ষিণ হাটী, ন-হাটী আৰু বৃন্দাবন হাটীৰ স্থানীয় শিল্পীৰ দ্বাৰা ভাগৱত পুৰাণৰ আধাৰত ৰচিত ধৰ্মমূলক নাট পৰিৱেশনো কৰে।

**সামৰণিঃ-** দৌল উৎসৱৰ শেষৰ দিনা উদ্‌যাপিত হয় 'ফাকুৱা' (ৰং ছটিওৱা) বা সুৱেৰী উৎসৱ। এই উৎসৱ কৃষ্ণ আৰু ইন্দ্ৰদ্যুম্ন ৰজাৰ জীয়ৰী ঘুনুচা আৰু লক্ষ্মীদেৱীৰ প্ৰেম বিৰহৰ কাহিনীৰ লগত সংগতি ৰাখি কৰা হয়। কীৰ্তন পুথি মতে, ঘুনুচাৰ ঘৰত কিছুদিন কটাই কৃষ্ণ আহি নিজ গৃহত সোমাব খোজাত ভাৰ্য্যা লক্ষ্মী দেৱীয়ে লগুৱাৰ দ্বাৰা বাধা দিয়ে। ফাকুৱাৰ দিনা গোসাঁইক ঘুনুচাৰ ঘৰ বুলি ভবা আঁতৰৰ এখন পথাৰলৈ 'হেকেটা' (মাহজাতীয় শস্য) খুৱাবলৈ নিয়া হয়। ইয়াকেই গোঁসাইক সেই হেকেটা খোৱা বুলি কোৱা হয়। এই সম্পৰ্কে তথ্যভিত্তিক পৌৰাণিক আখ্যান ভাগৱত পুৰাণত পোৱা যায়। গোঁসাইক হেকেটা খোৱাৰ পাছত পুনৰ সমদলেৰে ওভতাই অনা হয়। ইয়াৰ পাছত মূল কীৰ্তন ঘৰৰ টুপৰ চোতালত বাঁহ ভঙা পৰ্ব আৰম্ভ হয়। ইয়াত প্ৰতিবাৰতেই এচাম ভকতে গোসাঁইক মণিকূটত নি থব খোজে, কিন্তু আন এচামে বাঁহৰ হেঙাৰ দি বাধা দিয়ে। ইয়াত এচাম ভকত যেন লক্ষ্মীৰ ফলীয়া আৰু আন এচাম কৃষ্ণৰ ফলীয়া। এই উক্ত বাঁহ চাৰিডালৰ দুডাল উত্তৰ হাটীৰ, এডাল দক্ষিণ হাটীৰ আৰু এডাল ন-হাটীৰ পৰা যোগান ধৰা হয়। উক্ত হাটীৰ ডেকা ল'ৰাবোৰেই নানা উৎসাহ উদ্দীপনাৰে টনা আজোৰা কৰি এডালৰ পাছত এডালকৈ বাঁহ কেইডাল ভাঙি পেলায় আৰু অৱশেষত গোসাঁই জিকিল বুলি ধৰি লোৱা হয় আৰু যথাৰীতি অনুসৰি গোসাঁইক সত্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰোৱাই কীৰ্তনঘৰৰ চৌপাশে সাত পাক ঘূৰোৱাৰ পাছত পুনৰ সত্ৰৰ মঠৰ চোতালত 'বোল-বোলনী' অনুষ্ঠান আৰম্ভ





হয়। উক্ত এই অনুষ্ঠানটিৰ সামৰণিৰ লগে লগেই গোসাঁইক পুনৰ মণিকূট গৃহত প্ৰৱেশ কৰোৱাই যথা সম্ভৱ স্থানত ৰখা হয় আৰু এনেদৰেই সামৰণি পৰে ঐতিহ্যপূৰ্ণ বৰপেটাৰ মহাকাব্যিক দৌল মহোৎসৱ।

**ঐতিহ্য ঃ** বৰপেটাৰ দৌল উৎসৱৰ লগত অভিন্ন হৈ আছে বৰপেটা বাসীৰ হৃদয় স্পন্দন। এই উক্ত সময়ত প্ৰতিজন বৰপেটা বাসীৰ মনপ্ৰাণ উলাহত নাচি উঠে। বৰপেটা সত্ৰত উদ্‌যাপিত হৈ উঠা শ্ৰীকৃষ্ণৰ দৌল উৎসৱে সৰ্ব ভাৰতীয় স্তৰত উদ্‌যাপিত হোৱা উৎসৱ সমূহৰ ভিতৰত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। দৌল উৎসৱত হোলী গীত গোৱা এক বিশেষ আকৰ্ষণীয় বিষয়। এই হোলী গীত হৈছে বৰপেটীয়াৰ আয়ুস ৰেখাসদৃশ। আনহাতে, এইটো স্পষ্টকৈ দেখা যায় যে, হিন্দু সকলৰ লগতে অইন ধৰ্মৰ লোকেও এই দৌল মহোৎসৱৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কাৰণ এই উৎসৱ কেৱল হিন্দু সকলৰ যে, সেইটো সঁচা কিন্তু ইয়াত বিশেষকৈ বৰপেটাবাসী ৰাইজৰ উৎসৱ বুলি সকলোৱে ইয়াক লৈ গৌৰৱবোধ কৰিবলৈ অকনো কুণ্ঠাবোধ নকৰে। যাৰ বাবে সকলোৱে হয়তো হিল-দল ভাঙি ইয়াৰ পৰা তৃপ্তি লাভ কৰিবলৈ নাপাহৰে। দৌল উৎসৱৰ এমাহ দিন কাল বাকী থাকোতেই বৰপেটাৰ চৌদিশে হোলী গীতেৰে মুখৰিত হৈ পৰে। দৌল উৎসৱৰ লগত সংগতি ৰাখি বৰপেটাৰ বিভিন্ন স্থানত চলে হোলী গীত প্ৰতিযোগিতা।

বৰপেটাৰ এই দৌল উৎসৱ উপলক্ষে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহৰ আগমন ঘটে। সত্ৰৰ কৰ্তৃপক্ষই অতিথি সকলক থকা খোৱাৰ সা-সুবিধা কৰি দিয়ে। ইয়াৰ উপৰিও প্ৰতিখন ঘৰতে আলহী অতিথি আহি থাকেহি। কথিত আছে যে, বৰপেটাৰ যিখন ঘৰলৈ দেউল চাবলৈ আলহী অতিথি নাহে সেইখন ঘৰৰ মানুহে নিজকে যেন দুৰ্ভাগ্য বুলিয়েই ভাৱে। পৰিৱৰ্ত্তিত সময়ৰ ধামখুমীয়াত কিছু পৰিবৰ্তন হৈছে যদিও দৰ্শনাৰ্থীৰ সংখ্যা কিন্তু আজিও কমা নাই। গতিকে অতীত কাল উনুকিয়ালে বুজা যায় যে, আমাৰ বৰপেটাৰ যি ঐতিহ্য তাৰ যেন কোনো অৱক্ষয় হোৱা নাই আৰু ই হয়তো আমাৰ সমাজৰ বিশেষকৈ বৰপেটাবাসীৰ এক অভিন্ন অংগ। প্ৰতি বছৰৰ দৰে আমি সদায় ব্যাকুল হৈ থাকো- কেতিয়া এই সোণালী উৎসৱ আহিব, আমি একেলগে আনন্দ কৰিম। মুঠতে দৌল উৎসৱ বৰপেটাবাসীৰ বাবে কেৱল উৎসৱ নহয় ই আমাৰ সম্পদ স্বৰূপ।

## সাঁথৰ

১। ওলমা পিঠা খাবলৈ মিঠা, হাজাৰ গোপীৰ এখন পিঠা। -মৌচাক।

২। আহোতে নাহে, পিছত আহে আকৌ যায় আকৌ আহে, পিছৰ বাৰ মুঠেই নাহে। - দাঁত।

# বিজ্ঞান অন্ধ-বিশ্বাসৰ উৰ্ধত

**ইকবাল খান**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

বৰ্তমান বিজ্ঞানৰ যুগ আৰু এই যুগৰ মানুহ হিচাপে আমি সকলোৱে গৌৰৱে অনুভৱ কৰোঁ। বিশ্বৰ সকলো কাৰ্য, সকলো প্ৰক্ৰিয়াৰে সু-সংবদ্ধ বিধি আছে, বিজ্ঞান হ'ল সেই প্ৰক্ৰিয়াবিধৰ প্ৰণালীবদ্ধ জ্ঞান। বিজ্ঞানৰ প্ৰধান কাম হ'ল সেই বিধিসমূহ উদ্‌ঘাটন কৰি প্ৰকৃতিক কৰায়ত্ত কৰা আৰু প্ৰকৃতিৰ গতিশক্তিক মানুহৰ সেৱাত নিয়োজিত কৰা। আকৌ প্ৰকৃতিক কৰায়ত্ত কৰি ক্ৰমাগত আগবাঢ়ি যোৱাটোৱেই মানৱ প্ৰগতি। গতিকে বিজ্ঞান হৈছে প্ৰগতিৰ মূলমন্ত্ৰ। বিজ্ঞানৰ উন্নতিয়েই সভ্যতাৰ ইতিহাস।

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ মানদণ্ড উন্নত হ'বলৈ ধৰিলে। জল, স্থল, আকাশ, বতাহ সকলোতে আজি বিজ্ঞানৰ ৰাজত্ব। ৰাতিপুৱা শুই উঠাৰে পৰা নিশা টোপনি যোৱালৈকে আমাৰ বিজ্ঞানৰ সংস্পৰ্শ অপৰিহাৰ্য। মুঠতে আমাৰ দৈনন্দিন ব্যৱহাৰ্য সকলো বস্তুৱেই বিজ্ঞানৰ অৱদান। বিজ্ঞান এতিয়া আমাৰ জীৱন। বিজ্ঞান অবিহনে আমি অন্ধ। বিজ্ঞানৰ চমকপ্ৰদ আৱিষ্কাৰে পৃথিৱীত যুগান্তৰ আনিলে। আজি কম্পিউটাৰ, ইন্টাৰনেটৰ যুগ। কম্পিউটাৰৰ সহায়ত মানুহে সকলো টান কাম অনায়াসে কৰিব পৰা হৈছে। কিন্তু দুখৰ বিষয় এই যে আমি চৰম উন্নতিৰ শীৰ্ষতৰ জখলা বগাবলৈ গৈয়ো অন্ধ-বিশ্বাসৰ পৰা হাত সাৰিব পৰা নাই।

সকলো দেশৰ সকলো সমাজতে অতীজৰে পৰা পৰম্পৰাগতভাৱে কিছুমান বিশ্বাস বা আচাৰ-আচৰণ চলি আহিছে। এইবোৰৰ কিছুমানত কোনো বৈজ্ঞানিক ভিত্তি আৰু যুক্তি বিচাৰি পোৱা নাযায়। কোনো এখন সমাজত এইবোৰৰ কিছু লোক-বিশ্বাস থাকিলেও বৰ্তমান সময়ত তাৰ কোনো উপযোগিতা নাই। আমাৰ সমাজত এনে এটা মাৰাত্মক অন্ধ-বিশ্বাস আছে যে, সন্তানৰ লিংগ নিৰ্ণয়ত মাকজনীকেই দায়ী কৰা হয়। যাৰ বৈজ্ঞানিক ভিত্তি সমাজৰ অধিকাংশ লোকৰেই জ্ঞাত নহয়। কিছুমান পৰিয়ালত কন্যা সন্তান জন্ম দিয়া মাতৃয়ে বহু লোকৰেই লাঞ্ছনাৰ সন্মুখীন হ'ব লগাত পৰে। আনকি এনেকুৱা ঘটনাও পঢ়িবলৈ পোৱা যায় যে কন্যা সন্তান জন্ম দিয়াৰ অপৰাধত মাতৃয়ে নানাধৰণৰ শাৰীৰিক অত্যাচাৰৰ সন্মুখীন হৈ অৱশেষত মৃত্যুৰ মুখত পৰে নাইবা স্বামীৰ ঘৰ ত্যাগ কৰিবলগীয়া হয়। ইয়াৰ বৈজ্ঞানিক তথ্যটো তলত দিয়া ধৰণৰ- মানুহৰ দেহৰ প্ৰতিটো কোষৰ কোষকেন্দ্ৰত ২৩ যোৰ ক্ৰ'মজ'ম থাকে। ইয়াৰ এযোৰ ক্ৰ'মজ'মক (X আৰু Y) বা যৌন ক্ৰ'মজ'ম বুলি নামকৰণ কৰা হয়। মহিলাৰ ক্ষেত্ৰত দুডাল X ক্ৰ'মজ'ম থাকে আৰু পুৰুষৰ ক্ষেত্ৰত এডাল X আৰু আনডাল Y ক্ৰ'মজ'ম থাকে। জনন কোষত মাত্ৰ এযোৰ ক্ৰ'মজ'ম থাকে। যেতিয়া X ক্ৰ'মজ'মযুক্ত এটা শুক্ৰাণুৱে ডিম্বাণুক নিষিদ্ধ কৰে তেতিয়া তাৰ পৰা সৃষ্টি হোৱা যোজন কোষটোত দুডাল X ক্ৰ'মজ'ম থাকিব আৰু ই এটা কন্যা সন্তান জন্ম দিব। যদি শুক্ৰাণুটোৱে Y ক্ৰ'মজ'মযুক্ত হৈ ডিম্বাণুক নিষিদ্ধ কৰে তেতিয়া তাৰ পৰা সৃষ্টি হোৱা যোজনকোষটোত দুডাল ক্ৰ'মজ'ম Y আৰু X থাকিব আৰু ই এটা ল'ৰা সন্তানৰ জন্ম দিব। গতিকে দেখা যায় পিতৃৰ যৌন ক্ৰ'মজ'মে হ'বলগা সন্তানৰ লিংগ নিৰ্ণয় কৰে। মাতৃয়ে শিশুৰ লিংগ নিৰ্ণয়ত ভূমিকা লয় বুলি থকা মানুহৰ বিশ্বাস যুক্তিসংগত নহয় আৰু ই ভুল ধাৰণা।

মানৱ প্ৰগতিৰ ইতিহাসৰ পৰা জনা যায় যে অন্ধ-বিশ্বাসৰ পৰা সমাজক সংস্কাৰমুক্ত কৰিবলৈ গৈ অনেক ব্যক্তিয়ে নানান প্ৰতিকূলতাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। আনকি প্ৰাণ বিসৰ্জন দিবলগীয়াও হৈছিল। আচাৰ-আচৰণ আৰু প্ৰাকৃতিক পৰিঘটনাৰ লগতে ভালেমান অন্ধ-বিশ্বাস জড়িত যেনে- যাত্ৰা কালত কোনোবাই হাঁচিয়ালে বা জেঠীয়ে টিক্ টিক্ কৰিলে যাত্ৰা ভংগ হোৱা বুলি ভৱা, ৰোগ হ'লে চিকিৎসা নকৰি জৰা-ফুকা কৰি দেৱ দেৱীক পূজা অৰ্চনা কৰা, সৌভাগ্য উদয়ৰ বাবে ৰত্নৰ আঙুঠি পিন্ধা, পৰীক্ষা চলি থকা দিনত আলু, কণী নোখোৱা, আকাশত নেজাল তৰা ওলালে কোনোবা ৰজা মহাৰজা বা বৰলোকৰ মৃত্যুৰ সংকেত দিয়া, চন্দ্ৰ গ্ৰহণ, সূৰ্য গ্ৰহণ আদিত অপায়-অমংগলে দেখা দিয়া, ধূমকেতুৱে যুদ্ধ বিগ্ৰহ, মহামাৰী আৰু বানপানীৰ লেখীয়া দুৰ্যোগৰ আগ জাননী দিয়ে। এইবোৰৰ কোনো বাস্তৱিকতা নাই। এইবোৰ প্ৰাকৃতিক পৰিঘটনাহে মাথোন। সমূহীয়া প্ৰাৰ্থনা, নাম প্ৰসংগ, পূজা-পাৰ্বণ, যাগযজ্ঞৰ দ্বাৰা এইবোৰৰ নিৰাময় কৰিব নোৱাৰি। আমি বাতৰিত প্ৰায়ে পঢ়িবলৈ বা শুনিবলৈ পাওঁ যে, দেও ভূত, ডাইনী, যখিনীৰ বলি হৈ মানুহে মৃত্যুমুখত পৰিছে। আমাৰ জনজাতীয় সমাজত এতিয়াও 'ডাইনী' হত্যাৰ প্ৰচলন আছে। তেওঁলোকৰ বিশ্বাস 'ডাইনী' লভা পুৰুষ বা মহিলা সমাজৰ অপায় অমংগলৰ কাৰণ। গতিকে এনেকুৱা লোকৰ সমাজত বাস কৰাৰ অধিকাৰ নাই আৰু তেওঁলোকক নৃসংশভাৱে অত্যাচাৰ কৰি, জীৱন্তে প্ৰহাৰ কৰি বা অগ্নিদগ্ধ কৰি হত্যা কৰে। কিন্তু এইবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। আচলতে এইবোৰ মানুহৰ জটিল মনৰ বিকাৰহে।

শেষত মই মোৰ বন্ধু-বান্ধৱী তথা সমাজৰ লোক সকলৰ ওচৰত অনুৰোধ ৰাখিব খুজিছোঁ যে তেওঁলোকে যেন অন্ধ-বিশ্বাসৰ বশীভূত হৈ সমাজখনক বিপথে পৰিচালিত নকৰে। সমাজৰ প্ৰতিটো শ্ৰেণীয়ে যদি নিজকে অন্ধ-বিশ্বাসৰ পৰা সংস্কাৰমুক্ত কৰিব পাৰে তেতিয়া হ'লে আমাৰ সমাজখন নিকা আৰু সুস্থ হ'ব কিয়নো বিজ্ঞান অন্ধ-বিশ্বাসৰ উৰ্ধত।

ঃ কৌতুক ঃ

শিক্ষক ঃ ৰাতুল তুমি ক'ব পাৰিবানে দিল্লী আৰু চন্দ্ৰৰ ভিতৰত কোনখন বেছি দূৰত আছে?

ছাত্ৰ ঃ দিল্লী ছাৰ। চন্দ্ৰটো ইয়াৰ পৰা দেখা যায়, কিন্তু দিল্লী নেদেখি।

# মোবাইল

আছাদ আলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মোবাইল হ'ল দূৰসংযোগৰ বাবে ব্যৱহৃত এক সঁজুলি। পৰম্পৰাগত তাঁৰযুক্ত টেলিফোনৰ বিপৰীতে মোবাইল ফোন তাঁৰবিহীন আৰু ইয়াৰ আকাৰ সৰু হোৱাৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ ইয়াক কঢ়িয়াই লৈ ফুৰিবলৈ অতি সহজ। মোবাইল ফোনৰ অসমীয়া প্ৰতিশব্দ হ'ল ভ্ৰাম্যভাষ যন্ত্ৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মটৰলা কোম্পানীত কৰ্মৰত মাৰ্টিন কুপাৰ আৰু জনফ্ৰাঞ্চিচ মিচেল নামৰ বিজ্ঞানী দুজনে ১৯৭৩ চনত প্ৰথম তাঁৰবিহীন চেলুলাৰ ফোনবিধ নিৰ্মাণ কৰি উলিয়ায়। তাৰ পিছত কেইবাটাও ঢাপ পাৰ হৈ মোবাইল ফোনে আজিৰ স্তৰ লাভ কৰিছে। একেটা যন্ত্ৰৰে Message, E-mail, Phone Call, Camera, Internet ৰ সংযোজনেৰে ডাটা Browsing ইত্যাদি অলেখ কাম কৰিব পাৰি বাবেই ইয়াক স্মাৰ্ট ফোন বুলি কোৱা হয়।

মই সৰু থাকোঁতে এদিন হঠাৎ চিএত্তৰ-বাখৰ আৰম্ভ কৰিছিলো আৰু মোৰ মাক এটা মোবাইল ফোন কিনি দিব লাগে বুলি কৈছিলো। তাৰ পিছত মায়ে মোক এটা 'ডোম্মে চালে' ফোন কিনি দিছিল আৰু মই ভাবিছিলো ফোনত চাগে এই দুটি গানে থাকে আৰু সকলোৱে এই দুটি গানে শুনিবলৈ পায়। কিন্তু এটি দুটিকৈ দিন পাৰ হোৱাৰ পিছত দেখা পালো এই মোবাইল ফোনৰ কাম যে অপৰিসীম। সমাজত বৰ্তমান এনেকুৱা এটা পৰিৱেশৰ সৃষ্টি হৈছে যে এজন মানুহে মোবাইল অবিহনে এটি দিন পাৰ কৰা যেন টান হৈ পৰিছে। দেখিবলৈ পাওঁ পৃথিৱীৰ প্ৰতিটো বস্তুৰ বিষয়ে মোবাইলত লিপিবদ্ধ আছে তাৰ পিছতো আমাৰ জ্ঞান দিনে দিনে কমিহে গৈ আছে কাৰণ আমাৰ সমাজৰ বেছিভাগ লোকে মোবাইলক সঠিক পথত ব্যৱহাৰ নকৰে। বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ আব্দুল হামিদ চাহাবে এযাৰ কথা কৈছিল যে আমাৰ কলেজীয়া জীৱনত যদি এখন চিঠিও লিখিছিলো সঠিক ভাষাত লিখিছিলো কিন্তু আজিকালিৰ ছাত্ৰ-ছাত্ৰীয়ে চিঠি নিলিখে SMS হে লিখে। কিন্তু SMS ত ভাষা ব্যৱহাৰ কৰে বাংলা আখৰ লিখে ইংৰাজীত সেইবাবে বাংলা ভাষাও সঠিককৈ লিখিব নোৱাৰে।

মই ভাবো ঠিক একেদৰে আমাৰ অসমীয়া ভাষাৰো ক্ষতি হৈছে সেইবাবে আমি ভাতৰ ঠাইত বাত ভৰিৰ ঠাইত বৰি লিখি পেলাও। ইয়াৰো কাৰণ মোবাইল। মোৰ এজন শিক্ষক আছে তেওঁ যে মোৰ শিক্ষক অকল তেনেকুৱাও নহয় তেওঁ পিতৃ স্বৰূপ। তেওঁ মোক মাজে মাজে মাতি কয় মোৰ মোবাইলত আব্বাছ উদ্দিনৰ গান আনি দিয়া আৰু মই আনি দিলে তেওঁ শুনে কিন্তু মই তেওঁক দেখিছো প্ৰথম বিশ্বযুদ্ধ, দ্বিতীয় বিশ্বযুদ্ধ, ইংৰাজৰ শাসন কাল, স্বাধীন ভাৰতৰ বিভিন্ন ৰাজনৈতিক দলৰ শাসন আনকি বিশ্বৰ বিভিন্ন মহাদেশৰ বিভিন্ন ঘটনাৰ বিৱৰণ তেওঁ দিব পাৰে কিন্তু আমি কিয় দিব নোৱাৰো। মই ভাবো ইয়াৰ পৰা অনুমান কৰিব পাৰি যে আমি মোবাইল সঠিক ভাবে ব্যৱহাৰ নকৰো। সেয়ে আমি সকলোৱে মোবাইল সঠিক ভাবে ব্যৱহাৰ কৰিব লাগে। মোবাইলৰ সুবিধা অসুবিধা দুয়োটা দিশেই আছে গতিকে আমি মোবাইলৰ সুবিধা সমূহ গ্ৰহণ কৰিব লাগে আৰু অসুবিধা সমূহৰ পৰা আঁতৰত থাকিব লাগে।





# ছাত্ৰৰ কৰ্তব্য

ছিলিমা খাতুন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

**আৰম্ভণি ঃ** বিদ্যালয়, মহাবিদ্যালয় বা অন্যান্য শিক্ষানুষ্ঠানসমূহত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকল বা বিদ্যাৰ্থী সকলকে ছাত্ৰ বুলি কোৱা হয়। বিদ্যা অৰ্জনকেই ছাত্ৰৰ প্ৰধান কৰ্তব্য বুলি কোৱা হয়, যদিও বিদ্যা অৰ্জনৰ লগে লগে ছাত্ৰসকলে আন কিছুমান কৰ্তব্যও কৰি যাব লাগে।

সাধাৰণতে ছাত্ৰাৱস্থাকেই মানৱ জীৱনৰ ভেটি স্বৰূপ বুলি গণ্য কৰা হয়। সেয়েহে, এই সময়ছোৱাত ছাত্ৰসকলে ভালদৰে শিকি বুজি ভৱিষ্যতে এজন সৎ আৰু দক্ষ নাগৰিক হৈ নিজৰ লগতে দেশৰ উন্নতি সাধন কৰা উচিত।

**ছাত্ৰৰ মুখ্য কৰ্তব্য ঃ** বিদ্যা অৰ্জনেই ছাত্ৰৰ মুখ্য কৰ্তব্য। অৰ্থাৎ "ছাত্ৰানাং অধ্যয়নং তপঃ।" স্কুল-কলেজৰ শিক্ষা অৰ্জন কৰাটো প্ৰত্যেক ছাত্ৰৰে প্ৰাথমিক কৰ্তব্য। ছাত্ৰাৱস্থাৰ অধ্যয়নৰ ওপৰতহে সমগ্ৰ জীৱনৰ কালছোৱা নিৰ্ভৰশীল। এই সময়ছোৱাত ছাত্ৰ বা বিদ্যাৰ্থীসকলৰ মন অতি কোমল হৈ থাকে। যিফালেই ঢাল খুৱাব বিচাৰে পৰীক্ষাত সাফল্য লাভৰ উদ্দেশ্যৰে অসাধু উপায় অৱলম্বন কৰে। এনে কৰি ছাত্ৰসকলে নিজকে ফাঁকি দিয়া যেন হয়। অধ্যয়নৰ কালছোৱাত নিজকে কেনেদৰে অধ্যয়নত ব্ৰতী কৰিব লাগে তাৰ প্ৰতি ছাত্ৰসকলে মনোযোগ দিব লাগে।

**ছাত্ৰৰ অন্যান্য কৰ্তব্যঃ** বিদ্যা শিক্ষাত সফলতা অৰ্জনৰ বাবে অধ্যয়নত ব্ৰতী হোৱাৰ উপৰি জীৱনত কৃতকাৰ্য্য অৰ্জনৰ বাবেও ছাত্ৰসকলে আন কিছুমান কথা শিকাটো আৱশ্যকীয়। বৰ্তমানৰ ছাত্ৰসকলৰ মাজৰে পৰাই নিৰ্বাচিত হ'ব ভৱিষ্যতৰ বিচক্ষণ ৰাজনীতিবিদ, সুদক্ষ প্ৰশাসক, সুবিচাৰক আৰু আদৰ্শ শিক্ষক আৰু নিষ্ঠাৱান সমাজকৰ্মী। পঢ়া-শুনাৰ বাহিৰে ছাত্ৰৰ আন এটা প্ৰধান কৰ্তব্য হৈছে চৰিত্ৰ গঠন। শৃংখলা ৰক্ষাও ছাত্ৰৰ আন এটা কৰ্তব্য। শিক্ষাগুৰুক সন্মান কৰা আৰু তেওঁলোকৰ আদেশ মানি চলাও ছাত্ৰৰ এটা ডাঙৰ কৰ্তব্য।

**সামৰণি ঃ** সৰ্বশেষত ছাত্ৰসকলে সকলো কৰ্মতে সিদ্ধি বা সফলতা অৰ্জন কৰিবলৈ ছাত্ৰ জীৱনতে চেষ্টা কৰিব লাগে। তেওঁলোকে মনত ৰাখিব লাগে যে "জ্ঞানেই প্ৰকৃত শক্তি"। জ্ঞান আহৰণৰ সৰ্বশ্ৰেষ্ঠ কথা হ'ল শিক্ষা অৰ্জন বা অধ্যয়ন। গতিকে ছাত্ৰসকলে ছাত্ৰ অৱস্থাতে অধ্যয়নৰ মাধ্যমেৰে প্ৰয়োজনীয় জ্ঞান অৰ্জন কৰি ভৱিষ্যৎ জীৱনত সফলতা অৰ্জন কৰা উচিত।

# দেৱালী

ছফিকুল ইছলাম
দ্বিতীয় যান্মাসিক
অসমীয়া বিভাগ

দেৱালী মানে হ'ল পোহৰৰ উৎসৱ। দেৱালী প্রতি বছৰে শৰৎ কালত পালন কৰা হয়। দেৱালীক হিন্দুসকলৰ আটাইতকৈ পবিত্র আৰু ডাঙৰ উৎসৱ বুলি গণ্য কৰা হয়। এই উৎসৱে আনন্দ পোহৰ বিয়পাই দিয়ে।

দেৱালী উদ্‌যাপনৰ বহু কাহিনী আছে যদিও আমি সকলোৱে জানো যে, দেৱালীৰ দিনা ভগৱান শ্রীৰামে লক্ষ্মণৰ সৈতে ৰাৱণক বধ কৰি সীতাক পুনৰ অযোধ্যা নগৰলৈ লৈ আহিছিল। তাৰ পিছত অযোধ্যাবাসীয়ে তেওঁলোকৰ আগমনৰ আনন্দত অযোধ্যাক পৰিস্কাৰ কৰি সমগ্র অযোধ্যা নগৰখন ফুলেৰে সজাইছিল, পোহৰৰ বন্তিৰে উজ্বলাই দিছিল। তেতিয়াৰ পৰা আজিলৈকে চলি আছে এই পৰম্পৰা।

দীপাৱলীক পাঁচদিনীয়াকৈ পালন কৰা হয়। প্রতি বছৰে শৰৎকালত কাতি মাহৰ অমাৱস্যা তিথিত হিন্দুসকল, জৈনসকল, শিখসকল আৰু বৌদ্ধসকলে এই উৎসৱ পালন কৰে। এই উৎসৱ অত্যন্ত জনপ্রিয় আৰু ই অন্ধকাৰৰ বিৰুদ্ধে পোহৰ, বেয়াৰ বিৰুদ্ধে ভালৰ আৰু অজ্ঞানৰ বিৰুদ্ধে জ্ঞানৰ বিজয়ক প্রতিনিধিত্ব কৰে। পোহৰে জ্ঞান আৰু বিবেকক বুজায়। দেৱালীৰ সময়ত ঘৰ-দুৱাৰ, দোকান-পোহাৰ, কার্যালয়, মন্দিৰ আদিত নানান আলোক সজ্জাৰে আলোকিত কৰা হয়। দেৱালীৰ ৰীতি-নীতি পাঁচদিনীয়াকৈ চলে যদিও উৎসৱৰ তৃতীয় দিনা হিন্দু দিনপঞ্জী মতে বছৰৰ আটাইতকৈ অন্ধকাৰ দিন কাতি মাহৰ অমাৱস্যা তিথিত মূল দেৱালী পালন কৰা হয়। গ্রেগৰিয়ান বর্ষ পঞ্জীমতে দেৱালী উৎসৱ সাধাৰণতে অক্টোবৰ নৱেম্বৰ মাহৰ মাজত অনুষ্ঠিত হয়।

দেৱালীৰ আগে আগে মানুহে তেওঁলোকৰ ঘৰ আৰু কর্ম সংস্থান চাফ-চিকুণ, পুনৰ নির্মাণ কৰা আৰু সৌন্দর্য বর্ধনত ব্যস্ত হয়। দেৱালীৰ দিনা সকলোৱে সুন্দৰ সাজ-পাৰ পিন্ধি ঘৰৰ ভিতৰে বাহিৰে মিঠাতেলৰ চাকি, মম, আলোক সজ্জাৰে আলোকিত কৰে। উত্তৰ ভাৰতত সেইদিনা ধন আৰু সম্পত্তিৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মীৰ পূজা অর্চনা কৰা হয়। ইয়াৰ লগতে বোমা ফট্‌কা ফুটাই আনন্দ কৰা দেৱালীৰ অন্যতম বৈশিষ্ট্য।

দেৱালীৰ সময়ত ওচৰ-চুবুৰীয়া আৰু সম্পৰ্কীয় সকললৈ মিঠাই আৰু উপহাৰ আদান প্রদানৰো নিয়ম আছে। দেৱালীৰ সমগ্র দক্ষিণ এছিয়াত উলহ-মালহৰে উদ্‌যাপন কৰা হয়। লগতে গোটেই বিশ্বতে ভাৰতীয় মূলৰ মানুহৰ ই বিশেষ জনপ্রিয় উৎসৱ।

দক্ষিণ এছিয়াৰ পৰা উৎপত্তি হোৱাৰ পৌৰাণিক সংস্কৃত গ্রন্থ সমূহত পাঁচদিনীয়া দেৱালী উৎসৱৰ উল্লেখ পোৱা যায়। ভাৰতৰ ভিন ভিন অঞ্চলৰ এই উৎসৱ ভিন ভিন নামেৰে জনা যায়। ইয়াৰ লগতে দেৱালীৰ লগত সম্পৰ্কিত নীতি নিয়মসমূহ অলপ বেলেগ বেলেগ। দেৱালী পূজাৰ দশমী তিথিৰ দিনটোৰ পিছত অনুষ্ঠিত হয়। দেৱালী ধনতেৰাচৰ দিনাৰ পৰা আৰম্ভ হয়। ইয়াৰ দ্বিতীয় দিনা চতুর্দশী বোলা হয়। দক্ষিণ ভাৰতত এই দিনকে মূল দেৱালী বুলি পালন কৰা হয়। পশ্চিম, পূৱ আৰু উত্তৰ ভাৰতত তৃতীয় দিনা মূল দেৱালী পালন কৰা হয়। এই দিনা পশ্চিম আৰু উত্তৰ ভাৰতত লক্ষ্মী পূজা আৰু পূৱ ভাৰতত কালী পূজা অনুষ্ঠিত হয়। চতুর্থ দিনা গোবর্ধন পূজা অনুষ্ঠিত হয় আৰু পঞ্চম দিনা ভাতৃ দ্বিতীয়াৰে দেৱালী উৎসৱৰ সামৰণি পৰে। ভাতৃ দ্বিতীয়া ভাতৃ-ভগ্নীৰ প্রতি উৎসর্গিত ৰাখীবন্ধনৰ সমকক্ষ উৎসৱ। হিন্দু আৰু শিখ সম্প্রদায়ৰ কিছুমানে সেইদিনা নিজৰ কর্মস্থলীত সা-সঁজুলি, যন্ত্রপাতি আদিৰ উদ্দেশ্যি বিশ্বকর্মা পূজা পাতে।

দেৱালীৰ তাৎপর্য ঃ ভাৰতত দেৱালীৰ ধর্মীয়, সামাজিক, সাংস্কৃতিক তাৎপর্য্য অপৰিসীম।





# সাহিত্যৰ অন্যতম অংগ মৌখিক সাহিত্য

আর্জিনা ৰেহমান
স্নাতক দ্বিতীয় যান্মাসিক (অসমীয়া বিভাগ)

**আৰম্ভণি ঃ** মানুহৰ মন কল্পনা প্রৱণ। মন দিগন্তৰ কল্পনাৰ বিশাল পৰিধিত অনুভূতিৰ প্রৱল উচ্ছ্বাসে ভাৱৰ যি জোৱাৰৰ সৃষ্টি কৰে সেইবোৰেই প্রকাশ পায় ছন্দবদ্ধ হৈ। আদিম কালৰ স্বভাৱ কবিসকলৰ অন্তৰ উজাৰি উঠা সুখ-দুখ, হাঁহি-আনন্দ, ঘৃণা-প্রশংসা, হা-হুতাশা আদি বিভিন্ন ভাৱৰ হেন্দোলনিবোৰ ছন্দৰে প্রকাশিত গৈ গীতৰ আকাৰ ল'লে। তাত প্রকাশ পালে সমাজৰ প্রতিজন মানৱৰ কথা। অন্তৰৰ প্রতি ভাৱ-অনুভূতি, হৃদয়ৰ প্রতি স্পন্দন, দেহ-ভঙ্গিমাৰ প্রতিটো প্রকাশ, মনৰ চঞ্চলতা, চাৱনিৰ মাধুৰিমা, কৰুণতা আৰু আকর্ষণীয়তা, কামনাৰ মোহনীয়তা প্রকাশ পালে অনামা চহা কবিৰ সহজ-সৰল ছন্দৰ মাধ্যমেৰে। সিয়েই পাছত লোক-সাহিত্য বা জন সাহিত্য নামে অভিহিত হ'ল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমৰ লোক সংস্কৃতি' গ্রন্থত লিখিছে 'এই লোক সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি, সমাজৰ সর্বজনৰ বাবে চিন্তা আৰু কল্পনাৰ মিলন তীর্থ; সমস্ত সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্র। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক সাহিত্য চিৰন্তন আৰু চিৰজীৱী হৈ আছে।'

**লোক-সাহিত্যৰ বৈশিষ্ট্য ঃ** লোক-সাহিত্য যিহেতু জনসাধাৰণৰ অন্তৰৰ অনুভূতিৰ প্রকাশ, গতিকে, 'ভাৱ-অনুভূতিৰ আৰু ৰচনা প্রণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য।' ৰচয়িতাৰ 'অ শৰীৰিত্ব বা ব্যক্তিত্ব নিৰপেক্ষতা' ইয়াৰ আন এটা বৈশিষ্ট্য।

**লোক সাহিত্যৰ শ্রেণী বিভাগ ঃ** লোক সাহিত্যৰ পৰিধি ব্যাপক। লোক সাহিত্যক পাঁচটা ভাগত ভগাব পাৰি। সেইবোৰ হ'ল—

১। ফকৰা যোজনা, সাঁথৰ, পটন্তৰ   ২। প্রবচন
৩। সাধুকথা   ৪। মন্ত্র আৰু   ৫। লোক-গীত

জনজীৱনৰ সুখ-দুখ, হর্ষ বিষাদ আদি লোকগীতবোৰৰ প্রাণৰ কথা। লোকগীতত অসমীয়া সাহিত্য অতিশয় চহকী। লোক-গীতবিলাকৰ পটভূমি বা কথিতব্য বিষয় অনুসৰি এইবোৰক—

(ক) অনুষ্ঠানমূলক (খ) আখ্যানমূলক (গ) নিচুকণি, (ঘ) দেহবিচাৰমূলক (ঙ) বিবিধ বিষয়ক আদি কিছুমান ভাগত ভগাব পাৰি।

(ক) অনুষ্ঠানমূলক গীতবোৰ ঃ বিহুনাম, সুবচনীৰ গীত, অপেচৰী সবাহৰ গীত, লখিমী সবাহৰ গীত, মহোহো গীত ইত্যাদি।

(খ) আখ্যানমূলক গীতঃ আখ্যানমূলক গীতবোৰৰ বিষয়বস্তু কোনো একোটা কাহিনী। সেইবাবে ইহঁতক কাহিনী-গীত (ইংৰাজীত বেলাড়্) বুলি কোৱা হয়।

(গ) নিচুকণি গীত ঃ শিশুকালৰ কল্পনা শ্রৱণ, অনুসন্ধিৎসু, মনৰ উৎকণ্ঠা, কৌতুহল আৰু আমোদ জগাই তুলি, সন্মোহিত কৰি টোপনি নিয়াবৰ কাৰণেই ঘাই কৈ নিচুকনি গীতৰ সৃষ্টি। শ্রীধৰ কন্দলীৰ 'কাণ খোৱা' সর্বকালৰ সর্বশ্রেষ্ঠ নিচুকনি গীত।

(ঘ) দেহ বিচাৰৰ গীত ঃ দেহ বিচাৰৰ গীত, বৰাগীৰ গীত, টোকাৰী গীত আদি একে শ্রেণীৰ গীত। এই গীতবিলাকত মানৱৰ দেহত ক্ষণস্থায়িত্ব, কামনা-বাসনা আদি ভাৱৰ বাহক; হৰি নামেই যে প্রাণীৰ ভৱ-বন্ধনৰ মুক্তিৰ একমাত্র পথ তাকেই শেষত গীতবিলাকত প্রতিপন্ন কৰা হৈছে।

(ঙ) বিবিধ বিষয়ক গীত ঃ জুনা, নাওখেলৰ গীত, মায়ামৰীয়া ৰণুৱাৰ গীত, হাইদাং গীত আদি বিবিধ বিষয়ক গীত।

**সামৰণি ঃ** অসমৰ লোক-সাহিত্য অতিশয় চহকী। জাতিৰ ভাৱ-অনুভূতি, আশা-আকাংক্ষা, হর্ষ-বিষাদ, প্রেম, বিৰহ, জাতীয় আদর্শ আদি লোক সাহিত্যৰ মাজত নিহিত আছে। আজি কিছুদিনৰে পৰা ইয়াৰ প্রচাৰ আৰু প্রসাৰ সৃষ্টি বৃদ্ধি পাইছে যদিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ বিভিন্ন অনুষ্ঠান, আখ্যান, কিম্বদন্তী বা কল্পনামূলক গীত আছে, সেই সকলোবোৰ সংগ্রহ হৈছে বুলি ন-দি ক'ব নোৱাৰি। সকলোবোৰ একেলগে থূপাই প্রকাশ কৰিব পাৰিলে সাহিত্যৰ ভঁৰাল আৰু চহকী হৈ উঠিব।

লোক সাহিত্যৰ মাজতে অসমীয়াৰ জন্ম আৰু তাৰ মাজতেই বিৱর্তন আৰু পৰিবর্দ্ধন। ইয়াৰ প্রসাৰে অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিব।

# নৱপ্ৰজন্ম আৰু মোবাইল ফোন

**হাচিনা খাতুন**
বি.এ. দ্বিতীয় যান্মাসিক
অসমীয়া বিভাগ।

বৰ্তমান সময় আধুনিক তথ্য-প্ৰযুক্তিৰ যুগ। নতুন নতুন আৱিষ্কাৰে সমাজখনক দিনে দিনে আগুৱাই লৈ যাবলৈ সক্ষম হৈছে উন্নতিৰ উচ্চ শিখৰলৈ। এনেকুৱা যুগত মোবাইলৰ গুৰুত্ব অপৰিসীম। মোবাইলনো আচলতে কি বস্তু? এনেকুৱা প্ৰশ্ন বৰ্তমান কোনেও কৰাৰ প্ৰয়োজন নাই। কিন্তু বহু বছৰ আগেয়ে এনেকুৱা প্ৰশ্ন সৃষ্টি হৈছিল মানুহৰ মাজত। বৰ্তমান সময়ত সকলোৰেই এৰাব নোৱাৰা একমাত্ৰ আপোন বস্তুটোৱেই হ'ল মোবাইল। সকলোৰে মাজত মোবাইলৰ বহুল প্ৰচাৰ হৈছে যদিও বিশেষকৈ যুৱ-প্ৰজন্মৰ মাজত বৰ্তমানে মোবাইলে আলোড়নৰ সৃষ্টি কৰিছে। প্ৰশ্ন হয়, বৰ্তমান সময়ৰ দ্ৰুতগতিত ন-ন ক্ষমতাশালী মোবাইলৰ আৱিষ্কাৰে যুৱ-প্ৰজন্মক উন্নতিৰ শিখৰলৈ নিব পাৰিছে নে নাই?

বৰ্তমান মোবাইলৰ জৰিয়তে দৃশ্যশ্ৰাব্যৰ সহায়েৰে দূৰৰ মানুহৰ লগত ওচৰতেই বহি কথা পাতিব পৰাকৈ যোগাযোগ কৰিব পৰা যায়। ইন্টাৰনেটৰ সুবিধাৰে বহুতো লাভজনক তথ্য অৰ্জন কৰাৰ উপৰিও বহুতো নজনা কথা জানি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পৰা যায় মোবাইলৰ জৰিয়তে। ইন্টাৰনেটৰ দ্বাৰা সকলো কাম ইমানেই সহজ হৈ পৰিছে যে বৃহৎ পৃথিৱী এখনকো ক্ষুদ্ৰ গাঁওত পৰিণত কৰিব পৰা হৈছে। ঘৰত বহিয়েই ইন্টাৰনেটৰ জৰিয়তে বজাৰ-সমাৰ, চিনেমা চোৱা আদি কামবোৰ কৰা সহজ সাধ্য হৈ পৰিছে। মুঠতে কম সময়ৰ ভিতৰতেই বহুতো লাভ জনক কাম কৰিব পৰা যায়। ইন্টাৰনেটৰ সহায়ত এনেবোৰ কাম কম্পিউটাৰ, লেপটপতো কৰিব পৰা যায়। কিন্তু এইবোৰৰ আকাৰৰ তুলনাত মোবাইল ক্ষুদ্ৰ আৰু যেনেকৈ তেনেকৈ বা য'তে ত'তে থাকিও মোবাইল ব্যৱহাৰ কৰিব পৰা যায় বাবে বৰ্তমান মোবাইলৰ প্ৰাধান্য বেছি হোৱা দেখা যায়।

মোবাইলৰ পৰা যুৱ প্ৰজন্মৰ বহুতো সুবিধা হোৱাৰ উপৰিও ইয়াৰ পৰা হোৱা অপকাৰৰ কথাও নুই কৰিব নোৱাৰি। এচাম যুৱ প্ৰজন্মৰ বাবে মোবাইল হৈ পৰিছে একমাত্ৰ আনন্দৰ খোৰাক। তেওঁলোকে দিনটো Social Media ত জড়িত থাকি সময়বোৰ নষ্ট কৰি জীৱনটোলৈ বিপৰ্যয় মাতি আনিছে। তাৰোপৰি ৰং-বিৰংৰ চিনেমা, বিভিন্ন ভিডিঅ আদি হাতৰ মুঠিতে চাব পৰাৰ বাবে আনন্দত আত্মহাৰা হৈ নিজৰ বহুমূলীয়া সময়বোৰ নষ্ট কৰি আছে, তাৰ খবৰ ৰাখিবলৈ সিহঁতৰ আহৰিয়েই নাই। সদায় বেছি সময় মোবাইল ব্যৱহাৰ কৰি থাকিলে সেইটো এটা নিচাত পৰিণত হয় আৰু এই নিচাৰ পৰা পৰিত্ৰাণ পোৱাটো বহুত কঠিন হৈ পৰে। এনেকুৱা সমস্যায়ে বৰ্তমান যুৱ প্ৰজন্মক ধ্বংসৰ মাজলৈ ঠেলি দিছে। মোবাইলত তেওঁলোকে ইমানেই সময় অতিবাহিত কৰে যে বহুমূলীয়া জীৱনৰ বাবে অপৰিহাৰ্য অংগ পঢ়াপাতিৰ ফালেও পিঠি দিয়া পৰিলক্ষিত হয়। কম সময়তে ইন্টাৰনেটৰ পৰা সকলো ধৰণৰ তথ্য পাতি গ্ৰহণ কৰিব পৰা হোৱাৰে পৰা কিতাপ পঢ়ি জ্ঞান অৰ্জন কৰাৰ সংখ্যা তাকৰ হৈছে। মুঠতে বেছি সংখ্যক যুৱ প্ৰজন্মৰ মোবাইলৰ দ্বাৰা বহুতো ক্ষতি হোৱা পৰিলক্ষিত হয়।

একবিংশ শতিকাৰ ন-ন আৱিস্কাৰে বিশ্বক আগুৱাই লৈ গৈ আছে উন্নতিৰ শিখৰলৈ। এইটো কথা আমি কোনেও নুই কৰিব নোৱাৰো। কিন্তু উচিত প্ৰশিক্ষণৰ অভাৱত মোবাইলৰ পৰা ক্ষতি হোৱাহে পৰিলক্ষিত হয়। ইয়াৰোপৰি বেছি সময় মোবাইল ব্যৱহাৰ কৰাৰ বাবে চকুৰ বেমাৰ হোৱা পৰিলক্ষিত হয় আৰু দৃষ্টি শক্তিয়ো কমি যায়। কিয়নো মোবাইলৰ পৰা নিৰ্গত ৰশ্মি চকুৰ কাৰণে ক্ষতিকাৰক। যুৱ-প্ৰজন্মৰ যিহেতু ভাল বেয়া বিচাৰ কৰিব পৰা ক্ষমতা হৈছে সেয়ে সিঁহতে সকলো দিশ চালি জাৰি চাই মোবাইল ব্যৱহাৰ কৰিব লাগে আৰু যদি কোনোৱে কিছুমান লাগতিয়াল কথা নাজানে তেনেহ'লে ডাঙৰৰ সহায় লোৱা উচিত। সকলো বস্তুৰেই ভাল বেয়া দুয়োটাই দিশ থাকে। ভাল দিশত আমি মোবাইল ব্যৱহাৰ কৰি আৰু বেয়া দিশবোৰ এৰাই চলিলে বৰ্তমানৰ যুৱ-প্ৰজন্মৰ যি যুৱ শক্তি আছে, সেয়াই নিশ্চয় এদিন সমাজখনক আগুৱাই লৈ যাবলৈ সক্ষম হ'ব।





# অসমৰ গামোচা

**পিয়াৰ মোশাৰফ শিৰাজী**
দ্বিতীয় যান্মাসিক, অসমীয়া বিভাগ

গামোচা অসমীয়া লোকসকলে ব্যৱহাৰ কৰা এবিধ বস্ত্ৰ। সাধাৰণতে গামোচা চাৰিওফালে ৰঙা সূতাৰে পাৰি দি বোৱা এখন বগা দীঘলীয়া কাপোৰ। কপাহী সূতাৰে বিশেষভাৱে গামোচা তৈয়াৰ কৰা হয় যদিও পাট মুগা আদি সূতাৰেও ইয়াক তৈয়াৰ কৰা হয়।

অসমীয়াৰ দৰে বঙালী, বিহাৰী আৰু উৰিয়া মানুহেও গামোচা সদৃশ গমছা বা গাম্চা নামৰ এবিধ বস্ত্ৰ ব্যৱহাৰ কৰে। অসমীয়া গামোচাৰ লগত তেওঁলোকৰ গামছাৰ বহুখিনি পাৰ্থক্য আছে। আনহাতে অসমীয়া মানুহে গামোছাখনক এক সাংস্কৃতিক তথা সন্মানৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰে। কিন্তু আন ঠাইত ইয়াক অকল নিত্য ব্যৱহাৰ্য সামগ্ৰী হিচাপেহে ব্যৱহাৰ কৰা দেখা যায়। নামনি অসমত গামোচাক, গাম্চা, মুক্চা বা দুহেইটা আদি নামেৰে জনা যায়।

## কৌতুক

১। গ্ৰাহক ঃ বহী আছেনে?
দোকানী ঃ হয়। বহি আছোঁ।
গ্ৰাহক ঃ নহয়, আপোনাৰ দোকানত বহী আছেনে?
দোকানী ঃ হয়। মই দোকানতে বহি আছোঁ।

২। ল'ৰা- মা, দেউতাৰ মূৰত চুলি নাই কিয়?
মাক- তোৰ দেউতাৰৰ বুদ্ধি বেছি, সেইবাবে।
ল'ৰা- তেনেহ'লে তোমাৰ মূৰত দেখোন এটাও বুদ্ধি নাই।

# জাপি

**ছানিদুল ইছলাম**
দ্বিতীয় যান্মাসিক অসমীয়া বিভাগ

জাপি অসমীয়া সংস্কৃতিৰ বাহক, ই অসমীয়া জাতি আৰু সংস্কৃতিৰ বিশেষ প্ৰতীক ৰূপে সৰ্বজনবিদিত। প্ৰথমে জাপি দেখিবলৈ টুপিৰ দৰে আছিল। কালক্ৰমত আকাৰ, ৰং সজাৰ অৰ্থাৎ তৈয়াৰী কৰা সা-সঁজুলি ভিন্ন ধৰণৰ হ'ল। বাহঁ, বেত, গছৰ পাত, জাপি সঁজাৰ ঘাই উপকৰণ। কোনো কোনো দেশত গছপাত আৰু জন্তুৰ ছালেৰেও জাপি সঁজা হয়। ৰূপ-সজ্জাৰ ফালৰ পৰা ইয়াৰ ভাগ দুটা- ফুলাম জাপি আৰু উকা জাপি। জাপিৰ ইতিহাস বহু পুৰণি। আগৰ দিনত বিভিন্ন কামত বিভিন্ন প্ৰকাৰৰ জাপি ব্যৱহাৰ হৈছিল। বৰদৈয়া জাপি, সৰুদৈয়া জাপি আদিও আছিল। ইয়াৰোপৰি পানীজাপি, গৰখীয়া জাপি আদিৰ প্ৰচলন আছিল। জাপি সাধাৰণতে টকৌপাতেৰে তৈয়াৰ কৰা হয়।

ইং ২০১৭ চনত ভাৰতীয় ডাক বিভাগে ভাৰতীয় মানুহে মূৰত পৰিধান কৰা ১৬ টা টুপিৰ ডাকটিকট প্ৰচলন কৰিছিল য'ত অসমৰ জাপিয়েও স্থান পাইছিল।

**ইতিহাস ঃ** হিউৱেন চাঙক ৰজা ভাস্কৰ বৰ্মনে হালিলে নামৰ জাপি এটা উপহাৰ দিছিল। ইয়াৰ পাছত জাপিৰ উল্লেখ চুতীয়া ৰজাৰ ক্ষেত্ৰত পোৱা যায়। ১৫২৩ চনত চুতীয়া ৰজা নীতি পালে আহোম ৰজা চুহুংমুঙৰ লগত সন্ধি কৰিছিল আৰু ৰূপৰ জাপি উপহাৰ দিছিল। ইয়াৰ পাছত চুহুংমুঙ ৰজাই চুতীয়া ৰাজধানী শদিয়া দখল কৰি বহুতো জাপি লাভ কৰিছিল। চুতীয়া ৰজাৰ দিনত জাপি নিৰ্মাণ কৰিবলৈ জাপিয়া সজিয় বুলি এটা খেল ৰাখিছিল যিটো খেলৰ লোকে পাছলৈ আহোম ৰজা সকলৰ কাৰণে জাপি নিৰ্মাণ কৰিছিল। ইয়াৰ বাহিৰে মধ্য অসমৰ বাৰ ভূঞা সকলে জাপি ব্যৱহাৰ কৰিছিল। সাতসৰী বুৰঞ্জীৰ মতে আহোম ৰজা সকলে বচুৱাল, তঙালি আৰু টকৌ-পতীয়া জাপি ভূঞা সকলৰ পৰা ল'বলৈ শিকিছিল। আহোমৰ দিনত ডা ডাঙৰীয়া সকলে মৰ্য্যাদা অনুসৰি বিভিন্ন জাপি ব্যৱহাৰ কৰিছিল।





# শৰাই

**মজিম আলী**
দ্বিতীয় যান্মাসিক, অসমীয়া বিভাগ

শৰাই অসমীয়া লোক সংস্কৃতিৰ এক অনৱদ্য সম্পদ। দেৱতাক নৈবদ্য দিয়া বা কোনো মহৎ গ্ৰন্থ ৰখা আৰু ডাঙৰ মানুহক মান ধৰা এবিধ থিয় কাণেৰে খুৰা লগোৱা অসমীয়া পৰম্পৰাগত বাত্ৰা। ই একাধাৰে সন্মানৰ প্ৰতীক, থাপনাৰ আসন তথা গৃহ সজ্জাৰ কলাত্মক সামগ্ৰী। পিতল আৰু কাহেঁৰে শৰাই নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰি ৰূপ আৰু তামেৰেও শৰাই নিৰ্মাণ কৰা দেখা যায়। বুৰঞ্জীসমূহত শৰাইৰ প্ৰথম উল্লেখ চুতীয়া ৰজাৰ ক্ষেত্ৰত পোৱা যায়। ১৫২৩ চনৰ চুতীয়া ৰজা নীতিপালে আহোম ৰজা চুহুংমুঙৰ লগত সন্ধি কৰিবলৈ শৰাই (টাই ভাষাত ফুচন কোৱা হয়) শৰাই উপহাৰ দিছিল। চুহুংমুঙ ৰজাই চুতীয়া ৰাজধানী শদিয়া দখল কৰিও আন সামগ্ৰীৰ লগতে শৰাই লাভ কৰিছিল। ইয়াৰ উপৰিও ১৫২৪ ত চুতীয়া ৰাজধানী শদিয়া দখল কৰি চুহংমুঙে মাইহাং শৰাই পোৱাৰ উল্লেখ আছে।

**নিৰ্মাণঃ** পিতল আৰু কাহঁ উভয়েৰে শৰাই নিৰ্মাণ কৰিলেও পিতলৰ শৰাইৰ প্ৰচলন অধিক। ৰূপ খতুৱা তামেৰে সঁজা শৰাইৰো প্ৰচলন দেখা যায়। ঢাকনি থকা আৰু নথকা দুই ধৰণৰ শৰাই পোৱা যায়।

**ব্যৱহাৰ ঃ** অসমত শৰাইৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল সেই সম্পৰ্কে তথ্যৰ অভাৱ। মধ্যযুগত সিংহাসনৰ সন্মুখত নৈবদ্য দিবলৈ আৰু সত্ৰাধিকাৰ সকলক সেই বিষ্ণু নৈবদ্য আগবঢ়াই দিবলৈ সন্মানাৰ্থে শৰাইৰ ব্যৱহাৰ কৰা হৈছিল। অসমীয়া সমাজত বৰ্তমান সময়ত সামাজিক কৰ্মাদি যেনে পূজা পাৰ্বন সকাম উৎসৱ আদিত নৈবদ্য বা প্ৰসাদ আদি সজাবৰ বাবে শৰাইৰ ব্যৱহাৰ বহুভাৱে কৰা হয়। বাহঁ বেত গৃহ সজ্জাৰ বাবে ব্যৱহাৰ কৰা দেখা যায়।

আহোম ৰাজত্ব কালত ৰজা ডা-ডাঙৰীয়া আৰু গুৰুজনাক অসমীয়া লোকে শৰাই আগবঢ়াই সন্মান যাচিছিল। বহাগ বিহুৰ সময়ত হুচৰি গাবলৈ অহা ৰাইজক ফুলাম গামোচা এখনেৰে তামোল পান সহ টকা এটি শৰাইত আগবঢ়োৱাটো পুণ্যৰ কাম হিচাপে গণ্য কৰা হয়।

# মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত ফটোগ্ৰাফী প্ৰতিযোগিতাত স্থান প্ৰাপ্ত একাংশ ফটো










## মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত ফটোগ্ৰাফী প্ৰতিযোগিতাত স্থান প্ৰাপ্ত একাংশ ফটো










# গল্প সঁফুৰা

# মানৱী

**ৰৌছানাৰা আখতাৰ**
মুৰব্বী অধ্যাপিকা
ৰাজনীতি বিজ্ঞান বিভাগ

ঃ অ' বৰা দেখোন। আপুনি হঠাতে আহি ওলাল যে। গুৱাহাটীলৈ কেতিয়া বদলি হ'ল?

ঃ এমাহমান হ'ল। ছমাহ মানৰ পৰা লাগি থাকি এতিয়াহে কামটো হ'ল বুজিছে?

ঃ কোনটো কাম?

ঃ ট্ৰান্সফাৰৰ কামটো আকৌ। এইবোৰ কামত বৰ লেঠাহে। ল'ৰাজন কৰ্মাচ কলেজত পঢ়িছে। পঢ়া-শুনাত একেবাৰে বেয়া নাছিল বুইছে। সেয়ে ভাবিছিলো এইটো বছৰ যদি তাৰ লগত কটাই তাক অলপ সহায় কৰিব পাৰো তাৰ ৰেজাল্ট ভাল হ'ব যেন লাগে।

ঃ আপোনাৰ ছোৱালীজনী?

ঃ অ' তাই কেন্দ্ৰীয় বিদ্যালয়তে পঢ়িছে। হোষ্টেলত আছে। তাইক লৈ চিন্তা নাই। তাই ক্লাচ টেন দিলেই তাইকো গুৱাহাটীলৈ আনিম বুলি ভাবিছো। পিছে আপোনাৰ হাতত এছাৰি ডাল কিয়?

ঃ অ' এইডাল, বুজি পাব, সকলো বুজি পাব। কেৱল মোৰ লগত আহি থাকক। আজি আপুনি প্ৰথম আহিছেতো, একো ধৰিব পৰা নাই।

হেৰি নহয় বৰা, আই পিতাইৰ দিনবোৰেই ভাল আছিল জানে। কি ঠাণ্ডাৰ দিনেই হওঁক, কি গৰমৰ দিনেই হওঁক যেতিয়া তেওঁলোকক দেখিছিলো খালি ভৰিৰে খোজকঢ়া তেতিয়া প্ৰায়েই কৈছিলো- "পিতাই জোতাযোৰ পিন্ধি বান্দৰ টুপীটো মূৰত সুমুৱাই ল' নহ'লে কাঁহ-কফেৰে বাট নেদেখা হ'বি। আই চেণ্ডেলযোৰ পিন্ধি ল'চোন, চাদৰ খন মেৰিয়াই ল'চোন, ঠাণ্ডা লাগিব।" তেওঁলোকৰ উত্তৰ আছিল— কেঁচা মাটিৰ সংস্পৰ্শত যিমানেই থাকিবি সিমানেই গাৰ বেমাৰ আজাৰবোৰ মাটিৰ লগত মিলি যাব। তেওঁলোকক বাতানুকুল ঘৰ দুৱাৰো নালাগিছিল। শাক-পাচলিৰ খেতি, ফল-মূলৰ খেতি তেওঁলোকে নিজেই কৰিছিল। আজলি ভৰাই আনকো দিছিল আৰু নিজেও খাইছিল। বেমাৰ আজাৰে তেওঁলোকৰ পৰা বহু নিলগত ঠাই লৈছিল।

ঃ হয় হে শইকীয়া, আমিবোৰ জোতা-মোজা, কোট-টাই পিন্ধি শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি ডাক্তৰৰ পৰামৰ্শত চলাৰ পিছতো বেমাৰ আজাৰে পিছ নেৰা হৈছে। আমি এতিয়া বাহিৰত খালী ভৰিৰে খোজকঢ়াটো দূৰৰ কথা ৰুমৰ ভিতৰতো খোজ কাঢ়িব নোৱাৰা হ'লো। চিৰি বগাব নোৱাৰা হ'লো। টান বিছনাত শুব নোৱাৰা হ'লো, বৰাই ক'লে।

ঃ সকলোবোৰ ভেজাল হ'ল, ভেজাল খাদ্য, দূষিত বায়ু, দূষিত পৰিৱেশে মানুহৰ মনবোৰো দূষিত কৰিলে। বৰা, আগলৈ চাওঁকচোন। সৌ পুলিচ পইন্টলৈ। তাত কি দেখিছে?

ঃ ৰ'ব মোৰ ভয় লাগিছে দেখোন। ইমানগাল, অ' বুজিছো সেইবাবে এই হাতত থকা এছাৰি ডাল। এতিয়াহে বুজিলো। বৰাই ক'লে— আপুনি মোৰ কাষে কাষে আহি থাকক। সিহঁতৰ পিনে নাচাব। বেগাবেগীকৈ এইখিনিতে খোজ নিদিব। এদিন কি হৈছিল জানে? ইহঁতৰ মাজৰ পৰা কোনোবা এটাই ডাঠ মুখ বন্ধা মোনা এখন মুখেৰে কামুৰি চোঁচৰাই লৈ যাওঁতে আমি সকলোৱে তাক খেদিলো। সি আমাক চেৰ পেলাই মোনাখন চোঁচৰাই লৈ গৈ গৈ

কাছাৰীঘাটতে সেইখিনিতে থকা পদপথৰ অঘৰী মানুহৰ পৰিয়াল এটাৰ ওচৰ পালে।

ঃ তাৰ পিছত- বৰাই সুধিলে।

ঃ তাৰ পিছত এঘাৰজনীয়া অঘৰী পৰিয়ালটোৰ মাজত থকা এজনী মাইকী মানুহৰ ওচৰত কুকুৰটোৱে মোনাখন নি এৰি দিলে। প্ৰথমে মাইকী মানুহজনীয়ে মোনাখন লৰচৰ কৰা দেখি ভয় খাই আঁতৰি আহিল। কিন্তু আকৌ কুকুৰটোৱে তাইৰ ওচৰলৈ মোনাখন আগুৱাই দিলে। তেতিয়া মানুহ গৰাকীয়ে মোনাখন খুলি দেখিলে যে তাত এটি কন্যা শিশু। তাই আচৰিত হ'ল। হয়তো কিছু সময়ৰ আগতে জন্ম হৈছিল। কোনোবাই ডাঠ কম্বলৰ টুকুৰাৰে মেৰিয়াই মূৰত টুপী এটা পিন্ধাই মোনাত ভৰাই পেলাই থৈ গৈছে। বুজিছে বৰা, আজিৰ যুগত মানুহ কিমান নিষ্ঠুৰ আৰু অমানৱীয় হৈ পৰিছে। ন'হলেনো.........? শিশুটোৰ গাত বাৰু কি দোষ আছিল? তাক যে দলিয়াই পেলাই থৈ যাব লাগে? আজিকালি অনাথ আশ্ৰমবোৰচোন আছেই। তাৰপৰা তুলি লোৱা মানুহৰ সংখ্যাও দিনক দিনে বাঢ়ি গৈছে। মানুহৰ কিছুমান কাণ্ড-কাৰখানাই মূৰটো গৰম কৰি দিয়ে বুজিছে শইকীয়াই ক'লে।

ঃ পিছত শিশুটোৰ কি হ'ল— বৰাই সুধিলে।

ঃ শিশুটোক পাই পদপথত বাস কৰি থকা সেই অঘৰী পৰিয়ালটোৰ আনন্দই কুলাই-পাচিয়ে নধৰা হ'ল। ইমান দিনে যিবোৰ মানুহে সিহঁতৰ ওচৰেৰে গ'লে নাকত সোপা মাৰি যাব লগা হৈছিল সেইবোৰ মানুহেও এতিয়া এবাৰকৈ হ'লেও সিহঁতৰ ফালে চোৱাই নহয়, খোৱা বস্তু আনকি কাপোৰ কানিও দলিয়াই দি যোৱা হ'ল। আনকি যিটো কুকুৰে কেচুৱাটো সিহঁতৰ লৈ আনিছিল সিয়ো সিহঁতৰ লগত [illegible] সিহঁতৰ তাঁলৈ [illegible] মানুহৰ [illegible] মাজতে থকা কৰিলে। পদপথত থকা [illegible] যেন ঘূৰি আহিল নতুন চেতনা। সিহঁতৰ [illegible] খাই বই কম্বল এখনলৈ শুই থকাৰ সময় নোহোৱা হ'ল। পদপথত পৰিয়ালৰ এটি নতুন আলহীৰ আগমন। কুকুৰটোৰেও সিহঁতৰ লগত থকা হ'ল। শিশুটো আছিল কন্যা শিশু। শিশুটোক কি খুৱাব কি পিন্ধাব তাকে লৈ সিহঁত তৎপৰ হৈ উঠিল। তাকে লৈ কোনোবাই চিন্তা কৰি থাকোতে এজনীয়ে ক'লে— ভাতৰ মাৰ (নিসনি) খুৱাম। কথামতেই কাম। ভাত ৰান্ধোতে পানী বেছিকৈ দিয়ে। ভাতৰ ঢাকোনৰ ওপৰত জমা হোৱা পানীখিনি সিহঁতৰ মলিয়ন কাপোৰ খনেৰেই ছেকি বাটিত অলপ নিমখ মিহলাই শিশুটোক খুৱাবলৈ আৰম্ভ কৰিলে। কোনোবা পথচাৰীয়ে মলিয়ন কাপোৰেৰে শিশুটোক কোচত লৈ থকা দেখি সৰু সৰু কম্বল, চোলা, টুপী, কোনোবাই গামোচা, কোনোবাই আনকি মানুহ কেইগৰাকীয়ে খাবলৈ চাউল, চিৰা, কাপোৰবোৰ ধুবলৈ চাবোন, চাৰ্ফ আদিও দিলে। কোনোবাই ভাত বনাবলৈ নাইবা শিশুটোৰ কাৰণে এটা পাত্ৰও দিলে। গা-ধুৱাৰৰ বাবে চৰিয়া এটাও দিলে।

সিহঁতৰ মাজত বৰ আনন্দ। ইমান দিনে সিহঁতৰ ফালে ঘূৰি নোচোৱা মানুহবোৰে আনকি জুমি জুমি চাবলৈ ধৰিলে। সাহায্যও দিলে এটি কন্যা শিশুৰ বাবে আজি সিহঁতৰ ইমান পৰিৱৰ্তন।

কুকুৰটোৰেও বিভিন্ন ঠাইৰ পৰা খোৱা- বস্তু কামুৰি আনি সিহঁতক খাবলৈ দিয়ে। কোনো প্ৰতিবাদ নকৰাকৈ সিহঁতে খায়। কুকুৰটোৱে সিহঁতৰ লগতে সদায় থাকে আনকি শিশুটোক পহৰা দিয়ে আৰু বাকীবোৰে আহাৰ বিচাৰি যায়। লাহে লাহে শিশুটো সুস্থ হৈ আহিল। ভাতৰ মাৰ খায়েই তজবজীয়া হৈ উঠিল। সকলোৱে মিলি শিশুটোৰ নাম থলে 'মানৱী'। মানৱী লাহে লাহে ডাঙৰ হৈ আহিল। মানৱী দেখিবলৈ খুবেই ধুনীয়া সু-স্বাস্থ্য গৰাকী। ভাবিলে আচৰিত লাগে কুকুৰটোৱে ক'ৰপৰা কেচুৱাটো লৈ আনিছিল কোনেও ইয়াৰ খবৰ নাৰাখিলে।

এজনী ছোৱালী আৰু এঘাৰ জনকৈ এটি অঘৰী পৰিয়াল। পৰিয়ালত বিভিন্ন সম্প্ৰদায়ৰ মানুহ আছে। তাৰে মাজত সেই লেতেৰা পৰিৱেশত মানৱী ডাঙৰ হ'বলৈ ধৰিলে। ইকাণ সিকাণকৈ কথাটো স্থানীয় বিধায়কৰ কাণত পৰিল। কথাটো অলপ চিন্তা কৰি বিধায়কে মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি এই পৰিয়ালটো পদপথৰ পৰা স্থানান্তৰিত কৰাৰ কথা ভাবিলে। কিন্তু সংস্থাপন কৰা যায় ক'ত, তাৰহে চিন্তা কৰিছে। তেওঁলোকৰ মাজৰ পৰা কোনোবা এজনে ক'লে- আমচাঙত বহুৱাবলৈ। বিধায়কে তৎক্ষণাত কথাটো মানি ল'লে। এদিন সিহঁতক আমচাঙলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল।





মানৱী সৰুৰে পৰাই পদপথত আছে। এইটোকে সিহঁতৰ ঘৰ বুলি ধৰি লৈছে। মানুহ যে এটা ভাল পৰিৱেশত থাকিব পাৰে সেয়া আমচাঙলৈ যোৱাৰ পিছতহে তাই বুজি পালে। অৰণ্যৰ বাঁহ-খেৰেৰে সিহঁতে ঘৰ সাজিলে। অৰণ্যৰ খৰিৰে বন্ধা-বঢ়া কৰে খৰি বুটলিবলৈ মানৱীও যায়, লগত কুকুৰটোও যায়।

এদিন মানৱীক শিমলুগুৰী বতাহঘুলি এল.পি. স্কুলত নাম লিখি দিয়া হ'ল। পৰিয়ালৰ কোনেও পঢ়িব নজনাৰ বাবে শিক্ষক সকলেই ঘৰুৱা শিক্ষকৰ দৰে তাইক স্কুলতে পঢ়ুৱাইছিল। তাই শ্ৰেণীত ভালকৈ উত্তীৰ্ণ হ'ব পাৰিছে। চাওঁতে চাওঁতে তাই চতুৰ্থ শ্ৰেণী পালে। বৃত্তি পৰীক্ষা দিবলৈ যো-জা কৰিলে শিক্ষক সকলে। বছৰেকীয়া পৰীক্ষাত দুদিন বহিলে। ভালেই হ'ল। সিদিনা আছিল শনিবাৰ। পিছবেলা পৰীক্ষা। সাধাৰণ জ্ঞানৰ বহীখন শিক্ষকে আগদিনা পঢ়ুৱাই স্কুলতে ৰাখি দিছিল। সেয়ে তাই সোনকালে ওলাইছিল স্কুললৈ। স্কুললৈ বেগাই খোজ ল'লে। গৈ গৈ কিছুদূৰ পালে। স্কুললৈ অলপ দূৰ থাকোতেই দেখিলে চাৰিওফালে হুলস্থূল। হাতী, বুলদেজাৰ, টেক্টৰ আৰু বহুত খাকী পোছাক পিন্ধা মানুহ। তাইৰ ভয় লাগিছিল। ইতিমধ্যে ঘৰৰ পৰা তাই বহু দূৰ আহি পাইছিল। স্কুলৰ ওচৰত এডাল প্ৰকাণ্ড আমগছ আছিল। তাই দৌৰি গৈ সেই আমগছ জোপাৰ ওচৰ পালে। দেখিলে ওচৰত স্কুলখন নাই। ডেস্ক, বেঞ্চ, কিতাপ-পত্ৰবোৰ ইফাল সিফালকৈ পৰি আছে। ঘৰৰ টিনপাতবোৰ ভাঙি পেলাই দিয়া হৈছে। আগবেলা পৰীক্ষা দিবলৈ দেখোন কোনো অহা নাই। তাই কান্দিবলৈ ধৰিলে। তাইৰ ওচৰলৈ কেইজনীমান ছাত্ৰী ক'ৰবাৰ পৰা ল'ৰি আহিল। তাই ক'লে- আমাৰ স্কুলখনৰ এনে অৱস্থা কোনে কৰিলে? এজনীয়ে ক'লে- চৰকাৰে কৰিলে। এজনীয়ে ক'লে- হাতীয়ে কৰিলে। আন এজনীয়ে ক'লে- বুলডোজাৰে কৰিলে।

মানৱীয়ে ক'লে- হাতী, বুলডোজাৰে অকলে একো কৰিব নোৱাৰে। তাক মানুহেহে চলাব লাগে। কিন্তু চৰকাৰৰ কাৰো অকণো জ্ঞান নাই নে? আমাৰ সৰু সৰু ল'ৰা ছোৱালীবোৰৰ স্কুলখন ভাঙি দিব লগা হ'ল। এতিয়া কি হ'ব? আমি ক'ত পৰীক্ষা দিম? মোৰ বহী কিতাপবোৰ ক'ত থাকিল। মানৱীয়ে দৌৰি গৈ বাগৰি থকা ডেস্ক-বেঞ্চবিলাকৰ ফাঁকে ফাঁকে জুমি জুমি চাবলৈ ধৰিলে। কেইখিলামান ছিগা বহীৰ পাতত তাইৰ চকু পৰিল। বুটলি ল'লে। তাইৰ চকুৰ পানীৰে আখৰবোৰ চিনিব পৰা নাই এইবাৰ চকুৰ পানী মচি ল'লে। দেখিলে সেইবোৰ তাইৰ বহীৰ ছিগা পাত। তাইৰ বুকুখন চিৰিংকৈ গ'ল। ক'ত থাকিল বাকী বহীখন। কি হ'ব এতিয়া? ক'ত পঢ়িব? ক'ত পৰীক্ষা দিব? তাই চাৰিওপিনে কিতাপৰ দমবোৰ চাই চাই এবাৰ আন এটা দমলৈ চকু পৰিল। দৌৰি তাৰ ওচৰ চাপিল। বিচাৰোতে তাইৰ বহী এখন ওলাই পৰিল। সাধাৰণ জ্ঞানৰ বহী। বহীৰ পাতবোৰ লুটিয়ালে। ছিগাপাত কেইখিলা এইখন বহীৰে আছিল। আজি সাধাৰণজ্ঞানৰ পৰীক্ষা। বহীৰ পাত লুটিয়াওতে চকুৰ পানীয়ে সৰসৰকৈ বহীখন তিয়াই পেলাইছিল। এটা সময়ত বহীখন বুকুত সাবটি চিঞৰি চিঞৰি কান্দিছিল। ওচৰত কিছু মানুহ গোট খাইছিল। সকলোৱে মানৱীক বুজনি দিছিল। এনেতে পিছফালৰ পৰা ভেউ ভেউকৈ এটা কুকুৰে তাইক স্কাৰ্টত কামুৰি জোকাৰি দিছিল। তাইৰ ওচৰত থকা মানুহবোৰে মানৱীক কামুৰিব বুলি তাইক তাৰ পৰা টানি আঁতৰ কৰোতে তাই পিছফালে ঘূৰি চালে। দেখিলে সিহঁতৰ লগত থকা কুকুৰটো। তাই মানুহৰ জুমৰ পৰা আঁতৰি আহি তাক সাবটি ধৰিলে আৰু ক'লে- 'চা চৰকাৰৰ কাণ্ড, আমাৰ স্কুলখনকো ভাঙি পেলালে।

কুকুৰটোৱে হয়তো তাইৰ ভাষা বুজি পাইছিল কাৰণ তাই জন্মৰ পৰাই দেখিছে সেই কুকুৰটোক সুখে-দুখে সি মানৱীহঁতৰ লগৰীয়া। সি মানৱীৰ লগত খেলে, মানৱীৰ লগত খায় আৰু শোৱেও। কুকুৰটোৱে মানৱীক স্কাৰ্টত আকৌ কামুৰি ধৰি ঘৰমূৰা হ'বলৈ ইংগিত দিলে। মানৱীয়ে এইবাৰ ভালকৈ ধ্বংসস্তুপটো চালে। কুকুৰটো আগে-আগে গৈ থাকিল আৰু মানৱী পিছে পিছে নিজৰ আপোন ঘৰখনলৈ.....।

## অনুগল্প ঃ সু-পুত্ৰ

মিৰ ৰবিউল আউৱাল
অংশকালীন সহযোগী অধ্যাপক, অসমীয়া বিভাগ

ঃ আজি নগ'লে নহয়নে বাৰু?

ঃ নহ'ব জাহ্নৱী, ডাক্তৰে কৈছে আৰু এদিনো যদি পলম হয় মাৰ চকুজুৰিয়ে চিৰদিনৰ কাৰণে নেদেখা হৈ যাব।

আৰু তোমাৰ জন্মদিনৰ বাবে নিমন্ত্ৰণ কৰা তোমাৰ সমনীয়াবোৰক মই ফোন কৰিও কথাটো কৈ দিব পাৰিম। কিন্তু আজিৰ দিনটোত যিজনী মানুহে মোক পৃথিৱীৰ পোহৰ দেখুৱাইছিলে, সেইগৰাকী মানুহৰ পৃথিৱীখন মই কেতিয়াও আন্ধাৰ হ'বলৈ দিব নোৱাৰো।

## ৰস ৰচনা ঃ পানী

শাজাহান আলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মোক দেখা নাই কোন বাৰু? থাকো যে মই নৈ, বিল, জান-জুৰি, নাদ, নলৰ মূখত। কিন্তু জানানে বাৰু? মই যে থাকো বায়ুৰ লগত, জীৱৰ দেহত, মাটিৰ লগত। তেনেহ'লে মই নাথাকো ক'ত? সকলোৱে কয় মোৰ হেনো আকাৰ নাই। ময়ো দেখোন প্ৰকাণ্ড পাত্ৰ আৰু ক্ষুদ্ৰ পাত্ৰৰো আকাৰ ল'ব পাৰো। মই কেতিয়াবা উটুৱাই লৈ যাওঁ আৰু সূক্ষ্ম ছিদ্ৰৰেও সুৰুঙা পাওঁ। মোৰ পিছে কেতিয়াও ৰৈ থকাৰ ইচ্ছা নাই। অবিৰাম বৈ থাকিবলৈহে মন যায়। মোৰ অকণো দুখ ভাগৰ, জিৰণি নাই। ভাপ হৈ আকাশলৈ উৰোঁ, বৰষুণ হৈ পুনৰ তললৈ সৰোঁ। মই মোৰ ৰূপ সলাবও পাৰো। জাৰত যেতিয়া ঠাণ্ডা হও বৰফ হৈ গোট মাৰো। তাপ পালে আকৌ ভাপ হৈ উৰো। মোৰ ভাপতে যন্ত্ৰও চলে, মোৰ বলতেই বিজুলী চাকিও জ্বলে। মোক বহুতে মাছে-ভাতে খোৱা, শাক-পাচলি, ফল-মূলত পোৱা তাৰ পাছতো মোৰ সোৱাদ নাই বুলি কোৱা। পাহাৰৰ পৰা নামি আহোঁতে শিলৰ লগত কুলু-কুলুকৈ কথা পাতো, উতলিলে বক্‌বকাও আৰু সৰি পৰোঁতে ট্‌পট্‌পাও। ভাবিছানে কেতিয়াবা মই নহ'লে পৃথিৱীখন কি হ'ব বাৰুঙ্গ

## মকৰা আৰু পঁইতাচোৰা

শাজাহান আলী
দ্বিতীয় বৰ্ষ

পঁইতাচোৰা ঃ
মকৰা, তই অঁকৰা
কিয়নো গোঠ জাল?
বাৰে-বাৰে মানুহে গুচায়
নোগোঠাইচোন ভাল।

মকৰা ঃ
কাম কৰাহে ধৰ্ম মোৰ
সবাকো কওঁ মাতি,
পোক-পৰুৱা ধৰিবলৈ
থাকো ফান্দ পাতি।

পঁইতাচোৰাঃ
পোক পৰুৱা ধৰ যে তই
জাল পাতি পাতি,
বেয়া পায় পোকবোৰে তোক
কয় নিতৌ ৰাতি

মকৰা ঃ
তোকনো কোনে ভাল পায় বাৰু?
চুৰুণী বুলি কয়,
মোৰ দেখোন ধৈৰ্য গুণ
সকলোৱেই লয়।



### ৫১ সংখ্যক মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ একাংশ

















## মহাবিদ্যালয়ত বিভিন্ন সময়ত আয়োজিত কেতবোৰ অনুষ্ঠানৰ আলোকচিত্ৰ

















# কৱিতা কুঞ্জ-

## ডৰিয়লি সুখ

ৰৌছানাৰা আখতাৰ
মুৰব্বী অধ্যাপিকা,
ৰাজনীতি বিজ্ঞান বিভাগ।

ডৰিয়লি সুখ এটা উজাই আহে বুকুৰ চৰাঘৰলৈ ..
পিতপিতাই ফুৰে বুকুৰ প্ৰতিটো কোঠা
আলসুৱা গান এটি হই...

থুপুক থাপাককৈ খোজ কাঢ়ে সোনমইনাই সোনতৰাৰ বুকু জুৰাবলৈ
কোনেনো কাঢ়ি নিব তাইৰ বুকুৰ পৰা
ভটিয়ালী ৰাগ এটি হই....

আজি পিতাইৰ বৰ ঘৰত বহিছে সুৰৰ মজলিচ
বৰ পীৰাত বহিবলৈ যে কোনো নাই...

সুগন্ধি শেৱালি চোতাল উপচি পৰিছে
বুটলিবলৈ আইতা গৰাকী নাই...

প্ৰতি দিনেই দেখো ঘৰমুৱা হয় আবেলিৰ ৰঙচুৱা অভিমানী বেলি..
আৰু
প্ৰতিটো প্ৰভাততে আহে আগুৱাই ফেহুজালি ফালি...





তথাপি,

ডৰিয়লি সুখ এটাই উজাই আহে
মোৰ বুকুৰ বন্ধ দুৱাৰ খুলি...

এতিয়া পুখুৰীৰ পানীয়ে নিজানে নিটালে শুই আছে
নাই হেনো শল, গড়ৈৰ টুপ টুপ শব্দ,

এই শাওণতে পাতিব হেনো ভেকুলীৰ বিয়া

লখিমীৰ বৰ পথাৰে বেজাৰমুৱা হৈ আছে
মবমৰ কাঁচিখন যে শানত উঠিবৰ হ'ল...

ঝাৰনি বগাই অহা ৰিব্ ৰিব্ বতাহজাকে ধাননি কপাব পৰা নাই,
লাগে হেনো এজাক ডোপালপিটা বৰষুণ..
লখিমীৰ ভৰালত সোণগুটি সিঁচিবলৈ...
তথাপিও,
ক্ৰমশঃ উজাই আহে এটি সুখ বুকুৰ মজিয়ালৈ....
উজাই আহে এটি ডৰিয়লি সুখ.....ঙঙঙ





## সোণসেৰীয়া অতীত মোৰ

ছৈয়দা হামিদা খাতুন
মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ।



ভাবিছিলো নিজকে সৌভাগ্যৱতী বুলি,
হাতত এমুঠি সোণ।
টানকৈ ধৰিলো (চম্ভালিলো) হেৰাব বুলি
নিজৰিছে ঝৰ ঝৰ কৰি।
মাটিত মিলিল মোৰ,
সোণৰ অতীতবোৰ।
গুচি গ'ল প্ৰাণৰ বান্ধৱ যত
অকলশৰীয়া মই।
মুঠিৰ সোণলৈও ভয়
মেলি চাও মুঠি শূন্য

অকলশৰীয়া মই এবিধ
মূল্যহীন পণ্য।
হেৰাল মোৰ তেজৰ উৎসবোৰ
মৰিচিকাত দিশ হেৰাল
শান্তি ক'ত জীৱনৰ
পুৱা নে গধুলি পৰত
জীৱনে হাহাকাৰ কৰে......
জীৱনৰ পুৱাত......
নোপোৱাৰ বেদনা........।
জীৱনৰ আবেলিত........
হেৰুৱাৰ যাতনা.........।
শান্তি ক'ত...............?



## বিদ্যা মন্দিৰ

শ্বাহানাজ চৌধুৰী
স্নাতক পঞ্চম ষান্মাসিক
(ৰাজনীতি বিজ্ঞান বিভাগ)



মোৰ পৱিত্ৰ বিদ্যা মন্দিৰ য'ত
শিকো সভ্য ভাষা, আচাৰ-ব্যৱহাৰ;
যাৰে কৰো মঞ্জুৰিত জীৱন প্ৰকাশ।
য'ত পাওঁ পোহৰৰ সন্ধান,
আলোকিত কৰিবলৈ সপোনৰ আকাশ;
সেইখন মোৰ বিদ্যা মন্দিৰ।।
শিক্ষাগুৰুৰ আদেশ নিৰ্দেশেৰে য'ত
গঢ়লৈ উঠে জীৱন সুখেৰে।
প্ৰতিটো মুহূৰ্ত য'ত মধুময়,
স্মৰণীয় আৰু ভৰপূৰ আনন্দৰে;
সেইখন মোৰ বিদ্যা মন্দিৰ।।
বন্ধু-বান্ধৱী শিক্ষয়িত্ৰীৰ সৈতে
কাৰো য'ত মত বিনিময়।
গঠন হয় য'ত নৈতিক-চৰিত্ৰ
মঞ্জুৰীত জীৱন ছন্দ;
সেইখন মোৰ বিদ্যা মন্দিৰ
মোৰ শিক্ষক-শিক্ষয়িত্ৰী, মোৰ বিদ্যালয়
চিৰদিন শ্ৰদ্ধা আৰু ভক্তিৰ আলয়।



## কৰোণা

আৰজুমা খাতুন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(কলা শাখা)

হে ভাইৰাছ কৰোণা
তুমি ক'ৰ পৰা আহিলা
বিশাল পৃথিৱীখনৰ
ক্ষতি কৰিলা
কোনে পঠিয়াইছে তোমাক
হেজাৰ হেজাৰ মানুহৰ
প্ৰাণ কাঢ়ি ল'বলৈ।
গুচি যোৱা পৃথিৱীৰ পৰা
তোমাৰ ভয়তেই অগণন মানুহ
হৈ গ'ল যে আধামৰা
হে ভাইৰাছ কৰোণা
কিয় যে তুমি আহিলা
ধনী-দুখীয়া, ৰজা-জমিদাৰ
নকৰিবা কাৰো ক্ষতি
য'ত কোনো মানুহ নাই
তালৈ কৰা গতি।





## মোৰ তুলিকা

আলী আহমেদ
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

মই যেতিয়াই সাৰ পাওঁ,
মই তেতিয়াই তোমাক দেখা পাওঁ
তুলিকা— তুমি অবিহনে মই এজন
আধৰুৱা শিল্পী।
তোমাৰ হিয়াৰ পৰশত মোৰ মন
সদায় মগ্ন।
মই যেতিয়াই সৃষ্টিত মগ্ন থাকো
তোমাক মই সদায় নিজৰ
কলাৰ পোহৰ দেখা পাওঁ।
তুলিকা তুমি কিয়?
মোক ইমান ভালপোৱা?
মই মাথোঁ তোমাৰ অপেক্ষাত
এজন মনালিছাৰ ছবিৰ দৰে
আশা কৰিছোঁ।
তুলিকা, মই মোৰ সকলো
তোমাৰ সৈতে ক'ব খুজো।
তোমাৰ মৰম, স্নেহ, ভালপোৱা
সকলো মোৰ কলা সৃষ্টিৰ
মাজেৰে যেন আৱৰি ধৰিছো।।
তোমাক মই আকাশৰ পৰা সৰি পৰা
যেন এটি মণি-মুকুতাৰ
টুকুৰা ভাৱো।
কাৰণ মই তোমাক সঁচাই বহুত
ভালপাওঁ।।



তুলিকা— তোমাৰ জৰিয়তে
আৰু মোৰ ৰঙৰ জৰিয়তে
প্ৰকৃতিৰ এক সুন্দৰ পৰিৱেশ
দিব বিচাৰো।
তুলিকা— মই ভাৱো
তোমাৰ, মোৰ প্ৰেম চিৰযুগমীয়া
হৈ ৰব।।
অহা জনমলৈ মই, তোমাকেই
বিচাৰো, কাৰণ মই তোমাক
বহুত সন্মান তথা মৰম কৰো।
কলা, অংকন, মোৰ বিমূৰ্ত
ছবি তোমাৰ জৰিয়তেই
প্ৰকাশ কৰো
তুমি অবিহনে মোৰ জীৱন
সৰা পাতৰ দৰে।

হৃদয়ত অকল তুলিকা
তোমাৰেই নাম লিখি ৰাখিছো
প্ৰকৃতিৰ স্বাৰ্থত।
কাৰণ মই তুলিকাক ভালপাওঁ।
মোৰ আত্মাই তোমাক
এটা ঘৰ সাজি দিছে
এই জনমৰ
পৰ জনমৰ
আৰু সুখ দুঃখ
সকলো সময়ত।।



## জন্ম আৰু মৃত্যু

আৰিফুল ইছলাম
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(বিজ্ঞান শাখা)

আহিছো পৃথিৱীত
জন্ম গ্ৰহণ কৰি,
যাবই লাগিব এদিন
এই পৃথিৱীখন এৰি।

এই সৌন্দৰ্যময় পৃথিৱীখন
এৰিবৰ নাযায় মন
কিয়নো সৃষ্টিকৰ্তাই মানুহক
মৃত্যুৰ পথলৈ লৈ যায়।

সকলো মানুহৰ বাবে
হৈছে বাৰু এইটো
সেই কাৰণে কোৱা হয় মানুহৰ
জীৱনৰ হ'ব জন্ম আৰু মৃত্যু।

## মোৰ বিদ্যা

মিজানুৰ ৰহমান
বি.এচছি পঞ্চম ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ।

মেলিলো আজি আমি প্ৰথম কিতাপ
পঢ়া শুনা নকৰিলে পুহিব লাগিব তাপ,
পঢ়া হ'ল আমাৰ জীৱনৰ অংগ
কোনেও কাঢ়ি ল'ব নোৱাৰে বন্ধু আৰু সংগ।
পঢ়া শুনা নকৰিলে জীৱন হ'ব এন্ধাৰ,
গঢ়ি নুঠে আৰু সোণৰ সংসাৰ
আমাৰ জীৱনৰ আশা হ'ল বিদ্যা
পঢ়াশুনা নকৰিলে নাই জীৱনৰ চিন্তা
সকলোৰে জীৱনৰ পোহৰ হ'ল শিক্ষা,
পঢ়াশুনা নকৰিলে কৰিব লাগিব ভিক্ষা।
ফুলৰ নিচিনা ফুলিলে আমাৰ এই সময়,
পঢ়াশুনা কৰিলে সুখী হ'ম মই।
বানপানীয়ে সা-সম্পত্তি কাঢ়িলৈ যায়,
বিদ্যা মোৰ মূৰত আছে আৰু কোনে পায়।
জীৱনৰ ভৱিষ্যত গঢ়ি তুলিব লাগে,
শিক্ষিত যদি হ'ব পাৰো যাম সকলোৰে আগে
সময় আৰু সৌভাগ্য কাৰো বাবে ৰৈ নাথাকে।







## সৰ্বনাশী বেঁকী নদী

শাহানাজ চুলতানা
স্নাতক প্ৰথম ষান্মাসিক



তুমি পাৰ ভাঙা
নিতৌ বাৰিষাত
খৰালিত
তোমাৰ বিধ্বংসী ৰুদ্ৰমূৰ্তিয়ে
বিলীন কৰিলে
আজো-ককাৰ দিনৰ
ঘৰ-দুৱাৰ, মাটি-ভেটি।
শস্য শ্যামলা খেতি-বাতি
সকলো হেৰুৱাই
পথৰ ভিক্ষাৰীত পৰিণত হৈ
জীয়াই থকাৰ প্ৰয়োজনত
কাম বিচাৰি যাওঁ
চহৰলৈ,
গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকীয়া
আদিবোৰ চহৰলৈ।
তাতে আকৌ নতুন অপবাদ
সন্দেহযুক্ত নাগৰিক
অথবা বাংলাদেশীৰ লেবেল।
আৰোপিত হয় সীমান্ত আৰক্ষীৰ গোচৰ
ৰজা ঘৰবোৰে দিনক দিনে
আমাক চাই ৰং কৰে
তৃপ্তি লভে।
যন্ত্ৰণাৰ সমাধান
কেতিয়া আৰু কেনেকৈ???



## ব্যৰ্থ প্ৰেম

**ৰেজিয়া পাৰবিন**
বি.এচছি প্ৰথম ষান্মাসিক



যেতিয়াই তোমাক বিচাৰো কাষত
তেতিয়াই তুমি গুচি যোৱা বহু দূৰত।
সদায় আনন্দ উপভোগ কৰো
দুখৰ সময়বোৰ নিৰৱে সহো।।
মোৰ নাছিল কোনো অন্তৰংগ
তেতিয়াই হৈছিলা তুমি মোৰ হৃদয়ংগ।
মোৰ জীৱনৰ সোণোৱালী সপোনবোৰ ৰচিবলৈ
নাই মোৰ কোনো লগৰীয়া।।
প্ৰতিটো সময়ৰ বাবে মই অকলশৰীয়া
জীৱন প্ৰেমত তুমি দিছিলা সহাঁৰি।
কি ভুলৰ কাৰণে তুমি গলা পাহৰি
তোমাক পোৱাৰ আশাত চিৰদিন আছো ৰৈ।।
আহিবানে তুমি মোৰ জীৱনলৈ?

## প্ৰেম

**ছামিনা ইয়াছমিন**
স্নাতক চতুৰ্থ ষান্মাসিক
(অসমীয়া বিভাগ)



তোমাৰ বাবে কেৱল তোমাৰ বাবেই।
মোৰ হৃদয়ত পোখা মেলিছিলো।
তোমাৰ সেই হাঁহিটি আজিও
পাহৰিব পৰা নাই।
নিগৰি অহা শব্দবোৰ
আজিও মোৰ হৃদয়ত
গীতাৰৰ সুৰৰ দৰে বাজি উঠে।
এনে কি দিন আহিল যে
মোৰ মানসপটৰ পৰা মচি
দিব লগা হ'ল।
তোমাৰ প্ৰতিচ্ছবি আজিও আছে।
হৃদয়ৰ দেৱালত।
আজিও আধৰুৱা হৈ থাকিল
মোৰ সপোনৰ সেই প্ৰতিচ্ছবি।







## ক'বলৈ বহুত আছিল

**ইয়াছমিনা খাতুন**
স্নাতক চতুৰ্থ ষান্মাসিক
(অসমীয়া বিভাগ)

বহু কথা আছিল ক'বলৈ তোমাক
কিন্তু ক'বলৈ সুযোগ নাপালো।

বহুতো সপোন ৰচিছিলোঁ
তোমাক লগত লৈ পূৰণ কৰিম বুলি,
কিন্তু ইয়াৰ সুযোগ নাপালো।

ভাবিছিলো জীৱনৰ শেষ সময়লৈ
তোমাৰ লগত থাকিব
জীৱনৰ প্ৰতিটো সময়
তোমাৰ লগত কটাম
কিন্তু ইয়াৰ সুযোগ নাপালো

ক'বলৈ বহুতো আছিল,
ইয়াৰ সুযোগ নাপালো।

## কল্পনা

**ইয়াছমিনা খাতুন**
স্নাতক চতুৰ্থ ষান্মাসিক
(অসমীয়া বিভাগ)

মই যদি সঁচাকৈ কবি হলোহেঁতেন
বুজাব পাৰিলোহেঁতেন
তোমাক কবিতাৰ ভাষাৰে
আৰু যদি সাহিত্যিক হলোহেঁতেন,
বুজালোহেঁতেন তোমাক সাহিত্যৰ
ভাষাৰে,
যে মোৰ মনত তোমাৰ প্ৰতি
কেনেকুৱা ভালপোৱা আছে,
এতিয়াতো মই তোমাক
বুকুখন ফালি দেখুৱাব নোৱাৰো,
তোমালৈ মোৰ কিমান হেপাঁহ আছে,
আৰু ক'বওতো কাকো নোৱাৰো,
যে মই তোমাক কিমান ভালপাওঁ
তুমি জানো ক'ব পাৰিবা কাৰোবাক
যে তুমি মোক ভালপোৱা বুলি,
মই যেন তোমাৰ ভাষা সঁচাকৈ
বুজোঁ, কিন্তু তুমিও ক'ব নোৱাৰা।
গোটেই পৃথিৱীক শুনাই
মই তোমাক ভালপাওঁ।



## সপোন

**ছামিনা ইয়াছমিন**
স্নাতক তৃতীয় ষান্মাসিক
(অসমীয়া বিভাগ)

ভাঙি গ'ল এই সপোন।
যʼত তুমি পোহৰ নিদিলা।
গুচি গ'ল সেই সপোন
যেতিয়া তুমি ওচৰত নাহিলা।
সপোন,
সপোন দেখুৱাব পাৰে সকলোৱে।
কিন্তু সেই সপোনত কোনেও
পোহৰ বিলাব নোৱাৰে।
এই সপোন, সপোন হৈ ৰৈ গ'ল।
নেদেখিবা কেতিয়াও এনেকুৱা সপোন।
যʼত তুমি আনৰ পোহৰত জিলকিব
বিচৰা।



## স্মৃতি

**শ্বাহানাচ আকতাৰ**
স্নাতক তৃতীয় ষান্মাসিক
(অসমীয়া বিভাগ)

মনত পৰে তোমালৈ
নিজানত অকলে বহি থাকিলে?
মোৰ আৰু তোমাৰ ভৱিষ্যতৰ কথা।
তুমি দিয়া কথাবোৰ
তুমি দিয়া আশাবোৰ।
ভাবিলে মনত পৰে তোমালৈ
বহুতো দিন বহুতো ৰাতি
কিন্তু সময়ত নাপালোঁ।
কেতিয়াবা ভাবো জন্ম কিয় ল'লো।
কি কৰিলো?
কেতিয়াবা দিন বেয়া হ'লে
সময়তে দুখ কৰি যায়।
আৰু কেতিয়াবা দিন ভাল হ'লে
সময়ে হাঁহি দেখুৱাই।
একো নাই, জীয়া জীৱন
আজিৰ দিনটো আজিৰ সময়বোৰ
উভতি নাহে কেতিয়াওঁ।







## মোৰ হাবিয়াস

**মাফুজা খাতুন**
স্নাতক প্ৰথম ষান্মাসিক

যিয়ে সততাৰে দেশ মাতৃক
সেৱাৰে উপচায় দিয়ে।
ৰাতিৰ আন্ধাৰ দিনৰ পোহৰ
কৰি একাকাৰ।
যাৰ বাবে দেশখন হৈ পৰে
এখন ফুলাম গামোছা।
যাৰ বাবে দেশখনত সুখৰ বৰষুণ বৰষে
সুভাস চন্দ্ৰ আজাদ হিন্দ
বন্দুকধাৰী মিলিটেৰী
গোধা ৰেজিমেন্ট নাইবা অসম-পুলিচ
মই সেই মানুহৰ দৰে হ'ম।

ভয় নাই ফাঁচী কাঠত, দ্বীপন্তৰ কিম্বৎ কাৰাগাৰ
আগুৱাই যাম, সমুখ সমৰত
মুকন্দ কাকতি, মণিৰাম, পিয়লি ফুকন
কৰি সাৰথি মহাত্মা গান্ধী,
মই সেই মানুহৰ দৰে হ'ম।

কাহানিও কাকো কৰা নাই ভয়।
নিজা বলেৰে কৰিলে দেশক জয়।
আমিও অনুপ্ৰাণিত আগুৱাই যাম
মই তেওঁলোকৰ দৰেই হ'ম।



## অঘৰী জীৱনৰ কাহিনী

**ৰুফেদা খাতুন**
স্নাতক দ্বিতীয় ষান্মাসিক

জীৱন মাথোঁ পলকৰে পল
ক'ত কি যে চলে জীৱনত।
হাঁহি কান্দোনেৰে ভৰা,
এই জীৱন বৰ সুৰীয়া।
ছাঁ বিচাৰি ওলাল, কিন্তু পালে ৰাজপথ
হাতত শূণ্য বাটি।
হাঁহি কান্দোনেৰে ভৰা
এই জীৱন বৰ সুৰীয়া
তথাপিও আছে জীয়াই আশাৰ ৰেঙনিৰে
এই ধৰাত।।
কোনেনো চায় কোনেনো পেলাই চকুলো
কেৱল উৰণীয়া চৰাইৰ দৰে উৰে সকলো।।
নাপায় বস্ত্ৰ নাপায় খাদ্য
তথাপিও আছে জীয়াই।
হাঁহি কান্দোনেৰে ভৰা,
এই জীৱন বৰ সুৰীয়া।
মানৱীয় কৰ্তব্য যদি নাথাকে আদৰ্শত
কিনো মানৱ নামৰ অৰ্থত।।
জীৱন মাথো পলকৰে পল
ক'ত কি যে চলে জীৱনত।



## নাৰী নিৰ্যাতন

খাজা দিলৰাৱা আহমেদ
বি.এ. পঞ্চম ষান্মাসিক
(ৰাজনীতি বিজ্ঞান বিভাগ)

আজিৰ এই স্বাধীন দেশত
অমানৱীয়তাই ভৰি পৰিছে।
ডেকা ল'ৰাৰ অত্যাচাৰত
নাৰী সকলৰ মৃত্যু ঘটিছে।

মাতৃৰ সুলভ নাৰীক
ছিঙি ছিঙি খাইছে।
অৱশেষত সেই নাৰীক
মৃত্যুৰ দেশত পঠিয়াইছে।

যিজনী নাৰীয়ে তোমাক
দেখাইছে এই জগতৰ পোহৰ।
অৱশেষত সেই নাৰীৰ
জীৱন কৰি দিছা অন্ধকাৰ।

## অকলশৰীয়া

আৰ্জিনা ৰেহমান
বি.এ. পঞ্চম ষান্মাসিক

ৰবিন তুমি আহিবা এদিন
বাট চাই থাকিম তোমালৈ,
সৰগৰ পৰা তুমি নামি আহিবা
ৰূপোৱালী এটি জোনাক হৈ,
জোনাক হৈ তুমি বিলাবা পোহৰ
পোহৰৰ মাজতে বাট চাই থাকিম তোমালৈ।
ৰবিন তুমি এদিন সঁচাকৈ
মোৰ অকলশৰীয়া জীৱনলৈ
আহি পোহৰ বিলাবা
সেই পোহৰ চাই উজ্বলি উঠিব
মোৰ হেৰাই যোৱা দিনৰ স্মৃতি।

## বন্ধু তোমালৈ মনত পৰিছে

দেলোৱাৰ হুছাইন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বহুত দিন পাৰ হ'ল নেদেখা তোমাক,
এবাৰ দেখা দিয়া বন্ধু তুমি আমাক।
আহিবানে বন্ধু এবাৰ মোৰ কাষলৈ,
মনত পৰে সদায় তোমালৈ।
জানা বন্ধুঙ্গ বিচাৰি ফুৰো মই তোমাক
তিনিআলিৰ বাটত,
দেখা নাপালো তোমাক মই
কৰোণাৰ বন্ধত।

আহানা বন্ধু মোৰ মনৰ মাজলৈ,
হেঁপাহৰ বালিঘৰ পুনৰ সাজিবলৈ।
চিৰদিন অপেক্ষা কৰিম তোমালৈ,
আহিবানে বন্ধু এবাৰ মোৰ কাষলৈ।।





## এখন চিঠি

নুৰ আলম
বি.এ. পঞ্চম ষান্মাসিক
(অসমীয়া বিভাগ)



মনত পৰেনে?
সেই চিঠিখনৰ কথা
মোৰ বুকুৰ তেজেৰে
তোমাৰ ছবি আঁকা।

শুনা মোৰ প্ৰিয়তমা
তোমাৰ সোণগুটিয়ে ডালিম সদৃশ
দাঁতবোৰ...
খঞ্জন পক্ষীৰ দৰে নয়ন দুটি
তোমাৰ হৃদয় কোমল বুকুখন
হৃদয়ৰ ভাঁজে ভাঁজে
বুকুৰ বন্ধ্রে বন্ধ্রে
সেইবোৰ...
আজিও যে বৰকে মনত পৰে
অ' মোৰ নয়নমণি
আৰু শুনিবানে?



মোৰ বুকুৰ বেদনাবোৰ
সেই বকুল গছজোপাৰ তলত
দুয়ো একেলগে সুখ-দুখ
বিলাই লোৱা
সৌ দুৰণিৰ কহুৱাৰ আঁৰে আঁৰে
ঘুৰি-ফুৰা দিনবোৰৰ কথা
জানো তোমালৈ লিখা
সেই চিঠিখনৰ কথা
তোমাৰ মনত নাই...

সময় পাৰ হয়
স্মৃতিত সকলো আৱদ্ধ হৈ ৰয়।
জানা সেই চিঠিখনৰ কথা
মনত আহিলে
দুচকুয়েদি অশ্ৰু বয়।
কাল ধুমুহাই সেই চিঠিখন
উৰুৱাই নিলে।

ক'ত আছা?
কেনে আছা?
কোনে জানে হায়ঙ্গ

## দেশপ্ৰেম

আব্বাছ আলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(কলা শাখা)

চহৰে, নগৰে, গাঁওৰে-ভূঞে, ৰাস্তা-পদূলি, বজাৰত
সকলোতে বাজে দেশপ্ৰেমৰ গীত,
সকলো ঠাইতে শুনা যায় দেশপ্ৰেমৰ জয়ধ্বনি।
এনেকৈয়ে যেন পৰিচয় দিয়ে মই প্ৰকৃত দেশপ্ৰেমী
প্ৰকৃততে তেৱেঁই নে প্ৰকৃত দেশপ্ৰেমী?
দেশ মাতৃক সন্মান কৰি
দেশ মাতৃক শ্ৰদ্ধা কৰি,
সকলো ত্যাগ স্বীকাৰ কৰি
নিজ বাহুবলেৰে আৰু সাহসেৰে
আগুৱাই আহা সকলোৱে।
জীৱনক অকণো কুণ্ঠাবোধ নকৰি
দেশ মাতৃক ৰক্ষা কৰিম বুলি।
দেশৰ কাৰণে সকলো কৰিবলৈ সাজু আমি
দেশৰ বাবে আত্ম বলিদান দিম বুলি,
তেতিয়াহে উমান পাম কোন হয় প্ৰকৃত দেশপ্ৰেমী?
কিন্তু কোনেও যেন আগুৱাই নাহে
প্ৰাণৰ ভয়ত মৰিম বুলি।
সকলোতে যেন কেৱল নিজস্বাৰ্থ
ৰক্ষা কৰিব বিচাৰো আমি।
মনত পৰেনে তোমাৰ সেইজন বীৰ লাচিতৰ কথা
আন এটি দুখৰ কথা, কিছুমানে কয়
আকৌ বীৰ লাচিত কোন হয় বুলি?
কেনেকুৱা দেশপ্ৰেমী আমি?
যাৰ তেজেৰে ৰঙীন হৈ পৰিছিল লুইতৰ পানী
কেনেকুৱা বীৰ লাচিতৰ অনুৰাগী আমি।
মনত পেলোৱাচোন এবাৰ।
যিয়ে দেশ মাতৃক ৰক্ষাৰ বাবে
অসমীয়া জাতিৰ স্বাভিমানৰ কাৰণে,
মোমায়েকক শিৰচ্ছেদ কৰিবলৈ
অকণো কুণ্ঠাবোধ কৰা নাছিলে।



মনত পৰেনে তোমাৰ লাচিতৰ সেই
দুঃসাহসী অনুৰাগী বীৰত্বৰ কথা,
যাৰ নামটো সোণালী আখৰেৰে জিলিকাই ৰখা।
নিজ স্বাৰ্থ ত্যাগ কৰি
একেটা ৰাতিতে গড় বান্ধি
হেংদাংলে মোগলক খেদি পঠিয়াবলৈ সমৰ্থ হোৱা
শৰাইঘাটৰ ৰণৰ কথা, মনত পৰেনে?
নৰিয়া গাৰেই যুদ্ধত লিপ্ত হোৱা
শিহৰণ তোলেনে তোমাৰ প্ৰাণত?
সেইজন পৰাক্ৰমী বীৰ লাচিতৰ কথাই
নাই নাই আৰু নাই
অসমীয়া ডেকাৰ বীৰত্বৰ কল্পনা,
কিমান যে দুখজনক কথাঙ্গ
সকলোতেই যেন নিজৰ কৰ্মব্যস্ততা
সকলোতেই যেন কেৱল নিজৰেই স্বাৰ্থৰ কথা।
হে যুৱ প্ৰজন্ম, হে নৱ প্ৰজন্ম
নহ'বা তেনে দেশপ্ৰেমী,
আহা! সকলোৱে মিলিজুলি
দেশ মাতৃক শ্ৰদ্ধা কৰি
দেশ মাতৃক সন্মান কৰি
জীৱন মৰণক বাদ দি।
সকলো ত্যাগ স্বীকাৰ কৰি
সকলো বাধা নেওঁচি
লাচিতৰ দৰে অনুৰূপ আমি
আজিয়েই সংকল্প লওঁ,
সকলো সময়তে সাজু আমি
দেশৰ বাবে আত্ম বলিদান দিম বুলি।







## প্ৰিয় বান্ধৱী

আকলিমা খানম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তুমি আছিলা
মোৰ প্ৰাণৰো প্ৰাণ
কিন্তু তুমি
মোৰ লগত কৰিলা ফান।
মই ভাবিছিলো
তুমি মোৰ গোটেই জীৱনৰ
প্ৰিয় বান্ধৱী হৈ থাকিবা;
কিন্তু তুমি
নতুন বান্ধৱী পায়
মোক পাহৰি গ'লা।
তুমি নতুন
বান্ধৱী পাই মোক
পাহৰি যাবা?
সেই কথা মই আগতে
জানিলে হয়তো,
তোমাৰ লগত ইমান
ঘনিষ্ঠ সম্পৰ্ক নকৰিলোহেঁতেন।
কাৰণ এতিয়া
মোৰ বহুত কষ্ট হয়।



## জীৱন কি?

সঞ্জয় আৰ্য
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জীৱন কি?
জীৱন এক অনুভৱ
ভাবোতে ভাবোতে যাব পাৰ হৈ
জীৱন হয়তো এনেকুৱাই
শৃংখলৰ মাজত বিশৃংখল
আশাৰ আঁৰে আঁৰে
নিৰাশাৰ জ্বালা
কোনোবাই কটাইছে
নদী-নলাৰ কাষত
কোনোবাই কটাইছে
(সুউচ্চ দালানত) নগৰ-চহৰত
কোনোবাই আনন্দত
কোনোবাই কান্দিছে দুখত
জীৱনটো ঠিক এনেকুৱাই
এক বিশেষ অনুভৱ।
জীৱনত আহে কেতিয়াবা
আশাৰ ৰঙীন কল্পনা
নিমিষতে হৈ যায়
মিছা মৰিচিকা।
জীৱননো কি?
জীৱন হয়তো এনেকুৱাই
কোনোবাই কটাইছে পগলাবেশত
কোনোবাই আকৌ ৰজাৰ ৰূপত
জীৱন হয়তো এনেকুৱাই
এক বিশেষ অনুভৱ।

## কৰোণা

শাজাহান আলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

কৰোণাৰ কাৰণত
দিলে কাৰ্ফিউ
স্কুল, কলেজ বন্ধ
লিখা-পঢ়া ধ্বংস
নিয়ম-নীতিৰ নাই গুৰুত্ব
এক মিটাৰ কিহৰ দূৰত্ব?
বছৰ পিছত দিলে মুক্ত
তথাপি কৰোণালৈ সন্দেহ
ভেকচিন দেখি ভয় খালে
প্ৰাথমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে
বিনামূলীয়াকৈ উত্তীৰ্ণ হ'লে
একৈশ বৰ্ষৰ পৰীক্ষাৰ্থীবোৰে
বন্ধু-বান্ধৱীৰ মূখত মাস্ক
চিনি নাপাই নিদিলে মাত
এয়াই কৰোণাৰ সোৱাদ।





## শিক্ষাৰ কিৰণ

মোঃ আখিৰুল ইছলাম আহমেদ
বি.এ. চতুৰ্থ যান্মাসিক
আৰবী বিভাগ

শিক্ষা আল্লাহৰ মহান দান
শিক্ষা নহ'লে নাই ক'তো মান।
শিক্ষাই কৰিলে আমাৰ উন্নতি
শিক্ষাই হ'ল জগতৰ প্ৰগতি।
শিক্ষাই দিলে আমাক জ্ঞান
শিক্ষাৰ দ্বাৰাই হ'ল কত মহান।
শিক্ষাই কৰিলে জগতক পোহৰ
শিক্ষাৰ অবিহনে জগত অন্ধকাৰ।
শিক্ষাই হ'ল জ্ঞানৰ ভঁৰাল
শিক্ষাৰ দ্বাৰাই পাত্ৰ হওঁ শ্ৰদ্ধাৰ।
শিক্ষাৰ বাবে আমি বিদেশলৈ যাম
তেতিয়াহে আমি শিক্ষাৰ মৰ্যাদা বুজি পাম।





## শ্বহীদ

নাজমিনা খাতুন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



হে মোৰ ভাৰতৰ শ্বহীদ পুৰুষ
তুমি আমাক দিলা স্বাধীনতা
তোমাৰ কাৰণেই আজি আমি
স্বাধীন ভাৰতৰ নাগৰিক
হে মোৰ ভাৰতৰ শ্বহীদ পুৰুষ
তুমি আমাক দিলা জ্ঞানৰ বন্তি
আৰু দিলা সাহসৰ যুক্তি
তেজৰ বিনিময়ত স্বাধীনতা
নকৰো কেতিয়াও অৱহেলা
হে মোৰ ভাৰতৰ শ্বহীদ পুৰুষ
তোমাৰ সাহস, তোমাৰ শক্তি
কেতিয়াও নাযাও পাহৰি
হাতত হাত ৰাখি আগুৱাই গৈ
উজ্জ্বল কৰিম তোমাৰ স্মৃতি।



## বেদনা

ইকবাল খান
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মাথোঁ তোমাক হেৰুৱাৰ বেদনাত
মোৰ হৃদয়, কল্পনা আশা
সকলো ভগ্ন হৈ গৈছিল
জন্মিছিল সিদিনা অসীম বিতৃষ্ণা
জীৱনলৈ আহিছিল এক ধিক্কাৰ
সুখৰ এই পৃথিৱীখনৰ প্ৰতি।
জোন, বেলি, তৰা সকলো
আহিছিল মোৰ পিনে
দিছিল মোক শত বুজনি
কিন্তু মোৰ অবুজ হৃদয়ে
বুজা নাছিল তেতিয়া
কিনো প্ৰেম ভালপোৱা
অথচ সেয়া আছিল মাথো
তোমাক হেৰুৱাৰ বেদনা।



## মৰমৰ মা

**মামনি আকতাৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

অ' মা
মৰমৰ মাত এযাৰ দিয়ানা
বহু আশা কৰিছোঁ
আছে মোৰ বাসনা
আছে মোৰ কল্পনা
দিবানে সহাঁৰি মা
জীৱনৰ বাটত
যাওঁ আগবাঢ়ি
দিয়ানা প্ৰেৰণা মা
তোমাৰেই সপোন
গঢ়িবলৈ মোৰ ভৱিষ্যৎ
আনিবলৈ শান্তি
আছে মোৰ সাহস।

## সপোন বাটে যাওঁ ব'লা

**ছেলিনা আকতাৰা**
স্নাতক দ্বিতীয় বৰ্ষ

চোৰা দচুকু তুলি তুমি
তোমাৰ কাষত মই।
লোৰা দুবাহুত মোক তুমি
আহিছো প্ৰেমৰ মালা ধৰি
কোৰা দুটি ওঠে
উশাহৰ শিথিল সমাহাৰ।
আহিছোঁ মই তোমাৰ হে,
আনিছোঁ হেঁপাহৰ এটি উপহাৰ।
নহ'বা উদাস তুমি
দিনবোৰ লাগে যেন দীঘল ৰাতি।
হাঁহিটি দিয়ানা মৌলৈ চোৰা না
হাতে হাতে ধৰি আমি সপোন বাটে যাওঁ ব'লা।







## মা

**ছেলিনা আকতাৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জন্ম দিলা তুমি আই
তোমাক পাহৰিম কেনেকৈ?
তোমাৰ বাবে আহিলো
আই এই বিচিত্ৰ ধৰালৈ।
শান্ত সুস্থ মুখখনি তোমাৰ
যেতিয়া তোমালৈ চাওঁ
পৃথিৱীত থকা সকলো
মৰমেই যেন পাওঁ।
দয়াৰ সাগৰ মা তোমাৰ
সঁচা অন্তৰখন।
কত দুখ সহ্য কৰা
অলপো নকৰা খং
সেয়েহে মা সকলো
তৰ্পিলো তোমাৰ চৰণত
সঁচা মৰম লুকাই থাকিব
তোমাৰ আঁচলত।
শত কোটি প্ৰণাম কৰি ভগৱানক কওঁ
জনমে জনমে তোমাক যেন
মাতৃৰূপে পাওঁ
মা... মাতৃৰূপে পাওঁ।





## মোৰ দেশ ভাল

**মোছমিনাছ জামান**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সকলো দেশতকৈ মোৰ দেশ ভাল
চৰণত সেৱা যাৰ কৰো চিৰকাল।
ক'ত আছে এনে মাটি সোণৰ চপৰা।
ক'ত আছে এনে পানী সুধাৰ নিজৰাঙ্গ
ক'ত আছে এনে ধান এই ধৰণীত
ক'ত আছে এনে ধন হাবি-বননিত।
ক'ত আছে এনে পলু এৰী মুগা-পাট
ক'ত আছে এনে পখী অমাতৰ মাতঙ্গ
ক'ত আছে এনে ফুল ফুলে বাৰ মাহ
ক'ত আছে এনে ফল দেখিলে উলাহঙ্গ
ক'ত আছে এনে ঠাই সৰগ ফুলনি
ক'ত আছে এনে আই সোণৰ গোঁসানীঙ্গ
ভাই-ভনী মিলি য'ত থাকো চিৰকাল
সকলো দেশতকৈ মোৰ দেশ ভাল।

## নদীৰ পাৰৰ সেই মুহূৰ্ত

আছিয়া পাৰবিন
দ্বিতীয় ষান্মাসিক
ইংৰাজী গুৰু বিভাগ

বালিৰ বুকুত যেন ভৰি সোমালে
পিছফালে সেই ছাপবোৰ ৰ'লে,
কণ-কণ শিশুৰে পাৰ হ'লে নাঁৱেৰে
স্কুললৈ যোৱা সেইখন বাটেৰে;
মন যে মোৰো গৈছিলে নাওঁখনত উঠিবলৈ
কিন্তু নদীৰ ঢৌৱে যে উদাত্ত ৰূপ ল'লে।

মেঘাচ্ছন্ন আকাশে মাতিছে মোক
বৰষুণৰ স্বৰে মাতিছে মোক,
মোক হেনো মাতিছে নদীৰ সেইটো ঢৌৱে
বৰষুণৰ স্বৰে মাতিছে মোক,
মোক হেনো মাতিছে নদীৰ সেইখন ঢৌৱে
দেহটো যে সোঁৱৰাই তুলিলে এজাক বতাহে;
গ্ৰীষ্মৰ সেই দিনটোতে শীতৰ আভাস দিলে
প্ৰকৃতিৰ লগত যেন মোৰ বন্ধুত্ব গঢ়িলে।





নদীৰ সেই পাৰখনত কটোৱা স্মৃতিয়ে
মনটো যেন আজিও সেমেকা কৰিলে,
আকৌ এবাৰ প্ৰকৃতিয়ে মাতিছে মোক
মই হেনো পাহৰিলো তৃষ্ণা আৰু ভোক;
আধুনিক যুগৰ এই কৰ্ম ব্যস্ত মানুহে পাহৰিলে প্ৰকৃতিক
পাহৰিলে নিজৰ ভূমি, নিজৰ আই মাতৃক।
দৌৰি গ'লো মই প্ৰকৃতিৰ মাজলৈ
একোৱে আৰু নালাগে বুলি কৈ,
তোমাৰ প্ৰেমত যে বলীয়া মই
তুমিও যে আছা মোৰ বাবে ৰৈ;
তোমাৰ লগত মই যাম সত্যৰ অনুসন্ধান লৈ
মোৰ আৰু কোনো ভয় নাই এই নিষ্ঠুৰ জগতলৈ।

তোমাৰ সাক্ষাতে জীৱনলৈ শান্তিৰ নিজৰা
বোৱাই আনিলে
অন্ধকাৰময় জীৱনটো আকৌ যেন
উজলাই তুলিলে।
তোমাৰ প্ৰেমে মোক মতলীয়া কৰিলে।





## নৱ-প্ৰজন্ম

ছুৰুত হাছান জাহাংগীৰ
স্নাতক মহলাৰ পঞ্চম ষন্মাসিক
অসমীয়া বিভাগ।



কোন দিশে আজি নৱ-প্ৰজন্ম
কোন দিশে কৰিছে গতি।
কোন দিশে ঢাল মেলিছে
কোন দিশে বৈছে সুতি।

পঢ়াশালিৰ থল বুলি
মোবাইল ল'লে হাতত।
একাংশই পঢ়িছে
একাংশই মাতিছে বিপদ।
মৰ্ডান মৰ্ডান বুলি অজ্ঞানতাত
ডুব গৈছে
হৈছে জ্ঞানৰ বলি।
জ্যেষ্ঠ জনৰো কাণ হাৰ নাই
দিছে উৎসাহ তুলি।

তোৰ কি যুক্তি আছে আনক দিবি শিক্ষা
বেয়াটো দেখিলেও চকু মুদি গুচি আহ।
ব্যৱহাৰ আচৰণ ঘৰৰ পৰাইটো পাই
সেই বাবে মাত মতাৰ অধিকাৰ তোৰ
আজি মৰ্ডান যুগত নাই।

## জীৱন

**মুনঞ্জুৰাৰা খাতুন**
বি.এ. পঞ্চম ষান্মাসিক
অসমীয়া বিষয়।



জীৱন
জীৱন মানেই
এক সংগ্ৰাম
এটা যন্ত্ৰণা
এটা অভিনয়।
জীৱন মানেই
এটা সপোন
যি সপোন
কেতিয়াবা পূৰ্ণ হয়
আৰু কেতিয়াবা
অপূৰ্ণ হৈয়ে থাকে।
জীৱন মানেই সুখ-দুখ
হাঁহি কান্দোনেৰে ভৰা
এটি শব্দ
এক আধাৰত সংগ্ৰামৰ
পোছাক নাম।
জীৱন
যি শোভাযাত্ৰাত
মুখামুখী হওঁ
সুখ-দুখ হাঁহি, কান্দোন
প্ৰাপ্তি-অপ্ৰাপ্তি



## দেউতা

**ছিলিমা খাতুন**
বি.এ. পঞ্চম ষান্মাসিক

"মৰমৰ দেউতা
অ' দেউতা
মৰমৰ মাত এষাৰ দিয়ানা
বহু আশা কৰিছোঁ
আছে মোৰ বাসনা
আছে মোৰ কল্পনা
দিবানে সঁহাৰি দেউতা

জীৱনৰ বাটত যাওঁ আগ
দিয়ানা প্ৰেৰণা দেউতা
তোমাৰেই সপোন গঢ়িবলৈ
মোৰ ভৱিষ্যত
আনিবলৈ শান্তি
আছে মোৰ সাহস।"



## বাল্য বিবাহ প্ৰতিৰোধ' বিষয়ক চিত্ৰাংকণ প্ৰতিযোগিতাৰ অংশ বিশেষ



আবিদা খাতুন, স্নাতক ২য় যন্মাসিক (বিজ্ঞান শাখা)



আবিদা খাতুন, স্নাতক ২য় যন্মাসিক (বিজ্ঞান শাখা)

## বাল্য বিবাহ প্ৰতিৰোধ’ বিষয়ক চিত্ৰাংকণ প্ৰতিযোগিতাৰ অংশ বিশেষ



ছেলিমা নাছৰিণ, স্নাতক ষষ্ঠ যন্মাসিক (বিজ্ঞান শাখা)

## “পানী সংৰক্ষণ” বিষয়ক পোষ্টাৰ বনোৱা প্ৰতিযোগিতাৰ একাংশ




ৰফিকুল্লাহ ছিদ্দিক, স্নাতক ৪ৰ্থ যন্মাসিক (বিজ্ঞান শাখা)

## “পানী সংৰক্ষণ” বিষয়ক পোষ্টাৰ বনোৱা প্ৰতিযোগিতাৰ একাংশ




আবিদা খাতুন, স্নাতক ২য় যন্মাসিক (বিজ্ঞান শাখা)




ছেলিমা নাছৰিণ, স্নাতক ৬ষ্ঠ যন্মাসিক (বিজ্ঞান শাখা)

## উদ্ভিদ বিজ্ঞান বিভাগৰ শিক্ষামূলক ভ্ৰমণ (২০২২ বৰ্ষ) স্থানঃ গুৱাহাটী বিশ্ববিদ্যালয়।




## প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষামূলক ভ্ৰমণ (২০২২ বৰ্ষ) স্থানঃ মানাহ ৰাষ্ট্ৰীয় উদ্যান।






# আই-পিতাই

**ইনিয়াৰা খাতুন**
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ।



মোৰ স্মৃতিৰ মণিকোঠাত
চিৰদিন সজীৱ হৈ থাকিবা
তোমালোক দুয়ো।
সৃষ্টিকৰ্তাৰ পিছতেই
আৰাধনা কৰোঁ,
এই বিনন্দীয়া পৃথিৱীত
মোক ভূমিষ্ঠ কৰোৱাৰ বাবে।
নানা বিপদ বিঘিনিয়েও
কাবু কৰিব নোৱাৰা
তুমি যে বট বৃক্ষ সদৃশ
মোৰ অতি চেনেহৰ দেউতা.....।

হাজাৰ দুখ সহি সহি
ভাগৰি নপৰা
সেই উদাৰমনৰ নাৰীগৰাকীয়েই
মোৰ মা.........................।
তোমালোকৰ আৰ্শীবাদ শিৰত লৈ
দুৰ্নীতি, শোষণ, নিৰ্যাতনৰ বিৰুদ্ধে,
নিৰৱচ্ছিন্ন সংগ্ৰাম অব্যাহত ৰাখিম
সৃষ্টিশীল লিখনিৰ মাজেৰে।
দুহাত তুলি নিতৌ কৰোঁ মিনতি
তোমালোক থাকা দুয়ো, মোৰ কাষত
অনাদি..... অনন্তকাল......
অনুপ্ৰেৰণাৰ এক অক্ষয় বন্তি হৈ।





# ENGLISH SECTION



COMMUNICATION SKILL

## ROLE OF BODY LANGUAGE IN COMMUNICATION

**Masud Hassan**
Assistant Professor
English Department

Body language often plays a significant role in communication and can be as important as the words we say. It can involve eye contact head movement posture, gestures and facial expression, all of which can add meaning to our verbal communication. Non-verbal primates also frequently use body language to communicate. Today, body language may not always play a role in communication, as many of our interactions tend to happen online through text only. However body language will likely continue to be a crucial element of communication as long as people continue to have face to face interactions.

Some of the body languages are-

a) Facial expressions.
b) Gestures.
c) Postures
d) Head movement
e) Eye contact etc.

Body language can be universal to all human beings and people may perform them consciously or subconsciously to convey their thoughts and feelings.

For example, a person may not always need to verbally say 'no' to communicate that something is wrong or that they disagree with what a person is saying. Instead, they can shake their head from side to side to share the same sentiment. Moreover, if a student slouches in his chair in the class and doesn't make eye contact with his teacher this may signal that he is bored.

Body language can also enhance and complement our verbal communication skill. For instance, if someone in a store is asking for directions on where to find a product and an employee merely says 'over there' this information may be too vague to be helpful to the customer. Instead, if the employee points with physical gesture on which aisle or shelf the product is, it would more helpful for the customer to understand about the location of the product.

Body language often plays a significant role in everyday interactions which may be why it tends to be one of the most popular topics in communication studies. It is believed to have been of interest for thousands of years. Our communication becomes more article and lovely when we use our body language in keeping with our thoughts feelings and emotions.

# How to Be a Better Student

**Dr. Kakali Hazarika**
Assistant Professor
Department of Economics
Nabajyoti College, Kalgachia

When in school or college, everyone receives education but all the students can never be attributed as good students. The students are seen by the teachers as well as other staff members on the basis of different aspects. In general, a good student is someone who respects everyone, follows the rules and is eager to learn. In order to succeed in life, an individual must be a good student. At first ever wondered why we just can't seem to reach our full academic potential? It's likely that our brain isn't the cause but, rather, our lifestyle. Let us discuss some steps, which outline simple changes one can make to become the student he or she always wanted to be.

1. **Self-Discipline**

   Discipline is a must in a student's life. This quality helps them in handling their work, maintaining regularity in work and in managing their time as well.

2. **Diligent**

   A student should be determined towards studies or any work allotted to him. He -should be ready to work hard in order to achieve his laid objectives. This is one quality that keeps the student consistent and eliminates procrastination.

3. **Punctual**

   Time is money so every student must value time. It is not an easy job to become punctual, but those who get hold of this trait are successful in their lives. Being in the class on time and doing homework and other activities on time helps the students to save their time and invest it into something productive.

4. **Courteous**

   Showing respect to teachers, school staff, seniors and fellow students is a sign of a good student. In fact, such students turn out as humble and courteous individuals. They are respected and loved by all.

5. **Team Player**

   A good student is the one who can work in a group, motivate others and yield productive output. Being positive, helpful, cooperative and friendly are all the traits of a good student. Such students become great team players and leaders when they grow up.

6. **Confident**

   This quality portrays that a student is capable of doing things and that he believes in his abilities. Having a distinct voice among the crowd without being hesitant is a sign of a good student and a future leader.

7. **Responsible**

   Being responsible is the key quality that a good student must possess. This shows that the student can be bestowed upon with any work and he will do it without any failure.

8. **Setting goals**

   Goals, both short and long-term, are a great way to measure our success. If we don't have goals in sight, we have nothing to achieve or strive for in our courses. If we set concrete goals, it is easier to become motivated and measure our success in those goals. But the goals must be realistic.

9. **Adopt and stick to a study schedule**

   Scheduling is vital for maintaining a healthy learning balance and keeping up with rigorous courses. The more time we spend studying, the more we will learn and the better grades we will earn. But the quality of study time needs to be efficient, so we should remove all distractions (cell phones, television, loud/ fast-paced music, and talkative friends/family members), to ensure a calm, focused environment.

10. **Stay well-rested**

    If we are awake and alert, certainly we can more likely to absorb information given in class, during study sessions and in class activities and participation. Our brain needs time to rest and digest information, so we have to plan a 10-minute break after each hour. If we get stuck on a certain topic, that's a good time to take a little break so we can come back refreshed.

11. **Healthy study techniques for proper exam preparation**

    Study techniques are considered "healthy" which includes balanced, time-management and avoiding all-night study "cram" sessions. Information is certainly easier to absorb when reviewed in increments, rather than procrastinating until the last minute.

12. **Develop note-taking skills**

    Listening and taking notes actively during class not only ensures the recording of accurate information, but also reinforces the information through recording the information as one take it in. Have we ever gone back to your notes when it comes time to study for the exam and find that they are illegible or difficult to understand? It's helpful to go over our notes after class and either rewrite them or outline the key information while it's still fresh in our mind. Clearly, it also provides with important information that was only mentioned in class when it comes time to review and study the exam material.

13. **Extracurricular activities**

    We should try to create a life outside of academics, like participation in extracurricular activities, such as sports or college clubs. Extracurricular activities increase a student's overall college experience; contribute to the learning process and aiding in balancing scheduling skills.

14. **Study buddies**

    Collaborating with other students is a great way to learn as long as we are sure to choose students with whom we will stay or task with. One should

try to find various students in our class, rather than friends we already have. It can expand our social group and help to focus on the school or college work. Students who form study groups with one another can often learn more through method learning by teaching. When students explain concepts to one another, they are able to learn and absorb the information more easily. Inversely, students that may need clarification on areas of study are able to ask peers in order to be able to better understand the course materials.

**15. Take advantage of institutional resources**

Utilizing institutional resources for setting goals and creating positive study habits tremendously aids in a student's success. Institutional resources are abundant and the students who take advantage of such resources are much more likely to succeed. Such resources include the utilization of libraries, career centers and centers that provide tutoring and knowledge (for example: student writing centers, math centers, etc).

**16. Take on a manageable course load**

When taking on a well-balanced course load, students are more likely to succeed because of realistic expectations in the work load that can be handled successfully.

**17. Attendance**

This should be in common sense - if the students go to class, they will likely become more successful in the course. Obviously, the course material is presented during class periods and students that are paying attention tend to learn while in class and, thus, are more likely to perform well on exams.

**18. Participation**

Going to class is one thing but paying attention and participating in classes is another. If we listen to the lessons, questions are likely to arise. If they come up in class, we should ask. If one is too shy in a large class, he or she should ask the professor after class or during office hours. It's important to know, however, that if one has got a question, it's likely that other students have the same question as well.

**19. Healthy diet for body and mind**

To be a better student, mental and physical healths are unavoidable requirements. We should eat a variety of foods from each group (proteins, carbohydrates, and fats). Snack on whole foods like fresh fruits, vegetables, or nuts to keep us energized between meals. Meditation, Yoga and physical exercises are also needed.

Being an excellent student has more benefits than just getting good grades. In the short term, it will make a student more appealing college candidate and he/she may even qualify for some hefty scholarships. In the long term, the skills one learns at school or college will stick with him or her for the rest of the life, helping tackle any problem that comes life's way.





# STUDY OF THE GLANCE OF NATIONAL EDUCATIONAL POLICY 2020.

**Imran Hussain**
Part time Lecturer
Department of History

## ABSTRACT

The National Education Policy 2020 is a major landmark in the history of Indian Education. The new National Education Policy 2020 is based on the four pillars of education as- Access, Equity, Quality and Accountability. The principle of this policy is to develop good human beings capable of rational thought and action; possessing compassion and empathy; courage and resilience; scientific temper and creative imagination with sound ethical moorings and values.

The aims of the NEP 2020 is transforming India into a vibrant knowledge hub. The policy emphasises early childhood care and education with universal provisioning and equipping young children to participate and flourish in the educational ecosystem. Schools are gradually moving towards a flexible, multifaceted, multilevel, play-based, activity-based and inquiry and domain-based learning. The policy necessitates the continuation of the three language formula and its implementation to promote multilingualism a unique selling proposition (USP) of the educated Indian.It aims at producing engaged, productive and contributing citizens for building an equitable, inclusive and plural society as envisaged by our constitution.

**Keywords:**

National education policy; Multilingualism, Sustainable development, Quality of life; Structural modeling, Inclusive education.

**Introduction:**

National Education Policy 2020 envisions an India-centric education system that contributes directly to transforming our nation sustainably into an equitable and vibrant knowledge society by providing high-quality education to all. The NEP 2020 enacts numerous changes in India's education policy. It aims to increase state expenditure on education from around 3% to 6% of the GDP as soon as possible.

In India a new education policy typically comes along only once every few decades. The first education policy was in 1968, introduced by the administration under Mrs Indira Gandhi. This was replaced by the National education policy in 1986, by Mr. Rajiv Gandhi who was Prime Minister at that time. A few years later in 1992, it was slightly modified again by Prime Minister P V NarasimhaRao. And now in 2020, approximately three decades later, The National Education Policy 2020 (NEP 2020), which was approved by the Union Cabinet of India on 29 July 2020, outlines the vision of India's new education system.The new policy replaces the previous National Policy on Education 1986 .

**Vision:**

The vision of this policy envisages that the curriculum and pedagogy of our institutions must develop among the students a deep sense of respect towards the fundamental rights, constitutional values, bonding with one's country and a conscious awareness of one roles and responsibilities in a changing world. The vision of this policy is to instill among the learners a deep rooted pride in being Indian not only in thought but also in spirit, intellect and deeds.

The policy is a comprehensive framework for elementary education to higher education as well as vocational training in both rural and urban India. The policy aims to transform India's education system by 2040. A New Education Policy aims to facilitate an inclusive, participatory and holistic approach, which takes into consideration field experiences, empirical research, stakeholder feedback, as well as lessons learned from best practices. It is a progressive shift towards a more scientific approach to education. The prescribed structure will help to carry the ability of the child - stages of cognitive development as well as social and physical awareness. If implemented in it's true vision, the new structure can bring India as a leading countries of the world.

NEP 2020 aims to provide infrastructure support, innovative education centres to bring back dropouts into the mainstream, besides tracking students and their learning levels, facilitating multiple pathways to learning involving both formal and non-formal education modes and association of counsellors or well-trained social workers with schools. Having a single regulator for higher education institutions, multiple entry and exit options in degree courses, the low-stakes board exams, and common entrance exams for universities these are some of the key takeaways from the new policy. Each of these reforms reflects the fact that India is evolving as an economy and is preparing to be recognised as a force to be reckoned with.

Holistic development and a wide choice of subjects and courses are proposed as the new distinguishing feature of secondary school education. Today, the school planners and annual calendars are reflecting no hard separation amongst "curricular", "extra-curricular" and "co-curricular" activities among arts, humanities and science or between vocational or academic streams. With the idea that learning should be child-centric, holistic, integrated, enjoyable and engaging, schools are slowly beginning of arts, commerce and science streams in high school and aiming to introduce vocational courses with internships.

The policy envisages a 100 percent Gross Enrolment Ratio (GER) in school education by 2030. It is said that the jobs of the future are yet to be invented but with the focus on 21st-century skills scientific temper and evidence-based thinking, creativity and innovativeness, sense of aesthetics and art, oral and written communication, health and nutrition, physical education, wellness, fitness and sports, collaboration and teamwork, problem solving and logical reasoning, coding and computational thinking, environmental awareness, water and resources conservation etc. We are slowly beginning to resonate with the Fourth Industrial Revolution. Therefore, one of the targets is that curricular and pedagogical initiatives including the introduction of contemporary subjects such as artificial intelligence, design thinking, holistic health, organic living, etc, are integrated.

To ensure the quality of teacher education across all stages, the policy envisions teacher career progression via meritocracy and 360 degree assessments. Aiming for equitable and inclusive education, the policy reaffirms every citizen's right to





dream, thrive and contribute to the nation, bridging the social category gaps in access, participation and learning outcomes. To specially address their educational needs, the NEP has clubbed gender identities, socio-cultural identities, geographical identities, disabilities and socio-economic conditions to create a new social group called Socio-Economically Disadvantaged Groups (SEDGs).

More significantly, schools are to be hubs for endorsing resource efficiency and robust governance in the form of school clusters which aim to improve support for children where we care and share, collaborate and co-create the best pedagogical practices.

The National Education Policy 2020 has 'emphasised' on the use of local language as the medium of instruction till Class 5 while, recommending its continuance till Class 8 and beyond sanskrit and foreign languages will also be given emphasis. The Policy recommends that all students will learn three languages in their school under the 'formula'. At least two of the three languages should be native to India. It also states that no language will be imposed on the students.

**Target:**

The policy accords the highest priority to achieving Foundational Literacy and Numeracy by all students by Grade 3. The policy states, "The highest priority of the education system will be to achieve universal foundational literacy and numeracy in primary school by 2025. The rest of this Policy will become relevant for our students only if this most basic learning requirement i.e., reading, writing and arithmetic at the foundational level is first achieved. To this end, a National Mission on Foundational Literacy and Numeracy will be set up by the Ministry of Education on priority.

Accordingly all State governments will immediately prepare an implementation plan for attaining universal foundational literacy and numeracy in all primary schools, identifying stage-wise targets and goals to be achieved by 2025 and closely tracking and monitoring progress of the same." Subsequently, the NIPUN Bharat Mission was launched on 5 July 2021 to achieve this goal.

The "10+2" structure will be replaced with "5+3+3+4" model This will be implemented as follows:

**Foundational Stage:**

This is further subdivided into two parts: 3 years of preschol or anganwadi, followed by classes 1 and 2 in primary school. This will cover children of ages 3-8 years. The focus of studies will be in activity based learning.

**Preparatory Stage:**

Classes 3 to 5, which will cover the ages of 8-11 years. It will gradually introduce subjects like speaking, reading, writing, physical education, languages, art, science and mathematics.

**Middle Stage:**

Classes 6 to 8, covering children between ages 11 and 14. It will introduce students to the more abstract concepts in subjects of mathematics, sciences, social sciences, arts and humanities.

**Secondary Stage:**

Classes 9 to 12, covering the ages of 14-19 years. It is again subdivided into two parts: classes 9 and 10 covering the first phase while classes 11 and 12 covering the second phase. These 4 years of study are intended to inculcate multidisciplinary study, coupled with depth and critical thinking. Multiple options of subjects will be provided.

* Instead of exams being held every academic year, school students will only attend three exams in classes 2, 5 and 8.
* Board exams will be continued to be held for classes 10 and 12 but will be re-designed. Standards for this will be established by an

assessment body, PARAKH (Performance Assessment, Review and Analysis of Knowledge for Holistic Development).To make them easier, these exams would be conducted twice a year, with students being offered up to two attempts. The exam itself would have two parts, namely the objective and the descriptive.

* This policy aims at reducing the curriculum load of students and allowing them to be more "inter-disciplinary" and "multilingual". One example given was "If a student wants to pursue fashion studies with physics, or if one wants to learn bakery with chemistry, they'll be allowed to do so."Report cards will be "holistic", offering information about the student's skills.
* Coding will be introduced from class 6 and experiential learning
* The Mid-day meal scheme will be extended to include breakfasts. More focus will be given to students' health, particularly mental health, through the deployment of counsellors and social workers.

**Higher education:**

* It proposes a 4-year multi-disciplinary bachelor's degree in an undergraduate programme with multiple exit options. These will include professional and vocational areas and will be implemented as follows:

1. A certificate after completing 1 year of study.
